সোণাৰি মহাবিদ্যালয় আলোচনী

২০০১-২০০২ আৰু ২০০২-২০০৩ বৰ্ষ

# সোণালী



সম্পাদক ঃ বিপ্লৱজ্যোতি ৰাজখোৱা
ভাস্কৰ বৰুৱা



মহাবিদ্যালয়ৰ সমুখৰ তোৰণ



পুথিভঁৰাল



প্ৰেক্ষাগৃহ



বিহংগম দৃষ্টিত সোণাৰি মহাবিদ্যালয়

সোণাৰি মহাবিদ্যালয় আলোচনী

২০০২-২০০৩ বৰ্ষ

# সোণালী

সম্পাদক - বিপ্লৱজ্যোতি ৰাজখোৱা

# সোণালী'ৰ সম্পাদনা সমিতি


উপদেষ্টা মণ্ডলী : শ্ৰীযুতা ৰতিপ্ৰভা গগৈ, প্ৰবক্তা, অসমীয়া বিভাগ
শ্ৰীযুত বিনন্দ মহন, প্ৰবক্তা, অসমীয়া বিভাগ
শ্ৰীযুত সুনীল দত্ত, প্ৰবক্তা, ইংৰাজী বিভাগ
শ্ৰীযুত পৰানন কোঁৱৰ, প্ৰবক্তা, অৰ্থনীতি বিভাগ

সম্পাদক : **বিপ্লৱজ্যোতি ৰাজখোৱা**

সদস্য : জ্যোতিপ্ৰসাদ চাবুকধৰা
জীৱনজ্যোতি হাজৰিকা
ৰাজেন চেতিয়া

বেটুপাতৰ প্ৰথম পৃষ্ঠাৰ চিত্ৰাঙ্কন
: নিৰ্মলজ্যোতি কোঁৱৰ

অঙ্গসজ্জা, চিত্ৰাঙ্কন আৰু বেটুপাত পৰিকল্পনা
: পৰানন কোঁৱৰ

প্ৰকাশক : সোণাৰি মহাবিদ্যালয়, ছাত্ৰ একতা সভা, শিৱসাগৰ

মুদ্ৰণ : ডি. এম. অফছেট প্ৰিণ্টাৰ্ছ, শিৱসাগৰ

ডি. টি. পি. : চন্দ্ৰ সন্দিকৈ, ৰুবুল দাস, জিতুমণি বৰুৱা।

**SONALI : Annual issue, Sonari College Magazine, Edited by Biplob Jyoti Rajkhowa & Published by Sonari College Students' Union, for the session 2002-2003.**


## ঃ তেজস্বি নাৱধীতমস্তু ঃ

ওপৰত মহাবিদ্যালয়ৰ প্ৰতীকটি প্ৰদৰ্শন কৰা হৈছে। প্ৰতীকটিত উল্লিখিত সংস্কৃত বাক্যটি তৈত্তিৰীয়োপনিষদৰ পৰা উদ্ধৃত। "তেজস্বি নাৱধীতমস্তু" (তেজস্বি নৌ অধীতম্ অস্তু) ৰ অৰ্থ আমাৰ দুয়োৰে(ছাত্ৰ-অধ্যাপক) অধ্যয়ন আৰু অধীত বিষয় সমূহ উজ্বল হওঁক।

উক্ত উপনিষদৰ ব্ৰহ্মবল্লী অধ্যায়ৰ প্ৰথম অনুবাক্যৰ আৰম্ভতে এটি মঙ্গলাচৰণ আছে। তাত অধ্যয়ন আৰম্ভ কৰাৰ আগতেই শিষ্য আৰু আচাৰ্য্য উভয়ে এইদৰে প্ৰাৰ্থনা কৰিছে - "শং নো মিত্ৰঃ শং বৰুণঃ..... ঋতং ৱদিষ্যামি। সত্যং ৱদিষ্যামি। তন্মা মৱতু। ... সহ নাৱৱতু। সহ নৌ ভুনক্তু। সহ বীৰ্যং কৰৱাৱাৱহৈ। তেজস্বি নাৱধীতমস্তু। মা ৱিদ্বি যাৱহৈ। ওঁ শান্তিঃ শান্তিঃ শান্তিঃ।।" ইয়াৰ অৰ্থ মিত্ৰ বা সূৰ্য্য আমাৰ প্ৰতি মঙ্গলদায়ক হওঁক। বৰুণ আমাৰ প্ৰতি মঙ্গলদায়ক হওঁক।... যিটো চিৰন্তন তাকহে কম। যিটো সত্য তাকহে কম। সি মোক ৰক্ষা কৰক। ..... আমাৰ উভয়কে পালন কৰক। আমৰ দুয়োকে আহাৰ দিয়ক। আমি দুয়ো একেলগে বিদ্যা উপাৰ্জনৰ কাৰণে প্ৰয়োজনীয় বীৰ্য্য বা শক্তি লাভ কৰিবলৈ যত্ন কৰোহঁক। আমাৰ দুজনৰ অধ্যয়ন আৰু অধীনত বিষয় সমূহ তেজস্বি অৰ্থাৎ উজ্বল্য যুক্ত হওঁক। আমি যেন পৰস্পৰে বিদ্বেষ নকৰোঁ। ওঁ শান্তিঃ শান্তিঃ। শঙ্কৰাচাৰ্য্যৰ ব্যাখ্যত আছে - "তেজস্বি নাৱৱয়োস্তেজস্বিনোধীতং স্বধীতমস্ত। আৱয়োঃ - আমাৰ দুজনৰ অধীতম্ অধীত বিষয়, তেজস্বি - স্বাথীতম্ (সু ঋ অথীতম্), অস্তু।

এই বাক্যৰ তাৎপৰ্য হ'ল - অধ্যয়নৰ প্ৰথম অৱস্থাতেই এটি সজ উদ্দেশ্যৰ প্ৰতি সঙ্কল্প গ্ৰহণ। এই অধ্যয়ন যাতে তেজঃযুক্ত, উজ্বল, বুদ্ধিদীপ্ত আৰু জ্ঞানৰ আলোকেৰে উদ্ভাসিত হয় - আঁৰ নথকা হয়। এই অধ্যয়ন যাতে সকলোৰে কল্যাণৰ কাৰক হয়, তাৰ কাৰণে কেৱল ছাত্ৰ সকলৰে নহয়- ছাত্ৰ-অধ্যাপক উভয় সমাজৰে সঙ্কল্প গ্ৰহণ। ইয়াত ছাত্ৰ আৰু অধ্যাপকৰ ঘনিষ্ঠতৰ সম্বন্ধৰ ইঙ্গিত দিয়া হৈছে আৰু সেই আদৰ্শ দাঙি ধৰা হৈছে। এই মহাবিদ্যালয়ৰ ছাত্ৰ অধ্যাপক সকলো মিলি এখনি বিশেষ সমাজ - এটি বিশেষ পৰিয়াল- আগত এটা স্থিৰ লভ্য- আমাৰ আধ্যয়ন জ্ঞান গৌৰৱৰ আলোকেৰে, উজ্বলতাৰে উদ্ভাসিত হৈ উঠক।

প্ৰতীকৰ বাবে উক্ত বাক্যটি নিৰ্বাচন কৰি দিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মূৰব্বী অধ্যাপক ড° মুকুণ্ড মাধৱ শৰ্মাদেৱে (এম-এ, পি-এইচ-ডি, ডি-লিট্, কলকতা) আৰু প্ৰতীকটি আঁকি দিছে চিত্ৰশিল্পী শ্ৰী শৰৎ বৰুৱাদেৱে। দুয়োলৈ আন্তৰিক কৃতজ্ঞতা থাকিল।

# শ্র দ্ধা ঞ্জ লি

বিগত ২০০২ বৰ্ষত

অসমৰ সাহিত্য জগতৰ পৰা

যিসকল লোকে

অনন্তধামলৈ গতি কৰিলে

সেইসকললৈ

**শ্ৰদ্ধাঞ্জলি**

জ্ঞাপন কৰিছোঁ।

# কৃতজ্ঞতা স্বীকাৰ

**অধ্যক্ষা** ঃ শ্ৰীযুতা কমলাৱতী দাস শইকীয়া

**উপাধ্যক্ষা** ঃ শ্ৰীযুতা ৰতিপ্ৰভা গগৈ


**শিক্ষকমণ্ডলী** ঃ শ্ৰীযুত বিনন্দ মহন
শ্ৰীযুত অৰ্পণ বৰুৱা
শ্ৰীযুত সুনীল দত্ত
শ্ৰীযুত সুশীল চুড়ী
শ্ৰীযুত টংকেশ্বৰ বৰুৱা
শ্ৰীযুতা ৰীতা দত্ত
শ্ৰীযুতা দীপাঞ্জলী গগৈ
শ্ৰীযুতা বিজয়লক্ষ্মী গগৈ
শ্ৰীযুত পৰানন কোঁৱৰ
শ্ৰীযুত ৰঘুনাথ কাগ্য়ুং
শ্ৰীযুতা মমী বৰুৱা
আৰু মহাবিদ্যালয়ৰ অন্যান্য শিক্ষক -শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দ।

**বন্ধু-বান্ধৱী** ঃ জ্যোতি, জীৱন, নিৰ্মল, ভাস্কৰ, তপন, লাটু, ৰনোজ, মৃদুল, ৰমেন, নিহাৰ, হীৰা, ফিৰোজা, নীলাক্ষী, ভদ্ৰেশ্বৰ, ৰাজেন, মামনি, ৰূপালী, প্ৰিয়ংকা, প্লাৱিতা, ৰিজু, মাধৱী, পাপুলী, স্মৃতি, কুঞ্জ, বলিন, ৰমণী, জিন্তু, পিঞ্জু, মনিষা, মিণ্টু, জান্তু, জিতু, বিদ্যুৎ, পলাশ, জয়ন্ত, ক্ষীৰোদ, বিজয়, বৃন্দাবন, মাধৱ, ৰিতু, ইন্দ্ৰ, লেখক, অপূৰ্ব আৰু 'সোণালী'লৈ মূল্যবান লেখনিৰে যিসকলে সহায় আগবঢ়াইছে সেইসকলৰ লগতে ডি.এম.অফছেট্ প্ৰিণ্টাৰ্ছৰ সমূহ কৰ্মচাৰীলৈ এই আপাহতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

# উৎসর্গা

যি কেইজন লোকৰ
আন্তৰিক প্ৰচেষ্টাৰ ফলস্বৰূপে
'সোণালী'ৰ
এই সংখ্যাটি প্ৰকাশ হৈ ওলাল
সেইসকলৰ হাতত
'সোণালী'ৰ
এই সংখ্যাটি
উৎসৰ্গা কৰিলোঁ






কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া
শ্ৰীযুতা কমলাৱতী দাস শইকীয়া

## ।। সম্পাদনাৰ কক্ষত ।।



উপদেষ্টা
শ্ৰীযুত বিনন্দ মহন



উপদেষ্টা
শ্ৰীযুত সুনীল দত্ত




উপদেষ্টা
শ্ৰীযুত পৰানন কোঁৱৰ




সম্পাদক
শ্ৰী বিপ্লৱজ্যোতি ৰাজখোৱা



সদস্য
শ্ৰী জ্যোতিপ্ৰসাদ চাবুকধৰা



সদস্য
শ্ৰী জীৱনজ্যোতি হাজৰিকা




সদস্য
শ্ৰী ৰাজেন চেতিয়া




## সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া



আলোচনী বিভাগৰ সম্পাদক
শ্ৰী বিপ্লৱজ্যোতি ৰাজখোৱা




তৰ্ক বিভাগৰ সম্পাদক
শ্ৰী নিৰ্মলজ্যোতি কোঁৱৰ



সমাজসেৱা বিভাগৰ সম্পাদক
শ্ৰী পলাশ বৈৰাগী



শৰীৰ চৰ্চা বিভাগৰ সম্পাদক
শ্ৰী ৰাজেন বুঢ়াগোহাঁই




ছাত্ৰ জিৰণি চ'ৰা বিভাগৰ সম্পাদক
শ্ৰী জাণ্টু বৰগোহাঁই



ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকা
শ্ৰীমতী লেখামণি কোঁৱৰ

ফটোত অনুপস্থিত উপসভাপতি শ্ৰী প্ৰাঞ্জল গগৈ আৰু সাহিত্য বিভাগৰ সম্পাদিকা শ্ৰীমতী জিন্টি ফুকন।

# সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া




সাধাৰণ সম্পাদক
শ্ৰী ভদ্ৰেশ্বৰ দেউঘৰীয়া



সহকাৰী সাধাৰণ সম্পাদক
শ্ৰী বিকাশ গগৈ




গুৰু খেল বিভাগৰ সম্পাদক
শ্ৰী জিতু বড়া



লঘু খেল বিভাগৰ সম্পাদক
শ্ৰী পলাশ বৰমুদৈ



সাংস্কৃতিক বিভাগৰ সম্পাদক
শ্ৰী নিহাৰজ্যোতি সোণোৱাল



সঙ্গীত বিভাগৰ সম্পাদক
শ্ৰী মনোজ কুমাৰ মহন



# আমাৰ গৌৰৰ

ড০ ৰাণা কোঁৱৰ ঃ এখেতে ২০০২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ৰসায়ন বিজ্ঞান বিভাগত ডক্টৰেট ডিগ্ৰী লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

শ্ৰীডম্বিধৰ টায়ে ঃ এওঁ ৭ ছেপ্তেম্বৰ ২০০২ তাৰিখে গড়গাঁও মহাবিদ্যালয়ত আয়োজিত সদৌ অসম তনু কোঁৱৰ সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ তাৰ্কিক হিচাপে নিৰ্বাচিত হৈ সোণাৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।





শ্ৰীঅৰূপ দত্ত ঃ এওঁ ২০০২ বৰ্ষৰ স্নাতক পৰীক্ষাত প্ৰাণী বিজ্ঞান বিভাগত ডিষ্টিংচনসহ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

শ্ৰীৰাজু দে ঃ এওঁ ২০০২ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক পৰীক্ষাত উদ্ভিদ বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।



## কেমেৰাৰ লেন্সত




সোণাৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত "অসমীয়া সংস্কৃতি গঠনত ভিন্ন জনগোষ্ঠীৰ উপাদান" শীৰ্ষক আলোচনা চক্ৰত ভাষণৰত অৱস্থাত অসমৰ সু-সাহিত্যিক ড° নগেন শইকীয়াদেৱ।



**২০০২ বৰ্ষৰ নৱাগত আদৰণী সভা উপলক্ষে আলোচনী বিভাগে প্ৰকাশ কৰি উলিওৱা মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যয়' উন্মোচন কৰিছে সদৌ অসম লেখিকা সন্থাৰ প্ৰাক্তন সভানেত্ৰী শ্ৰীযুতা চিত্ৰলতা ফুকন বাইদেৱে।**



**সোণাৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত "অসমীয়া সংস্কৃতি গঠনত ভিন্ন জনগোষ্ঠীৰ উপাদান" শীৰ্ষক আলোচনা চক্ৰত ভাষণৰত অৱস্থাত মৰাণ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী প্ৰবক্তা ড° দয়ানন্দ বৰগোহাঁই ছাৰ।**




**মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একাংশ।**



# সূ চী প ত্ৰ


## প্ৰবন্ধ




- বৰ্তমানৰ যুৱ-উচ্ছৃঙ্খলতাৰ সমাধান নাইনে? / *অৰ্পণ কুমাৰ বৰুৱা* / ১
- মানৱ সম্পদ, শিক্ষা আৰু উন্নতি / *সুশীল কুমাৰ চুঁড়ী* / ৪
- আধুনিক অসমীয়া নাটকৰ ভেটি স্থাপনত হেমচন্দ্ৰ-গুণাভিৰামৰ ভূমিকা / *ৰীতা দত্ত* / ৬
- কইনা হোৱাৰ হেঁপাহ আৰু নাৰী স্বাধীনতা / *ৰতি প্ৰভা গগৈ* / ৮
- ক্ৰিপ্‌ট' গ্ৰাফী / *টংকেশ্বৰ বৰুৱা* / ১০
- উদাৰ দৃষ্টিভঙ্গীৰ নিদৰ্শন তাই আহোম জাতি / *নৱ ফুকন* / ১২
- সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য / *জীৱনজ্যোতি হাজৰিকা* / ১৩
- সন্মান / *ৰাজেন চেতিয়া* / ১৪
- শিক্ষাৰ ক্ষেত্ৰত নৈতিক চৰিত্ৰৰ প্ৰয়োজনীয়তা / *সন্দীপদে* / ১৬
- ভাৰতীয় অৰ্থনীতিত কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ ভূমিকা / *লেখক চন্দ্ৰ গগৈ* / ১৮
- যুৱ সমাজ আজি কোন দিশে / *বিজয়লক্ষ্মী গগৈ* / ২০


## কবিতা


- ২২ / *অনুবাদ- পৰানন কোঁৱৰ* / দুটা অনুবাদ কবিতা
- ২৩ / *ৰঘুনাথ কাগ্‌য়ুং* / শৰত ঃ বিয়লিৰ খিৰিকিৰে
- ২৩ / *আব্দুল মাজাদ* / সোমাই আহক
- ২৪ / *অনন্ত গগৈ* / মেক্সৰ পৰা ৰে'বে'কলৈ
- ২৪ / *জ্যোতি প্ৰসাদ চাবুকধৰা* / আহিন
- ২৫ / *বলিন কোঁৱৰ* / বোকা
- ২৫ / *পুলক দাস* / মোৰ অনুভূতি
- ২৫ / *শিখামণি কোঁৱৰ* / এটা কবিতাৰ আহ্বানত
- ২৬ / *ৰণোজ টায়ে* / শ্ৰদ্ধাঞ্জলি
- ২৬ / *এমি গগৈ* / হিয়াৰ গোপন খবৰ

## গল্প


- প্ৰত্যাৰ্পণ / *বিজয়লক্ষ্মী গগৈ* / ২৭
- মৃতদেহৰ সুবাস / *নিৰঞ্জন শইকীয়া* / ২৯
- অনুশোচনা / *ইমাৰাণী বৰুৱা* / ৩২
- আলিবাটৰ গল্প / *অনু মাহাত্ব* / ৩৫
- ধূসৰ গতিৰে নিষ্ঠুৰ সময় / *মামনি পাংগিং* / ৩৬
- উদাসী প্ৰাণৰ অভিসাৰ / *জয়ন্ত ফুকন* / ৩৯
- অটল বিশ্বাস / *অনুজ চাংমাই* / ৪৩




## ৰস ৰচনা


- ওস্তাদ অলৰাউণ্ডাৰ / *নিলোৎপল দুৱৰী* / ৪৮

- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন / ৫০
- NAAC A STIMULATING AGENCY/*Sunil Dutta/51*
- Roman Comedy And The History of Drama/ *Mrs. Deepanjali Gogoi/56*
- "Ooty" at a glance/*Momee Boruah/59*
- INTRODUCTION TO COMPUTER/ *Sri Jitu Sharma/60*
- SOME IMPORTANT FACTS/*Neli Das/64*

# সম্পাদকীয়

উজনি অসমৰ বুৰঞ্জীয়ে পৰশা শিৱসাগৰ জিলাৰ এখন উচ্চ শিক্ষাৰ অনুষ্ঠান সোণাৰি মহাবিদ্যালয়। ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখৰ পৰা আজিলৈকে নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে এই অনুষ্ঠানটিয়ে সফলতাৰ শিখৰলৈ আগবাঢ়ি যাবলৈ সক্ষম হৈছে। কলা আৰু বিজ্ঞান শাখাত পাঠদান হোৱা সোণাৰি মহাবিদ্যালয়ত বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় এহাজাৰৰ ওচৰত। আমাৰ এই সোণাৰি মহাবিদ্যালয়ৰ প্ৰায় ৭০-৮০ শতাংশ ছাত্ৰ-ছাত্ৰীয়েই গাঁৱৰ। গাঁৱৰ ছাত্ৰ-ছাত্ৰীৰে নানা অসুবিধাৰ মাজতো এই মহাবিদ্যালয়ে প্ৰায় প্ৰতিবছৰে স্নাতক শাখাৰ পৰা ২-৩ জনকৈ প্ৰথম শ্ৰেণী পোৱা ছাত্ৰ-ছাত্ৰী গঢ়িবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও খেল-ধেমালি, তৰ্ক, কুইজ আদিতো আমাৰ ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিভিন্ন অঞ্চলত নাম কৰিবলৈ সক্ষম হৈ আহিছে। এই মহাবিদ্যালয়ৰে বাৰ্ষিক মুখপত্ৰ 'সোণালী'য়ে অনেক ছাত্ৰ-ছাত্ৰীক পিছৰ সময়ত সমাজৰ এজন বিখ্যাত কবি বা সাহিত্যিক ৰূপে প্ৰতিষ্ঠা কৰিছে। এনে এখন মহাবিদ্যালয়ৰ এজন ছাত্ৰ আৰু এইবাৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদকৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰিবলৈ পাই মই গৌৰবান্বিত।

**তিনিটা চিন্তনীয় বিষয় ঃ**

১। অসমৰ শিক্ষাজগত ঃ বৰ্তমান অসমৰ শিক্ষাজগতত এক অস্থিৰতা বিৰাজমান। হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণ আদি নানা অসামাজিক কাৰ্য্যকলাপে বৰ্তমান সমাজখন ছানি ধৰিছে। ইয়াৰ প্ৰভাৱ শিক্ষা ক্ষেত্ৰতো পৰিছে। বিদ্যালয়, মহাবিদ্যালয় সমূহৰ শ্ৰেণীৰ পাঠদান অনিয়মীয়া হোৱাৰ ফলত টিউচন সংস্কৃতিয়ে গা কৰি উঠিবলৈ সক্ষম হৈছে আৰু ইয়াৰ কু-প্ৰভাৱ পৰিছে দুখীয়া মেধাবী ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত। আমাৰ শিক্ষাৰ মানদণ্ড জোখাৰ একমাত্ৰ মাধ্যম পৰীক্ষা। পৰীক্ষা গৃহত নকলৰ পয়োভৰ, নকল মাৰ্কচিট, পৰীক্ষাৰ ফলাফল ঘোষণাত বিলম্বৰ লগতে ফলাফলত বৈ যোৱা অসোঁৱাহ আদিয়ে আজি সকলোকে এই ব্যৱস্থাৰ প্ৰতি দকৈ ভাৱিবলৈ বাধ্য কৰাইছে। আনহাতে আজি কালি কাঠফুলাৰ দৰে বাঢ়ি অহা ব্যক্তিগতখণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহেও সচেতন ব্যক্তিসকলক চিন্তিত কৰি তুলিছে। অতি সোনকালে আমি সচেতন নহ'লে অসমৰ ভৱিষ্যতৰ শিক্ষাজগত যে অন্ধকাৰ সি ধ্ৰুৱপ।

২। যুৱ উচ্ছৃংখলতা ঃ আজিকালি সমাজত প্ৰায়ে ব্যৱহৃত এটা শব্দ হৈছে 'যুৱ উচ্ছৃংখলতা'। এই 'যুৱ উচ্ছৃংখলতা' বুলি কলে বহু ধৰণৰ কাৰ্য্যই ইয়াৰ ভিতৰত সোমাই পৰে। ৰাস্তা-ঘাট, দোকান-পোহাৰত সময়ৰ অপচয় ঘটাই মুখত জলন্ত চিগাৰেট লৈ বাটৰুৱাক উদ্দেশ্য কৰি নানা মন্তব্য কৰা দলটোৰ পৰা আৰম্ভ কৰি মহানগৰৰ অভিজাত হোটেলত হাতত সুৰাৰ পাত্ৰ লৈ বিপৰীত লিংগজনেৰে সৈতে পশ্চিমীয়া যৌন সংগীতৰ লগত তাল মিলাই দেউতাকহঁতৰ ক'লা টকাৰ শৰাধ কৰা দলটোলৈকে সকলোৱে বৰ্তমান সমাজৰ চিন্তাশীল ব্যক্তিসকলক চিন্তিত কৰি তুলিছে। এই উচ্ছৃংখলতাৰ ফলতে বৃদ্ধি পাইছে হত্যা-ধৰ্ষণ, কাজিয়া-মাৰপিট আদিৰ ঘটনা। আজিকালিৰ ল'ৰাই কোনো কাম নকৰে।



এই কথা সততে শুনিবলৈ পোৱা যায়। গতিকে তেওঁলোকে আহৰণ কৰা শক্তি ব্যয় কৰিবলৈ এনেবোৰ কাৰ্য্য কৰা তেওঁলোকৰ বাবে অত্যন্ত জৰুৰী হৈ পৰিল। আনহাতে যুৱতী সকলেও যুৱকসকলতকৈ কোনো গুণে পিছ পৰি থাকিব খোজা নাই। আধুনিকতাৰ নামত নামমাত্ৰ বস্ত্ৰ পৰিধান কৰি কোনো আঢ্যৱন্ত পৰিয়ালৰ যুৱকসকলৰ বাইকৰ পিছত উঠি ঘূৰি ফুৰিবলৈ যুৱতীসকলে হেলা নকৰে। ইয়াৰ ফলত 'আধুনিক যুৱতী' সকলে নিজেই নিজৰ বিপদ মাতি আনিছে। এইবোৰ কথা চিন্তা কৰিবলৈ কাৰো সময় নাই। কিন্তু এতিয়াও যদি আমি এনেদৰে চকুমুদা কুলিৰ ভাও ধৰি বহি থাকো তেনেহ'লে আমাৰ সমাজখন ধ্বংসৰ পৰা ধ্বংসলৈ গতি কৰাত কোনোৱে বাধা দিব নোৱাৰিব।

৩। জীৱনৰ মূল্যৱান সময় ঃ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উঃ মাঃ শিক্ষান্ত পৰীক্ষা পাছ কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষাৰ বাবে আহে মহাবিদ্যালয়লৈ। অনেক আশা আকাংক্ষা, কেৱল পঢ়াই নহয়, লগতে জীৱনৰ প্ৰকৃত আনন্দ উপভোগ কৰা, ঘৰৰ-স্কুলৰ কঠোৰ বান্ধোনৰ পৰা মুকলিমনেৰে, স্বাধীনভাৱে জীৱনটো উপভোগ কৰা, সমাজৰ লগত নানা প্ৰকাৰে জড়িত হোৱা, বাহিৰৰ জগতৰ লগত চিনাকি হোৱা আদি অনেক উদ্দেশ্য। তেওঁলোকে অনেক সপোন বুকুত বান্ধি আহে। লগতে অভিভাৱক বা মাক-দেউতাকৰো অলেখ সপোন এজন সমাজৰ পূৰ্ণ নাগৰিক হোৱা, জীৱনত প্ৰতিষ্ঠা লাভ কৰা ইত্যাদি। কিন্তু ইয়াৰে কেইজনে এই সপোন বাস্তৱত পৰিণত কৰিবলৈ সক্ষম হয়? কলেজীয়া জীৱনটো হ'ল নিজকে গঢ় দিয়াৰ সময়। ইয়াৰ বাবে কিছুমান বিশেষ গুণৰ প্ৰয়োজন হয়। যেনে - নিয়মানুৱৰ্তীতা, শৃংখলাবদ্ধতা, সময়ানুৱৰ্তীতা, কঠোৰ শ্ৰম কৰিব পৰা মানসিক শক্তি ইত্যাদি। এই সময়খিনি দোকানৰ মুখত, তিনিআলি-চাৰিআলিত আড্ডা পিটাৰ সময় নহয়, নাইবা গোটেই নিশা বন্ধুৰ লগত তাচ আদি খেলি পুৱা দহ বজালৈকে শুই থকাৰ সময় নহয়। কিন্তু বহুতেই যৌৱনৰ উন্মাদনাত নিজৰ কৰ্তব্য পাহৰি এনেবোৰ কাৰ্য্যত লিপ্ত হোৱা দেখা যায়। যাৰ বাবে পিছত তেওঁলোকে অনুশোচনা কৰিব লগা হয়। কলেজৰ সময়খিনি সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে অতি মূল্যবান। শ্ৰেণীৰ জিৰণি সময়খিনিত আমি আমাৰ বন্ধু-বান্ধৱী সকলেৰে সৈতে কোনো তত্ত্ব গধূৰ আলোচনা আদি কৰিব পাৰো। যাৰ জৰিয়তে আমি চিন্তা শক্তি আৰু বিশ্লেষণী শক্তি আহৰণ কৰিব পাৰো। নাইবা আমাৰ মহাবিদ্যালয় সমূহত থকা পুথিভঁৰালত আমি সময় কটাব পাৰো। কিন্তু আমি কিমানে পুথিভঁৰালৰ উচিত ব্যৱহাৰ কৰিছোঁ সেইটো চিন্তা কৰিবলগীয়া। অৱশ্যে এইটো স্বীকাৰ কৰিবলগীয়া যে আমাৰ পুথিভঁৰালসমূহৰ অৱস্থা অতি দুখ লগা। প্ৰয়োজনীয় কিতাপ পত্ৰৰ অভাৱৰ লগতে অধ্যয়নৰ সুব্যৱস্থাৰো অভাৱ বহু মহাবিদ্যালয়ত।

শেষত আপোনালোকৰ বহু আকাঙ্খিত আলোচনীখনত অজানিতে বৈ যোৱা ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে —

বিপ্লৱ জ্যোতি ৰাজখোৱা
আলোচনী সম্পাদক
সোণালী, ২০০২-০৩ বৰ্ষ

প্ৰবন্ধ

*অৰ্পণ কুমাৰ বৰুৱা* *

# বৰ্তমানৰ যুৱ-উচ্ছৃংখলতাৰ সমাধান নাইনে?

আজিকালি সততে এষাৰ কথা বিভিন্নজনে ব্যক্ত কৰে যে আজিৰ যুৱক-যুৱতীসকল উচ্ছৃঙ্খল, দেও-গোসাঁই নমনা, বয়োজেষ্ঠ জনক সন্মান জনাব নেজানে আদি। দৈনিক কাগজে পত্ৰইও এইসকলৰ নানা কাহিনীৰে কাগজৰ পৃষ্ঠা ভৰি আছে। কিন্তু ইয়াতে প্ৰশ্ন হয় যে আজিৰ যুৱচামেই কেৱল উচ্ছৃঙ্খলনে? আচলতে প্ৰবীন চামে নবীন চামক এনে দৃষ্টিৰে চায়েই নেকি? কিন্তু ভালদৰে গমি চালে দেখা যায় যে যুগে যুগে বয়স্কসকলে কম বয়সীয়াসকলক উচ্ছৃঙ্খলেই দেখি আহিছে। কাৰণ এটা মন্তব্য প্ৰায়েই শুনা যায়, 'আজিৰ ল'ৰাবোৰ গুছিল।' আমাৰ ককাহঁতে দেউতাহঁতক কৈছিল, দেউতাহঁতে আমাক কৈছিল, আমি আমাৰ পিছৰ চামক কৈছো। তেওঁলোকে আকৌ তলৰ চামৰ প্ৰতি একে মন্তব্যকেই দিছে। আচলতে সময়ৰ পৰিবৰ্তনৰ লগে লগে সকলো কথাই পৰিবৰ্তন হৈছে। টি.ভি., ৰেডিঅ' আদিৰ নাম নুশুনা ঘৰতো টি.ভি., ৰেডিঅ', ডেক্ আদি হৈছে। নতুন চাইকেল এখন কিনাটো সপোনৰ কথা থকা ঘৰতো মটৰ বাইক, স্কুটাৰ, গাড়ী হৈছে। পিন্ধা-উৰা, কথা-বাৰ্তা, চাল-চলন পৰিবৰ্তন হৈছে। গতিকে পুৰণিচামে নতুন ধ্যান-ধাৰণাৰ লগত খাপ খাব নোৱাৰাৰ বাবেই উপৰোক্ত মন্তব্য দিয়ে যেন লাগে। যিসকলে আধুনিকতাৰ লগত খাপ খাইছে তেওঁলোকে সাধাৰণতে এনে মন্তব্য নিদিয়ে।

যুৱ-উচ্ছৃঙ্খলতা আজিৰ কথা নহয়। আগৰ পৰাই আছে, কাৰণ আমাৰ ৰামায়ণ, মহাভাৰত, অন্যান্য শাস্ত্ৰসমূহতো এনে উচ্ছৃঙ্খলতাৰ দেখাৰ উদাহৰণ আছে। মহাভাৰতৰ কৌৰৱসকল একপ্ৰকাৰ উচ্ছৃঙ্খলেই আছিল। কুন্তীৰ যুৱতীকালৰ উচ্ছৃঙ্খলতাৰ বাবেই হয়তো অবিবাহিত অৱস্থাতে পঞ্চ পুত্ৰৰ মাতৃ হৈছিল। পঞ্চ পাণ্ডৱৰ উচ্ছৃঙ্খলতা ৰোধ কৰিবলৈকে হয়তো দ্ৰৌপদীক পঞ্চপতি গ্ৰহণ কৰিবলৈ বাধ্য কৰা হৈছিল। কৌৰৱসকলৰ দ্বাৰা দ্ৰৌপদীৰ বস্ত্ৰহৰণো অন্য এক উদাহৰণ। ঠিক সেইদৰে ৰামায়ণৰ ৰাৱণ বা ৰাৱণপুত্ৰ ইন্দ্ৰজিৎ আৰু অন্য বহু ৰজা ৰাজকোঁৱৰৰ চৰিত্ৰতো উচ্ছৃঙ্খলতাৰ প্ৰমাণ পোৱা যায়। আনকি দেৱতাসকলৰ মাজতো উচ্ছৃঙ্খল দেৱতাই শাপগ্ৰস্ত হৈ শাস্তি ভোগ কৰাৰ কাহিনী আছে। আগৰ যুগতো নদীৰ পাৰত, পথাৰত, হাবিৰ কাষত কোনোবা যুৱক-যুৱতীৰ হিয়া দিয়া হৈছিল। কাৰোবাক কোনোবাই পলুৱাই নিছিল, কোনোবা পলাই আহিছিল। চোৰ, ডকাইত, গুণ্ডা, দগাবাজ আছিল, কাজিয়া-পেচাল আছিল। কিন্তু সেই সকলোবোৰতে শালীনতা আছিল। কিন্তু আজি শালীনতাৰ সীমা চেৰাই যোৱাটো চিন্তাৰ কাৰণ হৈছে।

বৰ্তমানৰ যুৱ-উচ্ছৃঙ্খলতাক তেতিয়াহ'লে প্ৰকৃততে উচ্ছৃঙ্খলতা বুলি ক'ব নোৱাৰি নেকি? এই প্ৰশ্নৰ উত্তৰ দিবলৈ আজি ২৫/৩০ বছৰ আগৰ আৰু বৰ্তমানৰ যুৱচামৰ কাৰ্যপ্ৰণালীৰ মাজত পাৰ্থক্য বিচাৰিলে বৰ্তমান যুৱচামৰ মাজত আগৰ তুলনাত উচ্ছৃঙ্খলতাৰ সৃষ্টি হৈছে বুলি ক'ব লাগিব। কাৰণ আগতে উচ্ছৃঙ্খল আচৰণ প্ৰদৰ্শন কৰা যুৱকসকলৰো লাজ, ভয়, বয়স্কজনৰ প্ৰতি সন্মান আদি কথাবিলাকে অলপ হ'লেও গুৰুত্ব পাইছিল। কোনোবাই চিগাৰেট এটা খালেও বয়স্কজনৰ পৰা লুকাই-চুৰকৈহে খাইছিল, কাৰোবাক বেয়া কথা এষাৰ কঁলেও পাছত কোনোবা মুহূৰ্তত সমনীয়াজনৰ আগত হ'লেও অনুতাপ কৰিছিল আৰু বয়স্কসকলেও কনিষ্ঠজন অচিনাকি হ'লেও

*প্ৰৱক্তা, অৰ্থনীতি বিভাগ



শাসন কৰাৰ কৰ্ত্তৃত্ব আছিল। কিন্তু আজি যুৱচামৰ মাজত তেনেবোৰ গুণৰ প্ৰকাশ নেদেখা বাবেই যুৱকসকলক উচ্ছৃঙ্খল বুলি ক'বলৈ মন যায়। আজিৰ যুৱ চামৰ একাংশই ঘৰৰ কাম-বন নকৰে, তিনি-আলি, চাৰি-আলিত গা-ঘেলাই আড্ডা মাৰি ফুৰে, বয়সৰ প্ৰতি লক্ষ্য নকৰাকৈ বিপৰীত লিঙ্গৰ প্ৰতি কটাক্ষ কৰে, মটৰ বাইক বা গাড়ী চলাই হৈ হাল্লা কৰে, সৰু কথাতে মাৰ-পিট, হত্যা, ধৰ্ষণ আদি কৰিব পাৰে। চিগাৰেট, মদ, ড্ৰাগচ আদি বাচ-বিচাৰ নকৰাকৈয়ে সেৱন কৰিব পাৰে। যাকে-তাকে যি কোনো কথা ক'ব পাৰে। বাচ, ট্ৰেইন, চিনেমা, থিয়েটাৰ, সভা-সমিতি, বিবাহথলী, পিক্‌নিক্ আদিত অন্য মানুহৰ উপস্থিতিলৈ কেৰেপ নকৰাকৈ হুলস্থুল কৰিব পাৰে। আৰু যে ক'ত কি?

এনে উচ্ছৃঙ্খলতাৰ কাৰণ বিশ্লেষণ কৰিলে প্ৰথমেই এষাৰ ইংৰাজী বাক্য মনলৈ আহে যে " An idle brain is a devil's workshop." কাম নোহোৱা মগজুত যক্ষই বাহ লয়। আমাৰ দিনত কি চহৰ, কি গাওঁ সকলো ল'ৰাছোৱালীয়েই পঢ়া-শুনাৰ লগতে খেতি-বাতি, বজাৰ-সমাৰ, খেলা-ধূলা, মিতিৰ-কুটুম্ব ফুৰা, বিয়া-সবাহ খোৱা আদি বিভিন্ন কামত ব্যস্ত থকা বাবে বেয়া চিন্তা মনলৈ আনিবলৈ সময় নাছিল। সমাজত ব্যস্ত থকা বাবে বেয়া চিন্তা মনলৈ আনিবলৈ সময় নাছিল। সমাজত বান্ধোন আছিল। সমাজ সাৰ্থকভাৱে পিছপৰা হ'লেও মানুহৰ মাজত মৰম-চেনেহ, দিয়া-থোৱা আদিও কৃপণালি নাছিল। তেনে শিক্ষা সৰুৰে পৰা পৰিয়ালতে পাইছিল। যৌথ পৰিয়ালত ককাই-ভাই, দদাই-ভতিজা, বাই-ভনী আদিৰে দপ্‌দপাই আছিল। কিন্তু আজি আমি তাৰ সম্পূৰ্ণ বিপৰীত প্ৰতিচ্ছৱি এখনহে দেখিবলৈ পাওঁ। বৰ্তমানৰ একক পৰিয়ালত এটা বা দুটা ল'ৰাছোৱালীৰ সীমিত পৰিয়ালত যৌথ পৰিয়ালৰ মৰম-চেনেহ, অন্যান্য সম্পৰ্ক, মান-সন্মান আদিৰ অৱনতি ঘটিছে। গতিকে নিজৰ মাক-দেউতাক আৰু ভাই বা ভনীজনী বা নিজেই অকলে থকাত জীৱনৰ বাবে কিছুমান অতি দৰকাৰী বস্তুৰ পৰা বঞ্চিত হৈছে। সেয়ে উপৰোক্ত উচ্ছৃঙ্খলতাসমূহ হয়তো আমি লক্ষ্য কৰিছো। একক পৰিয়ালত বৰদেউতা-বৰমা, দদাই-খুড়ী, মাহী-পেহী, মোমাই-ভাগিন, ভাই-ভনী-ভতিজা আদি সম্পৰ্কবোৰ হয়তো এটা সময়ত একেবাৰে লোপ পাব। অৰ্থাৎ আপোন বুলি ক'বলৈ কোনো নাথাকিব, সকলোৱেই পৰ হ'ব, লোকৰ হ'ব। ফলত ভৱিষ্যতে সমাজৰ বান্ধোন থাকিবনে?

আজিৰ যুৱচামৰ সৰহ অংশই যিহেতু আগৰ দৰে শাৰীৰিক, মানসিক শ্ৰম নকৰে, গতিকে তেওঁলোকৰ হাতত অফুৰন্ত সময়। সেই সময় কি কৰিব? তেওঁলোকে কিন্তু সময়মতে খাইছে, শুইছে। গতিকে শৰীৰে নিৰ্দ্দিষ্ট বল-শক্তি উৎপন্ন কৰিছে। সেই বল-শক্তি ক্ষয় কৰিবলৈ কোনো পৰিশ্ৰম নাই। আনকি খোজ কঢ়া, চাইকেল চলোৱা, কোৰ-কুঠাৰ মৰা, সাঁতোৰা আদি সাধাৰণ কথাবোৰো নাই। তেন্তে তেওঁলোকৰ বল-শক্তি কেনেকৈ ক্ষয় কৰিব? তেনে সময়তে মগজুত থকা যক্ষটোৰে, বেজবৰুৱাদেৱে কোৱা 'কু-মতি' টোৱে তেওঁলোকক আচাৰ্য কৰায় আৰু তাৰ ফলতেই যত চব বিশৃঙ্খলতা।

বৰ্তমান টি.ভি.ৰ চিনেমা, চিৰিয়েল, বিভিন্ন বিজ্ঞাপন, নতুন নতুন ভোগ্য দ্ৰব্যৰ বজাৰত প্ৰৱেশ, শিক্ষাৰ নামত অশিক্ষা, শিক্ষা সংস্কাৰৰ নামত কেৱল শিক্ষা গ্ৰহণৰ সময়সূচী বা ইখনৰ ঠাইত সিখন একেধৰণৰ কিতাপৰ প্ৰচলন আদিয়ে যুৱচামৰ অধোগতি কৰিছে। বহু অভিভাৱকেও নিজৰ পো-জী ক'ত আছে, ক'ত গৈছে, কি খাইছে, ক'ত ফুৰিছে কোনো খবৰ নাৰাখে। দুৰ্নীতিৰ যোগেদি অহা প্ৰাচুৰ্য্যই এচামক নিশাচৰ প্ৰাণীলৈ পৰিবৰ্তন কৰিছে। সহজলভ্য ধনে, বিনা পৰিশ্ৰমে আহৰণ কৰা সম্পদে যুৱকসকলক বিপথগামী কৰিছে। আগৰ দিনত যুৱক এজনে নিজৰ প্ৰয়োজনীয় ঘড়ী এটা, চাইকেল এখন, জোতা এজোৰ ল'বলৈ হ'লে কোনোবাই মাহ, সৰিয়হ, কুঁহিয়াৰ বা ধানকে অলপ বেছিকৈ কৰি থয়। এনেদৰে কষ্টোপাৰ্জিত ধনৰ যোগেদি আহৰণ কৰা বস্তুটোৰ প্ৰতি যিটো মৰম বা যি আনন্দ পোৱা যায় সহজলভ্য ধনে তেনে মৰম বা আনন্দ কেতিয়াও দিব নোৱাৰে।

তদুপৰি দেশৰ অৰ্থনীতি, ৰাজনীতি, সমাজনীতি, নৈতিকতা, ধৰ্ম, শিক্ষা ব্যৱস্থা, চাকৰি, ব্যৱসায় আদি সকলো দিশৰ অৱক্ষয়ে যুৱচামক বিভ্ৰান্ত কৰি তুলিছে। দেশৰ স্বাধীনতাৰ সুদীৰ্ঘ দিনত কোনো চৰকাৰেই, কোনো ৰাজনীতিবিদেই যুৱচামৰ ভৱিষ্যত অৱক্ষয়ৰ প্ৰতি দুৰদৃষ্টি নৰখা বাবেই আজিৰ এই অৱস্থা। ৰাজনীতিবিদসকলকে আমি দুষিব বিচাৰিছো এই বাবেই যে যিহেতু বৰ্তমান দেশৰ অৰ্থনীতি, সমাজনীতি, নৈতিকতা আদি ৰাজনীতিবিদসকলেই নিৰ্দ্ধাৰণ কৰে। তাৰোপৰি সকলো ৰাজনৈতিক দলৰে এটা যুৱফ্ৰন্ট থাকে। এই যুৱফ্ৰণ্টক ৰাজনীতিবিদ সকলে নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ আহিলা স্বৰূপে ব্যৱহাৰ কৰাত নিজৰ ককাই-ভাইৰ মাজতে বিশৃঙ্খলতা লক্ষ্য কৰা যায়। তেওঁলোকে সৰ্বসাধাৰণৰ ভাৱ-চিন্তা বা আলোচনা-সমালোচনাৰ প্ৰতি

কোনো গুৰুত্ব নিদিয়ে। সভাই-সমিতিয়ে ৰাজনীতিবিদ সকলে যুৱচামৰ প্ৰতি সহৃদয়তা প্ৰকাশ কৰি ঘৰিয়ালৰ চকু পানী টুকে, কিন্তু বাস্তৱ ব্যৱস্থাত একো গ্ৰহণ নকৰে।

এতিয়া এই যুৱ-উচ্ছৃংখলতাৰ কোনো সমাধান নাই নেকি? আছে। সময় এতিয়াও উকলি যোৱা নাই। সোঁতত উটি যাবলৈ বিচৰা যুৱচামক শৃঙ্খলিত কৰিবলৈ লাগিব দুৰদৃষ্টিসম্পন্ন পৰিকল্পনা, দেশখনৰ প্ৰতি মমতাবোধ, মানৱীয়তা, সমভাৱ, প্ৰকৃত ধৰ্মনিৰপেক্ষতা আদি।

যুৱচামৰ মগজুৰ যক্ষটোক আঁতৰাই তাত কৰ্মস্পৃহা জাগৃত কৰিব লাগিব। সোঁতত উটি যোৱাৰ বিপৰীতে সোঁতৰ বিপৰীতে সাঁতুৰিবলৈ বল শক্তি প্ৰয়োগ কৰিব লাগিব। আমাৰ ভৱিষ্যতদৃষ্টি আৰু কৰ্মস্পৃহাৰ অভাৱতে ৰাজ্যখনৰ বাহিৰৰ লোকৰ বাবে অসমত জীৱিকাৰ নানা উপায় আছে। কিন্তু অসমৰ থলুৱা যুৱকৰ জীৱিকাৰ কোনো উপায় নাই। উদ্যোগ হ'লেহে জীৱিকা ওলাব বুলি ভৱাটোও শুদ্ধ নহয়। বৃহৎ উদ্যোগ নহলেও থলুৱা ভাৱে নানা জীৱিকাৰ উপায় সৃষ্টি কৰিব পৰা থল অসমত অন্ততঃ যথেষ্ট আছে। অৱশ্যে বস্তু উৎপাদন হ'লেই নহ'ব, উৎপাদিত দ্ৰব্যৰ বজাৰ লাগিব। তাৰবাবে চৰকাৰে আৱশ্যকীয় ব্যৱস্থা কৰাটো প্ৰয়োজনীয়। উৎপাদিত দ্ৰব্য ক্ৰয় কৰিবলৈ গ্ৰাহকৰ আয় হ'ব লাগিব। তাৰ বাবেও জনমুৰি আয় বৃদ্ধি কৰাৰ ব্যৱস্থা কৰাটোও চৰকাৰৰ কৰ্তব্য। অভিভাৱকসকলেও নিজৰ পুত্ৰ-কন্যাই নিজৰ উপাৰ্জনেৰে 'অলপ স্ফূৰ্ত্তি' কৰিছে ধৰণৰ মনোভাৱ ত্যাগ কৰি নিজে যাতে কিবা এটা কৰি যাব পাৰে তাৰ বাবে পথ প্ৰদৰ্শন কৰা দৰকাৰ। লগতে আৰ্থিক ক্ষেত্ৰত মৰমৰ কথাতকৈ ভৱিষ্যতৰ কথাইহে গুৰুত্ব পোৱাটো আৱশ্যক। আজিৰ অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক পঢ়া-শুনাৰ নামত কুটা এগছ দুডোখৰ কৰিবলৈ নিদিয়াটোৱে তেওঁলোকৰ যে ধ্বংস মাতি আনিছে সেই দিশটোলৈ চকু দিবৰ হ'ল।

কৰ্মস্পৃহা থকা যুৱকসকলেও কিবা এটা কৰিবলৈ বিচাৰিলে সেই সম্পৰ্কে জনাৰ সুবিধা কম। ঋণ আদি পোৱাত যথেষ্ট মেৰপেচ, যিবিলাকে তেওঁলোকৰ কামৰ স্পৃহা নাইকিয়া কৰে। গতিকে কিছুমান সুবিধা তেওঁলোকৰ বাবে সুলভ কৰি তোলাটো প্ৰয়োজনীয়। অসমৰ বহু যুৱকে ক্ষুদ্ৰ চাহ খেতিৰ যোগেদি স্বাৱলম্বী হোৱাৰ চেষ্টা কৰিছে। কিন্তু দেখা গৈছে ক্ষুদ্ৰ চাহ খেতি সম্প্ৰসাৰণৰ সময়তে যিকোনো কাৰণত চাহপাতৰ দাম হ্ৰাস পাইছে। এতিয়া কি সাহসত যুৱকসকলে চাহ খেতিলৈ মনোবল পাব। এইবিলাক দিশত চৰকাৰে তেনে যুৱকসকললৈ সহায়ৰ হাত আগবঢ়োৱাটো অৱশ্যেই কৰ্তব্য। সহায় মানে অৱশ্যে সভা, আলোচনাচক্ৰ পতাতে সীমিত নহৈ সি বাস্তৱমুখী হোৱা দৰকাৰ। অসমত সাধাৰণতে সোঁতত উটি যোৱাৰ প্ৰৱণতা বেছি। ছাত্ৰ সন্থাৰ আন্দোলনৰ সময়ত সকলো উটি গ'ল। স্বাৱলম্বীতাৰ ভেকো-ভাওনা কৰা হ'ল। তাৰপাছত বন্দুকৰ সংস্কৃতি আহিল। আকৌ পাছত কোনোবাই বন্দুক দলিয়াই দিলে। চাহ খেতি আহিল। এতিয়া চাহ খেতিৰো অৱস্থা বেয়া। এইবিলাক সমস্যা দূৰদৃষ্টিৰ অভাৱৰ বাবেই সৃষ্টি হৈছে। অসমৰ ৰাজনীতিকসকলেও কি কেন্দ্ৰ, কি ৰাজ্য সকলোতে ৰাইজৰ বাবে দূৰদৃষ্টিৰ পৰিচয় দিছে বুলি ক'ব নোৱাৰি। কাৰণ অসমৰ খাৰুৱা তেল উলিয়াই নিলে, কোনেও মাত নামাতিলে। অসমত ব্ৰডগজ লাগে, তেল শোধনাগাৰ লাগে, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং লাগে, ৰাষ্ট্ৰীয় পথৰ উন্নয়ন লাগে, উদ্যোগ লাগে, কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান লাগে বুলি জনগণেহে চিঞৰিছে। আজি আমি যি পাইছো সেয়া জনগণৰ আন্দোলনৰ ফলতহে। ৰাজনীতিকসকলে কোনেও অন্ততঃ এতিয়ালৈকে ক'ব নোৱাৰে যে মই ব্যক্তিগত প্ৰচেষ্টাৰে অসমলৈ কেন্দ্ৰৰ পৰা এইটো আদায় কৰি আনিলো। তেনে অৱস্থাত ৰাজ্যখনৰ যুৱচাম বিপথে পৰিচালিত হোৱাটো একো অস্বাভাৱিক নহয়।

সেয়েহে আমি কওঁ যে বৰ্তমানেও অন্ততঃ ৰাজ্যখনৰ 'নাই' বোৰ 'আছে' লৈ ৰূপান্তৰিত কৰাৰ প্ৰচেষ্টা খৰতকীয়াকৈ হাতত ল'লেই ৰাজ্যখনৰ যুৱকসকলৰ মাজত দেখা দিয়া বিশৃংখলতা বহুখিনি উপশম হ'ব। আমি মনত ৰাখিব লাগিব যে আমাৰ দৃষ্টি বাইশ শতিকালৈহে হ'ব লাগে, অতীতৰ দশম শতিকালৈ নহয়।



*সুশীল কুমাৰ চুঁড়ী* *

# মানৱ সম্পদ, শিক্ষা আৰু উন্নতি

শেহতীয়া কেইদশক মানৰ পৰা মানৱ সম্পদ উন্নয়ণ বিষয়টিয়ে অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। এইটো এতিয়া কাৰো অবিদিত নহয় যে এখন দেশৰ অৰ্থনৈতিক বিকাশৰ লাভালাভ স্বভাৱসিদ্ধভাৱে সকলো শ্ৰেণীলৈ নাহে। জনগণৰ জীৱণ ধাৰণ প্ৰণালীৰ সৰ্ব্বাংগীন উন্নতি সাধনেই হৈছে বৰ্তমান যিকোনো পৰিকল্পিত উন্নত সমাজৰ অৰ্থনীতি। দেশৰ জাতীয় অৰ্থনীতিৰ শ্ৰীবৃদ্ধি আৰু উন্নতি সাধনেই হৈছে বৰ্তমান যিকোনো পৰিকল্পিত উন্নত সমাজৰ অৰ্থনীতি। দেশৰ জাতীয় অৰ্থনীতিৰ শ্ৰীবৃদ্ধি আৰু উন্নতিত সহায়কাৰী অনুঘটক সমূহৰ ভিতৰত মানৱ সম্পদ ভাগটোৱে সদায় অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। মানৱ-জীৱন শোভিতকৰণৰ বাবে জাতীয় আয় বৃদ্ধি কৰা, জনসাধাৰণৰ ক্ৰয়ক্ষমতা বৃদ্ধি কৰা, নিবনুৱাক কৰ্মসংস্থাপন দিয়া আদি দিশৰ প্ৰতি অৰ্থনীতিবিদসকল সদায় সচেতন। আডাম স্মিথৰ পৰা অৰ্মত্য সেনলৈ বিশ্বৰ সকলো জনকল্যাণকামী অৰ্থনীতিবিদসকলে কৈছে যে অৰ্থনৈতিক বৃদ্ধিৰ হাৰ আপেক্ষিকভাৱে নিৰ্ভৰ কৰে শিক্ষাৰ ওপৰত কিমান খৰচ বৃদ্ধি কৰা হৈছে তাৰ ওপৰত। শিক্ষাই ব্যক্তিয়ে উত্তৰাধিকাৰীসূত্ৰে পোৱা সম্ভাৱনীয়তা বিকাশ ঘটায় আৰু উৎপাদন ক্ষমতা বৃদ্ধি কৰাত সহায় কৰে। শিক্ষাই জ্ঞান আৰু সত্তাৰ মাজত সমন্বয় ঘটায় আৰু তাৰ জৰিয়তে আত্ম-অন্বেষণৰ বাবে ব্যক্তিক সক্ষম কৰি তোলে। শিক্ষাই ৰাষ্ট্ৰৰ অৰ্থনৈতিক উৎপাদন বৃদ্ধি কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰে। বহল অৰ্থত - "It includes the initiatives, resourcefulness, capacity for sustained work, right values, interests and attitudes and other human qualities conducive to higher output and accelerated economic growth."

এখন দেশৰ বিস্তৃত প্ৰাকৃতিক সম্পদ, প্ৰয়োজনীয় আহিলা-পাতি আৰু মূলধন থাকিব পাৰে, কিন্তু যেতিয়ালৈকে সেইবোৰ সু-সংগঠিত ভাৱে পৰিচালনা কৰি উৎপাদন কৰা কাৰ্য্য বৃদ্ধি কৰিব নোৱাৰি তেতিয়ালৈকে অৰ্থনৈতিক আৰু সামাজিক উন্নতিৰ গতিবেগ লেহেম হৈয়ে থাকে। তৃতীয় বিশ্বৰ উন্নয়নশীল ৰাষ্ট্ৰসমূহে সন্মুখীন হোৱা সমস্যাবোৰৰ ভিতৰত প্ৰধান হৈছে মানৱ সম্পদ কাৰ্য্যক্ষম কৰা। ভাৰতবৰ্ষ এখন মানৱ সম্পদত চহকী দেশ যদিও কাৰিকৰী-কৌশলী মানৱ-শক্তিৰ অভাৱ ইয়াত বাৰুকৈয়ে অনুভৱ কৰা হয়। বিশ্ববেংকৰ এক সমীক্ষা মতে পৃথিৱীৰ মুঠ অশিক্ষিত লোকৰ চাৰিভাগৰ তিনিভাগ ভাৰতৰ, যিসকল দেশৰ উৎপাদনত সহায়কাৰী হোৱাৰ সলনি বোজাস্বৰূপ হৈ পৰিছে।

দেশৰ অৰ্থনৈতিক বিকাশ প্ৰধানত নিৰ্ভৰ কৰে শৈক্ষিক বিস্তাৰ আৰু হাততে পোৱা মানৱ সম্পদৰ সফল ব্যৱহাৰৰ ওপৰত। শিক্ষাৰ ওপৰত হোৱা বিনিয়োগে উৎপাদন ক্ষমতা, পৰিয়ালৰ আকাৰ, মিতব্যয়িতা, স্বাস্থ্য, পুষ্টিসাধন আদিত যথাৰ্থ প্ৰভাৱ পেলাই। সেয়ে ১৯৮৬ চনত ৰাষ্ট্ৰীয় শিক্ষানীতি গ্ৰহণৰ সময়ত শিক্ষাবিদ সকলে মন্তব্য কৰিছিল- "Education development power for different levels of economy and its ultimate guarantee to national self reliance. Education is a unique investment in the present and future." ভাৰতীয় দৃষ্টিকোণেৰে ব্যক্তিৰ সৰ্ব্বাংগীন বিকাশেই হ'ল শিক্ষাৰ লক্ষ্য। সেয়ে তদানীন্তন চৰকাৰ সমূহে মানুহৰ জীৱন নিৰ্বাহৰ মানদণ্ড উন্নত কৰাত গুৰুত্ব দিয়া দেখিবলৈ পোৱা যায়। নতুন নতুন উদ্ভাৱনৰ দ্বাৰা দেশৰ উৎপাদন আৰু উৎপাদিকা শক্তি বৃদ্ধিৰ বাবে দশম বিত্ত আয়োগে উচ্চ শিক্ষাত চৰকাৰী বিনিয়োগ বৃদ্ধিৰ পৰামৰ্শহে দিছিল।

বৰ্তমান প্ৰাথমিক শিক্ষা স্বাক্ষৰতাৰ মাপকাঠি হিচাপে সমগ্ৰ দেশতে ব্যাপক প্ৰসাৰ লাভ কৰা সময়ত সকলোৰে মনত এটা প্ৰশ্ন উদয় হ'ব পাৰে আচলতে স্বাক্ষৰতাইনো কি কৰে? স্বাক্ষৰতাই এজন ব্যক্তিৰ জীৱন নিৰ্বাহৰ পদ্ধতিৰ উত্তৰণ ঘটায়। ৰাষ্ট্ৰৰ বিকাশৰ ই এটা মহামন্ত্ৰ। আয়বৃদ্ধি কৰাত, জীৱন ধাৰণৰ মান উন্নত কৰাত, ৰাষ্ট্ৰৰ অখণ্ডতা ৰক্ষাত বৈজ্ঞানিক মানসিকতা আৰু আত্ম-মৰ্য্যদা বৃদ্ধি কৰাত ই অভূতপূৰ্ব বৰঙণি যোগায়।

অৰ্থনীতিত মানুহ এজনে উৎপাদনকাৰী আৰু উপভোক্তা হিচাপে এক বিশেষ ভূমিকা পালন কৰে। মানৱ সম্পদ উন্নয়নত বিনিয়োগে অৰ্থনৈতিক বিকাশত প্ৰত্যক্ষ বৰঙণি যোগায়। জ্ঞানৰ বিস্তাৰ আৰু বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে উৎপাদন কাৰ্য্যব্যৱস্থা যিদৰে উন্নতি ঘটায় ঠিক তেনেদৰে প্ৰশিক্ষণ, গৱেষণা আৰু নতুন নতুন

**প্ৰৱক্তা, বুৰঞ্জী বিভাগ*

কৌশল আয়ত্তৰ দ্বাৰা শ্ৰমিকসকলৰ উৎপাদিকা শক্তি বৃদ্ধি পায়। সংঘবদ্ধ প্ৰচেষ্টা আৰু সঠিক মানসিকতাই উৎপাদনৰ উপযোগী পৰিবেশৰ সূচনা কৰে যিটো আধুনিক লাভজনক ব্যৱসায়ৰ বাবে অতি প্ৰয়োজন। আৰু এইটো কেৱল শিক্ষাৰ দ্বাৰাহে সম্ভৱ। আধুনিক সমীক্ষা সমূহত দেখিবলৈ পোৱা যায় যে দীৰ্ঘকালীনভাৱে শিক্ষাত খৰচ কৰা প্ৰতিটো টকাৰ প্ৰত্যুত্তৰত যি লাভ হয় সেয়া অন্য ঠাইত কৰিলে পোৱা নাযায়। অৰ্থনৈতিক উন্নতিৰ অৰ্থ হৈছে নিয়োগৰ সুবিধা বৃদ্ধি, উৎপাদন সক্ষমতা, সামাজিক কল্যাণ, দৰিদ্ৰতা সংকোচন আৰু জীৱন ধাৰণৰ মান উন্নত হোৱা। আধুনিক বিকাশশীল অৰ্থনীতিৰ বাবে জনগণ উচ্চ শিক্ষিত হোৱাৰ উপৰিও তেওঁলোকে কাৰিকৰী ভাৱে নিপুণ হোৱাতো আৱশ্যক। যাৰ জৰিয়তে উৎপাদন কাৰ্য তথা সক্ৰিয়তা বৃদ্ধি পায়।

বিভিন্ন সময়ত হোৱা অধ্যয়ন সমূহে এই কথা প্ৰকাশ কৰিছে যে, ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশ সমূহত মানৱ সম্পদ বিকাশৰ প্ৰধান অন্তৰাই হৈছে দৰিদ্ৰতা, নিৰক্ষৰতা, উচ্চ জন্ম আৰু মৃত্যুৰ হাৰ, নিম্ন পৰ্য্যায়ৰ শিক্ষা আৰু সামাজিক অবিচাৰ। এইবোৰৰ ভিতৰত দৰিদ্ৰতা, নিৰক্ষৰতা আৰু স্বাস্থ্যই মানৱ সম্পদৰ ওপৰত বৰ বেয়াকৈ প্ৰভাৱ পেলায়। আধুনিক গৱেষণা সমূহে এই তত্ব গ্ৰহণযোগ্য কৰিছে যে উৎপাদনৰ গ্ৰাহক বৃদ্ধি হ'বলৈ হ'লে জনমূৰি আয় বৃদ্ধি হ'ব লাগিব আৰু জনমূৰি আয় বৃদ্ধি পাবলৈ শিক্ষাত বিনিয়োগ কৰাতো অতি জৰুৰী। সমীক্ষা সমূহৰ পৰা এইটো স্পষ্ট যে, সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ ভগ্ন স্বাস্থ্য, পৰ্য্যাপ্ত স্বাস্থ্য সেৱাৰ অভাৱ আৰু নিৰক্ষৰতাই দেশৰ জনমূৰি আয়ত ক্ষতিগ্ৰস্ত কৰে। আনহাতে পিছপৰা শ্ৰেণী, অনুসূচীত জনজাতি সকলৰ প্ৰতি কৰা বৈষম্যমূলক আচৰণ আৰু সামাজিক অবিচাৰসমূহো মানৱ সম্পদ বিকাশৰ অন্যতম বাধা। কিয়নো ভাৰতৰ মুঠ জনসংখ্যাৰ ২৩.৮ শতাংশ লোক অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোক। তেওঁলোক এতিয়াও দুৰ্ভিক্ষ আৰু অনাহাৰৰ কৰাল গ্ৰাসৰ পৰা মুক্ত নহয়, যাৰ ফলত তেওঁলোকে নিজৰ উৎকৰ্ষ সাধন কৰি জীৱন ধাৰণৰ মান উন্নত কৰিব পৰা নাই।

এনে এটা পটভূমিত বিশ্বায়নৰ প্ৰভাৱত ক্ৰমাগত ভাৱে চৰকাৰে শিক্ষা তথা অত্যাৱশ্যকীয় সেৱা সমূহত কৰা ব্যয় সংকোচনে আমাৰ দেশত সংকট ঘনীভূত কৰি তুলিছে। কেন্দ্ৰীয় চৰকাৰৰ বাজেটত শিক্ষা শিতানত নিয়োজিত ব্যয় ক্ৰমাগতভাৱে হ্ৰাস পাই আহিছে। ১৯৯৯-২০০০ বৰ্ষত এই ব্যয় ২.২ শতাংশলৈ হ্ৰাস পায়। আনহাতে দেশৰ পঞ্চবাৰ্ষিক পৰিকল্পনাবোৰতো শিক্ষা শিতানত হোৱা ব্যয়ৰ পৰিমাণ হ্ৰাস পাইছে। পঞ্চম বাৰ্ষিক পৰিকল্পনাত মুঠ আঁচনিৰ ৬.৭৯ শতাংশ ব্যয় শিক্ষাৰ বাবে ধাৰ্য্য কৰিছিল তাৰ বিপৰীতে নৱম পৰিকল্পনাত ইয়াৰ পৰিমাণ ৪.২৫ লৈ হ্ৰাস পায়। শিক্ষা তথা উচ্চ শিক্ষাৰ ক্ষেত্ৰত এনেদৰে ৰাজ সাহাৰ্য্য কৰ্তনৰ ফলশ্ৰুতিত এই অনুষ্ঠানবোৰৰ ব্যক্তিগতকৰণৰ পথ মুকলি কৰা হৈছে। যদি ব্যক্তিগতকৰণ কৰা হয় অথবা এনে অনুষ্ঠানসমূহ বৰ্ত্তি থাকিবলৈ নিজাববীয়াকৈ সম্পদ আহৰণ কৰিবলগীয়া হয় তেন্ত তাৰ প্ৰথম লক্ষ্য হ'ব ছাত্ৰ-ছাত্ৰীৰ পৰা অধিক হাৰত মাচুল সংগ্ৰহ কৰা। আমি আগতেই উল্লেখ কৰিছো যে ভাৰতৰ এক সিংহভাগ লোক এতিয়াও দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে। সেয়ে দেশৰ অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই উচ্চশিক্ষাৰ পৰা বঞ্চিত হ'ব।

একবিংশ শতিকাৰ বিশ্বৰ পৰিবৰ্তনৰ লগে লগে আমিও ইয়াত উচিত অংশ গ্ৰহণৰ বাবে সাজু হৈ থাকিব লাগিব। বিভিন্ন ধৰণৰ চৰকাৰী প্ৰচেষ্টা চলি থকা সত্ত্বেও সকলোৰে বাবে প্ৰাথমিক শিক্ষা কৰিব পৰা হোৱা নাই। যিটোৱে ৰাষ্ট্ৰৰ উদ্দেশ্যত ব্যাঘাত জন্মাইছে। নিৰক্ষৰতা দূৰ কৰি সকলোৰে বাবে শিক্ষাৰ যোগেদি ৰাষ্ট্ৰৰ উন্নতি সম্ভৱ। একেদৰে স্বাস্থ্য সচেতনতা ও সুবিধা প্ৰদানৰ দ্বাৰা জন্ম-মৃত্যুৰ হাৰ কমোৱা, একক পৰিয়ালৰ গ্ৰহণযোগ্যতা, মহিলা সাৱলীকৰণ আৰু দৰিদ্ৰতা দূৰীকৰণৰ বাবেও সমান গুৰুত্ব আৰোপ কৰা প্ৰয়োজন। উৎকট নিবনুৱা সমস্যা আৰু নিম্ন জনমূৰি আয়ে প্ৰমাণ কৰিছে যে এতিয়াও মানৱ সম্পদৰ সম্ভাৱনীয়তাক সফলৰূপে ব্যৱহাৰ কৰিব পৰা নাই। মানৱ সম্পদ বিকাশ সাধন কৰা অতি জৰুৰী যদিও এই কাৰ্য অকলশৰীয়াকৈ কৰিব নোৱাৰি। মানৱ সম্পদৰ বিকাশত পৰিকল্পনা শিক্ষা, সমাজ, বৈজ্ঞানিক মানসিকতা, ৰাজনীতি আৰু অৰ্থনৈতিক উন্নয়নৰ ওপৰত নিৰ্ভৰশীল। সেয়ে বিভিন্ন আঁচনিৰ দ্বাৰা ব্যক্তিয়ে যাতে নিজৰ অন্তৰ্নিহিত গুণবোৰৰ দ্বাৰা নিজৰ উৎকৰ্ষ সাধন কৰিব পাৰে তাৰ বাবে সম্পূৰ্ণ সুযোগ সুবিধা প্ৰদান কৰাতো ৰাষ্ট্ৰৰ বাবে অতি প্ৰয়োজনীয় হৈ পৰিছে।

(সহায় লৈ)
1. Mehta M.M.- Human Resource Development Planning. Delhi-Macmilan - 1970 page-3
২। নতুন পদাতিক - হীৰেণ গোহাঁই, মে' জুন, ২০০২ (সম্পাদকীয়)।
৩। এ.আৰ.দত্ত - নব্য উদাৰতাবাদ আৰু উচ্চ শিক্ষা, নতুন পদাতিক,ছেপ্তেম্বৰ-অক্টোবৰ, ২০০২।



*ৰীতা দত্ত**

# আধুনিক অসমীয়া নাটকৰ ভেটি স্থাপনত হেমচন্দ্ৰ-গুণাভিৰামৰ ভূমিকা

প্ৰথম অসমীয়া বাৰ্তালোচনী আৰু আলোচনী হিচাপে 'অৰুণোদই' কাকতে সৃষ্টি কৰি যোৱা লেখক চামৰ ভিতৰত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা অন্যতম আছিল। গুণাভিৰাম বৰুৱাৰ 'ৰামনৱমী' নাটকখন লিখা হৈছিল ১৮৫৭ চনত আৰু এইখন ছোৱাছোৱাকৈ প্ৰকাশ পাইছিল 'অৰুণোদয়' কাকতত; কিতাপ আকাৰে প্ৰকাশ পাইছিল ১৮৭০ চনত। সেয়ে গুণাভিৰাম বৰুৱাক 'আধুনিক নাটকৰ জন্মদাতা' বুলি কোৱা হয় (শ্ৰী সত্যেন্দ্ৰনাথ শৰ্মা, ৩৮২ পৃষ্ঠা)। কিতাপ আকাৰে প্ৰকাশ পোৱা প্ৰথম নাটক আছিল হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন' -( ১৮৬১ চন)।

আধুনিক অসমীয়া নাটকৰ ভেটি স্থাপনত হেমচন্দ্ৰ বৰুৱা আৰু গুনাভিৰাম বৰুৱাৰ যথেষ্ট অৱদান আছে।

প্ৰথমতে, গুনাভিৰাম বৰুৱা আধুনিক অসমীয়া নাটকৰ জন্মদাতা। তেওঁৰ আগত তেতিয়ালৈকে আধুনিক অসমীয়া ভাষাত কোনেও নাটক ৰচনা কৰা নাছিল। হেমচন্দ্ৰ বৰুৱা তেওঁৰ সমকালীন নাট্যকাৰহে।

দুয়োজনা নাট্যকাৰৰ নাটকৰ বিষয় বস্তু আছিল সামাজিক সমস্যামূলক।

দুয়োখন নাটকেই প্ৰথম পাশ্চাত্য নাটকৰ আৰ্হিৰে ভুমুকি মাৰিছিল। এইফালৰ পৰা পাশ্চাত্য নাট্যৰীতিক আদৰি আনি আধুনিক অসমীয়া নাটক ঐশ্বৰ্য্যশালী কৰাত দুয়োজনাৰ অৱদান অপৰিসীম।

উদ্দেশ্যধৰ্মিতা আছিল দুয়োজন নাট্যকাৰৰেই লক্ষ্য। বিষয়বস্তুৰ নতুনত্বই দুয়োজনাৰ নাটকতেই ভুমুকি মাৰিছিল।

গুনাভিৰাম বৰুৱাই 'ৰামনৱমী' লিখাৰ সময়ছোৱাত বংগদেশত বাল্য-বিবাহৰ সমস্যাটোৱে সাহিত্যিকসকলক চিন্তান্বিত কৰি তুলিছিল। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ প্ৰচেষ্টাত ১৯৫৬ চনত বিধবা বিবাহ আইন প্ৰৱৰ্তন হোৱাৰ বছৰতেই উমেশচন্দ্ৰ মিত্ৰৰ 'বিধবা বিবাহ' নাটক প্ৰকাশ পাইছিল। এই প্ৰভাৱ গুণাভিৰাম বৰুৱাৰ ওপৰত পৰাৰ কথা সততেই অনুমেয়। এইফালৰ পৰা নাটকখনিৰ ঐতিহাসিক গুৰুত্ব অনস্বীকাৰ্য্য। ড০ নগেন শইকীয়াৰ ভাষাত - "স্বদেশ অনুৰাগ আৰু সংস্কাৰমুখিতা" - এই দুটিয়েই আছিল গুণাভিৰামৰ সাহিত্য-সাধনাৰ নিয়ামক শক্তি।"

(ভূমিকা, আসাম বন্ধু, সংগ্ৰহ "অসমীয়া সাহিত্যৰ আধুনিক যুগ" - প্ৰফুল্ল চন্দ্ৰ বৰা।)

এজন সমাজ সংস্কাৰক হিচাপে হেমচন্দ্ৰ বৰুৱাইও "কানীয়াৰ কীৰ্ত্তন" নাটকৰ দ্বাৰা কানিবিহত আক্ৰান্ত অসমীয়া ৰাইজক উদ্ধাৰৰ প্ৰচেষ্টাৰে কঠোৰ সমালোচনা আগবঢ়াইছিল।

পশ্চিমীয়া নাট্যৰীতিৰ আৰ্হিত ৰচিত হ'লেও 'ৰাম-নৱমী'য়ে প্ৰাচীন সংস্কৃত আৰু অসমীয়া অংকীয়া নাটৰ প্ৰভাৱৰ পৰা মুক্ত নাছিল। কাৰণ সেই সময়ছোৱাত ইংৰাজী সাহিত্যৰ অধ্যয়নৰ চেষ্টা আছিল নতুন আৰু আনহাতে অংকীয়ানাটৰ জনপ্ৰিয়তাৰ কথা নাছিল। নাটকখন মঞ্চস্থ কৰাৰ কথা ক'তো উল্লেখ নাই।

*প্ৰবক্তা, অসমীয়া বিভাগ

'কানীয়াৰ কীৰ্ত্তন'খন শিৱসাগৰ আৰু অন্যান্য ঠাইত কৰা হৈছিল। গতিকে আধুনিক মঞ্চত মঞ্চস্থ হোৱা এইখনেই আছিল প্ৰথম আধুনিক অসমীয়া নাটক।

'ৰামনৱমী' আধুনিকযুগৰ প্ৰথম নাটকেই নহয়; প্ৰথম অসমীয়া সামাজিক আৰু বিয়োগান্ত নাটক। 'ৰামনৱমী' নাটকত কথিত অসমীয়া ভাষা বা ঘৰুৱা কথ্যৰূপৰ সুন্দৰ প্ৰয়োগ আছে। কামৰূপী উপ-ভাষাৰ বৈশিষ্ট্যপূৰ্ণ শব্দৰ বহুল প্ৰয়োগ নাটখনত আছে। যেনে- শৰালী, ফাচ, হাউচ, বপাঁ, মীয়া, হুনু, পেৰা, কেডাল ইত্যাদি।

সমসাময়িক সমাজৰ সমস্যা অথবা দোষত্ৰুটিক হাস্যব্যংগৰ মাজেদি ৰূপ দিবলৈ বিচৰা লঘু 'কমেডী' জাতীয় আৰু বিশুদ্ধ হাস্যৰসৰ যোগান ধৰিবলৈ বিচৰা 'প্ৰহসন' জাতীয় নাটকৰ শ্ৰেণীত 'কানীয়াৰ কীৰ্ত্তনো' অন্যতম।

গুনাভিৰাম বৰুৱাৰ বিধৱা বিবাহ সম্পৰ্কীয় আন এখন নাট ১৮৮৬ চনত 'আসাম বন্ধু'ত প্ৰকাশ পাইছিল। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে- "এইখন নাটো গুনাভিৰামৰে ৰচনা বুলি ভাৱিবৰ যথেষ্ট থল আছে।"

"ৰাম-নৱমী"'ত দুই এটা দৃশ্যৰ পৰিৱেশ সংস্কৃত নাটৰ অনুকৰণত সজোৱাৰ উপৰিও প্ৰত্যেক দৃশ্য "ইতি সৰ্ব্বে নিষ্ক্ৰান্তাঃ" বাক্যৰে সমাপ্তি ঘটাইছে।

নাটকৰ শেষত পূজাৰীয়ে লেছাৰি ছন্দৰ করুণসুৰত বিধৱা-বিবাহ সমৰ্থনসূচক গীতেৰে শেষ কৰিছে। এই পূজাৰী যে সূত্ৰধাৰৰেই নতুন প্ৰকাশ বুজিব পাৰি। কাহিনীতকৈ বাল্য-বিবাহত আৰু কানিবিহত অধিক গুৰুত্ব দিয়াত নাটক দুখনে নাট্যগুণ বহুপৰিমাণে হেৰুৱাইছে যদিও দুয়োজনা বাটকটীয়া নাট্যকাৰৰ সামাজিক সমস্যামূলক আধুনিক অসমীয়া নাটক ৰচনাৰ প্ৰচেষ্টাই অসমীয়া আধুনিক নাটকৰ ধাৰাৰ সৃষ্টি কৰি যি নতুন সুঁতি বোৱাই থৈ গ'ল- সেই ফালৰ পৰা অসমীয়া আধুনিক নাটকৰৰ ভেটিস্থাপক হিচাপে দুয়োজনা নাট্যকাৰৰ অৱদান আৰু গুৰুত্ব অনস্বীকাৰ্য্য।

অইনে মোৰ বিষয়ে কি কয় সেইটো বিশেষ গুৰুত্বপূৰ্ণ কথা নহয়। মই পিছে কি কম আৰু কৰিম সেয়াহে গুৰুত্বপূৰ্ণ।

- ৰবীন্দ্ৰ নাথ ঠাকুৰ।

আঠুকাঢ়ি থকা ভদ্ৰলোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় হৈ থকা চহা খেতিয়ক এজন বেচি ডাঙৰ

- বেঞ্জামিন ফ্ৰেংকলিন।



*ৰতি প্ৰভা গগৈ**

# কইনা হোৱাৰ হেঁপাহ আৰু নাৰী স্বাধীনতা

বৰ আদৰৰ, বৰ হেঁপাহৰ এটা দিনত অপূৰ্ব সাজেৰে সাজি, অধীৰ আগ্ৰহেৰে সপোনৰ ৰাজকোঁৱৰৰ বাবে বাট চাই থকা সেই দিন একান্তই 'মৌ-কুঁৱৰী'ৰ। 'মৌ-কুঁৱৰী' তেওঁকেই কেন্দ্ৰ কৰি নিমন্ত্ৰিত অতিথি আহিব; কত সাজোন-কাচোন, কত আয়োজন, তেওঁৱেই হ'ল কেন্দ্ৰ বিন্দু। সোণৰ পখী ঘোঁৰাত উঠি সপোনৰ ৰাজকোঁৱৰ আহি বাস্তৱৰ নিষ্ঠুৰতাৰ পৰা লৈ যাব অচিন পৰীৰ দেশলৈ। য'ত কেৱল শান্তি, সুন্দৰতা, জন্মৰ ঘৰখন এৰি যোৱাৰ দুখ থাকিলেও সপোনৰ ৰাজকোঁৱৰক লগ পোৱাৰ আনন্দই সেই দুঃখ পাহৰাই দিব। সেই বিশিষ্ট দিনটোলৈ শতকৰা ৯৯ ভাগ ছোৱালীয়েই বাট চাই থাকে বুলি ক'লে ভুল কোৱা নহয়। কেনেবাকৈ সেই বিশিষ্ট দিনটো কোনো যোড়শীৰ জীৱনলৈ নাহিলে জীৱন হৈ পৰে দুৰ্বিসহ, বিফল।

আমাৰ সমাজত এষাৰ কথা আছে – "ছোৱালী তুলিবা দানলৈ, ল'ৰা তুলিবা পূণ্যলৈ।" জন্মৰে পৰা বিভিন্ন ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, কথা-বতৰা সকলোৰে যোগেদি কন্যা সন্তানৰ মন-মগজুত সুমুৱাই দিয়া হয় 'পিতৃ-মাতৃ'ৰ ঘৰখনত ছোৱালীৰ কোনো অধিকাৰ নাই। ছোৱালী হ'ল- 'পিতৃ-মাতৃ'ৰ ঘৰত ' জীৰণীয়া মৌ', ছোৱালী হ'ল "বেৰৰ মাটি, গোৰ মাৰি দিলে সৰি পৰিল"। বৰ্তমান সম্পত্তিৰ অধিকাৰ আইনকে আদি কৰি বিভিন্ন নাৰী সুৰক্ষা আইন প্ৰণয়ন হ'লেও মূলতঃ আমাৰ সমাজ পুৰুষ প্ৰধান হোৱা বাবে এনে আইন সমূহ কাৰ্যকৰী কৰাত সফলতা দেখা নাযায়। সাধাৰণ মানুহৰ বাবে এনে 'আইন' কেৱল কাগজ-কলমৰ কছৰৎ। সমাজ জীৱনত প্ৰচলিত ধ্যান-ধাৰণাই সৰুৰে পৰা কন্যা-সন্তানৰ মনৰ গভীৰলৈ শিপাই যায়। ফলত কোনো 'সপোনৰ কোঁৱৰে আহি পিতৃ-মাতৃৰ ঘৰৰ পৰা উদ্ধাৰ কৰিব' এনেভাৱে বিয়াৰ মুহূৰ্তলৈকে ছোৱালীজনীৰ সমস্ত চিন্তা-ভাৱনা আগুৰি থাকে। এটি কন্যা সন্তান 'পূৰ্ণ মানুহ' হৈ জন্ম লাভ নকৰি এনেদৰেই পঙ্গু হৈ জন্ম লাভ কৰে আৰু এটি পঙ্গু জীৱন-যাপনৰ কছৰৎ আৰম্ভ হয়। ফলত 'কন্যা' সন্তানটিৰ নিজৰ ভৰিত থিয় হোৱাৰ আত্মবিশ্বাস হেৰাই যায় আৰু এজন পুৰুষে উদ্ধাৰ কৰাৰ ধাৰণাটো মজ্জাত সোমাই যায়।

এনে অসুস্থ মানসিকতাৰ বাবে সমাজত বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে। ব্যক্তিৰ সমষ্টিয়েই সমাজ। ব্যক্তিৰ অথবা পৰিয়ালৰ অসুস্থ মানসিকতাই সমাজখনকো অসুস্থ কৰি তোলে। জীৱনৰ মূল কথাটোৰ পৰা মানুহ যেতিয়া আঁতৰি থাকে। বিক্ষিপ্ত চিন্তাই মানুহক বিপথে পৰিচালিত কৰে। অৱশ্যে এনে অসুস্থতাৰ বীজ নিহিত হৈ আছে পুৰুষ প্ৰধান সমাজ ব্যৱস্থাতে।

বিয়াৰ দিনাৰ মৌ-কুঁৱৰীজনীৰ সপোনৰ আমেজ নৌ মাৰ যাওঁতেই আৰ্থসামাজিক পৰিবেশে সৃষ্টি কৰা 'দহেজ' অথবা 'যৌতুকৰ' সমস্যা, মনস্তাত্বিক অৱস্থাই সৃষ্টি কৰা শাহু-বোৱাৰী, বৌ-ননদৰ সমস্যা, সমাজ-ব্যৱস্থাই সৃষ্টি কৰা সতী দাহ, বিধবা সমস্যা আদি এশ এবুৰি সমস্যাই বেৰি পেলাই আৰু ভিন্ন পৰিৱেশত জন্ম আৰু এৰি অহাৰ স্মৃতি প্ৰকট হৈ উঠে। মৌ-কুঁৱৰীৰ সপোন লাহে লাহে নগ্ন বাস্তৱতাই ছাটি ধৰিবলৈ আৰম্ভ কৰে। বাতৰিৰ শিৰোনামা দখল কৰে, নিৰ্যাতিতা বোৱাৰীৰ কথাই।

জীয়া মানুহ এজনীক বাৰু কেৱল অৰ্থৰ বাবে কেনেকৈ জ্বলাই মাৰে? কিহে উচটাই মানুহজনীৰ গাত তেল ঢালি জুই জ্বলাই দিবলৈ অথবা অমানুষিক শাস্তি দি

*উপাধ্যক্ষা

মৃত্যুৰ মুখলৈ ঠেলি দিবলৈ?

সন্তান জন্ম দিব পৰা অথবা নোৱাৰাৰ দায়-দায়িত্ব কি কেৱল নাৰীগৰাকীৰ? আজি একবিংশ শতিকাতো এনে শাহু-ননদ আছে, যি সন্তান জন্ম দিব নোৱাৰাৰ বাবে বোৱাৰী-বৌয়েকৰ পিঠি ফালি চিঞাচিৰি কৰি মাকৰ ঘৰলৈ পঠাই দিয়ে।

এই সকলোবোৰৰ সহজ উত্তৰ আমাৰ ওচৰত 'মজুত' আছে। "এৰা, ভাগ্যৰ দোষ। কি কৰিব"? প্ৰকৃততে এয়া ভাগ্যৰ দোষ নে পুৰুষ তন্ত্ৰৰ মতবিৰোধিতা নে জনসাধাৰণৰ অক্ষমতা। জন-সাধাৰণৰ বিজ্ঞান মানসিকতাৰ অভাৱৰ ফলত জন্ম-মৃত্যুৰ ধাৰণা মানুহৰ আদিম অৱস্থাতে আছে।

পুৰুষ আৰু নাৰী দুয়ো মানুহ। কোনো কাৰো অধীন নহয়। পুৰুষতন্ত্ৰৰ প্ৰতিবাদত নাৰী স্বাধীনতাৰ প্ৰৱক্তাসকলে এই চিৰন্তন সত্যক প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰি আহিছে। 'পুৰুষতন্ত্ৰ' নামৰ সমাজ ব্যৱস্থাই সমাজত নাৰীক কেনেকৈ অৱদমিত কৰি ৰাখিছে এই কথা উপলব্ধি কৰিব লাগিব। এনে উপলব্ধি অবিহনে নাৰী কেতিয়াও মানুহ হ'ব নোৱাৰে। হয় দাসী নতুবা দেৱীহে হ'ব। এই দাসত্বৰ মনোভাৱেই এজনী ছোৱালী পৰমুখাপেক্ষী হৈ ডাঙৰ-দীঘল হয়। মনত পুহি ৰাখে কোনোবাই নিৰাপত্তা দিয়াৰ ভাৱনা। সেয়ে ৰোমান্টিক কল্পনাত উটি-ভাহি ফুৰি হেৰুৱায় জীৱনৰ অৰ্থ। আত্মবিশ্বাস হেৰুৱাৰ ফলত আত্মশক্তিৰ উপলব্ধি নহয়।

এটি কন্যা সন্তান মানুহ হোৱাৰ পৰিবেশ 'সমাজ' পৰম্পৰাই নিদিলেও শিক্ষা-দীক্ষাৰ যোগেদি বৈজ্ঞানিক মানসিকতা আহৰণ কৰি নাৰীয়ে 'আত্মবিশ্বাস' ঘূৰাই আনিব পাৰে। আত্ম শক্তিৰ উপলব্ধিৰ যোগেদি নিজক প্ৰতিষ্ঠা কৰাৰ সংগ্ৰামত অৱতীৰ্ণ হ'ব পাৰে। 'আত্ম-শক্তি' উপলব্ধিৰ এটি প্ৰধান কাৰক হ'ল আত্ম সন্মান বোধ। আত্ম সন্মানবোধৰ বাবেই নাৰীয়ে আ-অলংকাৰ, সাজ-পাৰেৰে নিজক সজাই আটক ধুনীয়াজনী হৈ পুৰুষৰ ভোগৰ সামগ্ৰী ঘৈণী, পত্নী, অথবা কেৱল গৃহিনী হোৱাৰ মানসিকতাৰ পৰিবৰ্তে নিজকে বান্ধৱী হিচাবে প্ৰতিষ্ঠা কৰিব পাৰে। অন্যথা নাৰী-স্বাধীনতাৰ মূল মন্ত্ৰ নাৰীৰ সম-অধিকাৰ বিষয়টো এটি প্ৰহসন বুলিহে ক'ব লাগিব।

পুৰুষ তন্ত্ৰত নাৰীয়ে প্ৰকৃত 'সম অধিকাৰ' লাভ কৰাটো কেতিয়াও সম্ভৱ নহয়। ভোটাধিকাৰকে আদি কৰি কিছুমান অধিকাৰ লাভ কৰাকে সম-অধিকাৰ লাভ কৰা নুবুজায়। বৰ্তমান বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত উন্নতি আৰু বিশ্বায়নৰ বাবে সমাজ ব্যৱস্থাত বহু শিথিলতাই দেখা দিছে। লগতে নাৰী বহু সমস্যাৰ পৰা মুক্ত।

এই শিথিলতাক নাৰী-স্বাধীনতা বুলি বহুতে ভুল বুজা হৈছে আৰু নাৰী স্বাধীনতাৰ নামত ব্যভিচাৰত লিপ্ত হয়। সমাজৰ নিয়ন্ত্ৰণহীন এনে শিথিলতাই নাৰী-পুৰুষক ব্যভিচাৰত লিপ্ত হ'বলৈহে উদগনি দিয়ে।

বৈজ্ঞানিক দৃষ্টিভংগীৰে, এটি যুক্তিবাদী মনেৰে, প্ৰবল আত্ম-সন্মানবোধেৰে 'আত্ম-বিশ্বাস' ঘূৰাই আনি আত্ম-শক্তি উপলব্ধি কৰিব পাৰিলেহে নাৰীয়ে মুকলি আকাশৰ তলত মূৰ তুলি থিয় দিব পাৰিব আৰু সমাজ পৰিবৰ্তনৰ দিশত খোজ আগবঢ়াব পাৰিব।

> আশ্চৰ্য্যৰ কথা আজিলৈকে এনে এজন মানুহ লগ নেপালোঁ যিজনে নিজৰ দোষৰ কাৰণে নিজে দোষী বুলি বিবেচনা কৰে।
>
> - কনফুচিয়াচ



টংকেশ্বৰ বৰুৱা*

# ক্ৰিপ্ট' গ্ৰাফী

গণিত বিজ্ঞানৰ সংখ্যা তত্ত্বৰ (Number Theory) এটা অভিনৱ পদ্ধতি প্ৰয়োগৰ ৰূপ হ'ল ক্ৰিপ্ট' গ্ৰাফী (Cryptogeraphy)। ই এনে এটা পদ্ধতি যাৰ দ্বাৰা কোনো মূলগোপনীয় তথ্য আনে বুজিব নোৱাৰা ৰূপত নিৰাপদ মাধ্যমৰ যোগেদি (Secured Channel) এজনে অন্য নিৰ্দিষ্ট ব্যক্তিলৈ পঠাব পাৰে। চাৰিহাজাৰ বছৰ পূৰ্বৰ পৰা কুৰিশতিকালৈকে ইজিপ্তত ক্ৰিপ্ট' গ্ৰাফী ব্যৱহাৰ হোৱাৰ প্ৰমাণ পোৱা যায়। কুৰিশতিকাৰ বিশ্বযুদ্ধৰ সময়তো ইয়াৰ প্ৰয়োগ হৈ আহিছে। ১৯৬০ চনলৈকে জাতীয় গোপনীয়তা ৰক্ষাকাৰী কৌশলবোৰত ইয়াক প্ৰয়োগ কৰা হয়। ১৯৬০ চনৰ পাচত কম্পিউটাৰ ব্যৱহাৰ আৰু যোগাযোগ পদ্ধতিৰ উন্নতি হোৱাৰ লগে লগে তথ্যৰ নিৰাপদ সৰবাহ কৰাত ক্ৰিপ্ট'গ্ৰাফীৰ বহুল প্ৰয়োগ হ'বলৈ ধৰিছে।

এই পদ্ধতিত প্ৰথমজনে যিটো মূলগোপন তথ্য বা খবৰ পঠায় তাক প্লেইনটেক্চ (Plaintext), মূল তথ্যটো ছদ্মৰূপত পঠিওৱা তথ্যক চাইফাৰটেক্চ (Ciphertext) বোলা হয়। প্লেইনটেক্চৰ পৰা চাইফাৰটেক্চলৈ পৰিবৰ্তন কৰা পদ্ধতিক একক্ৰিপচন (Encryption) আৰু ইয়াৰ বিপৰীত পদ্ধতিক ডিক্ৰিপচন (Decryption) কোৱা হয়। ছদ্মৰূপৰ পৰা মূলতথ্য উদ্ধাৰ কৰা পদ্ধতিক কোৱা হয় ক্ৰিপ্ট'বিশ্লেষণ (Cryptanalysis)। মূল তথ্যক ছদ্মৰূপ দিয়াত এটা সংখ্যাৰ সহায় লোৱা হয়, এই সংখ্যাটোক ঘটনাসূত্ৰ বা চাবি (Key) বোলা হয়। তথ্য পঠিওৱা আৰু গ্ৰহণ কৰোতা জনহে চাবি (Key) বিষয়ে জ্ঞাত। গাণিতিক ভাৱে ক্ৰিপ্ট'পদ্ধতি (Cryptosystem)ৰ সংজ্ঞা হ'ল ঃ

A crypto system is a five tuple (P,C,K,E,D) Satisfying the following conditions.

1. P is a finit set of possible plaintexts.
2. C is a finit set of possible ciphertexts.
3. K, the key space, is a finit set of possible keys.
4. For each KEK, there is an eneryption rule ($d_k$EE) and corresponding dicryption rule ($d_k$ED) where ($E_k$: P- C [x- $e_k$ (x)] and $d_k$: C-D [$e_k$(x) - $d_k$ ( $e_k$(x))= x] are functions such that $d_k$ ($e_k$(x) = x, for every plaintext SEP. XEP.

| P | | C | | D |
|---|---|---|---|---|
| X | $e_k$ | $y=e_k(x)$ | dk | $d_k(e_k(x)=d_k(y)=x$ |

(i) যদি C≡ p+k(mod 26) তেন্তে

P≡ c-k(mode 26)

(ii) যদি $e_k(x)=x+k(=y)$ ধৰা হয়) তেন্তে

$d_k(y)=y-k=x$

C≡ p+k(mode 26)সংখ্যাটো (c-p-k)ৰ দ্বাৰা বিভাজ্য

27≡1(mode 26)=(27-1) ক (26) ৰ দ্বাৰা বিভাজ্য, গতিকে 27 ৰ ঠাইত 1 ব্যৱহাৰ হয়।

ক্ৰিপ্ট'গ্ৰাফী প্ৰয়োগ ঃ

Plaintext ত ইংৰাজী বৰ্ণমালাৰ 26 টা আখৰ ব্যৱহাৰ কৰা হয় আৰু প্ৰতি আখৰকে ক্ৰমে 0 ৰ পৰা 25 লৈ অখণ্ড সংখ্যাৰে নিৰূপন কৰা হয় ঃ

| A | B | C | D.........W | X | Y | Z |
|---|---|---|---|---|---|---|
| 0 | 1 | 2 | 3.........22 | 23 | 24 | 25 |

আৰু ইয়াৰ পৰা সূত্ৰ C≡ p+k(mode 26)

*প্ৰবক্তা, গণিত বিজ্ঞান বিভাগ

যাতে $e_k(x)=p+k \quad 0<k<25$

ব্যৱহাৰ কৰি Ciphertext কৰা হয়। তাৰ পৰা Cryptalysis কৰি মূল তথ্য পাব পাৰি।

উদাহৰণ ১ ঃ ধৰা হ'ল আমাৰ পঠাব লগা তথ্যটো THIS MESSAGE IS TOP SECRET আৰু ঘটনা সূত্ৰ (key), $C\equiv p+3 \pmod{26}$, য'ত $k=3$

সমাধান ঃ প্ৰথমে বৰ্ণবোৰক পাঁচটাকৈ গোট কৰি সংখ্যালৈ ওপৰত দিয়া তালিকাৰ সহায়েৰে পৰিবৰ্ত্তন কৰা হওঁক-

(a)

T H I S M   E S S A G   E I S T O   P S E C R   E T

(B)

| 19,7,8,18,12 | 4,18,18,0,6 | 4,8,18,19,14 | 15,18,4,2,17 | 4,9 |

উক্ত প্ৰক্ৰিয়াটো হ'ল Plaintext। এতিয়া প্ৰতিটো সংখ্যাক ঘটনাসূত্ৰ $C\equiv p+3$ ব্যৱহাৰ কৰি অৰ্থাৎ প্ৰতিটো সংখ্যাৰ লগত () যোগ কৰি পোৱা সংখ্যাবোৰক ওপৰৰ তালিকা ব্যৱহাৰ কৰি বৰ্ণ বা আখৰলৈ পৰিবৰ্ত্তন কৰা হওঁক।

(B)

| 22,10,11,21,15 | 7,21,21,3,9 | 7,11,21,22,17 | 18,21,3,5,20 | 7,22 |

(d)

W K L V P   H V V D J   H L V W R   S V A F U   H W

ছদ্মৰূপত গ্ৰহণ কৰোতা জনে পোৱা এই তথ্যই ciphertext(d) যিহেতু তথ্য গ্ৰহণ কৰা জনে ঘটনা সূত্ৰটো (key) জানে, গতিকে তেওঁ তালিকা ব্যৱহাৰ কৰি (c) সংখ্যাবোৰ জানিব পাৰিব আৰু সূত্ৰ $p\equiv c-3$ অৰ্থাৎ প্ৰতিটো সংখ্যাৰ পৰা 3 বিয়োগ কৰি (b) সংখ্যাবোৰ পাব আৰু তালিকাৰ সহায়েৰে সংখ্যাবোৰ আখৰলৈ পৰিবৰ্ত্তন কৰি মূল তথ্য (a) জানিব পাৰিব। য'ত (b) হ'ল মূল তথ্য।

২০০০ বছৰৰ পূৰ্বে $k=3$ ব্যৱহাৰ কৰি জুলীয়াচীজাৰে () কৰিছিল। গতিকে এই পদ্ধতিক ceaser cipher বুলিও কোৱা হয়।

উদাহৰণ ২ ঃ ধৰা হ'ল SEND MONEY খবৰটো পঠাব লাগে - য'ত-

$C\equiv p+3 \pmod{26}$

সমাধান ঃ

| | SEND | MONEY |
|---|---|---|
| Plaintext | 18,4,13,3 | 12,18,13,4,24 |
| Ciphertext | 21,7,16,6<br>VHgG | 15,21,16,7,27(=1),<br>PVgHB |

, $27\equiv 1 \pmod{26}$

ইয়াত ছদ্ম তথ্যটো হ'ল 'VHgG Pvghb'। ইয়াৰ পৰা উদাহৰণ ১ ত দিয়া দৰে তথ্য গ্ৰহণ কৰোতা জনে $P\equiv c-3$ অৰ্থাৎ $C\equiv p+3$ ব্যৱহাৰ কৰি ওপৰত দিয়া তালিকাৰ সহায়ত প্ৰকৃত খবৰটো SEND MONEY পাব।

সম্প্ৰতি তথা প্ৰযুক্তি তথা যোগাযোগ মাধ্যমৰ উন্নতিৰ লগে লগে দেশৰ আভ্যন্তৰিণ নিৰাপত্তা, বেংক ব্যৱসায় আদিত ক্ৰিপট'গ্ৰাফী প্ৰয়োগৰ সম্ভাৱনা বৃদ্ধি পাব ধৰিছে। গতিকে সংখ্যা তত্ব (Number Theory) ৰ ওপৰত গৱেষণাই গণিত বিজ্ঞানৰ এক নতুন ধাৰা বোৱাৰলৈ যে সক্ষম হব তাত কোনো সন্দেহ নাই।



*নৱ ফুকন**

# উদাৰ দৃষ্টিভঙ্গীৰ নিদৰ্শন তাই-আহোম জাতি

১২২৮ খৃঃত চাও-ল্যুং-চুকাফাৰ নেতৃত্বত উপযুক্ত বাসস্থান আৰু ৰাজ্য স্থাপন ইত্যাদি এবুকু মেটমৰা আশা লৈ তাই-আহোম সকলে পুৰণি কামৰূপ ৰাজ্যৰ সৌমাৰপীঠত পদাৰ্পণ কৰিছিল। তাই-আহোম সকলে ১২৫৩ খৃঃত চৰাইদেউত ৰাজধানী স্থাপন কৰি ৬০০ বছৰীয়া ৰাজত্বৰ পাতনি মেলি অসমৰ প্ৰায় আধা অংশতে তেওঁলোক বিয়পি পৰিছিল।

তাই-আহোম সকল উদাৰ দৃষ্টিভংগীৰ লোক। ছয় শতিকা ধৰি অসমত ৰাজত্ব কৰা সৰহভাগ ৰজাই নিজ ধৰ্মক লৈ গৌৰৱ কৰা নাছিল। কোনো ধৰ্মক ঘৃণাও কৰা নাছিল। যিটো সময়ত পৃথিৱীৰ বহুত ৰজাই নিজ ধৰ্মক লৈ গৌৰৱ কৰিছিল, অন্য ধৰ্মক ঘৃণা কৰিছিল, ধৰ্মৰ নামত নাৰকীয় অত্যাচাৰ চলিছিল, সেই সময়তে তাই-আহোম সকলৰ দৰে নিৰপেক্ষ নীতি অৱলম্বন কৰা দৃষ্টান্ত পৃথিৱীতে বিৰল। তাই-আহোম সকলে নিজৰ ভাষা থকা সত্বেও কোনো দিন নিজস্ব ভাষা অন্যৰ ওপৰত জাপি দিয়া নাছিল। শেষলৈ নিজৰ ভাষা এৰি সকলোৱে অসমীয়া ভাষা গ্ৰহণ কৰিছিল। কালৰ আহ্বানত তাই-আহোম ভাষা সম্পূৰ্ণ স্থৱিৰ হৈ পৰিছিল।

প্ৰায় ৮০০ বছৰীয়া ইতিহাসেৰে সমৃদ্ধ ভাষা, কৃষ্টি-সংস্কৃতিৰে চহকী তাই-আহোম সকলৰ কোনো নৱ-জাতকৰ নামকৰণ প্ৰথা বৰ্তমান অসমীয়া ভাষাতে হ'লেও অতীত নৱ জাতকৰ নাম তাই-আহোম ভাষাতহে ৰখা হৈছিল। নামৰ আগত চাও বা নাং ব্যৱহাৰ কৰিছিল। যেনে- চাও চেংহুং হাতীবৰুৱা।

ভাষা হ'ল ভাৱৰ বাহন। পৃথিৱীৰ সকলো জনগোষ্ঠীৰে ভাষাৰ ভিন্নতা আছে। সময়ৰ সোঁতত কিছুমান ভাষাৰ গতি ৰুদ্ধ হৈ পৰে আৰু কিছুমান চহকী ভাষালৈ পৰিৱৰ্তিত হয়। তাই-আহোম সকলৰ ভাষাক তাই বা তায়ী ভাষা বুলিও কোৱা হয়। ভাৰতৰ প্ৰথম বুৰঞ্জী এই ভাষাতেই লিখা হৈছিল। তাই ভাষাৰ ব্যঞ্জনবৰ্ণ ২৪ টা। এই কেইটা হ'ল - কা, খা, ঙা, না, তা, পা, ফা, বা, মা, জা, চা, থা, ৰা, লা, ছা, ঞা, হা, আ, তা, ধা, গা, ঘা, ভা, ঝা। তাই-আহোম ভাষাৰ কোনো স্বৰবৰ্ণ নাই। কেৱল স্বৰ চিহ্ন সমূহহে আছে। এই স্বৰচিহ্ন সমূহকে ব্যঞ্জনবৰ্ণ 'আ'ৰ লগত সংযুক্ত কৰি তাই ভাষাৰ স্বৰবৰ্ণ সমূহ গঠন কৰা হৈছে। তাই-আহোম ভাষাৰ দুটামান বৈশিষ্ট্য হ'ল ঃ-

(ক) তাই-আহোম ভাষাত দন্ত্য আৰু মুৰ্ধন্য বৰ্ণ বুলি দুবিধ বৰ্ণ নাই।

(খ) অসমীয়া ভাষাত থকা ৱ, শ, য, স, ক্ষ, য়- এই বৰ্ণ কেইটা তাই আহোম ভাষাত নাই। এই ভাষাৰ চৰ্চা আৰু উদ্ধাৰৰ বাবে ১৯৬৪ চনতে শিৱসাগৰ জিলাৰ পাটসাকোঁত কেন্দ্ৰীয় তাই একাডেমী প্ৰতিষ্ঠা হৈছিল। বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়তো উক্ত বিষয়ত ডিপ্লমা পাঠ্যক্ৰম প্ৰদান কৰিছে। ইয়াৰোপৰি তাই-আহোম ভাষাৰ উৎকৰ্ষ সাধনৰ বাবে ঐকান্তিক ভাবে চেষ্টা কৰি অহা কেইটামান সংগঠন হ'ল পূৰ্বাঞ্চল তাই সাহিত্য সভা, সদৌ অসম মহন দেওধাই-বাইলুং সন্মিলন, সদৌ অসম ফ্ৰালুং সংঘ ইত্যাদি।

তাই-আহোম সকলৰ ধৰ্মটোক ফুৰালুং ধৰ্ম বোলে। এই ধৰ্ম একেশ্বৰবাদত বিশ্বাসী নহয়। ই নানা দেৱ-দেৱী পূজাৰ পোষকতা কৰে। বৰ্তমান তাই-আহোম সকলে ধৰ্মীয় কাম-কাজ ফুৰালুং আৰু বৈষ্ণৱ ধৰ্মমতে সমাধা কৰা পৰিলক্ষিত হয়। ফুৰালুং শব্দটোৰ 'ফুৰা'ৰ অৰ্থ হ'ল - ক্ষমতাৰ অধিক বিকেন্দ্ৰীকৰণ (ফু -- এজনৰ দায়িত্ব অন্য এজনৰ ওপৰত অৰ্পণ কৰা, ৰা - - অধিক) অৰ্থাৎ ঈশ্বৰৰ কাম বা ক্ষমতা, তেওঁৰ পালিত সৰু সৰু দেৱ-দেৱীৰ মাজত বিতৰণ কৰা।

এই জনগোষ্ঠীৰ লোকে চাউলৰ পৰা বনোৱা মদ (লাওপানী)ৰ বহুল ব্যৱহাৰ কৰে। ছেৰা দিয়া বৰা ভাত, টোপোলা ভাত, পানীটেঙা, শুকুটি মাছৰ ব্যৱহাৰৰ পৰম্পৰা আছে। মাংস ভক্ষণৰ ক্ষেত্ৰত তাই-আহোম সকলৰ বিশেষ বাধা নাই। এই জনগোষ্ঠীৰ লোক হস্ত শিল্পটো বৰ পটু। বাঁহ-বেতৰ বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰাৰ লগতে মহিলা সকলে তাঁতশালত সপোন ৰচনা কৰিব পাৰে। বিয়া-বাৰুৰ ক্ষেত্ৰত যথেষ্ট বাধা-নিষেধ আছে তাই-আহোমসকলৰ। এওঁলোকে নিজ বংশৰ ছোৱালী বিয়া কৰাব নাপায়। কিন্তু, তাই-খাময়াং সকলৰ বাবে মোমায়েকৰ জীয়েকেই বিয়াৰ বাবে উত্তম কন্যা। সাধাৰণতে কিছুমান তাই-আহোমে বৰ্তমানেও চকলং কৰি বিয়া পাতে।

এচিয়া মহাদেশৰ এটা বৃহত্তম জনগোষ্ঠী তাইসকল। থাইলেণ্ড, চীন, বাৰ্মাকে ধৰি বহুদেশত বিয়পি আছে এই জনগোষ্ঠী। তাৰে এটা ঠাল বিশেষ তাই-আহোম সকল। এওঁলোকে মনে-প্ৰাণে, হাড়ে-হিমজুৱে ইতিমধ্যেই অসমীয়া জাতিৰ লগত একীভূত হৈ গৈছে।

* ......................................

জীৱনজ্যোতি হাজৰিকা*

# সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য

প্ৰত্যেক ব্যক্তিয়েই জন্মৰ পৰা মৃত্যুলৈকে এই পৃথিৱীত এক দীঘলীয়া জীৱন অতিবাহিত কৰে। এই দীঘলীয়া জীৱন-পৰিক্ৰমাত প্ৰত্যেকেই বিভিন্ন বিষয়ৰ জ্ঞান লাভ কৰিবলৈ সক্ষম হয়। বিভিন্ন পৰিবেশত, বিভিন্ন পৰিস্থিতিত শিশুৰ পৰা বৃদ্ধ কাললৈকে এজন ব্যক্তিয়ে বহু জ্ঞান আহৰণ কৰে। সাধাৰণ অৰ্থত যদিও আৰ্জিত এই সকলোবোৰ জ্ঞানকে শিক্ষা বুলি কোৱা হয় তথাপি প্ৰকৃত অৰ্থত ইয়াকে শিক্ষা বুলি ক'লে মাৰাত্মক ভুল কৰা হ'ব। প্ৰকৃততে সেইবোৰ জ্ঞানকে শিক্ষাৰ অন্তৰ্ভুক্ত কৰিব পাৰি যাৰ সহায়ত এজন ব্যক্তিয়ে ব্যক্তিত্বৰ পূৰ্ণ বিকাশ ঘটাবলৈ সক্ষম হয় আৰু অন্য কোনো লোকৰে অনিষ্ট সাধন নকৰাকৈ সমাজত এজন নাগৰিকৰূপে জীৱন নিৰ্বাহ কৰিব পাৰে। মহান দাৰ্শনিক, শিক্ষাবিদসকলে আগবঢ়োৱা শিক্ষাৰ সংজ্ঞাবোৰ বিশ্লেষণ নকৰিও কেৱল নিজৰ সাধাৰণ জ্ঞানেৰে ক'ব পাৰি যে প্ৰকৃততে শিক্ষাৰ লক্ষ্য বা উদ্দেশ্য হৈছে মনুষ্যত্বৰ বিকাশ সাধন কৰা। অৰ্থাৎ এজন ব্যক্তিৰ সুপ্ত গুণাৱলীৰ বিকাশ ঘটাই সমাজৰ এজন ৰূপে জীয়াই থাকিবলৈ গঢ়ি তোলা। কিন্তু সাম্প্ৰতিক কালত দেখা গৈছে শিক্ষাৰ প্ৰকৃত লক্ষ্য সাধনত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, সমাজ সচেতন ব্যক্তি সকলোৰে দায়িত্ব আছে যদিও উক্ত দায়িত্বসমূহ আচলতে কোনেও সুচাৰুৰূপে পালন কৰিছে বুলি ক'ব নোৱাৰি। ইয়াৰ চূড়ান্ত প্ৰমাণ আজি মানৱ জাতিৰ সন্মুখত দণ্ডায়মান। অতীতৰ যুদ্ধ বিগ্ৰহৰ পৰা আৰম্ভ কৰি যোৱা শতিকাৰ দুখনকৈ বিশ্ব-যুদ্ধ, আমেৰিকাৰ ৱৰ্ল্ড ট্ৰেড চেণ্টাৰ, ভাৰতৰ সংসদ আক্ৰমণ, নিতৌ বাতৰি কাকত তথা প্ৰচাৰ মাধ্যমৰ যোগেদি প্ৰচাৰিত হত্যা, ধৰ্ষণ, উগ্ৰপন্থীৰ আক্ৰমণ আদি ঘটনাই ইয়াৰ সাক্ষীৰূপে জিলিকি আছে। সম্প্ৰতি সমগ্ৰ বিশ্বতে লাখ লাখ শিক্ষানুষ্ঠান স্থাপন কৰা সত্ত্বেও আৰু ইবিলাকত যোগ্য গুৰুৱে শিক্ষা দান কৰা সত্ত্বেও পৃথিৱীত নিতৌ হত্যা, হিংসা, ধৰ্ষণ, বোমা-বিস্ফোৰণ ক্ৰমবৰ্ধমান হাৰত বৃদ্ধিহে পাইছে। আধুনিক শিক্ষাৰে শিক্ষিত এচাম ব্যক্তিৰ দ্বাৰাই এফালে প্ৰতিষ্ঠা হৈছে মানুহ গঢ়াৰ অনুষ্ঠান আৰু একে শিক্ষাৰে শিক্ষিত আন এচামৰ দ্বাৰা সংঘটিত হৈছে হত্যা, হিংসা, সন্ত্ৰাসবাদ তথা মৃত্যুৰ বিভীষিকা। চৌদিশে আতংকময় পৰিৱেশ। এয়াই কি মনুষ্যত্বৰ বিকাশ! আধুনিক শিক্ষাৰ আশীৰ্বাদ!

শিক্ষাৰ লগত নৈতিকতাৰ সম্বন্ধ কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এজন ব্যক্তিৰ আৰ্জিত জ্ঞানৰ লগত নৈতিকতাৰ সংমিশ্ৰণ ঘটিলেহে সেই শিক্ষাই পূৰ্ণতা লাভ কৰিব। কিন্তু সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যে এয়া সুদূৰ পৰাহ। সকলো কাম-নীতি নিয়মৰ মাজেৰে নিৰ্দ্দিষ্ট দিশত ধাৱমান হোৱা হ'লে পৃথিৱীখন বৰ সুন্দৰ হ'লহেতেঁন, কিন্তু সময় বৰ নিষ্ঠুৰ। ই নিজ দিশতহে মাথোন গতি কৰে। যেতিয়া মানুহে ক্ষুদ্ৰ স্বাৰ্থৰ বাবেই আত্মীয় স্বজনৰ মৰম, আশা-আকাংক্ষা আনকি নিজৰ বিবেক পৰ্য্যন্ত ধ্বংস কৰিব পাৰে, তেতিয়া তেনে এজন শিক্ষিত ব্যক্তি নৈতিকভাৱে কিমান সবল সেয়া সহজেই অনুমেয়।

নিজৰ কৃষ্টি-সংস্কৃতিক লৈয়ে একো একোটা জাতি সভ্যতাৰ বুকুত জীয়াই আছে। নানা দুৰ্য্যোগ, অপায়-অমঙ্গল, বাধাকো নেওচি সংস্কৃতি চিৰ প্ৰৱাহমান স্ৰোতস্ৰিনিৰ দৰে নিজ দিশত গতি কৰি আছে। কিন্তু যেতিয়াই কোনো জাতিৰ সামাজিক চৰিত্ৰৰ স্খলন আৰম্ভ হয় তেতিয়াই সংস্কৃতিৰ বুকুতে জন্ম হয় অপ-সংস্কৃতিৰ। ইয়ে অন্য জাতিৰ সংস্কৃতিতো প্ৰৱেশ কৰি গৌৰৱউজ্জ্বল জাতিৰ সংস্কৃতিটো বিষবাষ্প চটিয়াই দিয়ে। ইয়াৰ কু-প্ৰভাৱত আপোন সংস্কৃতি, মূল্যবোধৰ প্ৰতি বিতৃষ্ণা জন্মে আৰু আদৰি ল'বৰ বাবে মন আগ্ৰহী হয় অন্যৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি। কৃষ্টি আৰু সংস্কৃতিৰ বিভিন্ন উপাদানে যদিও মানসিক আৰু আধ্যাত্মিক অভাৱ দূৰ কৰে কিন্তু বিজতৰীয়া সংস্কৃতিয়ে একোটা জাতিৰ জাতীয় গৌৰৱ, সাহিত্য, কলা, কথা-বাৰ্তা, আচাৰ-ব্যৱহাৰ আদি সকলো দিশতে ঋণাত্মক প্ৰভাৱ পেলায়। এয়া সকলো আমাৰ চকুৰ আগতে ঘটিব লাগিছে। সেয়ে সাম্প্ৰতিক ঘটনা প্ৰৱাহৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহত উপনীত হ'বলৈ শিক্ষা ব্যৱস্থাৰ সাংগঠনিক দিশৰ আমূল পৰিবৰ্তন সাধি সময়োপযোগী কৰি গঢ়ি লোৱাৰ সময় সমাগত। এয়া কৰা নহ'লে জীৱ-শ্ৰেষ্ঠ মানুহে নিজৰ ভুলৰ বাবে নিজেই এই শস্য শ্যামলা ধৰাৰ বুকুৰ পৰা চকুলো টুকি বিদায় ল'বলৈ বেছি পৰ নালাগিব।

*স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ



ৰাজেন চেতিয়া*

# সন্মান

জীৱ-জগতত এটি মাত্ৰ জীৱ আছে যি আনৰ পৰা মৰম-স্নেহ, বিচৰাৰ উপৰিও সন্মান বিচাৰে। সেইয়া হ'ল মানুহ। এই সন্মান শব্দটোৰ লগতনো কি জড়িত হৈ আছে সেইয়া বিশ্ব-ব্ৰহ্মাণ্ডৰ মানুহ নামৰ জীৱবিধৰ বাদে আন জীৱই বুজি নোপায় চাগে।

মানুহে জীৱনত বহু বস্তু বিচাৰি ফুৰা দেখা যায়। কিন্তু সন্মান বিচাৰি ফুৰা বস্তু নহয়। সন্মান এনে এটা বস্তু (কোনা সামগ্ৰী নহয়) যাক ধন-টকা-পইচা বা আ-অলংকাৰে কিনিব নোৱাৰি। তেন্তে প্ৰশ্ন হয় - সন্মাননো কি? কোনে কাক সন্মান কৰিব লাগে? সন্মান বুলিলে শ্ৰদ্ধা কৰা, সেৱা কৰা, আশীৰ্বাদ লোৱা আদিকে বুজা যায়। অৰ্থাৎ জ্যেষ্ঠজনক শ্ৰদ্ধা প্ৰদৰ্শন কৰা। এইয়া পিছে সন্মানৰ সংকীৰ্ণ অৰ্থহে। বহল অৰ্থত সন্মান বুলিলে যোগ্যজনক উপযুক্ত স্বীকৃতি প্ৰদান কৰাটোৱেই হ'ল সন্মান। ইয়াত ডাঙৰ বা সৰু অৰ্থাৎ বয়সৰ ওপৰত গুৰুত্ব দিয়া নহয়। নিজৰ কৰ্ম তথা দক্ষতাৰ ওপৰত সমাজত যি সামাজিক প্ৰস্থিতি তথা আসন দখল কৰি থাকে আৰু তাৰ ওপৰতেই তেওঁৰ সন্মান জড়িত। সমাজে তেওঁক যেনেদৰে চিনি পাই তেনেধৰণৰ সন্মানেই তেওঁ উপভোগ কৰে।

এজন ভিক্ষাৰীৰ লগত সন্মানৰ কোনো সম্পৰ্ক নেথাকে। এজন ৰজা, মন্ত্ৰী বা কোনো প্ৰতিষ্ঠিত ব্যক্তিৰ ক্ষেত্ৰত কিন্তু সন্মান শব্দটো ওতঃপ্ৰোতভাৱে জড়িত। সমাজত সেই ব্যক্তিৰ হে সন্মান থাকে যিজনৰ কাৰ্য্যক লৈ সেই অঞ্চল বা সমাজখনে গৌৰৱ কৰিব পাৰে। আৰু তেওঁৰ কাৰ্য্যক অনুসৰণ কৰিবলৈ শিকে।

সন্মান পাবলৈ আনকো সন্মান জনাব জানিব লাগিব। যিহেতু আমি আনৰ পৰা যি ধৰণৰ আচৰণ আশা কৰো, আমিও আনক তেনেধৰণৰ আচৰণ তথা সন্মান প্ৰদৰ্শন কৰিব জানিব লাগিব।

সন্মান দুটা দিশৰ পৰা পোৱা যায়। (ক) জন্মগত আৰু (খ) আৰ্জিত। জন্মৰ জৰিয়তে লাভ কৰা মান-সন্মান হ'ল জন্মগত। সম্ভ্ৰান্ত ঘৰত জন্ম গ্ৰহণ কৰিলে সামন্তঘৰীয়া সন্মান। আনহাতে নিজ কৰ্ম-দক্ষতা, প্ৰতিভা তথা শিক্ষাৰ বলত যি সামাজিক স্বীকৃতি লাভ কৰে তাক আৰ্জিত সন্মান বুলি কোৱা হয়। বিভিন্নধৰণৰ অনুষ্ঠান প্ৰতিষ্ঠানে দিয়া সন্মান, সভা-সমিতিয়ে আগবঢ়োৱা সন্মান, সন্থা, চৰকাৰ আদিয়ে আগবঢ়োৱা সামাজিক স্বীকৃতি তথা সন্মান হ'ল আৰ্জিত সন্মান। বৰ্তমানৰ প্ৰেক্ষাপটত জন্মগত সন্মানৰ তুলনাত আৰ্জিত সন্মানৰ গুৰুত্ব অধিক। এই সন্মানে সমাজত ধনী-দুখীয়া, উচ্চ-নীচ, আপোন-পৰ আদি বিচাৰ নকৰে। নিজৰ সামাজিক আসনৰ ওপৰতেই তেওঁৰ সন্মান নিৰ্ভৰ কৰে।

বিদ্যাক যেনেকৈ কোনেও এজনৰ পৰা কাঢ়ি নিব নোৱাৰে সন্মানো আনৰ পৰা কাঢ়ি নিয়া বস্তু নহয়। মানুহৰ চৰিত্ৰ আৰু ব্যক্তিত্বই এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে।

সন্মান যাচিলে তাক গ্ৰহণ কৰিবও জানিব লাগে। কোনোবাই আমাক সন্মান প্ৰদৰ্শন কৰিলে আমি তেওঁক সন্মান জনাব নাজানিলে তেওঁৰ সন্মান অৱমাননাহে কৰা হয়। এদিন আমেৰিকাৰ প্ৰথমজন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকন ফুৰিবলৈ যাওঁতে বাটতে এজন কুলীয়ে ৰাষ্ট্ৰপতিক দেখি 'চালাম চাহাব, গুড্ মৰ্ণিং' (ভঙা ইংৰাজীত) বুলি ক'লৈ। লগে লগে ৰাষ্ট্ৰপতিয়েও 'চালাম, গুড্ মৰ্ণিং' বুলি সন্মান জনালে। এইয়া অসাধাৰণলোকৰ কাৰ্য্য। আমি অসাধাৰণ

*স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

লোকৰ শাৰীলৈ যাব নোৱাৰিলেও অন্ততঃ ভ্ৰাতৃজনক ভ্ৰাতৃত্ব আৰু জ্যেষ্ঠজনক শ্ৰদ্ধা জনাব জানিব লাগে। তেতিয়াহে নিজৰ লগতে সমাজৰ তথা এই চিৰ সেউজীয়া প্ৰকৃতিত শান্তিৰ কপৌজনীৰ দেউকা দুখনিয়ে মুক্তমনে বিচৰণ কৰিব পাৰিব।

সন্মান কাক দিব লাগে? কেনেকৈ দিব লাগে? ইত্যাদি দিশসমূহ পৰ্য্যালোচনা কৰি চাব লাগে। যদি আমি যোগ্যজনক সন্মান যাচিব নোৱাৰো বা নাজানো তেন্তে আমিও কাৰো পৰা সন্মান নাপাওঁ। ভালক ভাল বুলি ক'ব পাৰিব লাগিব তথা আনৰ যোগ্যতাক স্বীকৃতি প্ৰদানৰ মুক্ত মানসিকতা থাকিব লাগিব। নিজে যোগ্য হ'ব নোৱাৰিলে আনকো অযোগ্য বুলি বিবেচিত কৰা কু অভ্যাস ত্যাগ কৰিব লাগিব। আনে অৰ্জন কৰা সন্মানৰ প্ৰতি কেতিয়াও বিৰোধ মনোভাৱ গ্ৰহণ কৰিব নালাগে। তেওঁ পোৱা স্বীকৃতিক আদৰণি জনাব লাগে।

সন্মানৰ বা স্বীকৃতিৰ বিকৃত ৰূপটোৱেই হ'ল অভিমান আৰু আত্ম অহংকাৰ। কেতিয়াবা দেখা যায় বল প্ৰয়োগ অৰ্থাৎ শক্তি প্ৰয়োগৰ দ্বাৰা সন্মান বা স্বীকৃতি বিচৰা হয়, সেয়া জানো সন্মান? যিজনে নিজেই নিজক সন্মান দিব বিচাৰে তেওঁ কেনেকৈ সন্মানীয়? সন্মানক বজাৰৰ পণ্য সামগ্ৰীৰ দৰে কিনিব পাৰি জানো? স্বয়ং ভগৱানকো স্বীকৃতি বা সন্মান বিচৰাৰ কথা ধৰ্ম গ্ৰন্থ সমূহত পোৱা যায় আৰু ইয়েই তেওঁলোকৰ কাল হয়। অভিমান তথা আত্ম-অহংকাৰৰ কাৰণেই তেওঁলোকে নিজক প্ৰকৃততে উপলব্ধি কৰিব নোৱাৰে। আজিৰ যুগত সেই অসুৰ নাই যদিও অসুৰ সুলভ মনোবৃত্তি কিন্তু বৰ্তমানৰ সমাজত বিৰাজমান। এইয়া এক মূৰ্খামীৰ বাদে আন একো নহয়। ঠিক তেনেকৈ বহু নাৰীও নিজৰ শাৰীৰিক সৌন্দৰ্য্যক লৈ আত্ম-অহংকাৰত জড়িত হৈ নিজকে শ্ৰেষ্ঠ নাৰী বুলি দাবী কৰি শেষত ব্যৰ্থ হোৱা বহুতো কাহিনী প্ৰাচীন মহৎ গ্ৰন্থ সমূহে আমাক সোঁৱৰাই দিয়ে। প্ৰত্যক্ষভাৱে নহ'লেও এইয়াও সন্মান অৰ্জনৰে এক প্ৰৱণতা। বৰ্তমানৰ নাৰী সমাজত কোনো ক্ষেত্ৰতে ইয়াক পৰিলক্ষিত নোহোৱাকৈ থকা নাই।

সন্মানৰ বিপৰীত শব্দটো হ'ল বদনাম। যাক কোনোৱেই আকোঁৱালি ল'ব নিবিচাৰে। কিন্তু কৰ্মৰ অনুপাতে তথা প্ৰতিটো কামৰ বিপৰীতে একোটা ফল পায়। বেয়া কৰ্মৰ ফল বেয়া। সেয়াই হ'ল বদনাম। অপ্ৰিয় যেন লাগিলেও ই বাস্তৱ সত্য যে আজি মানৱ সমাজত সন্মানে কেতিয়াবা কেতিয়াবা বিকৃত ৰূপ ধাৰণ কৰিছে। সন্মানৰ কাৰণে যুদ্ধ হৈছে, কাৰোবাক হত্যা কৰা হৈছে, হিংসা আৰু প্ৰতিহিংসাৰ প্ৰতিযোগিতা চলিছে আৰু মানৱ সমাজখন আতংকত জৰ্জৰিত হৈ পৰিছে।

সি যি নহওক সন্মান প্ৰকৃততে কোনেও কেতিয়াও কাৰোবাৰ হাতৰ আহিলা হিচাপে ব্যৱহাৰ কৰিব পৰা বস্তু নহয়। শক্তি বা বল প্ৰয়োগৰ ফলত পোৱা সন্মান অতি ক্ষণস্থায়ী। প্ৰকৃত সন্মান হ'ল স্থায়ী। ই কালৰ কুটিল গতিতো হেৰাই নাযায়।যোগ্যজনক সন্মান দিব পৰা জনেহে আনৰ পৰাও সন্মান পাবলৈ সক্ষম হৈছে। সন্মানীয় হ'বলৈ যাওঁতে আনৰ দোষ-কণ্টক পৰ্য্যালোচনা কৰাতকৈ আটাইতকৈ বেছি নিজক পৰ্য্যালোচনা কৰিব লাগে। যিহেতু নিজৰ জীৱনকালৰ কৰ্মৰ সমষ্টিয়েই হ'ল সন্মানৰ মূল ভেটি।

আজি বিজ্ঞানৰ যুগ। বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ সময়। তথাপি মানৱীয় প্ৰমূল্যবোধ হেৰুৱাই নিজকে বৈজ্ঞানিক তথা আধুনিক যুগৰ মানুহ হিচাপে পৰিচয় দিবলৈ যোৱাতো আমাৰ ভুল নহবনে? আজি নববৰ্ষৰ ন সুৰুযৰ ন প্ৰভাতত সেয়ে আমি পৰস্পৰে পৰস্পৰৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ আৰু নতুন পথৰ যাত্ৰী হওঁ আহক।



*সন্দীপ দে**

# শিক্ষাৰ ক্ষেত্ৰত নৈতিক চৰিত্ৰৰ প্ৰয়োজনীয়তা

মানুহৰ আভ্যন্তৰীণ আৰু বাহ্যিক দুটা দিশ থাকে। মানুহ এজনৰ চৰিত্ৰটো সাধাৰণতে আভ্যন্তৰীণ। চৰিত্ৰ বস্তুটো সচৰাচৰ বাহিৰত প্ৰকাশ নহয়। এজন বেয়া চৰিত্ৰৰ মানুহেও শিক্ষাৰ ক্ষেত্ৰত সফল হব পাৰে। কাৰণ তেওঁ পৰীক্ষাৰ বহীত লিখোতে তেওঁৰ লিখনিত চৰিত্ৰৰ কথা প্ৰকাশ নহয়। ফলত তেওঁৰ পৰীক্ষা ভাল হ'লে সফলতাৰে উত্তীৰ্ণ হ'ব। ইয়াত চৰিত্ৰৰ কথা প্ৰশ্নই নুঠে। এটা কথা আমাৰ ভাৰতীয় আইনেও স্বীকাৰ কৰি আহিছে যে মানুহৰ ভিতৰৰ চৰিত্ৰ বেয়া হ'লেও সি প্ৰকাশ নহ'লে কোনো আইনে একো কৰিব নোৱাৰে। উদাহৰণস্বৰূপে এজন মানুহে চুৰ কৰিম বুলি বা মানুহ এজন মাৰিম মাৰিম বুলি ভাবি আছে। কিন্তু তেওঁ সেই কাম নকৰালৈকে তেওঁক কোনো আইনে একো কৰিব নোৱাৰে। কিন্তু মানুহজনৰ মনোভাৱৰ পৰা তেওঁৰ চৰিত্ৰৰ কিছু আভাস পোৱা যায়। প্ৰতিজন শিক্ষিত লোক নীতিগত ভাৱে চৰিত্ৰৱান নহ'বও পাৰে। উদাহৰণস্বৰূপে কিছুমান কথা ক'ব পাৰি। যেনে- ধৰাহওক, এজন ছাত্ৰ পঢ়াত ইমান বেয়া নহয়। কিন্তু তেওঁ বৰ বদমাছ, কিছুমান বেয়া কামত লিপ্ত হয়, শিক্ষকক মান-সন্মান নকৰে। তেওঁৰ এই চৰিত্ৰবোৰ জ্ঞাতই হওঁক বা অজ্ঞাতই হওক, যদি তেওঁ বিভিন্ন পৰীক্ষাত পাছ কৰে, তেনেহ'লে তেওঁৰ প্ৰমাণ পত্ৰত "চৰিত্ৰ ভাল" বুলিয়েই লিখা থাকে। তদুপৰি আজিকালি শিক্ষাক্ষেত্ৰত মাত্ৰ শ্ৰেণীৰ পাঠ্যপুথি পঢ়িয়েই বা মুখস্থ কৰিয়েই, তাৰ পৰা জ্ঞান আহৰণ নকৰাকৈও সফল হ'ব পাৰি।

সাধাৰণতে চৰিত্ৰ বোলোতে বহুত চৰিত্ৰৰ কথা আহি পৰে। যেনে, নৈতিক চৰিত্ৰ, সাধাৰণ চৰিত্ৰ আদি। প্ৰতিজন মানুহৰে সাধাৰণ চৰিত্ৰ প্ৰায়েই থাকে। নৈতিকভাৱে নহৈ সাধাৰণ চৰিত্ৰৱান হৈও শিক্ষাক্ষেত্ৰত সফল হ'ব পাৰি। ওপৰৰ পৰ্য্যালোচনাৰ পৰা এই ধাৰণা হয় যে শিক্ষাৰ ক্ষেত্ৰত হোৱা সফলতা চৰিত্ৰৰ লগতে সাঙোৰ খাই আছে জানো? কিন্তু প্ৰকৃতাৰ্থত ক'বলৈ গ'লে সেয়া এক ভ্ৰান্ত ধাৰণা। এটা দৃষ্টিকোণৰ পৰা কিন্তু চৰিত্ৰটো এটা ডাঙৰ বস্তু।

শিক্ষাৰ ক্ষেত্ৰত সফল হ'বলৈ নৈতিকভাৱে চৰিত্ৰৱান হোৱাটো অত্যন্ত প্ৰয়োজন। কিয়নো শিক্ষাৰ উদ্দেশ্যই হৈছে মানুহ এজনক সকলো দিশৰ পৰা বিকাশ ঘটাই এজন সু-নাগৰিক কৰি গঢ়ি তোলা। দুচৰিত্ৰৰ শিক্ষিত লোক এজনক শিক্ষাৰ ক্ষেত্ৰত সফল বুলি ক'ব পৰা নাযায়। কাৰণ এই ক্ষেত্ৰত শিক্ষাৰ সু-নাগৰিক কৰি গঢ়ি তোলাৰ যি উদ্দেশ্য সেয়া পূৰণ নহয়। উপনিষদৰ যুগত ছাত্ৰক নৈতিকভাৱে চৰিত্ৰৱান হ'বলৈ উপদেশ দিয়া হৈছিল। যাজ্ঞৱল্কৰ মতে শিক্ষাই মানুহক সৎ চৰিত্ৰৱান আৰু সমাজৰ উপযোগী কৰি তোলে। ভতৃহৰি আদি সংস্কৃত কবিসকলে নীতিশ্লোক আদি

*স্নাতক তৃতীয় বৰ্ষ, উদ্ভিদ বিজ্ঞান বিভাগ*

ৰচনা কৰি ছাত্ৰক শিক্ষাৰ ক্ষেত্ৰত সফল হ'বলৈ তেনে নীতিশ্লোক সমূহৰ শিক্ষা দান কৰিছিল। যাৰদ্বাৰা ছাত্ৰসকলে সহজে নৈতিক চৰিত্ৰৱান হ'ব পাৰিছিল। আধুনিক ভাৰতবৰ্ষৰ প্ৰখ্যাত মনিষী স্বামী বিবেকানন্দই কৈ গৈছে যে শিক্ষাৰ মুখ্য অৰ্থ প্ৰকৃতাৰ্থত মানুহ সৃষ্টি কৰা। এই ক্ষেত্ৰত মানুহৰ নৈতিক চৰিত্ৰ আদিৰ কথাকে ইংগিত কৰি তেওঁ ক'বলৈ বিচাৰিছে যে নৈতিকভাৱে চৰিত্ৰৱান লোকহে শিক্ষাৰ ক্ষেত্ৰত সফল হয়, নৈতিক চৰিত্ৰ বুলিবলৈ তেওঁৰ একো কথাকে নাথাকে তেনেক্ষেত্ৰত শিক্ষাৰ অৰ্থ তথা উদ্দেশ্য কোনোটোৱেই পূৰ্ণ নহ'ব। ফলস্বৰূপে তেওঁক শিক্ষাৰ ক্ষেত্ৰত সফল বুলি ক'ব পৰা নাযাব।

নৈতিকভাৱে চৰিত্ৰৱান নহ'লে শিক্ষাৰ ক্ষেত্ৰত সফল হোৱাটো অসম্ভৱ হৈ পৰে। বহুতো ভাল ছাত্ৰ, মেধাৱী ছাত্ৰও অসৎ লোকৰ সংগত পৰি চৰিত্ৰহীন হৈ পৰে। কিয়নো সেই ছাত্ৰসমূহ অসৎ সংগৰ কবলত পৰি নৈতিক চৰিত্ৰৰ দিশত অধঃপতিত হয়, তেওঁলোকৰ সু-চৰিত্ৰ বুলিবলৈ একো নাথাকে। যাৰবাবে কু-চিন্তা, কু-কৰ্মই তেওঁলোকৰ শিক্ষাৰ ক্ষেত্ৰত সফল হ'বলৈ খোজা ইচ্ছাক অৱদমিত কৰে তথা ইচ্ছা থাকিলেও অধঃপতিত তেনে লোকৰ হাতত সফল হ'বলৈ অপ্ৰয়োজনীয় সামৰ্থ্য নোহোৱা হয়। সফল হ'বলৈ যোৱাটো তেওঁলোকৰ পক্ষে অলীক কল্পনাত পৰিণত হয়, যদিহে তেওঁলোকে নিজ নিজ চৰিত্ৰৰ সংশোধন কৰিব নোৱাৰে।

দেশত সৃষ্টি হোৱা দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ মূলতে হৈছে নৈতিকভাৱে চৰিত্ৰহীন লোকসকল। তেওঁলোক তথাকথিত শিক্ষিত কিন্তু শিক্ষাৰ ক্ষেত্ৰত প্ৰকৃততে সফল নহয়। কিয়নো প্ৰকৃত শিক্ষিত তথা সফল ব্যক্তিয়ে এনে দুৰ্নীতি পক্ষপাতিত্ব নকৰে। তেওঁলোক অৱশ্যেই শিক্ষাৰ ক্ষেত্ৰত অসফল। কিয়নো এনে ক্ষেত্ৰত শিক্ষাৰ অৰ্থ সম্পূৰ্ণ নহয়। এনে লোকসকলৰ বাবেই দেশত অনৈক্য, মৰামৰি, কটাকটি, সাম্প্ৰদায়িক সংঘৰ্ষ আদিৰ সৃষ্টি হয়। শিক্ষাৰ ক্ষেত্ৰত থকা অপূৰ্ণতাই তেওঁলোকক এই কামসমূহৰ পিনে টানে। গতিকে শিক্ষাৰ ক্ষেত্ৰত সফল হ'বলৈ নৈতিকভাৱে চৰিত্ৰৱান হোৱাটো অপৰিহাৰ্য্য।

আমি যি কৰোঁ তাৰ কাৰণেই যে আমাৰ বিচাৰ হ'ব এনে নহয়, আমি কি নকৰোঁ তাৰ কাৰণেও আমাৰ বিচাৰ হ'ব। আমাৰ যুগত ভদ্ৰলোক তেওঁকে বোলে যাৰ হাতত প্ৰচুৰ টকা আছে আৰু সেই টকা তেওঁ মূৰ্খৰ দৰে জধে মধে খৰচ কৰিব পাৰে। অৰ্থাৎ ভদ্ৰলোক হ'ল এনে এজন মানুহ যিজনে নিজে কোনো বস্তু উৎপন্ন নকৰে, কিন্তু সকলো বস্তু ভোগ কৰে।

**- জৰ্জ বাৰ্ণাৰ্ডশ্ব**



*লেখক চন্দ্ৰ গগৈ**

# ভাৰতীয় অৰ্থনীতিত কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ ভূমিকা

উদ্যোগসমূহৰ আকাৰ, মূলধনী সম্পদ আৰু শ্ৰমিক নিয়োগৰ সংখ্যাক বিবেচনা কৰি ক্ষুদ্ৰ, মজলীয়া আৰু বৃহৎ এই তিনিভাগত বিভক্ত কৰিব পাৰি। ক্ষুদ্ৰ উদ্যোগসমূহ সাধাৰণতে নগৰীয়া কেন্দ্ৰত স্থাপিত হয় কিন্তু কুটীৰ উদ্যোগসমূহ কৃষিকাৰ্য্যৰ লগত জড়িত আৰু ই গাঁও অঞ্চলৰ মানুহক সহকাৰী নিয়োগৰ সুবিধা আগবঢ়ায়। গ্ৰাম্য কুটীৰ উদ্যোগৰ ভিতৰত কিছুমান আছে যিবিলাক কৃষকসকলে উপজীৱিকা হিচাপে গ্ৰহণ কৰে - সূতা কটা আৰু তাঁত বোৱা, মৌ-মাখি পালন, বাঁহ বেতৰ কাম ইত্যাদি। ক্ষুদ্ৰ উদ্যোগসমূহে সম্পূৰ্ণ অথবা আংশিকভাৱে উদ্যোগিক যন্ত্ৰপাতিৰ জৰিয়তে বিভিন্ন বস্তুৰ উৎপাদন কৰে।

ভাৰতীয় অৰ্থনীতিত কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগসমূহৰ গুৰুত্ব অনস্বীকাৰ্য্য। সাম্প্ৰতিক কালত বিশেষকৈ অৰ্থনৈতিক সংস্কাৰৰ কাৰ্যসূচী প্ৰৱৰ্তন কৰাৰ পাছত ভাৰতৰ ক্ষুদ্ৰ উদ্যোগিক গোটৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ভাৰতৰ মুঠ উদ্যোগিক গোটৰ সংখ্যা ১৯৯১-৯২ চনৰ ২০.৮২ লাখৰ পৰা বৃদ্ধি পাই ১৯৯৭-৯৮ চনত ৩০.১৪ লাখ আৰু ১৯৯৮-৯৯ চনত ৩১.২১ লাখলৈ বৃদ্ধি পাইছে। ক্ষুদ্ৰ উদ্যোগিক গোটসমূহৰ মুঠ উৎপাদন ১৯৯১-৯২ চনৰ ১,৭৮,৬৯৯ কোটি টকাৰ পৰা ১৯৯৮-৯৯ চনত ৫,২৭,৫১৫ কোটি টকালৈ বৃদ্ধি পাইছে। এই ক্ষুদ্ৰ উদ্যোগিক গোট সমূহত মুঠ মানুহৰ নিয়োগৰ সংখ্যা ১৯৯১-৯২ চনত ১২৯.৮০ লাখৰ পৰা ১৯৯৮-৯৯ চনত ১৭১.৫৮ লাখলৈ বৃদ্ধি পাইছে।

ক্ষুদ্ৰ আৰু গ্ৰাম্য কুটীৰ উদ্যোগসমূহে ভাৰতীয় অৰ্থনীতিৰ প্ৰগতি আৰু নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ক্ষুদ্ৰ উদ্যোগিক গোটসমূহে ভাৰতৰ উদ্যোগিক উৎপাদনৰ প্ৰায় ৫০ শতাংশ বৰঙণি নিয়োগৰ পৰিমাণ বৃহৎ উদ্যোগসমূহত সৃষ্টি হোৱা নিয়োগৰ সংখ্যাৰ প্ৰায় পাঁচ গুণৰ বেছি। দ্বিতীয় পৰিকল্পনাৰ পাছৰ কালছোৱাৰ পাছৰ পৰাই ভাৰতীয় অৰ্থনীতিত ক্ষুদ্ৰ উদ্যোগসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

নিয়োগ সংস্থানৰ দিশত ভাৰতীয় অৰ্থনীতিত কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগসমূহে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। ভাৰতৰ গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগত নিয়োজিত মানুহৰ সংখ্যাই কৃষিৰ পিছতে স্থান লাভ কৰিছে। বৰ্তমান সময়ত নিবনুৱা সমস্যা দ্ৰুত বৃদ্ধি হোৱালৈ লক্ষ্য কৰি ক্ষুদ্ৰ উদ্যোগসমূহত গুৰুত্ব আৰোপ কৰা অতি প্ৰয়োজনীয়। কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগসমূহত কম মূলধন বিনিয়োগ কৰি ব্যাপক পৰিমাণৰ কৰ্মসংস্থান সৃষ্টি কৰাটো সম্ভৱ হয়। ভাৰতীয় অৰ্থনীতিত মূলধনৰ নাটনি হোৱা বাবে কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ সম্প্ৰসাৰণৰ যোগেদি নিবনুৱা সমস্যা দূৰ কৰা উচিত। ভাৰতৰ ক্ষুদ্ৰ উদ্যোগবিলাকে সৃষ্টি কৰা কৰ্ম সংস্থাপনৰ সংখ্যা ১৯৭৩-৭৪ চনৰ ৩৯.৭ লাখৰ পৰা বৃদ্ধি হৈ ১৯৮৫-৮৬ চনত ৯৬ লাখ হৈছিল। ক্ষুদ্ৰ উদ্যোগসমূহত মুঠ কৰ্মসংস্থান সৃষ্টিৰ আনুমানিক সংখ্যা ১৯৯১-৯২ চনৰ ১২৯.৮ লাখৰ পৰা ১৯৯৮-৯৯ চনত ১৭১.৬ লাখলৈ বৃদ্ধি পাইছিল। ক্ষুদ্ৰ উদ্যোগিৰ গোটসমূহে উৎপাদন কৰা বস্তুৰ ৰপ্তানিৰ পৰিমাণ ১৯৭৩-৭৪ চনৰ ৩৯৩ কোটি টকাৰ পৰা ১৯৯৮-৯৯ চনত ৫,২৭,৫১৫

**অৰ্থনীতি বিভাগ, স্নাতক তৃতীয় বৰ্ষ।*

কোটি টকালৈ বৃদ্ধি পাইছিল। ভাৰতৰ মুঠ ৰপ্তানি বাণিজ্যলৈ ক্ষুদ্ৰ উদ্যোগসমূহৰ বৰঙণি প্ৰায় ৩৫ শতাংশ।

ভাৰতৰ ক্ষুদ্ৰ উদ্যোগসমূহে দেশৰ জাতীয় আয় আৰু সম্পদৰ সম বণ্টনৰ পথ মুকলি কৰিছে। কাৰণ বৃহৎ উদ্যোগসমূহৰ তুলনাত ক্ষুদ্ৰ উদ্যোগসমূহৰ মালিকানা যথেষ্ট বিস্তৃত। তদুপৰি বৃহৎ উদ্যোগৰ তুলনাত ক্ষুদ্ৰ উদ্যোগৰ কৰ্ম সংস্থান সৃষ্টিৰ ক্ষমত্ৰ যথেষ্ট বেছি। ক্ষুদ্ৰ উদ্যোগসমূহে গাঁও আৰু উপনগৰীয়া অঞ্চলৰ পৰা যথেষ্ট পৰিমাণে সঞ্চয় আৰু পৰিচালনাগত নিপুণতা সংগ্ৰহ কৰাত সহায় কৰে। ভাৰতৰ মহাৰাষ্ট্ৰ, পশ্চিমবংগ, গুজৰাট আৰু তামিলনাডু আদি ৰাজ্যত বৃহৎ উদ্যোগসমূহ স্থানীয়কৰণ হোৱা দেখা গৈছে। গতিকে ক্ষুদ্ৰ উদ্যোগিক গোটসমূহৰ সমগ্ৰ দেশত বিস্তৃতকৰণৰ জৰিয়তে উদ্যোগিক উন্নয়ন অৰ্জন কৰা সম্ভৱ। বৃহৎ উদ্যোগে কেইজনমান পুঁজিপতিৰ হাতত দেশৰ সম্পদ কেন্দ্ৰীভূত হোৱাত সহায় কৰাৰ ফলত আৰ্থিক বৈষম্য বৃদ্ধি পায়। গতিকে গ্ৰাম্য ক্ষুদ্ৰ উদ্যোগৰ বিকাশৰ জৰিয়তে আৰ্থিক বৈষম্য হ্ৰাস কৰিব পাৰি। ভাৰতত কৃষিৰ ওপৰত জনসংখ্যাৰ হেঁচা হ্ৰাস কৰিবৰ বাবেও কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ সম্প্ৰসাৰণৰ প্ৰয়োজন। ভাৰতৰ প্ৰায় ৬৫ শতাংশ লোক কৃষিৰ ওপৰত প্ৰত্যক্ষভাৱে নিৰ্ভৰশীল। কিন্তু কৃষিৰ বৃহৎ অংশ অস্তিত্ব ৰক্ষাৰ ভিত্তিতে সংগঠিত হোৱাৰ উপৰি কৃষকে বছৰৰ কেইবামাহো বহি থাকিব লগা হয়। এই ক্ষেত্ৰত গ্ৰাম্য উদ্যোগক উপজীৱিকা হিচাপে গ্ৰহণ কৰি কৃষকে নিজৰ আয়ৰ বৃদ্ধি আৰু সময়ৰ সদ্ব্যৱহাৰ কৰিব পাৰে। ফলত কৃষকসকলৰ দৰিদ্ৰতা বহু পৰিমাণে লাঘৱ হ'ব। ক্ষুদ্ৰ উদ্যোগসমূহে মালিকপক্ষ আৰু শ্ৰমিক পক্ষৰ মাজত উন্নত উদ্যোগিক সম্পৰ্ক ৰক্ষা কৰি যোৱাৰ ফলত ই উদ্যোগিক বিবাদৰ সংখ্যা কমাবলৈ সক্ষম হয়। আনহাতে বৃহৎ খণ্ডৰ উদ্যোগসমূহত ধৰ্মঘট, তলাবন্ধ আদি সমস্যাৰ সন্মুখীন হোৱা দেখা যায় আৰু ইয়াৰ ফলত উদ্যোগিক সম্পৰ্ক ৰক্ষা কৰা কঠিন। গতিকে ক্ষুদ্ৰ উদ্যোগিক খণ্ডত জনদিৱসৰ অপচয় তুলনামূলকভাৱে কম।

গতিকে দেখা গৈছে যে ভাৰতীয় অৰ্থনীতিত কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ যথেষ্ট গুৰুত্ব আৰু সম্ভাৱনা আছে। বৰ্তমান দেশে সন্মুখীন হোৱা ভয়াবহ নিবনুৱা সমস্যা দূৰীকৰণ তথা অৰ্থনীতিৰ সামগ্ৰিক উন্নয়নৰ বাবে ভাৰতীয় অৰ্থনীতিত গ্ৰাম্য কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ উন্নয়ন অপৰিহাৰ্য্য।

এলেহুৱা মানুহৰ শৰীৰ পেলাই থোৱা চাবিৰ নিচিনা। ব্যৱহাৰ নকৰা চাবিত যেনেকৈ মামৰে ধৰে, কামত নলগোৱা শৰীৰতো সেইদৰে ৰোগ হয়। আনহাতে ব্যৱহাৰ কৰা চাবি যেনে চক্‌চকীয়া শ্ৰম কৰা শৰীৰো তেনে কটকটীয়া। তুমি যদি সৰহদিন জীয়াই থাকিব খোজা তেন্তে বহি থাকি সময় নষ্ট নকৰিবা।

- জ্ঞানী ৰিচাৰ্ড



*বিজয়লক্ষ্মী গগৈ**

# যুৱ সমাজ আজি কোন দিশে

এটা শান্ত বাতাবৰণ বিচাৰি আমিবোৰে আজিকালি প্ৰায়েই অশান্ত হৈ পৰাটো এটা নিয়মত পৰিণত হৈছে। জীৱনৰ প্ৰতিটো পল মোহনীয় কৰি তুলিবলৈ এটা শান্ত, সুন্দৰ পৰিৱেশৰ প্ৰয়োজন বুলি জানিও আমি নোৱাৰো শুদ্ধ আৰু সুন্দৰ বাটেৰে আগবাঢ়িবলৈ। কিছুমান অপ্ৰয়োজনীয় আৰু নিৰৰ্থক বিষয়ৰ তাগিদাত পৰি আমিবোৰ যন্ত্ৰ হৈ সোঁতৰ বিপৰীতে যোৱাৰ সাহসক জলাঞ্জলি দি প্ৰতিমুহূৰ্ততে জন্ম দি আহিছো কিছুমান উচ্ছৃঙ্খল মনোভাৱৰ। আৰু তাৰ পূৰ্ণ প্ৰকাশ আমি দেখিবলৈ পাওঁ যুৱ সমাজৰ উচ্ছৃঙ্খল আচৰণত। সেয়েহে আজিকালি কাগজে পত্ৰই সঘনাই প্ৰকাশ পায় এটা চিন্তনীয় বিষয় - " উচ্ছৃঙ্খল যুৱ মানসিকতা।" আমি উচ্ছৃঙ্খল মানে এটা অশান্ত, অসুস্থ বাতাবৰণকেই বুজি পাওঁ। গতিকে "উচ্ছৃঙ্খল যুৱ মানসিকতা" মানে সমাজত যুৱ সমাজৰ অসুস্থ, অশুদ্ধ আচৰণকেই বুজো।

সমাজৰ প্ৰতিটো স্তৰতে ফেনে-ফুটুকাৰে বাঢ়ি অহা এই ব্যাধিটোৰ বিস্তাৰ আমাৰ শিক্ষানুষ্ঠানসমূহত কিমান দূৰ আগবাঢ়িছে আমি মাত্ৰ তাকহে ইয়াত আলোচনা কৰিম। শিক্ষানুষ্ঠানসমূহত যুৱ সমাজৰ উচ্ছৃঙ্খলতা ভয় লগা ভাৱে বাঢ়ি আহিছে তাৰ প্ৰমাণ আমি দেখো শিক্ষানুষ্ঠানসমূহৰ চৌহদতে অশ্লীল আলাপ-আলোচনা, মুখত চিগাৰেটৰ ধোঁৱাৰ সৈতে গুৰু-গোঁসাই নমনা হিৰ'সকলৰ আড্ডা আদিত। আধুনিকতাৰ নামত সময়ৰ সৈতে খোজ মিলাবলৈ যোৱা যুৱক-যুৱতীসকলৰ পাশ্চাত্যৰ অন্ধ অনুকৰণ যুৱ উচ্ছৃঙ্খলতা সৃষ্টিৰ মূল। আগৰদৰে ডাঙৰক সন্মান কৰা, শিক্ষাগুৰুসকলক শ্ৰদ্ধা কৰা আদি নৈতিক মনোভাৱৰ বিপৰীতে আজিকালি সৃষ্টি হৈছে যেন কোন জনে ডাঙৰ সকলক অশ্লীল মন্তব্য কৰিব পাৰে, কোনজনে শিক্ষাগুৰুসকলক মূৰতল কৰি যোৱাকৈ বাধ্য কৰিব পাৰে। শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰিবলৈ আহি তিনি আলিৰ মূৰত, দোকানৰ আগত বৈ মাতৃ-ভগ্নী একাকাৰ কৰি অশ্লীল মন্তব্য কৰাৰ প্ৰতিযোগিতা চলে। আমি নৈতিক দিশত ইমান তললৈ নামিছো যে আমাৰ বেয়াবোৰ আঙুলিয়াব বিচৰা সকলক শাৰীৰিকভাৱে অপদস্থ কৰিবলৈ কুণ্ঠাবোধ নকৰোঁ। আটাইতকৈ লাজ লগা কথাটো হ'ল যেতিয়া শিক্ষানুষ্ঠানৰ সাজ-পোচাক পৰিধান কৰি কোনো ছাত্ৰ বিলাতী মদৰ দোকানত নতুবা আজিকালি বাঢ়ি অহা অনুজ্ঞাপত্ৰহীন মদৰ হোটেলবোৰত সোমায়। সেয়েহে হয়তো কোনোবা ভদ্ৰলোকে কৈছিল –"ল'ৰা-ছোৱালীক মদৰ দোকানত সোমাবলৈ শিক্ষানুষ্ঠানৰ সাজ-পোচাকবোৰ বাধ্যতামূলক কৰি নিপিন্ধোৱাই ভাল।" আমি জানো যে কোনবোৰ কাম কৰিব লাগে আৰু কোনবোৰ নালাগে। কিন্তু বেয়া কামবোৰ কৰি লগৰবোৰৰ আগত হিৰ' হোৱাৰ মানসিকতাই আমাক বাধ্য কৰায় বেয়া কামবোৰ কৰিবলৈ। নহ'লেবা হীনমন্যতাৰ দোষত আনৰ স'তে তাল মিলাবলৈ যাওঁতেই আমি বেয়া কামবোৰ কৰি পেলাওঁ। শব্দৰ অভিধান নিজে বনাওঁতে বনাওঁতে, প্ৰতিটো কামতে পৈশাচিক আনন্দ বিচাৰোঁতে বিচাৰোঁতে আমি যি মহান কৰ্মৰাজি কৰি পেলাওঁ, তাৰ ফলতে সৃষ্টি হয় সমাজৰ এক উচ্ছৃঙ্খল ৰূপ। আজিকালি যুৱ সমাজৰ নৈতিক অধঃপতনৰ খতিয়ান আৰু এটা সময়ত দেখিবলৈ পোৱা যায়, যেতিয়া শিক্ষানুষ্ঠান সমূহত নৱাগত সকলৰ নামভৰ্ত্তি হয়। চিনাকীৰ নামত কিছুমান অশ্লীল অবাস্তৱ প্ৰেমৰ সন্মুখীন হৈ কিছুমান নৱাগতৰ জীৱনলৈ অন্ধকাৰ নামি আহে।

শিক্ষানুষ্ঠান সমূহত বাঢ়ি অহা উচ্ছৃঙ্খল যুৱ মানসিকতাৰ কাৰণবোৰ মনকৰিবলগীয়া। যুৱ সমাজৰ এই

*স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতিবিজ্ঞান বিভাগ

অধঃপতনৰ বাবে কম বেছি পৰিমাণে সকলোৱেই দায়ী। সমাজৰ আওঁকণীয়া মনোভাৱৰ বাবে দিনক দিনে এই উচ্ছৃঙ্খলতাবোৰ বাঢ়ি আহিছে। যিহেতুকে আজিকালি এটা কথা প্ৰায়েই শুনা যায় -- "আজিকালিৰ ডেকা ল'ৰা"। সকলোৱে ভয় জানোচা ওপৰলৈ থুৱালে নিজৰ গাতে পৰে। মুঠতে এটা লক্ষহীন দৌৰ। সন্মুখৰ এটা মুলা খাবৰ বাবে দৌৰি ফুৰা আমি গাধবোৰে ভাবি নাচাওঁ আমাৰ পিছত তেনেকুৱা হাজাৰটা মুলা কঢ়িয়াই ফুৰিছো। আমি বাৰু কোনদিশে আগবাঢ়িছো। আবেলি হওঁতেই শুদ্ধ পথটো নিৰ্ধাৰণ কৰি নল'লে নিশাৰ অন্ধকাৰত ৰাস্তা ভুল কৰাটোৱেই স্বাভাৱিক। এইটো অপ্ৰিয় হ'লেও সত্য যে দূৰৰ পৰা দেখাৰ দৰে আমাৰ যুৱ সমাজৰ গতি ইমান মসৃণ নহয়, ইমান সৰল নহয়। এই গতিত যুৱ উচ্ছৃঙ্খলতা বাঢ়ি আহিলে এটা সময়ত আমাৰ শিক্ষানুষ্ঠানসমূহৰ লগতে সমাজৰ সন্মান গাঁতত সোমাব ধৰা নিগনিটোৰ দৰে হ'বগৈ।

আমি নাভাবো শিক্ষানুষ্ঠানসমূহত আমাৰ এনে আচৰণৰ দ্বাৰা কাৰ কি ক্ষতি হয়। আমি ভাবোনে, হয়তো নাভাবো আৰু যদি নাই ভবা নিঃসন্দেহে ভাবিবৰ হ'ল। আমি নিজকে, নিজৰ আচৰণক বিশ্লেষণ কৰি বেয়াবোৰ মচিবৰ হ'ল। নহ'লে দুদিনৰ পাছত সমাজৰ গৌৰৱ সুনাগৰিকক আঙুলিৰ মূৰত লেখিব পৰা হ'বগৈ। তাৰকাৰণে আমি প্ৰথমতে নিজকে সংশোধন কৰিব লাগিব। যিটো কাম কৰি ভালপাওঁ বা সমনীয়াই ভাল পায়, তাৰ ঠাইত যিটো কাম কৰা উচিত সেইটোহে কৰিব লাগিব। লগতে শিক্ষানুষ্ঠান সমূহৰ নীতিনিয়ম আৰু ছাত্ৰ একতা সভাবোৰৰ প্ৰভাৱ ছাত্ৰ-ছাত্ৰীৰ ওপৰত পৰিব লাগিব। কোনো অনৈতিক ঘটনাৰ লগত কম্প্ৰমাইজ নকৰি তাৰ উচিত শাস্তি প্ৰদান কৰিব লাগিব। আৰু শাস্তিৰ অৰ্থ এনেকুৱা হ'ব লাগিব যাতে অপৰাধীজন মানসিক, শাৰীৰিকভাৱে অৱনতি নহৈ নৈতিক ভাবে সুস্থ হৈ উঠে। তাৰ বাবে আমি সকলোৱে এক সুস্থ ইচ্ছাশক্তিক একত্ৰিত কৰি আগবাঢ়ি আহিব লাগিব। যাতে ভৱিষ্যত বংশধৰে আমালৈ বোকা চটিয়াব নোৱাৰে। সময় থাকোতেই পাচিৰ বেয়া ফলবোৰ আতঁৰাই নেপেলালে এটাসময়ত গোটেই পাচিটো গেলাৰ সম্ভাৱনা থাকে। তাৰবাবে আমি যুৱ সমাজ নিজে সজাগ হ'ব লাগিব। উচিত-অনুচিত বিচাৰ কৰি নিজৰ লগতে আনৰো উৎকৰ্ষ সাধন কৰি সমাজৰ চকুৰমণি হ'বলৈ যত্ন কৰো আহক। আমাক একেৰাতিৰ ভিতৰতে কল পকাব পৰা মানুহৰ আৱশ্যক নাই। লাগে মাথোঁ দৃঢ়তা, সাহস, ধৈৰ্য্য আৰু এক প্ৰচণ্ড ইচ্ছা শক্তি। আহক আমি আজিৰ পৰাই আগুৱাই যাওঁ, পুনৰ ঘুৰি যাওঁ সেই বাটলৈ, যি বাটেৰে গ'লে শান্ত সুন্দৰ এক ৰঙীণ ভৱিষ্যতৰ ৰেঙণি দেখোঁ।

> মানুহৰ চিন্তা বিৰাট স্ব-বিৰোধীতাৰ অভাৱে সেই মানুহ জনৰ মানসিক দৈন্যৰ কথাকে প্ৰকাশ কৰে।
>
> \- মাইকেল এঞ্জেলো
>
> মানুহক ক্ষমতাই দুৰ্নীতি পৰায়ণ নকৰে, মূৰ্খই যেতিয়া ক্ষমতা পায়, তেতিয়া মূৰ্খইহে ক্ষমতাক কুলুষিত কৰে।
>
> \- জৰ্জ বাৰ্নাৰ্ডশ্ব



কবিতা

# দুটা অনুবাদ কবিতা

## কুঁৱাত এটা দুৰা কাছ

মূল ঃ ইছমাইল (তেলুগু)

কুঁৱাত এটা দুৰা কাছ
থকা শুনি অমি
শিশুৰ বান্দৰ দল এটা
তালৈ দৌৰ মাৰিছিলোঁ

ভিতৰলৈ জুমি আমি দেখিছিলোঁ
আমাৰ নিজা মূৰবোৰ আৰু আকাশৰ নীলা।
মাৰি আৰু শিলেৰে
পানীবোৰ আমি দিছিলোঁ লৰাই
কাছটোৱে কিন্তু নিদিলে দেখা
আৰু আমাৰ মূৰবোৰো অন্তৰ্ধান হৈছিল।

পিচত, যেতিয়া আকাশৰ নীলা শিখাই
কুঁৱাৰ সিটো মূৰ উজ্বলাইছিল
আৰু আমাৰ মূৰবোৰ পুণৰ দৃশ্যমান হৈছিল,
নিৰ্মল পানীত মই ৰ' লাগি চাইছিলোঁ ঃ
আৰু চাইছিলোঁ, ঠিক মোৰ চকুৰ পিচফালে
লাওখোলাৰ ভিতৰত
দুৰা কাছটো, স্থিৰে বহি থকা

## নাক

মূল ঃ অনন্ত মুৰ্তি (কানাড়া)

এতিয়াও, যেতিয়া তাই
এখন ছবিৰ বাবে ভংগী লয়
তাইৰ নাকৰ
সামান্য উজ্বল ফালটো, সম্ভৱতঃ
লুকুৱাবলৈ চেষ্টা কৰি
লাজভাৱে ঘুৰি দিয়ে তাই

যদি মোৰ প্ৰেম পথভ্ৰষ্ট হৈছে,
ইয়াৰ বাবে
তাইৰ প্ৰতি মোৰ স্নেহ পৰিৱৰ্তন হোৱা নাই

অনুবাদ ঃ পৰানন কোঁৱৰ।

# শৰত ঃ বিয়লিৰ খিৰিকিৰে

ৰঘুনাথ কাগয়ুং
প্ৰবক্তা, অসমীয়া বিভাগ

নিয়ৰ নিজৰাত গা ধুই তাই আহিছিল
মুখখন শুভ্ৰ কুঁৱলিৰ ওৰণিৰে ঢাকি
তাই আহিছিল লাহে লাহে এখুজি দুখুজিকৈ
ছানি ধৰিছিল ৰিণি ৰিণি উৰি অহা মোৰ ধূসৰ স্মৃতিৰ ছাঁ-পোহৰে
মনৰ খিৰিকি কঁপাইছিল জিঞা খেদা নৈ ঘাটৰ কৈশোৰে
হাত বাউল দি মাতিব খুজিছিল বৰশী টোপোৰা ল'ৰালিয়ে

লানি লানিকৈ দৌৰি আহিছিল ঢলপুৱাতে শিশুবোৰে
তলসৰা শেৱালিৰে ভৰি পৰিছিল সিহঁতৰ ফুলৰ কৰণি
দিখৌ দৰিকাত কৃষ্ণবৰ্ণৰ শালকনিৰ ভিৰ বাঢ়িছিল
লুইত খনো অবতৰত ওফন্দি উঠিছিল ফেনে-ফুটুকাৰে

ধাননিৰ মূৰত ওপঙি থকা কুঁৱলিবোৰ দুচিৰা কৰি
কুকুৰা ডাকতে উৰি আহিছিল
সিৰ্ সিৰ্‌কৈ কোনো এক অজান মহগুৱালৰ বাঁহীৰ সুৰ এটি

বাঁহীৰ মাতে সপোনৰতা গাভৰুৰ ওঁঠৰ লালিমাৰ ছন্দ ভাঙিছিল।

অথচ! নিয়ৰ নিজৰাত গা ধুই তাই যেতিয়া আহিছিল
মৃগী বেমাৰীৰ দীঘলীয়া উশাহৰ দৰে
মোৰ দ্বিধা আৰু শংকা বাঢ়িছিল ইঞ্চি ইঞ্চিকৈ

কাৰণ তাই অহাৰ পিছতে দৰিদ্ৰ কৃষকৰ ভাত আৰু কাপোৰৰ
চিন্তা বাঢ়িছিল ক্ৰমে ক্ৰমে বৃদ্ধি পাইছিল
যৌৱনা গাভৰুৰ অনাকাংখিত সপোন ভংগৰ আশংকা

তথাপি তাই আহিছিল নিয়ৰসিক্ত হৈ
ৰবাব টেঙাৰ গোন্ধে নাক টঙাইছিল বাটৰ পথিকৰ
কৃষ্ণ বৰ্ণৰ শালকনিৰ ভিৰ বাঢ়িছিল দিখৌ দৰিকাত
বিয়লিৰ আকাশত ঘনাই ঘনাই উজায় ভটিয়াইছিল কুঁৱলি জাক

ৰূ ৰূকৈ মাতিব খুজিছিল শৈশৱৰ প্ৰথম সুহুৰিয়ে




# সোমাই আহক

আব্দুল মাজাদ
উচ্চতৰ মাধ্যমিক, প্ৰথম বৰ্ষ

আহক সোমাই আহক
দুখীয়া পজাঁলৈ মোৰ,
ওপৰলৈ চালেও
আকাশৰ নীলা দেখিব।
নীলাবোৰ দেখিলেই নহ'ব
মোকো এবাৰ নিব লাগিব
কেঞা আঙুলিত ধৰি
মই বগা হ'ম।
ভিতৰলৈ সোমাই আহক
মোৰ বুকুতে আছে,
সজাই থোৱা পিৰাখন
তাতে অলপ জিৰাওঁক।
মাথোঁ এবাৰলৈ হ'লেও দিয়ক
বুৰাই দিওঁ মই,
টোকোনা মনৰ লোতকেৰে
সেই চৰণ সমাদৰ।



# মেক্সৰপৰা ৰে'বে'কালৈ

অনন্ত গগৈ
স্নাতক প্ৰথম বৰ্ষ, অৰ্থনীতি বিভাগ

এবুকু আশাৰ স্ৰোতস্বিনী মেক্সিম
ৰে'বে'কা পোত্ৰশ্ৰয় অসীমৰ
দুখনি অভিন্ন হৃদয়
অৱধাৰিত ভাবে খৰস্ৰতা
প্ৰতিপল প্ৰতি ক্ষণ
কিন্তু ..............।
নিয়তিৰ নিষ্ঠুৰ পৰিহাসত
সময়ৰ দেউকাত নতুনে গজাঁলি মেলে
ডুফনে ডু-মেৰিয়াৰ উপযুক্ত
অংকুৰ মেণ্ডাৰলি
স্থায়ী নহয় মানুহৰ একোতে
আকৌ মেক্সিম আকৌ ৰে'বে'কা
সলনি হয় কেৱল সম্বোধন
সলনি হয় জোনাক
এক অদ্ভুত খেলৰ
পৰিসমাপ্তি ঘটে নিজৰ, প্ৰতাৰণাৰ
আকৌ একেই পুনৰাবৃত্তি
মেণ্ডাৰলি মেণ্ডাৰলি
সদ্য যৌৱনপ্ৰাপ্ত ৰ'ড'ডেনড্ৰ'ন
অৱধাৰিত হেপী ভেলী
কৃত্ৰিম মন্টেকৰালত মেক্সভা উইনটাৰ
আচলতে ............
ক্ষান্ত নহয় অনুভূতিৰ পথাৰ
জিপাল দি উঠে ধানৰ গজাঁলিৰ দৰে
আকৌ একেই পুনৰাবৃত্তি
মেণ্ডাৰলি মেণ্ডাৰলি।।

(বিঃ দ্ৰঃ - ডুফনে ডু মেৰিয়াৰ ৰে'বে'কা উপন্যাস পঢ়াৰ পাছত)

# আহিন

জ্যোতিপ্ৰসাদ চাবুকধৰা
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

কুঁৱলিৰ শুকুলা চাদৰখনে
থোৰ মেলা পথাৰখনক সাৱতি ধৰাত
পথাৰখন সাৰ পাই উঠিল

উৰণীয়া ডাৱৰৰ পাখি
ধানৰ পাতত পৰা নাই বহুদিন
শুকাই আহিছে মাটিৰ নিৰ্যাস

সন্তান প্ৰসৱ কৰা নাৰীৰ দৰেই
শীৰ্ণা নদী
মেঘৰ বৰণীয়া কঁহুৱাৰ মাজেদি
ডুব মাৰিছে আবেলিৰ বেলি





এটা ৰমণীয় সুবাসে খেদি ফুৰিছে
শেৱালি ফুলা ৰাতিটো
ফুলবোৰে পিন্ধি লৈছে কুঁৱলিৰ সাজ

আকাশী পথেদি বগাই আহিছে জোনৰ নাও
সেউজীয়াসাগৰত দেও দি ফুৰিছে ৰূপালী জোনাক
পথৰুৱা বাটেদি গৰখীয়া ল'ৰাজাক
এতিয়া উভতি অহাৰ সময়
তাহাঁতৰ ওঁঠৰ বাঁহীৰ সুৰত কঁপি উঠিব
তলমল্ আহিনৰ গোন্ধ
অ' আহিনৰ গোন্ধ

## বোকা

বলিন কোঁৱৰ
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

তোক লেটি লেটি আমি সিঁচো সপোনৰ বীজ
পোহপাল দিওঁ আশা
তোৰ জন্ম শাওণৰ কোলাত
আৰু
শাওণেইটো আমাৰ সপোনৰ উৎস।



শাওণৰ পথাৰত তই হৰ
কৃষকৰ চকুৰ অযুত জোনাক
আৰু তোৰ কোলাতেই জন্ম হয়
হেঁপাহৰ শইচ

## এটা কবিতাৰ আহ্বানত


শিখামণি কোঁৱৰ
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

ইমান সপ্ৰতীভ নীৰৱতাৰ স্পৰ্শবোৰ
যাৰ পৰশত ফুলিছে ভৰুণ যৌবন
হাঁচনাহানাৰ দৰে বতাহত বিয়পিছে
আমোলমোল সুবাস
ক্ৰমান্বয়ে মই কুৰুকি কুৰুকি সোমাই গৈছো
তাৰ গভীৰলৈ। আৰু গভীৰলৈ
প্ৰগল্‌ভ দুচকুত বিচাৰি চলাথ কৰিছো
চঞ্চলতাই বলাৎকাৰ কৰা সংযমৰ ভূগোল
মাদকতা ভৰা বিষপান কৰিও
হৃদয়ৰ উদ্বেলিত কুঠলিত সজাইছো
প্ৰতিটো বিনন্দীয়া গুণ
এটা কবিতাৰ আহ্বানত।।

## মোৰ অনুভূতি

পুলক দাস
স্নাতক প্ৰথম বৰ্ষ, অৰ্থনীতি বিভাগ

প্ৰত্যেক কবিৰ জীৱনলৈ আহে
সংকট স্থবিৰতা, পোৱা-নোপোৱা
অথবা আশা-আকাংক্ষাই ক্লান্ত কৰা এটা দিন।
যি দিনাৰ পৰাই কবিৰ কলমলৈকো নহা হয়
কোনো কবিতা
অনুভৱৰ একান্ত প্ৰকাশ।
এটা চাকৰি, অলপ টকা আৰু অলপ মৰম
জাবৰবোৰে ডাষ্টবিন ঢকাৰ দৰে
ঢাকি পেলায়
দুখীয়া কবিৰ কলম।
হৃদয়ৰ এটা প্ৰকৃত গোন্ধই হৈছে
এই অনুভূতিবোৰ



কবিৰ জীৱনলৈ আহিয়েই থাকে
তেনে এটা দিন,


জীৱন-জয়ৰ যুদ্ধ-বিগ্ৰহৰ উত্থান-পতনে
ক্লান্ত কৰা সংকট অথবা স্থবিৰতাৰ এটা দিন।



## শ্ৰদ্ধাঞ্জলি

ৰণোজ টায়ে
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

হে কলংপৰীয়া কবি
তোমাৰ স্মৃতি
আজি এই শুভদিনত জনাইছো
আমি শ্ৰদ্ধাঞ্জলি।
এখুদ ককাইদেউ,
মনত পৰেনে তোমাৰ
এই সেউজীয়া; শস্য, শ্যামলা
অসমখনিলৈ!
হে অৰুন্ধতীৰ কবি
তুমি অৰুন্ধতীৰ খোপাত
বিচাৰি পাইছিলা
'আবেলি আবেলি গোন্ধ।'



তুমি এই সেউজীয়া
শস্য শ্যামলা অসমখনিলৈ
দি গ'লা অলেখ
অৱদান
তোমাৰেই আদৰ্শ লৈ
আমি থাকিব বিচাৰো
জীয়াই।
আমাৰ মানস পটত
তোমাৰ স্মৃতি
লুইত সোৱণশিৰীৰ দৰে
চিৰদিন জিলিকি থাকিব।।

(কবি নৰকান্ত বৰুৱাদেৱৰ স্মৃতিত।)

## হিয়াৰ গোপন খবৰ

এমি গগৈ
স্নাতক প্ৰথম বৰ্ষ

তুমি মোৰ খবৰবোৰ ৰাখিছানে?
পাৰজনীৰ পাখিত যে গুজি দিছিলো
মোৰ হৃদয়ৰ গোপন খবৰবোৰ
তাই বাৰু দিছেনে তোমাক?
হিয়াৰ উবুৰিয়াই
তুমি বাৰু পাইছানে ?
মোৰ দুখৰ খবৰবোৰ।



যোৱা মাহতে পঠাইছিলো
ফাগুনৰ বতাহজাকত
তুমি বাৰু পালানে?
ক'তা .............
মোক একো নজনালা যে?
এতিয়া যদি তুমি চাব বিচৰা
মোৰ আশাৰ ফুলনিডৰাত
বিষাদৰ ৰঙীন ফুলবোৰ
ফুলি জকমকাই আছে।
তুমি চাই যাবাহি।।

গল্প

*বিজয়লক্ষ্মী গগৈ**

# প্ৰত্যৰ্পণ

পূৰবীয়ে আৰু এটা বাগৰ সলালে। নাই তাইৰ আজি টোপনি নাহে। পূৰবীয়ে লাহেকৈ বিছনাখনৰ পৰা নামি আহি সন্তৰ্পনে দুৱাৰখন খুলি বাহিৰৰ বাৰান্দা খনলৈকে ওলাই আহিল। বাৰাণ্ডাখনত জোনাকবোৰ যেন সিঁচৰতি হৈ আছে। পূৰবীয়ে দীঘলকৈ উশাহ এটা ল'লে। কৰবাৰ পৰা শেৱালিৰ সুবাস এটি উৰি আহিল। শৰতৰ এই মায়াবি সুবাস তাইৰ বৰ ভাল লাগিল। তাই ক'ব নোৱাৰাকৈয়ে বাৰান্দাখনৰ চকীখনত বহি পৰিল আৰু তাইৰ মনটোৱে অতীতৰ পাত লুটিয়াবলৈ ধৰিলে।

কিমানদিনৰ আগৰ কথা হ'ব বাৰু? তাইৰ বছৰবোৰ গণনা কৰিবলৈ মন নগ'ল। কিন্তু তাইৰ ঠিক মনত আছে, তাই বি.এ. ফাইনেল পৰীক্ষা দি ঘৰতে আছিলহি। দিনে ৰাতিয়ে পৰীক্ষাৰ বাবে পঢ়ি পঢ়ি সেইকেইদিন যেন তাই ভাগৰ হে পলোৱাইছিল। তাতে জুন, জুলাই মাহৰ গৰম। তাই সেইদিনা বিচনীখন লৈ আগফালৰ পাহমেলা দেবদাৰু জোপাৰ তলত ছাঁ লৈ বহি আছিল। তেনেতে তাই শুনিছিল ঃ "ঐ ফেচি, গৰমত ফাটি পৰিছ নেকি?" তাই উচপ খাই উঠিছিল।

উভতি চাই দেখিলে, সেইয়া তাইৰ বৰদেউতাকৰ ল'ৰা প্ৰদীপ। সি সদায় তাইক ফেচি বুলিয়েই মাতে। তাই খঙতে বিচনীখন লৈয়ে তালৈ খেদি গৈছিল, তেতিয়াহে তাই মন কৰিছিল প্ৰদীপৰ লগত আৰু এজন ল'ৰা। তাই লাজতে দুখোজ পিচুৱাই, ভিতৰলৈ দৌৰ দিছিল। প্ৰদীপে কিন্তু হাঁহি হাঁহি কৈছিল ঃ ঐ ফেচি, বৈ গলি যে আহ আহ বিচনীৰে যুদ্ধ কৰোঁ।

তেনেকৈয়ে অৰ্থাৎ সেইয়াই আছিল আকাশৰ লগত তাইৰ প্ৰথম চিনাকি। আকাশে পূৰবীৰ বৰদেউতাকৰ ল'ৰা প্ৰদীপৰ লগতে ফৰেষ্টত চাকৰি কৰে। নামটোৰ দৰে আকাশৰ মনতোও বৰ বিশাল। য'ত পূৰবীৰ বাবে আছিল সসাগৰা প্ৰেম। সঁচাকৈয়ে আকাশ আৰু পূৰবীয়ে ক'ব নোৱাৰাকৈয়ে প্ৰেমত পৰিছিল। আকাশৰ অৰণ্যৰ প্ৰতি থকা মোহত পূৰবীও মোহিত হৈছিল। আকাশে তাইক সদায় কৈছিল --- ঃ জানা পূৰবী অৰণ্যক যেতিয়া ভাল পাবলৈ শিকিবা তেতিয়া এই কংক্ৰিতৰ দেৱালৰ মাজত থকা সকলো কৃত্ৰিমতা তোমাৰ চকুৰ আগত জিলিকি উঠিব। সঁচাই সেইখন যেন এখন বেলেগ পৃথিৱী।

পূৰবী আৰু আকাশৰ প্ৰেমক দুয়োখন ঘৰেই স্বীকাৰ কৰি ল'লে। দুয়োঘৰৰ সন্মতিৰ মাজেৰে, আশীৰ্বাদ আৰু মঙ্গল উৰুলিৰ মাজেৰে পূৰবী এদিন একেবাৰে আকাশৰ হৈ পৰিল। আকাশৰ ঘৰলৈ আহি পূৰবীয়ে মাক-দেউতাক, ভনীয়েক, ভায়েক সকলোৰে মৰম পাইছিল। ঘৰ এৰি অহাৰ দুখ তাই পাহৰি পেলাইছিল। কেনেকৈ দিনবোৰ পাৰ হৈছিল তাই ক'বই নোৱাৰিছিল।

আকাশৰ কৰ্মস্থলী চহৰৰ পৰা বহু নিলগত। ঘৰৰ পৰা গৈ চাকৰি কৰা অসম্ভৱ। বিয়াৰ পাছত আকাশৰো তাত অকলে থাকি বেয়া লাগিছিল। সেয়েহে শাহুৰ শহুৰ দেওৰেক সকলোৱে তাইক আকাশৰ লগত থাকিবলৈ পঠিয়াই দিছিল। সেইকেই টা দিনৰ কথা মনত পৰিলে তাইৰ মনটো ভৰি পৰে। আকাশক তাই কম হাৰাশাস্তি কৰা নাছিল। একেটা বস্তুকে ইঠাইৰ পৰা সিঠাইলৈ টানি লৈ ফুৰাইছিল। আকাশে চাফা কৰি আগফালৰ খালি ঠাই টোকোৰাত তাইক সৰুকৈ এখন ফুলনিও পাতি দিছিল। চাকৰিৰ কামত আকাশ বৰ ব্যস্ত আছিল। কেতিয়াবা ৰাতিও ওলাই যাব লগা হৈছিল। আকাশৰ এই ব্যস্ততাত পূৰবীয়ে আমনি পোৱা নাছিল। কাৰণ তাই জানিছিল আকাশে অৰণ্যক কিমান ভালপায়। তাৰ দায়িত্বত থকা প্ৰতিজোপা গছ, জীৱ-জন্তুক যেন সি সন্তানৰ দৰে প্ৰতিপাল কৰিব বিচাৰিছিল। কেতিয়াবা পূৰবীও আকাশৰ লগত অৰণ্যৰ ভিতৰলৈ গৈ বনৰীয়া ফুল ঝৰনা দেখি আপোন পাহৰা হৈছিল।

*প্ৰৱক্তা, অসমীয়া বিভাগ



এনেদৰে অৰণ্যৰ মোহ আকাশৰ ভালপোৱা এই সকলোৱে মাজত তাই মা হ'বলৈ ওলাইছিল। আকাশৰ যে কিমান ফূৰ্ত্তি, সি তাৰ কৰ্মচাৰী সকলোকে মিঠাই বিলাইছিল। সেই কেইমাহ আকাশৰ ব্যস্ততাৰ সীমা নাছিল। তাই কি খালে ভাল, কি কৰিলে বেয়া সেইবোৰত গুৰুত্ব দিয়াৰ উপৰি তাৰ মৰমৰ অৰণ্যখনতো দায়িত্ব পালন কৰিব লাগিছিল। পূৰবীহঁতৰ কোৱাৰ্টাৰটো সেইকেইদিন দুয়োখন ঘৰৰ মানুহ আহি ভৰি পৰিছিল। পূৰবীৰ যে ইমান লাজ লাগিছিল। মনে মনে গৌৰৱবোধো কৰিছিল। এই গৌৰৱ মাতৃত্বৰ।

আৰু এদিন সেই অৰণ্যতে, তাই এটি সুন্দৰ গুলপীয়া লুঠুলা পুত্ৰ সন্তানৰ জন্ম দিছিল। আকাশে তাইক জোৰ কৰিছিল সেইসময়ত ঘৰলৈ যাবলৈ, পিছে তাইহে নগ'ল। অগত্যা আকাশে ডাক্তৰ নাৰ্চ ঘৰলৈকে আনিব লগা হৈছিল। তাইৰ যে ইমান জিদ আছিল। পিছে অকণমানিটোৰ অকণি অকণি হাতভৰিবোৰ দেখি তাইৰ সকলো কষ্ট পাহৰি পেলাইছিল। ইফালে আকাশে সৰু সৰু কাপোৰ, খেলনাৰে সৰু ৰুমটো ভৰাই তুলিছিল। কিন্তু ইমান সুখ দেখি নিয়তিয়ে হয়তো দাঁত নিকতাই হাঁহিছিল।

সেইদিনা আছিল আগষ্টৰ ১২ তাৰিখ। পূৰবীৰে ঔষধ এটা আনিবৰ বাবে আকাশে চহৰলৈ বুলি ওলাইগৈছিল। যাবৰ সময়ত আকশে পূৰবীক কৈছিল- "সপোনক ভালকৈ ৰাখিবা।" তাই তালৈ ঘোপাকৈ চাইছিল, ইচ্ একেবাৰে বৰ বাপেকটো। কিন্তু তাইতো জনা নাছিল সেই যোৱাই আকাশৰ শেষ যোৱা। কোনে জানো আহি সেই আপদীয়া খবৰটো দিছিল তাইৰ আজিও মনত নাই। চহৰৰ মাজমজিয়াত হোৱা গ্ৰেনেড বিস্ফোৰণত আকাশৰ দেহ ছিন্ন বিছিন্ন হৈ পৰিছিল। পূৰবী বাকৰুদ্ধ হৈ পৰিছিল। কেৱল 'সপোন'ক সাৱটি তাই পাগলীৰ দৰে কান্দিছিল। ঘৰটোৰ ৰুমে ৰুমে তাই আকাশক বিচাৰি ফুৰিছিল।


কেৱল 'সপোন'ৰ বাবেই যেন তাই জীয়াই থাকিল। 'সপোন'ক বুকুত সাৱটি তাই ভাৱিছিল 'সপোন'কো তাই অৰণ্যক ভাল পাবলৈ শিকাব আকাশৰ দৰে। সেইখন পৃথিৱীয়েই ভাল য'ত কোনো কলুষতা নাই, হাবিৰ হিংস্ৰ প্ৰাণীয়েও সিহঁতক অপকাৰ নকৰিলে একো অপকাৰ নকৰে; কিন্তু এইখন পৃথিৱীত চাৰিওফালে কেৱল, হিংসা, নিষ্ঠুৰতা, ইয়াত নিৰপৰাধীৰো শাস্তি হয়। আৰু এদিন 'সপোন'ক বুকুত সাৱটি আকাশে তায়ে পতা সংসাৰখন এৰি তাই উচুপি, উচুপি শহুৰৰ ঘৰলৈ গুচি আহিছিল।

ইয়াৰ পাছৰ সময়বোৰ পূৰবীয়ে কেনেকৈযে পাৰ কৰিছিল! 'সপোন'ক মানুহ কৰিবৰ বাবে ব্যস্ততাৰ মাজেৰে মনৰ অস্থিৰতা ঢাকিবৰ বাবে চাকৰি বিচাৰি ঘূৰি ফুৰিছিল। অৱশেষত যেনিবা ঘৰৰ ওচৰৰে হাইস্কুল এখনত তাইৰ চাকৰি এটা যোগাৰ হৈছিল। একোলা দুকোলাকৈ বাঢ়ি অহা সপোনক দেখি তাই দুখবোৰ সামৰি থৈছিল।

সময়বোৰ, বছৰবোৰ ইমান ক্ষিপ্ৰ গতিত পাৰ হৈছিল। তাইৰ আজি 'সপোন'ৰ মেট্ৰিকৰ ৰিজাল্ট দিয়া দিনটোলৈ বৰকৈ মনত পৰিছে। সপোনৰ মেট্ৰিকৰ ৰিজাল্ট শুনি তাই আকাশৰ ফটোখনৰ ওচৰত বহি আছিল। তাই বিৰ বিৰকৈ কৈছিলঃ চোৱা আকাশ আমাৰ 'সপোনে' ষ্টাৰ মাৰ্কচ পাইছে। তুমি চোৱাহি মই সুখী নে? সেইসময়তে সপোনে আহি তাইক সাৱটি ধৰি কৈছিল — ঃ মা, মইয়ো দেউতাৰ দৰে হ'ম। তুমি ভালপোৱা অৰণ্যখনলৈ মই তোমাক আকৌ লৈ যাম। পূৰবীৰ মন ভৰি পৰিছিল।

হঠাৎ পূৰবী উচপ খাই উঠিল। চকুপানীয়ে তাইৰ দুগাল তিতি আছে। তাই বাস্তৱলৈ ঘূৰি আহিল। এতিয়াহে তাই অনুমান কৰিছে অলপ ঠাণ্ডা পৰিছে দেখোন। তাই চকীখনৰ পৰা উঠি ভিতৰলৈ সোমাই গ'ল। ঘড়ীটো চাই জাপমাৰি উঠিল ঃ ইয়ে চাৰিটাই বাজে দেখোন। ইমান সময় তাই বাহিৰতে থাকিল নে? তাই খৰধৰকৈ বিছনাখন পাৰিবলৈ ধৰিলে, তাইৰ আজি বহুত কাম। প্ৰথমে ঘৰদুৱাৰ মুচিব, গোঁসাই ঘৰত শৰাই এখনো দিব লাগিব। কাৰণ তাইৰ সোণ সপোনে আজি ৰেঞ্জাৰ হিচাপে আকাশে ভালপোৱা অৰণ্যখনৰ অফিচতে জইন কৰিব। তাই আকৌ উভতি যাব এই সকলোবোৰ এৰি, সেইখন অৰণ্যলৈ য'ত আছে আকাশৰ অজস্ৰ স্মৃতি। ইমান বছৰৰ পাছত প্ৰকৃতিৰ লগত পুনৰ নিবিড় হ'ব। আৰু 'সপোনক'! তাকো তাই এই যান্ত্ৰিকতাৰ পৰা আঁতৰাই লৈ যাব। কথাবোৰ ভাবি ভাবি পূৰবী সপোনৰ ৰুমটোলৈ সোমাই গ'ল। সপোনে কম্বল এখন লৈ শুই আছে। তাইৰ সপোনক জগাবলৈ মন নগ'ল। কাইলৈৰ পৰা তাৰো ব্যস্ততা বাঢ়িব। অকনমান শুই লওক বুলি ভাবি তাই আঠুৱা খনৰ ওপৰেৰে হাতখন বুলাই দিলে আৰু লাহে লাহে ৰুমটোৰ পৰা ওলাই আহিল।

*নিৰঞ্জন শইকীয়া**



# মৃতদেহৰ সুবাস

*চি*ল্‌মিল্ টোপনিত চকুহাল আৰামেৰে মুদ খাই আহিছে। মনটো বাস্তৱত উদুলি মুদুলি কৰি আছে যদিও চকুহালে কল্পনাৰ ৰাজ্যত বিচৰণ কৰি ফুৰিছে। কাণেৰে মৌ-মাখিৰ দৰে গুণ-গুণ শব্দ শুনা পাইছোঁ। এবাৰ জোৰকৈ চকু দুটা মেলি চাবৰ প্ৰয়াস কৰিলোঁ। নিজকে বৰফৰ পাহাৰ এটাৰ মাজত আৱিষ্কাৰ কৰিলোঁ। টোপনিৰ আৱেশে আকৌ হেঁচা মাৰি ধৰিলে। মিহি, কোমল টোপনিৰ অত্যাচাৰত দুচকু ধৰাশায়ী হ'ল। কাণৰ কাষত আকৌ মৌ-মাখিৰ গুণ-গুণ শব্দ। এইবাৰ সৰ্বশক্তিৰে চেষ্টা কৰি চকুহাল মেলি দেখিলোঁ যে মোৰ শৰীৰটো ধকধকীয়া বগা কাপোৰ এখনেৰে ঢাকি ৰাখিছে। গাটো ঘামেৰে জিপজিপিয়া হৈ পৰিছে। আকৌ আপদীয়া টোপনিটোৰ আক্ৰমণ। এসময়ত টোপনিত লাল কাল দিলোঁ।

হঠাৎ এক প্ৰচণ্ড হুলস্থুলৰ শব্দত টোপনিৰ পৰা সাৰ পালোঁ। মোৰ চাৰিওফালে এক হুৱাদুৱা পৰিৱেশ। ঘটনাটোনো কি এইবাৰ অনুধাৱন কৰাত লাগিলোঁ। কি হ'ল একো তত ধৰিব নোৱাৰি মই এক প্ৰকাৰ কিংকৰ্তব্যবিমূঢ় হ'লো।

হঠাৎ কোনোবাই ৰাওচিজুৰি কান্দিবলৈ ধৰিলে। হয়, সেইয়া মোৰ পত্নী সেউতীৰ কান্দোনৰ ৰোল। এইবাৰ সঠিককৈ বুজিলোঁ এইয়া শৱ যাত্ৰাৰহে আয়োজন। অৰ্থাৎ মোৰ চাৰিওফালে এক তত্ব গধুৰ হুলস্থুলীয়া পৰিৱেশ। মোৰ পত্নী সেউতীৰ কান্দোন মোৰ বাবে অসহসনীয় হৈ উঠিল।

- "আই ঐ দেহি - থিতাতে এই কেঁচা হালধি যেন মানুহটোক কালে হৰি নিলে। মই অধৰমী অহাৰ আগতেই মাহ-হালধিৰে নোৱাই- ধোৱাই কোনেনো, কাপোৰখন দিলিহঁত -ঔ, মানুহটোৰ মুখখনো এবাৰ চাবলৈ নাপালোঁ।" - মোৰ পত্নীয়ে হিয়ালী জিয়ালী কন্দা দেখি বোধহয় কোনোবাই মুখৰ কাপোৰখন কিঞ্চিত আঁতৰাই পুনৰ ঢাকি দিলে। লগে লগে মোক মৰম কৰাৰ বাবে হেতা ওপৰা লাগিল। আটাইবোৰে মোক গালে-মুখে, হাতে-ভৰিয়ে স্পৰ্শ কৰি মৰম কৰিবলৈ ধৰিলে। মিহি কোমল আঙুলিৰ স্পৰ্শত মোৰ নৰীয়া দেহ ৰোমাঞ্চিত হৈ উঠিল। নিজৰ ওপৰতে ধিক্কাৰ জন্মিল ইমানদিনে এইখন সমাজৰ মানুহে মোক কোনেও দেখিব নোৱাৰে বুলি ভবাৰ বাবে। সহ্যাতিত মৰমৰ অত্যাচাৰত এইবাৰ বাৰুকৈয়ে ধৰাশায়ী হলোঁ।

মোৰ পত্নী সেউতী আৰু ল'ৰাছোৱালীকেইটাই তেতিয়াও কন্দা-কটা কৰিয়েই আছিল। এনেতে বয়োবৃদ্ধই কৈ উঠিল - "নাপাই নহয় মৃতকক লৈ ইমান টনা আজোৰা

*স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ



লগাব। এনেখন কৰিলে তেওঁৰ আত্মাই স্বৰ্গটো শান্তি নাপাব। দে দে কাপোৰখনেৰে মুখে গায়ে ভালকৈ ঢাকি দে।" - মোৰ সুবিধাই হ'ল। মোৰ বিষয়ে কোনে কোনে কি কয় পৰম আগ্ৰহেৰে শুনাৰ লোভকন সামৰিব নোৱাৰি ধৈৰ্য্যৰে অপেক্ষা কৰিলোঁ।

মানুহৰ জুমৰ মাজৰ পৰা নৰহৰি দাইটিৰ মাত ভাঁহি আহিল- "মৃত ব্যক্তিক লৈ খোৱা কামোৰা নলগাবাচোন। সৰগৰ আত্মা সৰগলৈ গ'ল। জীয়াই থকা দিনকেইটাত আমাৰ ৰাইজৰ বাবে সি কমখন কৰিলেনে! গুণীৰ গুণ কোনোকালে নুগুছে। এই অঞ্চলৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে সি মৰাৰ আগমুহূৰ্তলৈকে জড়িত আছিল। তাৰ নাম চিৰযুগমীয়া কৰিবৰ বাবে আমাৰ ৰাইজে কিবা এটা কৰিবই লাগিব।"

হৰি হৰি, নৰহৰি দাইটিৰ মুখত এইয়া অমৃত বৰষাদি কি বৰষিছে। জীয়াই থাকোতে মই ৰাজহুৱা টকা তুলি আধাখিনিহে ৰাইজৰ কামত লগাওঁ আৰু আধাখিনি পকেটস্থ কৰোঁ বুলিহে নৰহৰি দাইটিয়ে অপযশ গাই ফুৰে। এতিয়া দেখিছোঁ ভূতৰ মুখত ৰাম নাম। চাৰিওফালে আগুৰি থকা মানুহখিনিয়ে দাইটিৰ কথাতে হয় হয় ধ্বনি কৰিলে। মোৰ প্ৰশংসাত সকলো পঞ্চমুখ হৈ পৰিল।

এনেতে স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সমদলটো আহি পালেহি। চুবুৰীয়া মহাদেৱ শৰ্মাৰ মাতটোও শুনা পালোঁ। শাসনাধিষ্ঠ ৰাজনৈতিক দলটোৰ এজন জেষ্ঠ পালিনেতা, পঞ্চায়তৰ সদস্য। তেওঁ কথা ক'লে আনে কোৱাৰ সুযোগ নাপায়। তেওঁ গহীন গম্ভীৰ মাতেৰে আৰম্ভ কৰিলে - "ৰাইজ আজি দিনটো আমাৰ সকলোৰে বাবে অতি পৰিতাপৰ দিন যে আমি আজি হঠাতে দ্ৰোণকান্ত বৰুৱাৰ দৰে এজন বহুমুখী প্ৰতিভাধৰ তথা আমাৰ দলৰ এজন সক্ৰিয় কৰ্মীক হেৰুৱালো। তেওঁ জীয়াই থাকোঁতে সমাজৰ উন্নতিৰ বাবে চেষ্টাৰ ত্ৰুটি কৰা নাছিল। নিজৰ দৈন্য আৰ্থিক অৱস্থাকো নেওচি তেওঁ সমাজৰ হকে ওলাই আহিছিল। তেখেতে হাড়ক মাটি কৰি, তেজক পানী কৰি গাঁথিৰ ধন ভাঙি ৰাইজৰ বাবে কাম কৰিলে। কিন্তু জীৱিতকালত তেখেতে পালে কি? আমিয়েই বা তেখেতক দিব পাৰিলোঁ কি? তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি মাত্ৰ এভাগি পুস্পাঞ্জলী নিবেদিছোঁ। এই বুলি কৈ শৰ্মাই মোৰ গাত এপাহ ফুল দিবলৈ পালে কি নাপালে স্কুল-কলেজৰ ল'ৰা-ছোৱালী আৰু আত্মীয়-স্বজনে মোৰ গাতো ফুলেৰে সজাই পেলালে। ইমানবোৰ ফুল .... তৎক্ষণাত .... গোলাপ, ৰজনীগন্ধা, নাৰ্জী, তগৰ .... আঃ কি সুগন্ধ, কি সুবাস! কেনে শীতলতা! কেনে জীৱন্ত! কেনে মৰণ! মৃতদেহত মৰমৰেই কিযে মহাত্ম্য?? অথচ জীৱিতকালত...

এইদৰে ঘটনাটো আনুষ্ঠানিকতাৰে ইটোৰ পাছত সিটো আগবঢ়াত মই একো কোৱাৰেই সুযোগ নাপালোঁ। উঃ এতিয়া মই কি কৰোঁ, এফালে মোৰ প্ৰতি থকা ৰাইজৰ মৰম স্নেহ, শ্ৰদ্ধা ভক্তিৰ সোৱাদ লবলৈ পাইছোঁ, আনহাতে মোৰ গাত অলপ পাছতে দপ্‌দপ্‌কৈ জ্বলি উঠিব চিতাৰ জুই ......

হঠাৎ এখন চিনাকী চাইকেলৰ মাত শুনা পালোঁ। সেয়া নিশ্চয় 'ৰিপৰ্টাৰ' আহমেদ আহিছে।

- "এঃ ৰাম ৰাম, হৰি হৰি মোৰ অহাত পলম হল যেন পাওঁ। ছেঃ ছেঃ কাৰ ভাগ্যত কি লিখা থাকে কব নোৱাৰি! দলঙৰ পৰা গৰু নৈত পৰি মৃত্যু, এটাই আত্মীয় এজনীক পলুৱাই নিলে - এইবোৰ ৰিপৰ্ট ৰাইট কৰি থাকোঁতেই পলম হ'ল। ছেঃ পাই ---- ঘৰত কোন আছে বেগেতে যোৱাচোন যোৱা, তেখেতৰ কিতাপৰ টেবুল, আলমাৰি আদিত তেখেতৰ লেখা ক'ত কি আছে সকলোবোৰ লৈ আনা। আজিয়ে এই সকলোবোৰ ৰিপৰ্ট কাগজলৈ দিব লাগিব। তেখেত আছিল একাধাৰে অভিনেতা, সুগায়ক, নাট্যকাৰ, গল্পকাৰ, প্ৰবন্ধকাৰ আৰু বিশিষ্ট সমাজকৰ্মী। তেখেতৰ গল্প, কবিতা অসমৰ আগশাৰীৰ বিভিন্ন কাকত আলোচনীত প্ৰকাশ হৈছে যদিও এশ ভাগৰ নিৰান্নবৈ ভাগেই অপ্ৰকাশিত অৱস্থাত আছে।" এইবুলি আহমেদে 'ৰিপৰ্ট' লিখা আৰম্ভ কৰিলেই।

এনেতে মোৰ সৰু ল'ৰা বিপিনে আহমেদক কিবা এটা দিলেহি। "আধা লিখা কবিতাৰ পুথি দুখন - গল্প সংকলন এখনো ছপা কৰিবৰ বাবে ৰেডি কৰি থোৱা আছে, আৰু বহুতো প্ৰবন্ধ পাতি, এখন হাতে লিখা ডায়েৰী। - হেৰা, হেৰা ডেকা ল'ৰা তেখেতে নাট্যচৰ্চাও কৰিছিল নহয়, তেখেতৰ নাটকখিনিও লৈ আনা" –

-- "নাই নাই সেইবোৰ বিচাৰিয়েই নাপালো--'

মোৰ সৰু ল'ৰা বিপিনৰ কান্দোন আৰু ক্ৰোধৰ মিশ্ৰিত কণ্ঠ। "নাপালে নহ'ব, বিচাৰিবই লাগিব। তেখেতক আমি উপযুক্ত মৰ্য্যাদা দিবই লাগিব। তেখেতৰ প্ৰতিটো

সৃষ্টিয়ে আমাৰ ভাষা জননীৰ অমূল্য সম্পদ। আজিয়ে মই সাহিত্য সভা আৰু প্ৰকাশন পৰিষদৰ লগত যোগাযোগ কৰি তেখেতৰ অপ্ৰকাশিত লেখাবোৰৰ গ্ৰন্থাকাৰে প্ৰকাশৰ ব্যৱস্থা কৰিম! ৰাইজ আপোনালোকেও সহায় সহযোগ আগবঢ়াব। ৰাইজে নখ জোকাৰিলে নদী বয় আৰু নদী ববই লাগিব।”

ৰাম ৰাম, হৰি হৰি মই এইবোৰ কি শুনিছো। মই মৃত্যু সাগৰৰ ইপাৰতনে সিপাৰত। নে মই মৰিও ভূত হ'লো! এবাৰ নিজকে চিকুতি চাবৰ মন গ'ল, কিন্তু ইকাতি-সিকাতি কৰিলেই লেঠা। যিবোৰ কবিতা, গল্প, প্ৰৱন্ধ প্ৰকাশ কৰিবলৈ এদিন হাবাথুৰি খাই শেষত সেই আশা পৰিত্যাগ কৰিছিলোঁ। এতিয়া সেইবোৰ প্ৰকাশৰ বাবেইচোন হেতা ওপৰা লগাইছে। মনে মনে নিজকে ধন্য মানিলোঁ। বোধহয় এয়া মোৰ মৰণোত্তৰ স্বীকৃতি। শিল্পী, সাহিত্যিকৰ সন্মান যে মৃত্যুৰ পাছতো জৰুল আহে সেয়া বুজিলো। নিজৰ ওপৰতে এবাৰ হাঁহি উঠিল। মৰা মানুহৰ নিষ্প্ৰাণ হাঁহি।

মোৰ প্ৰশংসাত পঞ্চমুখ হৈ থাকোতেই, মোৰ গুণ বখানি থাকোতেই ইফালে চাঙি সজা কামো প্ৰায় শেষ হ'লেই, আনফালে পত্নী-ল'ৰা-ছোৱালীৰ গগণ ফলা চিঞৰ। চাৰিওফালে এক কৰুণ ব্যস্ততা, মোক চাঙিত তোলাৰ আয়োজন চলিলেই। তেনেহ'লে মই এতিয়া কি কৰোঁ? ইমানখিনি আয়োজন কৰাৰ অন্তত মই জী উঠিলেও ৰাইজেই মোক টঙনিয়াই মাৰি চাঙিত নুতুলিবনে? আনফালে নিজৰ পুত্ৰ আৰু ভাইকেইটাৰ কান্ধত উঠি শ্মশানলৈ আৰামেৰে যামনে?

চিন্তা ভাৱনাত মোৰ গাটো জ্বৰে ঘমাদি ঘামিবলৈ ধৰিলে। অণ্ঠ-কণ্ঠ শুকাই কৰকৰীয়া হ'ল। এই চাঙিত তোলেই আৰু চাঙিত তুলি বন্ধাৰ পাছত জী আছো বুলি কবলৈ আৰু কঠিন হ'ব। গতিকে ৰাইজে মোৰ দহাকাজ খাবলৈ পাওঁক বা নাপাওঁক নাইবা জী উঠিলেও মোৰ গাত দেওভূত, পুহকৰ যি লাগে লাগি থাকক, মৃত মানুহৰ প্ৰতি ৰাইজৰ মৰম চেনেহৰ কথা জানিলোৱেই যেতিয়া, চিতা জুইত নিজকে দাহ কৰাৰ পৰা বিৰত থাকি, জীয়াই থকাৰ মানসেৰে দেহৰ সমস্ত শক্তিৰে সকলোকে আচৰিত কৰি উঠি বহিলোঁ।

এজন মানুহে সকলো সময়তে বীৰ হ'ব নোৱাৰে, কিন্তু মানুহ হ'ব পাৰে।

*- টেগ্যতে*


এজন শিক্ষক হ'ব লাগিব শাৰীৰিকভাৱে উপযুক্ত, আবেগিক ভাৱে ধীৰ স্থিৰ, মানসিক ভাৱে সজাগ, সামাজিক ভাৱে কৰ্মপটু আৰু আধ্যাত্মিক ভাৱে ঈশ্বৰৰ প্ৰতি ভয় ভক্তি থকা লোক।

*- দাৰ্শনিক এৰিষ্টটল*



*ইমা ৰাণী বৰুৱা**

# অনুশোচনা



*এ*টা সময়ত পলী কান্দি-কান্দি বিছনাখনত শুই পৰিল। তাই বহুসময় এইদৰেই কান্দি থাকিল। কান্দি কান্দি তাই ভাগৰি পৰিছিল - কিমান কান্দিব আৰু তাই এনেদৰে। মাকে কেইবাবাৰো মাতিছিল ভাত খাবলৈ, কিন্তু তাই উঠি যাবলৈ অলপো ইচ্ছা কৰা নাছিল। এটা সময়ত মাকে নিজেই আহি তাইৰ কাষত বহিছিল। আৰু তাইৰ মূৰত হাত ফুৰাই কৈছিল - “মাজনী তই এইদৰে কৈ থাক কাৰণেহে দেউতাৰৰ পৰা মাৰ আৰু গালি খাৱ। তেনেকৈ সদায় কৈ নেথাকিবিছোন।” এই কথাখিনি কৈ মাকৰ নিজৰেই অপৰাধী-অপৰাধী যেন লাগিল। কিন্তু উপায় নাই। সঁচা কথা কৈ ভালকৈ বুজালেও দেউতাকে অলপো বুজিবলৈ চেষ্টা নকৰে। একো নোকোৱাকৈ থাকিলেই বৰ ভাল। পৰিৱেশটোৱেই যেন কিবা সুন্দৰ হৈ পৰে। কিন্তু এনেকৈ আৰু কিমান দিন থাকিব? দিনে দিনেচোন ঘৰখনত বেছিকৈ অশান্তিহে হৈ আহিছে। নিজৰ মানুহজনৰ কথা নিজেই নাভাৱিলে, ভাৱিবই বা আন কোনে? কথাবোৰ ভাবি ভাবি তৃষ্ণায়ে যেন এটা সময়ত ভাৱিব নোৱাৰা হৈ যায়।

পলীৰ মাক তৃষ্ণা এগৰাকী অতি সাদৰী তিৰোতা বুলি গাওঁখনৰ সকলো মানুহৰ মাজতে খ্যাতি আছে। দুজনী ছোৱালীক গাভৰু কৰিলে কোনো দিনাই এটাও টান কথা নোকোৱাকৈয়ে। কেতিয়াও অভাৱ অনাটনত পৰিবলৈ দিয়া নাই জীয়েকহঁতক। কিন্তু সংসাৰৰ পথত যেন খোজ দিওঁতে তৃষ্ণাই পদে পদে উজুটি খাব লগা হয়। তেতিয়াই তাই কাৰো চকুত ধৰা নপৰাকৈ হুক হুকাই কান্দি পেলাই। যিহেতু তাই কাকো ফুটাই একো ক'ব নোৱাৰে, বা কৈও একো সমাধান নাপাই।

আৰু পলী, তাই এতিয়া কলেজৰ স্নাতক শেষ মহলাৰ ছাত্ৰী। দেউতাকৰ কথা বতৰা আৰু ব্যৱহাৰে তাইক বৰ অতিষ্ঠ কৰি তোলে। দেউতাকে যেতিয়া স্থিতি হেৰুৱাই পেলায় তেতিয়াই তাই খঙত একো নাই হৈ দেউতাকক অলপ বুজাবলৈ চেষ্টা কৰে যদিও দেউতাকে তাইৰ কথাবোৰ অলপো বুজি পাবলৈ চেষ্টা নকৰে। মাকে এনেবোৰ কাৰ্য্যত দেউতাকক বাধা দিব নোৱাৰে। সকলোবোৰ কেৱল নীৰৱে সহ্য কৰি যায়। কাৰণ সিহঁতৰ সংসাৰখনত এনেয়ে আউল লগা আৰু বেছিকৈ আউল লগাতো তৃষ্ণাই অলপো কামনা নকৰে।

*স্নাতক প্ৰথম বৰ্ষ, কলা শাখা

পলী পঢ়াশুনাত বৰ ভাল। পঢ়াত যিদৰে তাইৰ নাম সকলোৰে মাজত খ্যাতি আছে, ঠিক তেনেকৈ গান গোৱাত, বিহু নচাত আৰু নানা ধৰণৰ খেলা-ধূলা কৰাতো তাই নাম কৰিছে। যেতিয়া তাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত অংক আৰু ইংৰাজী বিষয়ত লেটাৰ পায় প্ৰথম বিভাগত সু-খ্যাতিৰে উৰ্ত্তীণ হৈছিল, সেইদিনা গাঁৱৰ জ্যেষ্ঠলোক কেইজনমানে তাইক কৈছিল - "পঢ়া শুনাত তই ভাল নাম কৰিব পাৰিছ আমি সকলোৱেই ভাল পাইছোঁ। এতিয়া দেউতাৰক আগৰ সেই নিচাযুক্ত দ্ৰব্যবোৰ খাবলৈ এৰি অলপ ভাল হ'বলৈ কবি। নহ'লে দেউতাৰৰ এই দশাৰ কাৰণে তহঁতৰ সকলো ভাল গুণ নষ্ট হ'ব।" গাঁৱৰ জেষ্ঠলোক কেইজনৰ কথাষাৰ তাইৰ মনত পৰিলেই বুকুখন ফাটি যোৱাৰ দৰে হয়। কিন্তু তাই কৰিবই বা কি? এই বছৰৰ কলেজ সপ্তাহত যেতিয়া তাই শ্ৰেষ্ঠা গায়িকাৰ পুৰষ্কাৰ আনিবলৈ গৈছিল তেতিয়া কলেজৰ কেইজনমান বেয়া ল'ৰাই চিঞৰিছিল -"সেইজনী সেই মদাহী আৰু পাগলটোৰ জীয়েক নহয় জানো?" সেই কথাবোৰ ভাবিলে পলীৰ কেনেকুৱা লাগে, সেই কথা তাই আনক কেনেকৈ বুজাব।

পলীয়ে বিশেষকৈ তাইৰ একমাত্ৰ ভনীয়েক গীতাঞ্জলীৰ কথা ভাৱে। তাই অহা বছৰ কলেজ পাবগৈ। তাই পঢ়া- শুনাত বেয়া নহয়। পলীৰ একমাত্ৰ ইচ্ছা ভনীয়েক গীতাঞ্জলীয়েও যেন তাইৰ দৰেই ভাল ফলাফল কৰিব পাৰে। কিন্তু দেউতাকে যদি সদায়ে ঘৰখনত অশান্তি কৰি থাকে তেনেহ'লে পঢ়াৰ পৰিৱেশ এটা ঘৰখনত থাকিবই বা কেনেকৈ? অৱশ্যে দেউতাকে সিহঁতক আজিলৈকে কোনো এটা সময়তেই পঢ়াৰ ক্ষেত্ৰত অলপো বাধা দিয়া নাই। কিন্তু যিয়েই নহওক দেউতাকৰ অৱস্থাটোৰ কথা সিহঁতেই জানো ভাৱিব নালাগিব। দেউতাকৰ ভুলবোৰ জানো সিহঁতে দেখুৱাই দিব নালাগিব আৰু দেউতাকৰ কথা, কামবোৰত সিহঁতে জানো লাজ নাপায়? সিহঁত কেইজনীটো এতিয়া কেঁচুৱা হৈ থকা নাই। এই কথাবোৰ পলীয়ে সদায়ে ভাৱে। কিন্তু এইবোৰ নিৰাময় কৰাৰ উপায় বিচাৰি পোৱা নাই।

আজি কলেজৰ পৰা আহি পলীয়ে বাৰান্দাত থিয়হৈ শুনিবলৈ পাইছিল দেউতাকৰ কিছুমান অশালীন মাত কথা। তাইৰ তেতিয়া আৰু বুজিবলৈ অলপো বাকী নাথাকিল যে সেইয়া মাককে গালি পাৰিছে। এনেদৰেই বহুতো সময় অতিক্ৰম কৰাত এটা সময়ত দেউতাকে যেন সীমা পাৰ হৈ গৈছিল। পলীৰ উপস্থিতিয়ে যেন যেনেকৈ নুমাব ধৰা জুইত ঘিউ ঢালি দিলে পুনৰ জুই দপ্দপ্কৈ জ্বলি উঠে, ঠিক দেউতাকৰো সেই একেই অৱস্থাই হৈছিল। পলীয়ে আৰু অলপো সহ্য কৰিব নোৱাৰিলে। তাই পাৰে মানেই দেউতাকক গালি পাৰিলে। দেউতাকে নিজৰ জীয়েকৰ মুখৰ পৰা গালি শুনিব লগা হোৱাত খঙতে একো নহৈ ভালকৈ কেইটামান চৰ দিলে। বেচেৰী পলীজনীয়ে দেউতাকৰ চৰকেইটা সহ্য কৰি থাকিল যদিও হুকহুকাই কান্দি কান্দি বিছনাত বাগৰি পৰিল। তৃষ্ণা আৰু গীতাঞ্জলীয়েও কিছু সময় এই কাৰ্য্য নিৰব দৰ্শকৰ দৰেই কেৱল মুখেৰে এটাও শব্দ উচ্চাৰণ নকৰাকৈ চাই থাকিল। দেউতাকে পলীক চৰ কেইটা দিয়েই লগে লগে ঘৰৰপৰা ওলাই গৈছিল। তেওঁ কলৈ গৈছিল ঘৰৰ কোনো এজনেও খবৰ লোৱা নাছিল।

প্ৰমোদ গগৈয়ে নিজৰ বিশ বছৰীয়া ডাঙৰ জীয়েকক চৰ কেইটা দি মনত অলপো শান্তি পোৱা নাছিল। ঘৰৰ বাহিৰ ওলাই গৈ তেওঁ একেবাৰে অলপ দূৰৰ মিঠাৰাম কাইটিৰ দোকান পালেগৈ। এই কাইটিৰ দোকানৰ পৰাই চিগাৰেট এটা কিনি চিগাৰেটতো ভালকৈ জ্বলাই দোকানৰ সন্মুখতে থকা বেঞ্চখনতে বহি বহি বহুতো কথাই ভাবিলে। অলপ আগতে ঘটি যোৱা ঘটনাটোৱে যেন প্ৰমোদ গগৈক সংসাৰৰ মায়া-মোহৰ কথা সোঁৱৰাই দিলে। গগৈৰ কাণত যেন তেতিয়াও প্ৰতিধ্বনি হৈ আছিল পলীৰ কান্দোনৰ সুৰ। চকুৰ আগত যেন ভাঁহি উঠিল পলীৰ মৰম লগা সুন্দৰ মুখখনি। সিহঁত কেইজনীয়েনো বাৰু কি দোষ কৰিছে? যাৰ কাৰণে ইমানবোৰ দোষৰ বোজা গাত পাতি লব লগা হৈছে। সিহঁতৰটো কোনো দোষ নাই। অন্যবোৰ ছোৱালীৰ দৰেটো সিহঁত নহয়। পঢ়া-শুনা, গান-গোৱা, নচা আৰু নানা ধৰণৰ খেলা-ধূলা কৰা আদি সকলোতে দেখোন পাকৈত, আৰু তৃষ্ণা,কোনো দিনেটো তাই প্ৰতিবাদ কৰা নাই। ইমান এগৰাকী ভদ্ৰ মহিলাক শাস্তি দিয়াৰ অধিকাৰ পালোঁ ক'ত? আৰু মোহন, সি আমাৰ সুখৰ সংসাৰখন ধ্বংস কৰিবৰ বাবে চেষ্টা কৰা নাইতো? মোক সদায়েই সি বিনা পইচাত, বিনা কাৰণত অলপো সংকোচ নকৰাকৈ মোক যিমান লাগে সিমান খাবলৈ দিয়ে কিয়? অভিসন্ধি কৰা নাইতো? মোৰ অতি সুখৰ সংসাৰখন ভাঙি চুৰমাৰ কৰাৰ অধিকাৰ মোহনক কোনে দিলে? মোৰ দৰে ইমান গুণৱতী ছোৱালীৰ দেউতাক আৰু ইমান জ্ঞানী পত্নীৰ স্বামী হ'বলৈ এই গাঁৱৰ কেইজন মানুহে পাইছে? এইয়া যেন মোৰ ভাগ্যৰ লিখনহে। এনেতে গগৈৰ বহুদিনৰ আগতে পঢ়া এটা কবিতালৈ মনত পৰিল-



## "সুখ"

*সুখ সুখ বুলি মানুহ বলিয়া*
*নেদেখে সুখৰ মুখ,*
*সুখ বিচাৰোঁতে পায় সংসাৰত*
*দুখৰ উপৰি দুখ।*
*দেখিও নেদেখা কিয় দিন কণা*
*সুখ যে হাততে আছে,*
*যিয়ে দিব পাৰে স্বাৰ্থ বলিদান*
*সুখ ফুৰে পাছে পাছে।*
*অকল নিজৰ নিমিত্তে নহয়*
*আমাৰ জীৱন ভাই,*
*পৰৰ কাৰণে খাটিব পাৰিলে*
*সংসাৰ সুখৰ ঠাই।*

(কবি- আনন্দচন্দ্ৰ আগৰৱালা)

গগৈয়ে এই কবিতা ফাঁকি মনতে বহুবাৰ আউৰালে। হাইস্কুলৰ এজন ভাল শিক্ষক প্ৰমোদ গগৈয়ে আজি এই মুহূৰ্তত বহুবোৰ প্ৰশ্নই সহজতে নিজৰ হাততে পাই গৈছে। পৃথিৱীত মানুহে নোৱাৰা কাম একো নাই। মানুহেই মানুহক যি মন যায় সকলো কৰিব পাৰে। সময়ত মানুহে মানুহক হত্যা কৰিবও পাৰে। এই কথাবোৰ গগৈয়ে আজি যেন পুনৰ নতুনকৈ শিকিবলৈ আৰম্ভ কৰিছে।

প্ৰমোদ গগৈয়ে আৰু তাত এক ছেকেণ্ড সময় পলম নকৰি ঘৰলৈ বুলি খোজ ল'লে। সন্ধিয়া লাগিছে, পলী আৰু গীতাঞ্জলী দুয়ো পঢ়াৰ নিজ নিজ টেবুলত বহিছে। দেউতাকে হঠাতে সিহঁতৰ কাষত থিয় হোৱাত পুনৰ অশান্তিৰ আশংকা কৰিছিল যদিও সিহঁতে ভৱাৰ বিপৰীতটোহে হ'ল। দেউতাক প্ৰমোদ গগৈয়ে দুয়োজনী জীয়েকৰ মূৰত হাত থৈ ক'লে - "মাজনী, তহঁতক মই বৰ কষ্ট দিলোঁ, তহঁতে মোক ক্ষমা কৰি দে। আজিৰ পৰা মই তহঁতৰ মাজত তহঁতৰেই মৰমৰ দেউতা হৈ থাকিম। মোহনৰ ওচৰলৈ আৰু মই কোনো দিনেই নাযাওঁ।" এইবুলি কৈ প্ৰমোদ গগৈয়ে হুকহুকাই কান্দি পেলালে। দুয়ো জীয়েকে দেউতাকৰ হঠাৎ এনে পৰিবৰ্তন দেখা পাই মনৰ আনন্দতে দেউতাকক সাৱটি ধৰিলে। তৃষ্ণাইও কিছু সময় অবাক হৈ দুৱাৰ মুখৰ পৰা এই দৃশ্য উপভোগ কৰি আছিল। নিজৰ স্বামীৰ হঠাৎ এনে পৰিবৰ্তন দেখি তাইৰ দুচকুৰে দুধাৰি চকুলো বৈ আহিল। এইয়া তাইৰ দুখৰ চকুলো নাছিল, বহু দিনৰ অন্তত তাইৰ দুচকুত সেয়া আনন্দৰ চকুলো। যিয়েই নহওঁক প্ৰমোদ গগৈয়ে নিজৰ ভুল পলমকৈ হ'লেও উপলব্ধি কৰিব পাৰিলে।

আমি যে এখন পৃথিৱীৰ বাসিন্দা এই কথা নিৰ্ঘাত সত্য কাৰো ভাল পোৱা বেয়া পোৱাৰ ওপৰত এই সত্য নিৰ্ভৰ নকৰে।

*- ডঃ ৰাধা কৃষ্ণন*

এইটো অতি আৱশ্যক যে খেলা, খেলাই হোৱা উচিত। ই কোনো ব্যৰ্থৰ বোজা হ'ব নেলাগে।

*- ৰাজা গোপালচাৰী*

অনু মাহান্ত*

# আলিবাটৰ গল্প

নাম তাইৰ নীহাৰিকা দত্ত। তাইৰ স্বামীৰ নাম .......... থাকক বাৰু। তেখেতৰ পৰিচয় পিছতো দিব পাৰিম। প্ৰথমতেই কওঁ, তাইৰ বাসস্থান অসমৰ এখন ডাঙৰ চহৰত। চহৰখনৰ নাম নক'লেও হ'ব। কাৰণ, এজোৰ অসমৰ বাহিৰত তৈয়াৰী ৰিহা-মেখেলা (তাই অসমীয়া বোৱাৰী বুলি পৰিচয় দি ভাল পায়) আটি আটি লিপিষ্টি খুৱাই পিন্ধি বাওঁ হাতত ভেনিটি বেগ এটা লৈ ফুৰা দেখা পায়েই। এইবোৰ থাকক বাৰু।

ধৰক তাই ব্যস্ত মহানগৰীৰ আলিবাটটো পাৰ হ'ব খুজিছে কিন্তু পৰা নাই। জনবহুল ৰাস্তা পাৰ হ'বলৈ বহুত সময় বোন্দাপৰ দি আছে। বাৰিষাৰ দিন, গতিকে বৈ থাকোতে কোনো মুহূৰ্তত কাৰোবাৰ গাড়ীয়ে ৰাস্তাৰ বোকা-পানী গাত সিঁচি দিয়ে বুলি ভয়তে অতি সাৱধানে থিয় হৈ আছে। অলপ পিছত সুৰুঙা পাই সাউতকৈ ৰাস্তাৰ ইটো পাৰলৈ আহি ৰিক্সাৰ বাবে অপেক্ষা কৰি ৰ'ল। তাইৰ স্বামীয়ে পুলিচ বিভাগত চাকৰি কৰে। পুলিচ অফিচৰ হিচাপে তেখেতে জীপ গাড়ীৰে চলা ফুৰা কৰে। সেয়ে তাইৰ যান-বাহন বুলিলে এই অগতিৰ গতি ৰিক্সাখনেই। কোঁ-কোঁ কৰি গাৰ কাষেৰে পাৰ হৈ যোৱা চিটিবাছবোৰৰ কথাই সুকীয়া। পান জপাদি জাপি নিয়া সেইবোৰ চিটিবাছত তাই উঠিব কেনেকৈ? যিহে থুলন্তৰ চেহেৰাৰ একোজন পুৰুষ। সিহঁতৰ গাৰ গোন্ধ আৰু ঠেলা হেঁচাত তাই বৰা ধানৰ চেপেটা পিঠা হৈ যায়। অ'টৰিক্সাৰ কথানো কি ক'ব, যি ফুটনি, বীৰদৰ্পে কোঁ-কোঁ কৈ গুচি যায়। এনে লাগে সেইবোৰে তাইক যেন নিনিলেহে সকাহ পায়। তাইও আৰু কম তিৰোতানে; অ'টৰিক্সাত গৈ ট্ৰাকৰ খুন্দা খাই পিঠা হোৱাতকৈ পদযাত্ৰা কৰাই আৰম্ভ কৰি দিলে। এয়াচোন .......... এয়াচোন ....... হয়। তাই ঠিকেই ভাবিছিলে। পদপথৰ পদ যাত্ৰা নিশ্চিন্ত মনে কৰাও বিপদজনক। সকলো সময়তে তললৈ চাই সন্তৰ্পণে খোজ কাঢ়িবলগীয়া হৈছে। নহ'লে ওখোৰা-মোখোৰা পদপথত উজুতি খাই কোন মুহূৰ্তত পৌৰ কৰ্তৃপক্ষই সজাই-পৰাই থোৱা ফুটাত পৰি হাত- ভৰি ভাগে ক'ব নোৱাৰি। দুৰ্ভাগ্য থাকিলে ভগা শিলত খুন্দা খাই ছেন্দেলৰ ফিটাও চিঙিব পাৰে।

মুখৰোচক এনে ধৰণৰ বিপদ গ্ৰস্ত আলোচনা বহুত শুনিছে আগেয়ে। শুনিছে, বিভিন্ন বজৰুৱা হিন্দী চিনে-মাৰ ফটা-মুখীয়া পিলিঙা ডেকাই গোৱা গান, কাহিনী, ফাইটিং কৰাৰ দিছুম-দিছুম মুখৰ শব্দ আদি।

পদপথেদি যোৱাত এইবোৰৰ উপৰিও আৰু বহুতো অসুবিধা তাই পাইছে যেনে -- পদপথটোতে থিয় হৈ দুজন মানুহে — ৰাজনীতি, ৰাজ্যৰ বা বাতৰিৰ পৰা কেৰাচিনৰ বজাৰ দৰ, চোৰাং কাৰবাৰ, মন্ত্ৰী ভঙা পতা ইত্যাদি আলোচনা কৰি আছে। এতিয়া তাই যাব কেনি? তাই যে যোৱাৰ বাট বিচাৰি হাবাথুৰি খাইছে তেওঁলোকৰ ভ্ৰুক্ষেপেই নাই। যেনিবা পদপথৰ দখলীস্বত্ব তেওঁলোকৰহে।

তাইও বাপেকে কম শক্তিৰ তিৰোতানে, এজনক ঠেলা মাৰি থৈ শ'ল মাছৰ দৰে মেটেকা দুফাল কৰাৰ দৰে ভীৰৰ মাজেৰে খোজ দিলে । কি হ'ব পিছে?

অলপমান বাট যাওঁতেই গম পালে — তাইৰ ঠেলা খোৱা মানুহজন পথৰ মাজ-মজিয়াত মুখ ঠেকেচা খাই পৰিছে, হুৰ-হুৰকৈ ল'ৰি অহা জীপ গাড়ী এখনে মানুহজনৰ মূৰটো, ঠেতেলী পেলাইছে, আৰু মানুহজন ইতিমধ্যে .........।

মানুহৰ ভীৰ ঠেলি আগবাঢ়ি যাওঁতে তাই দেখা পালে জীপখন পুলিচৰ জীপ, চলাই আহিছিল তাইৰ স্বামীয়ে আৰু তাইৰ স্বামীক উগ্ৰমূৰ্তিৰ মানুহজাকে ..........। তাইৰ চকুযোৰত তেতিয়া তেজ বিৰিঙিছিল।।

*স্নাতক দ্বিতীয় বৰ্ষ,



মামনি পাংগিং*

# ধূসৰ গতিৰে নিষ্ঠুৰ সময়



ব্যস্ত মহানগৰীক চাৰিওফালে ৰাতিৰ ঘন অন্ধকাৰে আবৰি পেলাইছিল। দিনৰ ব্যস্ততাৰ লগত সংগতি ৰাখি সকলোৱে ৰাতিৰ আশ্ৰয়ৰ সুযোগ লৈছিল এক অবুজ শিশুৰ দৰে। কিন্তু তাৰো কিছুমান বৰ ব্যতিক্ৰম। কাৰোবাৰ বাবে সেই ৰাতি হৈ পৰিছে অতি ধূসৰ। আজি অংকিতা শুব পৰা নাই। তাইৰ দুচকুত আজি কিয় টোপনি নাই তাই নিজে ক'ব পৰা নাই। লাহেকৈ বিছনাৰ পৰা উঠি মুখ-হাত ধুই আৰামী চকীখনত অলসভাৱে গাটো এৰি দিলে। সেই সময়ত নীলা ৰঙৰ সৰু বাল্বটোৱে আপোনমনে নিজৰ নীলাভ পোহৰ কোঠাটোত পোহৰাই তুলিছিল। কিন্তু সেই পোহৰে অংকিতাৰ মনটো সেমেকাই পেলাইছিল। অজানিতে তাইৰ মনলৈ আহিবলৈ ধৰিছিল ধূলিৰে-ধূসৰিত মনৰ এলবামৰ ছবিবোৰ। কৰুণ আজি তাইৰ প্ৰেমৰ ইতিহাস।

আনবোৰ ছোৱালীৰ দৰে তাইও হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ বৰ্তমান গুৱাহাটীৰ নামী কলেজ এখনত নাম ভৰ্তি কৰিছিল। প্ৰথম দিনা যাম বুলিও যোৱাই নহ'ল। দ্বিতীয় দিনাও যোৱা নহ'ল। তাৰ মূল কাৰণ হ'ল, ছাত্ৰ-ছাত্ৰীৰ মাজত সঘনে দেখা দিয়া পূৰ্ব প্ৰচলিত 'ৰেগিং' নামৰ সমাজ ব্যাধিটো। তাই পিছে তেনে সমস্যাৰ সন্মুখিন নহ'ল। কলেজত প্ৰৱেশ কৰিয়েই চিনাকী হৈছিল উদীপ্ত গগৈ নামৰ সুদৰ্শন যুৱকজনৰ সৈতে। দুয়ো একে বিভাগৰে ছাত্ৰ-ছাত্ৰী। প্ৰথম চিনাকীৰ মাধুৰ্যময় চমক নৌহওঁতেই তাই যেন বুজি উঠিছিল উদীপ্তক তাইৰ ভাল লাগিছে। প্ৰথমে দুই - এষাৰ কথাৰ বাহিৰে অন্য কথাৰ বিনিময় হোৱা নাছিল। অংকিতাৰ লাহে লাহে অনুভৱ হৈছিল যে সি নহ'লে তাইৰ ক্লাছ কৰিবলৈকে মন নগৈছিল। তাইৰ আকলুৱা দুচকুৱে যেন অনবৰতে বিচাৰিছিল তাৰ সান্নিধ্য। তাইৰ কি হৈছে তাই নিজেই বুজি পোৱা নাই। কেৱল তাৰ কথাই মনলৈ অহা হ'ল। এয়াই হয়তো প্ৰেম। প্ৰেমৰ বতাহ তাইৰ গাত বাৰুকৈয়ে লাগিছিল। "ভাল পোৱা পালে সকলো লণ্ড-ভণ্ড কৰি গুছি যাম দুচকু যিপিনে যায়" — শক্তি চট্টোপাধ্যায়ৰ এই প্ৰেমৰ সংজ্ঞাই হয়তো অংকিতাৰ ক্ষেত্ৰত প্ৰভাৱ পেলাইছিল। তাইৰ কেতিয়াবা জানিবলৈ মন যায় উদীপ্তৰো বাৰু এনে অৱস্থা হৈছে নেকি?

"অই অংকি, কি ভাবি আছ? আজি ফেব্ৰুৱাৰ্চ নহয় নেকি?" তাইক লগৰবোৰে প্ৰায় অংকি বুলিয়েই মাতে। "যাম আকৌ কেলৈ নাযাম।' অংকিতা আৰু বিদিশা একেলগে ভাৰাঘৰত থাকে। বিদিশা অংকিতাৰ অন্তৰংগ বান্ধৱী। বিদিশা বিজ্ঞান শাখাৰ ছাত্ৰী।" তেতিয়াহ'লে মই ওলাওঁ।" এই বুলি বিদিশাই ওলাবলৈ ল'লে। ফেব্ৰুৱাৰ্চৰ দিনা কিন্তু উদীপ্তই তাইক আচৰিত কৰি প্ৰপ'জেল দিলে। তাই অবাক লাগি তাৰ মুখলৈ চাই ৰ'ল। কিন্তু হঠাতে তাইৰ সম্বিত ঘূৰি আহিল। তাই কেইদিনমানৰ পিছত উত্তৰটো দিম বুলি ক'লে। তাই বিদিশাক কথাটো ক'বলৈ উদ্বাউল হৈ পৰিল। লৰালৰিকৈ ক্লাছ শেষ কৰি ভাৰাঘৰলৈ বুলি ৰিক্সাত উঠিল। গেটৰ পৰাই তাই 'বিদি, ঐ বিদি' বুলি জোৰেৰে চিঞৰি চিঞৰি সোমাই আহিল। "কি হ'লনো ইমানকৈ চিঞৰি আহিছ যে।" ভিতৰত সোমায়েই অংকিতাই উদীপ্তৰ কথা অৰ্নগল ভাৱে কৈয়ে থাকিল। একে উশাহতে যেন কথাখিনি কৈ শেষ কৰিব। অকণমান ৰ, বুলি বিদিশাই দৌৰ মাৰি পানী এগিলাছ আনিলে। "খাই ল', নহ'লে তোৰ ডিঙি শুকাই যাব।" পানীখিনি খাই বাকীখিনি কথা আকৌ ক'বলৈ ধৰিলে। "হ'ব, হ'ব, তোৰ মজনুৰ কথা ইয়াতে সামৰণি মাৰ। চা, তোৰ মা-দেউতাই

*স্নাতক দ্বিতীয় বৰ্ষ বুৰঞ্জী বিভাগ

ইয়াত পঢ়িবলৈহে পঠাইছে। ৰোমিঅ-জুলিয়েট হ'বলৈ নহয়। প্ৰেমত পৰিছ পৰ। কিন্তু পঢ়াৰ গতি কমাই নিদিবি। প্ৰেমত হুবু-ডুবু খোৱা বহু লোক দেখিলো। প্ৰেম এনে এটা বস্তু যিটো বিচ্ছেদৰ বা ট্ৰেজিকমূলক হ'লেহে শ্বাশ্বত হৈ উঠে। কিন্তু সেই বিচ্ছেদ নৌহওঁতেই পাৰস্পৰিকভাৱে দুয়ো দুয়োকে বুজি পোৱাতো হয়তো অতি প্ৰয়োজন।" বিদিশাই ভালেই পালে তাইক অলপ শাসন কৰিবলৈ অন্তত সুযোগ এটা পাইছে "হ'ব আৰু তইও প্ৰেমৰ বিষয়ে ইমান দীঘলীয়া লেক্‌চাৰ মোক দিব নালাগে। ৰবি, চি ংৰা দুটামান আনিছোঁ চাহকে বনাওঁ" বুলি বিদিশা পাকঘৰত সোমাল।

বিদিশাৰ এই মৰমেৰে দিয়া উপদেশ আৰু শাসনসুলভ কথাবোৰ অংকিতাই ভালেই পায়। আচৰিত্, এই ছোৱালীজনীৰ কোনো চিন্তা ভাৱনা নাই নেকি বাৰু? অনবৰতে মুখত মিছিকিয়া হাঁহিটো লাগিয়েই থাকে। বিছনাত বাগৰি পুনৰ উদীপ্তৰ কথাই মনত পৰিবলৈ ধৰিলে। প্ৰেমৰ বতাহজাকে যেন তাইৰ মনৰ খিৰিকীৰ পৰ্দাবোৰ কঁপাই তুলিলে। বেগী অথচ কোমল, মৃদুভাৱে। কল্পনাৰ বিশাল কেন্‌ভাছত তাই তুলিকাৰে ছবি আঁকিবলৈ ধৰিছিল। জোনাক নিশা দুয়ো বহু কথা পাতিছিল। একেলগে চিনেমা চোৱা, পাৰ্কৰ ঘাঁহনি ডৰাত বহি কিমান যে আশাৰ কাৰেং সজাইছিল তাৰ হিচাপ নাই। তাক লৈ কিমান সপোন যে দেখা নাছিল। ইহঁতৰ ভাল পোৱা এনেকৈয়ে গভীৰ হৈ গৈছিল দিনক দিনে। দুয়ো বৰ্ষাসিক্ত কোমল সেউজীয়া ঘাঁহনিত খোজ দিবলৈ ধৰিছিল। কিন্তু সপোন সপোনেই বাস্তৱেহে মুখামুখি কৰায় সঁচা জীৱনৰ। বহুতো ছোৱালীয়ে কিন্তু উদীপ্তৰ স্বভাৱৰ কথা তাইক কৈছিল। সি বৰ ভাল ল'ৰা নহয়। ধুনীয়া ছোৱালী দেখিলে সি ৰ'বই নোৱাৰে। প্ৰথম দিনা চিনাকি হৈ পিছদিনাই প্ৰপ'জ কৰে। কিন্তু অংকিতাই সেইবোৰ কথা এখন কাণে সুমুৱাই সিখন কাণে উলিয়াই দিছিল। তাই মনে- মনে গাম্ভীৰ্য্যভাৱে ভাৱিছিল তহঁতৰ ছাগে মোলৈ হিংসা লাগিছে নহয়। উস্ কি শুনিবা, এজনীয়ে কব সি বেয়া ল'ৰা, এজনীয়ে ক'ব তাৰ প্ৰেমত নপৰিবা। আজি দীপলৈ ফোন কৰিব লাগিব। তাই মনতে ভাবিলে। মৰমতে তাই উদীপ্তক দীপ বুলি মাতে। "হেল্ল! দীপ, মই অলপ বজাৰলৈ ওলাই যাম তুমিও ব'লাচোন।" সিফালৰ পৰা দীপৰ কণ্ঠস্বৰ ভাঁহি আহিল। "মই অলপ বিজি হৈ আছো, প্লিজ বেয়া নাপাবা" বুলি ৰিচিভাৰ নমাই থলে। কথা কিছুমান ক'বলৈ আছে যদিও সি ফোনটো কাটিয়েই দিলে। সি বিজি আছে বুলি ভাৱি তাই বিদিশাৰ লগতে বজাৰলৈ গ'ল।

কিন্তু কেইদিনমানৰ পৰা উদীপ্তই যেন তাইৰ লগত বৰকৈ কথা নপতা হ'ল। কিবা এটা সুধিলে হা-নাৰ বাহিৰে একো নকয়। তাইৰ পৰা যেন সি আঁতৰি ফুৰিছে। আজিকালি তাইক দেখিলেও নেদেখাৰ ভাও যোৰে। প্ৰথমতে ভাৱিছিল অজানিতে কিবা দোষ কৰিছোঁ নেকি? নাই, তাইৰ দেখোন মনতে নপৰে। ধুনীয়া আকৰ্ষণীয় চেহেৰাৰ অধিকাৰিণী মালবিকা বৰুৱাৰ লগত কেন্টিনত, লাইব্ৰেৰীত, পাৰ্কত একেলগে দুয়োটাৰে উপস্থিতি তাই লক্ষ্য কৰিছে। তাৰ কাণ্ডবোৰ অংকিতাৰ সহ্য হোৱা নাই। সহ্যৰো এটা সীমা আছে। তাই আজি উদীপ্তক সুধিব সি এনেদৰে তাইক এৰাই চলাৰ কাৰণ কি? তাই তাক লগ ধৰিবই আজি। প্ৰথমতে সি কাম আছে বুলি কথাবোৰ গুৰুত্ব দিব খোজা নাছিল। কিন্তু অংকিতাই কথাটো অলপ টানকৈয়ে সুধি পেলালে। " অংকি তুমি মোক ভুল নুবুজিবা। মই ইতিমধ্যে বেলেগ লাইনত পোনাইছো। তুমি ছাগে ইতিমধ্যে কথাটো গম পাইছাই। আচলতে কি জানা, ধুনীয়া ছোৱালীবোৰক মোৰ ভাল লাগে। মই কি কৰিম কোৱা। মালবিকাক মই তোমাতকৈ বেছি ধুনীয়া দেখিলোঁ সেইকাৰণে ...... তুমি নহ'লে অন্য কাৰোবাক" ....... পিছৰ কথাখিনি শেষ নৌহওঁতেই এটা পূৰ্ণহতীয়া চৰ উদীপ্তৰ গালত পৰিল। সেইসময়ত তাৰ মুখখন তাইৰ বৰ ঘিণ লাগিছিল। তাই উচাট মাৰি সেই ঠাইডোখৰৰ পৰা আঁতৰি আহিল।

ৰুমলৈ আহি তাই হুকহুকাই কান্দি উঠিল। কিছুসময়ৰ পাছতেই বিদিশা আহিল। "অংকি ইমান সোনকালে আহিলি যে। আজি তই ক্লাছ নকৰিলি নেকি?" তাইৰ ফালে নোছোৱাকৈয়ে সুধিলে। "গাটো ভাল লগা নাই। সেইকাৰণে সোনকালে আহিলোঁ।" চকুলো মোহাৰি কোনোমতে উত্তৰটো দিলে।

কিন্তু বিদিশাই মন কৰিলে তাই কেইদিনমান কলেজলৈ যোৱা নাই, তাইৰ লগত কথাও পতা নাই। আৰু মন মাৰি বহি থাকে। মানুহৰ মন যেতিয়া বেদনাৰে ভৰি থাকে তেতিয়া মৌনতাই হয়তো জীয়া ভাষা হৈ মানুহৰ চুকুৰে-মুখে বিয়পি পৰে। তাই লাহেকৈ অংকিতাৰ ওচৰত বহি লৈ সুধিলে, "অংকি তই মোৰ পৰা কিবা লুকুৱাইছ,



কি হৈছে ক'চোন মোক।" অংকিতাই বিদিশাক সাৱটি প্ৰায় জোৰকৈ কান্দিয়েই পেলালে। বিদিশাইও তাই নেদেখাকৈ চকু পানী মোহাৰি তাইক সান্ত্বনা দিবলৈ ধৰিলে। তাইক লাহেকৈ বিছনাত বহুৱাই কি কথা সুধিলে। "বিদি, তই ঠিকেই কৈছিলি প্ৰেমত পৰিলে সদায় পৰস্পৰে পৰস্পৰক বুজি পোৱাটো অতি প্ৰয়োজন। কিন্তু মই সেই প্ৰয়োজন অনুভৱেই নকৰিলোঁ। প্ৰেম তাৰ কাৰণে একোটা চুইংগামৰ দৰে। যি চুইংগাম চোবালে ক্ৰমান্বয়ে তিতা লগাত পিছত পেলাই দিয়া হয়। অতি যতনে সজোৱা মোৰ স্বপ্নসৌধ ভাঙি চুৰ-মাৰ হ'ল। মহাকালৰ বুকুত সমাধিস্থ হ'ল মোৰ সপোন।"

"যি হ'ল হৈ গ'ল, এতিয়া তই সেইবোৰ চিন্তা মূৰত সোমোৱাই মূৰটো বেয়া কৰিব নালাগে। তই এটা কথা হয়তো জান, সংগ্ৰামৰ মাজেদি জীয়াই থাকি সফলতা লাভ কৰাজনেহে জীয়াই থকাৰ প্ৰকৃত আনন্দ পায়। সেয়ে সংগ্ৰামী জীৱন খুউব মধুৰ। এনে জীৱনেহে প্ৰকৃত সুখ দিয়ে। সংগ্ৰাম কৰি পোৱা সফলতা চিৰস্মৰণীয় হয়।" বিদিশাৰ সেই কথাবোৰে অংকিতাক জীয়াই থাকিবলৈ প্ৰেৰণা দিছিল। অংকিতাই এতিয়া হেৰুৱা সপোন বিচাৰি হাবাথুৰি খোৱা নাই। বৰ্তমান তাই কলেজ এখনৰ লেক্‌চাৰাৰ। বাস্তৱৰ ব্যৰ্থতাই হয়তো তাইক জীৱনৰ সৈতে সংগ্ৰাম কৰিবলৈ শিকাইছিল। তথাপি কেতিয়াবা পুৰণি স্মৃতিয়ে উক দি তাইক বৰ আমনি কৰে। নিশা এক বজাৰ সংকেত ধ্বনি শুনি তাই বাস্তৱলৈ ঘূৰি আহিল।

অংকিতাই দুৰ্বল চাৱনিৰে চাই ৰ'ল বেৰত উলমি থকা ভিন্‌চেন্ট ভেন্ গগৰ ছানফ্লাৱাৰ ছবিখনলৈ।

ভীৰুৰ দৰে জীয়াই থকাতকৈ বীৰৰ দৰে মৃত্যু বৰণ কৰাই ভাল।

*- মহাত্মা গান্ধী*

ভোকাতুৰ মানুহ এজন ভাল ৰাজনীতিৰ উপদেষ্টা হ'ব নোৱাৰে।

*- আইনষ্টাইন*

ভগৱানে সেই সকলক ঘৃণা কৰে যি নিজৰ প্ৰশংসা গায়।

*- চেণ্ট ক্লিমেণ্ট*


ভয় বা শংকাৰেহে সকলো ধৰ্মৰ উৎপত্তিৰ কাৰণ।

*- ৰাছেল*

তথ্যবোৰ মুখস্থ কৰাতকৈ বিচাৰ শক্তি অৰ্জন কৰাটোহে মানুহৰ প্ৰধান লক্ষ্য হোৱা উচিত।

*- মণ্টেইন*

জয়ন্ত ফুকন



# উদাসী প্ৰাণৰ অভিসাৰ

নীলিম আকাশৰ সুবিশাল বক্ষইদি এজাক শুভ্ৰ পক্ষী উৰি গৈছে। এটি মনোমুগ্ধকৰ দৃশ্য। আজি আকাশখন অতি বেছি নীলাভ দেখা গৈছে। ইমান নীলা! আৰু পক্ষীবোৰো ইমান স্ফটিক! যেন আত্মাৰ বুকুত এজাক তীব্ৰ জোনাক। প্ৰশান্তৰ মনটি বাৰে বাৰে উটি গৈছে অতীতৰ বুকুলৈ। অপলক নয়নেৰে চাই ৰ'ল শ্যামলে এই অপৰূপ, দৃশ্য। ইমান দিনে অপ্ৰকট হৈ ৰোৱা ভাৱবিলাক আজি যেন প্ৰকট হৈ উঠিছে। সেই শুকুলা পক্ষীজাকে যেন বিশ্বৰ সম্পদৰাজিক ধ্বংসৰ কৰাল গ্ৰাসৰ পৰা সুৰক্ষা দিবলৈ আপ্ৰাণ চেষ্টা কৰি অবিৰাম গতিৰে উৰি গৈছে দূৰ, সীমাহীন জগতলৈ। সহনশীল ধৰিত্ৰীৰ এয়া যেন বিনন্দীয়া ৰূপ। সংকীৰ্ণ হৃদয় ভেদি এইবোৰ যেন বিশাল অনুভূতিসদৃশ হৈ সুবিশাল প্ৰকৃতিৰ লগত মিলি গৈছে। পক্ষীজাকৰ শুভ্ৰতাই যেন অনাগত ভৱিষ্যতৰ পৱিত্ৰতা আৰু ইঙ্গিত বহন কৰিছে।

আজিকালি চোতালৰ একাষে থকা তুলসীজোপা এলাগী যেন হৈ পৰিছে। কিছুবছৰ আগলৈকে তাৰ বুঢ়ীআইতাকে এইজোপা তুলসীৰ তলতেই পৰম ভক্তি-ভাৱেৰে চাকি বন্তি জ্বলাইছিল। তুলসীজোপাৰ তলডোখৰ আইতাকে ধুনীয়াকৈ, আনে দেখিলে সহজে ভক্তি-ভাব জাগ্ৰত হ'ব পৰাকৈ মচি-কাচি থৈছিল। ফলত তুলসীজোপাই আইতাকৰ লগতে ঘৰৰ বাকীসকলৰো অন্তৰত ঠাই পাইছিল এজোপা মৰমলগা, লাগতিয়াল গছৰূপে। কিন্তু আজি তাৰ সেই আইতাকো নাই আৰু মানুহবোৰৰ অন্তৰত তুলসীজোপাৰ বাবে কোনো অনুকম্পাও নাই। আজিকালি সেইজোপা হৈ পৰিছে মৰমবিহীন, অলাগতীয়াল। সেইজোপাৰ তলত এতিয়া কোনেও ভক্তিহীন ভাৱে হ'লেও চাকি-বন্তি নজ্বলায়, তুলসীৰ তল কোনেও আন্তৰিকতাবিহীনভাৱে হ'লেও মচি-কাচি নকৰে। সেইজোপালৈ চাবলৈ কাৰো আহৰিও নাই। পৰিৱৰ্তনৰ কি যে নিয়ম! তুলসীজোপাও যেন কাৰো আদৰ যত্ন নাপাই এতিয়া কায়হীন হৈ পৰিছে। সহনশীলা বসুন্ধৰাই সাৰটি আছে বাবেই হয়তো সেইজোপা জীয়াই আছে। তুলসীজোপাই হালি-জালি, নাচি-বাগি জীয়াই থকাটো যেন নিষ্ঠুৰ মানৱে দেখিবহে পৰা নাই।

শ্যামলৰো অৱস্থা তেনেকুৱাই হৈছে। তুলসী জোপাই তাৰ শাৰীৰিক-মানসিক উভয় দিশেই যেন জলজল্-পটপটকৈ



দাঙি ধৰিছে। আজিকালি মাক-বায়েকৰ বাবে তুলসীজোপাৰ দৰেই সিও অলাগতিয়াল। কিছুবছৰৰ আগলৈকে মাক-বায়েকে আটায়ে তাক অত্যন্ত মৰম-আদৰ-যত্ন কৰিছিল; প্ৰায় প্ৰত্যেকদিনাই তাক আনন্দ উল্লাসত ৰাখিবলৈ যত্নৰ কাৰ্পণ্য কৰা নাছিল। পৰাপক্ষত তাক ঘৰৰ অত্যাৱশ্যকীয় কামবোৰৰ পৰাও তেওঁলোকে বিৰতি দিছিল। সেই কামবোৰৰ দায়িত্ব তেওঁলোকেই হাঁহিমুখে মূৰ পাতি লৈছিল। কিন্তু আজি? আজিতো সেই মৰম আকলুৱা আদৰ-যত্নৰ খুদকণো পাবলৈ নাই! কিয় বাৰু এনে হয়? নে এয়াই বাস্তৱ? এয়াই নেকি পৰম্পৰাগত সামাজিক নিয়ম? কাম-কাজৰ পৰা বিৰত দিয়াতো বাদেই আনকি তাক মৰমৰ মাত এষাৰ দিবলৈকো কোনো লোক যেন ৰাজী নহয়।

জীৱনটো মানুহে ভবাৰ দৰে সুকোমল শৰ্য্যা হোৱা হ'লে! আতৌ-পুতৌ কৰি ৰাখিব খোজা জীৱনটো চিৰদিন আতোল-তোল হৈয়েই থকা হ'লে! কিন্তু এই দুৰাকাংক্ষা সহজসাধ্য হৈ নুঠে। বৰঞ্চ দোদুল্যমান অৱস্থাত পৰি জীৱন নদীৰ চাকনৈয়াত কৰুকাই থাকিব লগাহে হয়। নিঃশঙ্কা, নিঃসংশয় হোৱাৰ পৰিৱৰ্তে জীৱন হৈ পৰে শঙ্কাকুল, ভীতিগ্ৰস্ত, ৰহস্যময়, কণ্টকাকীৰ্ণ জীৱন পথত শঠামিতিৰ, শকুনি, কু-মন্ত্ৰদাতাৰ সংখ্যাই অধিক। সমাজৰ নিংকিন, নিঃসম্বল সকলে কেলেঢোপ কেলেঢোপকৈ জীৱন কটোৱাৰ বাহিৰে গত্যন্তৰ নাই। তেওঁলোক চেৰেলিয়াই চেৰেলিয়াই মৰি গ'লেও ভদ্ৰলোকৰ মুখাপিন্ধা, টোপনিৰ ভাও জুৰা মাত বৰসোপাৰ পৱিত্ৰ(?) চক্ষু মেল নাখায়, জ্ঞানবনমখাৰ জ্ঞানচক্ষু মেল নাখায়। সেই নিঃসহায় লোকৰ অন্তৰত থকা নিষ্কলঙ্ক হেঁপাহকণ জ্যোতিৰ্ময় জ্যোৎস্নাৰে দিপ্তীমান হৈ নুঠে। সিহঁতৰ হেঁপাহবোৰ সমাজৰ চকুত হৈ পৰে দুষ্প্ৰবৃত্তি, দুঃশ্চিন্তা।

শ্যামল এটা বিধৱা মাতৃৰ সন্তান। তাৰ দেউতাক এই পৃথিবীত জীয়াই থকা নাই। এই পঙ্কিল সমাজৰ পৰা নিৰ্দ্দিষ্ট সময়ৰ বহু আগতেই চিৰবিদায় মাগি তেওঁ গুচি গ'ল অসীমলৈ।

আজি পুহ মাহৰ শেষ দিন। কাইলৈৰ পৰা আৰম্ভ হ'ব মাঘ মাহ! মাঘৰ বিহু! মেজিৰ জুই! আহ্! দেহ-মন যেন শাঁত পৰি যাব খোজে শ্যামলৰ। আগেয়ে ল'ৰালিতে আজিৰ দিনটোত খৰি-খেৰ গোটাই ৰং-ধেমালিৰ মাজেৰে ভেলাঘৰ সাজিছিল সিহঁতে। গধুলি ভোজ-ভাত খাই ঘৰটো পহৰা দিছিল। আহ্! কি যে আনন্দৰ দিন আছিল সেইবোৰ! ওৰে ৰাতিটো সাধু-গল্প-কৌতুক কোৱাৰ প্ৰতিযোগিতা চলিছিল, কোনে কিমান ক'ব পাৰে তাৰেই ভীষণ প্ৰতিযোগিতা চলিছিল সিহঁতৰ মাজত। প্ৰতিযোগিতাত বিজয়ী হ'বৰ বাবে শ্যামলে আগতীয়াকৈ প্ৰস্তুতি চলাইছিল। যোৰহাটৰ পৰা বৰদেউতাকে দি পঠোৱা টিংকল, মৌচাক আদিৰ সাধু-গল্প-কৌতুকবোৰ খৰচি মাৰি পঢ়িছিল আৰু পাৰ্য্যমানে চেষ্টা কৰিছিল সেইবোৰ যাতে সঠিক ভাৱে মনত ৰাখিব পাৰে আৰু লগতে লগৰীয়াৰ সন্মুখত সুন্দৰভাৱে উপস্থাপন কৰিব পাৰে।

ৰাতিপুৱাওঁ পুৱাওঁ অৱস্থাতে তিনি-চাৰিটামান উকি মাৰি ল'ৰামখাৰ প্ৰত্যেকেই ওচৰৰ পুখুৰীত দুই-এজাবুৰ দি মেজিত অগ্নিসংযোগ কৰিছিল। জুই জ্বলিবলৈ আৰম্ভ কৰিলেই সিহঁত আটাইমখা আনন্দত আত্মহাৰা হৈ পৰিছিল আৰু সিহঁতৰ অজানিতে নানা ধৰণৰ চিঞৰ, উকি বাহিৰ হৈ এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰি দিছিল। লাহে লাহে মেজিৰ তলত মানুহবোৰ গোট খাইছিলহি। মানুহ গোট খুৱাব পৰাৰ আনন্দত, গৌৰৱত সিহঁতৰ এধানিমান বুকুখন ফুলি উঠিছিল আৰু স্বতঃস্ফুৰ্তভাৱে মুখৰ পৰা বাহিৰ হৈছিল সহস্ৰ কিৰিলি।

অতীতৰ কথাবোৰ মনত পৰিলেই হাহাঁকাৰ কৰি উঠে তাৰ বুকুখন। হঠাৎ চূৰ্ণ-বিচূৰ্ণ হৈ গৈছিল তাৰ সোণেৰে সজোৱা কল্পনাৰ সৌধ। এজাক কোবাল বা-মাৰলীয়ে যেন ঘৰ-দুৱাৰ, গছ-গছনি সকলোতে বিধ্বংসী ৰূপছায়া আঁকি থৈ গৈছিল। মানুহ যে পৰিস্থিতিৰ বশীভূত, পৰিস্থিতিৰ ইচ্ছাক নিৰ্বিবাদে মানি ল'বলৈ যে মানুহ চিৰকাল বাধ্য-তাকে যেন বা-মাৰলীজাকে প্ৰতীয়মান কৰি গ'ল। সিদিনাই সি উপলব্ধি কৰিলে যে মানুহ পৰিস্থিতিৰ বান্দা, পৰিস্থিতিয়ে যিহকে কৰিবলৈ নিৰ্দ্দেশ দিয়ে মানুহে তাকে বিনা প্ৰতিবাদে কৰি যাবই লাগিব। সিদিনা সি বিতত হৈ পৰিছিল আৰু তাৰ মনত প্ৰতিবিম্বিত হৈছিল অপাৰ বিভ্ৰান্তিৰ, অপাৰ বিস্ময়বোধৰ। জীৱন-নদীত সি যেন বিস্তৃত জলৰাশি।

সিদিনা আছিল ঊনত্ৰিশ জুলাই। তাৰ বাবে এক বিবহানলৰ দুৰ্যোগতম দিন। বিচ্ছিন্ন, বিশ্লেষ হৈ গৈছিল তাৰ জীৱনৰ শৃংখলিত, শালীন ৰূপ। প্ৰচণ্ড শব্দ কৰি বিস্ফোৰিত হৈছিল বিজ্ঞানৰ চমৎকাৰিত্বৰে আৱিষ্কৃত সভ্যতাৰ অগ্ৰগতিৰ পদক্ষেপৰ শক্তিশালী তথা ক্ষয়ংকাৰী ৰূপ এটম বোমা কোনোবা উগ্ৰ জাতীয়তাবাদী সংগঠনৰ জঘন্যতাৰ প্ৰবল ঘৃণাৰ প্ৰতিভূস্বৰূপ এটম বোমা। সেউজপুৰৰ সাপ্তাহিক বজাৰ-প্ৰাঙ্গণত তেজে তুমুৰলি দিছিল। সেই তেজ আছিল নিৰীহ, নিমাখিত জনগণৰ।

শ্যামলৰ দেউতাকে শাক-পাচলিৰ ব্যৱসায় কৰিছিল। সিদিনাৰ বজাৰথলীতো শাক-পাচলিৰ বেহা মেলি লৈছিলহি। আবেলি চাৰি বাজি বিশ মিনিট গৈছে। তেনেতে ভয়ংকৰ নিনাদেৰে গৰ্জি উঠিল বিৰাটকায় শব্দ। লগে লগে চাৰিওফালে দেখা গ'ল কেৱল ধোঁৱা আৰু ধোঁৱা। ছেদেলি-ভেদেলি হৈ পৰিল বজাৰথলী। শাক-পাচলি, বাট-পথ তেজেৰে ৰাঙলী হৈ পৰিল। বহু সময়লৈকে পুলিচ-প্ৰশাসনৰ কোনো খা-খবৰেই নাই। এয়া যেন শাশ্বত, চিৰন্তন ঘটনা-প্ৰৱাহ। সম্পূৰ্ণ তিনিদিনৰ মূৰত মৃতদেহবোৰ স্ব-গৃহত গটাই দিয়া হৈছিল।

আউলী-বাউলী হৈ পৰিছিল শ্যামলৰ মাক। মাকৰ সেই উন্মাদিনী ৰূপ দেখি তাৰ ভংগুৰ হৃদয়ো শোকত বিগলিত হৈছিল। তাৰ সুকোমল অন্তৰত জ্বলি উঠিছিল জ্বালামুখীৰ বহ্নি। পৰিশ্ৰান্ত তাৰ দেউতাকৰ ঘটনাৰাজিৰ অস্থিৰ ছবি ভাঁহি উঠিছিল তাৰ চকুৰ আগত। প্ৰচণ্ড বিক্ষোভত সি হৈ পৰিছিল বিক্ষুব্ধ, উত্তেজিত। সমগ্ৰ জগত তাৰ বাবে প্ৰতাৰক, বিশ্বাসঘাটকৰ বাসভূমি যেন বোধ হৈছিল। নিশ্চল হৈ পৰিছিল সি। নিষ্কলুষ তাৰ হৃদয়ত জ্বলি উঠিছিল প্ৰতিশোধৰ তীব্ৰ দাবানল। তাৰ প্ৰতিনিশ্বাসতে নিৰ্গত হৈছিল। শত্ৰুৰ বিপক্ষে প্ৰচণ্ড বিষবাষ্প। সি অতি সোনকালেই শত্ৰুৰ ওপৰত প্ৰতিশোধ ল'বৰ ইচ্ছা কৰিলে।.....

হৰিকান্ত বৰুৱা সেউজপুৰৰ এজন প্ৰতিপত্তিশালী লোক। তেওঁৰ প্ৰতিপত্তিশালীত্বৰ প্ৰধান কাৰক হ'ল সুবিধাবাদীৰ স্বভাৱটো। উপযুক্ত সময়ত, উপযুক্ত ঠাইত, উপযুক্ত শেল মাৰিব পৰাতেই তেওঁৰ কৃতিত্ব। সেউজপুৰৰ বজাৰস্থলীত ঘটা ঘটনাৰ মুনাফা আদায় কৰিবলৈ তেওঁ সক্ষম হৈ পৰিল। মৃতকৰ ঘৰে ঘৰে মিছা সান্ত্বনাৰ বাণী প্ৰচাৰ কৰি স্বাৰ্থ পূৰণ কৰিবলৈ তেওঁ উঠি-পৰি লাগিল। শ্যামলহঁতৰ ঘৰলৈকো তেওঁ আহিল।

ঃ"দুখ নকৰিবা শ্যামল। আজিৰ সমাজখন বিচ্ছিন্নতাবাদী সংগঠনবোৰে মযিমূৰ কৰি নিব ধৰিছে। ক'ৰ সেই তাহানিৰ বৰ অসম আৰু সাম্প্ৰতিক কালৰ অসম; আকাশ-পাতাল প্ৰভেদ বিৰাজমান। সম্প্ৰীতিৰ এনাজৰী বৰ অসম আৰু সাম্প্ৰতিক কালৰ অসম; আকাশ-পাতাল প্ৰভেদ বিৰাজমান। সম্প্ৰীতিৰ এনজৰীডাল দিনক দিনে শিথিলৰ পৰা শিথিলতৰ হৈ পৰিছে আৰু তাৰ ভুক্তভোগী হৈছে কোন? তুমি, মই- এই সমাজৰ হাজাৰ হাজাৰ নিৰপৰাধী সৰ্বসাধাৰণ ৰাইজ। এই মহা সংকটকালত আমি হাত সাৱটি বহি থাকিলে নহ'ব। আমি নিদ্ৰাৰপৰা জাগ্ৰত হ'ব লাগিব। বিচ্ছিন্নতাবাদীসৱৰ বিৰুদ্ধে সজোৰে থিয় দিব লাগিব। আমি ৰোধ কৰিব লাগিব সিহঁতৰ দুৰ্দ্দান্ত গতি।............ শ্যামল, যাবা আক' মোৰ ঘৰলৈ।"

সেইদিনাখনৰ পৰাই আৰম্ভ। হৰিকান্ত বৰুৱাই সঘনে অহা-যোৱা কৰিবলৈ ধৰিলে শ্যামলহঁতৰ ঘৰলৈ। সিও বৰুৱাৰ ঘৰলৈ অহা-যোৱা কৰিবলৈ আৰম্ভ কৰিলে। প্ৰথম কেইবছৰমান ভালদৰেই পাৰ হ'ল। সি বৰুৱাৰ ছোৱালী মনালীক পঢ়ুৱায়।

এনেকৈয়ে আৰম্ভ হ'ল তাৰ জীৱন-প্ৰৱাহ। হৰিকান্ত বৰুৱাৰ ঘৰত কৰা টিউশ্যনৰ টকাৰে টুক্-টাক্কৈ চলিল শ্যামল তথা তাৰ পৰিয়াল। জীৱনৰ নিষ্ঠুৰতা, বাস্তৱ পৃথিৱীৰ কঠোৰতা আৰু জটিলতাই মানুহৰ জীৱনটোক দুৰ্বল, দুৰ্বিসহ আৰু জীয়াই থাকিবৰ বাবে অযোগ্যযেন কৰি তোলে। কিন্তু সি যে নিৰুপায়। নিজৰ বাবে নহ'লেও অন্ততঃ মাক, বায়েক আৰু আইতাকৰ বাবেইতো সি জীয়াই থাকিব লাগিব। সি ক'ৰবাত পঢ়িবলৈ পাইছিল- "সমস্যা হ'ল উন্নতিৰ বাবে দিবলগীয়া দাম।" সেই কথাকে সাৰোগত কৰি আজিও সি কণ্টকপূৰ্ণ হ'লৈও, সমস্যাৰে আবৃত হ'লেও আগবাঢ়ি গৈছে আত্ম-প্ৰত্যয়ৰে।

বৈচিত্ৰময় পৃথিৱীত মানুহৰ জীৱন এক সীমাহীন বসন্তোৎসৱ নহয়; বৰং মানৱ জীৱনত সুখ আৰু আনন্দ উপভোগতকৈ দুখ আৰু কষ্টৰ পৰিমাণেই অত্যাধিক। জীৱন আৰু জগতৰ এনে ৰূঢ়তা আৰু কঠোৰতাৰপৰা পৰিত্ৰাণ পাবৰ বাবেই মানুহে নান্দনিক ঐশ্বৰ্য্যৰ পাছত দৌৰি সকাহ পাবলৈ যৎপৰোনাস্তি চেষ্টা চলায়। শ্যামলৰ হৃদয়তো নান্দনিক ঐশ্বৰ্য্যৰ উপলব্ধিয়ে থিতাপি লৈছিল। সেয়েহে সি তাৰ দুখ, যান্ত্ৰণা, বিলাই-বিপত্তি পাহৰি গৈ এক বিমল ঐশ্বৰিক মহানতাত ডুব যাবলৈ আৰম্ভ কৰিলে। সি আশ্ৰয় ল'লে কবিতাৰ। তাৰ কবিতাৰ কেন্দ্ৰবিন্দু হ'ল উন্মনা যৌৱন। সেই উন্মনা যৌৱন মনালীৰ। তাৰ সমস্ত আবেগৰ সঞ্চাৰণ ঘটাইছিল মনালীক কেন্দ্ৰ কৰি।

কিন্তু শ্যামলৰ হৃদয়ৰ সেই তৃপ্ত আবেগৰ সুতীব্ৰ সঞ্চাৰণ বেছিদিন স্থায়ী নহ'ল। মুহূৰ্ততে আহি পৰা নিদাৰুণ সংঘাতে থানবান্ কৰি দিলে তাৰ সেই হৃদয়ানুভূতিৰ। যেতিয়াই সি গম পালে যে টকাহে সৰ্বস্ব; অনুভূতি নহয়, তেতিয়াই সি বিসৰ্জ্জন দিলে সৰ্বস্ব। সি উপলব্ধি কৰিব পাৰিলে যে সিটো হৰিকান্ত বৰুৱাৰ হাতৰ পুতলাহে মাত্ৰ। তেওঁৰ প্ৰতিটো নিৰ্দ্দেশ নিৰ্বিবাদে মানি যাবলৈ সি যে বাধ্য।

হৰিকান্ত বৰুৱাই ইমান ডাঙৰ অট্টালিকা কি দৰে সাজি উলিয়ালে সেইকথা প্ৰথমাৱস্থাত বুজিয়ে নাপাইছিল শ্যামলে। কিন্তু এতিয়া আৰু তাৰ বুজিবলৈ বাকী থকা নাই। বৰুৱাৰ ঘৰৰ পোহনীয়া ডেকাকেইটাৰ স'তে তাৰ পৰিচয় ঘটিল আৰু আত্মীয়তা বাঢ়ি গ'ল। বিচ্ছিন্নতাবাদীসৱৰ পথ বিচাৰি পালে সি। সি সিহঁতৰ সৈতে কাম কৰিবলৈ সন্মত হ'ল। সিহঁতৰ যত্নতে সি এতিয়া পাকৈত যুঁজাৰু হৈ পৰিল।

দেওবাৰৰ দিন এটাত সি অপাৰেশ্বন এটাত যাব লগা হ'ল। অপাৰেশ্বন মানে ব্যৱসায়ী হাজৰিকাক মৃত্যুৰ ভয় দেখুৱাই টকা আত্মসাৎ কৰা। তাৰ বিবেকে সেই জঘন্য কামৰ বিৰুদ্ধে সজোৰে প্ৰতিবাদ কৰিছিল যদিও সে যে কৰিবলৈ বাধ্য। সেই ঘটনাৰ পাছৰপৰাই সি হৈ পৰিল দুৰ্দ্দান্ত। এইবিলাক কথা এতিয়া সমাজৰ সকলোৰে মাজত প্ৰচাৰ হৈ গ'ল।

শ্যামলৰ আইতাক ঢুকোৱা আজি তিনিবছৰেই হ'ল। তাৰ এনে অধঃপতন দেখিয়েই আইতাক বেমাৰত ভুগিছিল আৰু এদিন চিৰদিনৰ বাবেই চকু মুদিছিল। মনত এক বুজাব নোৱাৰা ভাৱৰ উদ্ৰেক ঘটিল। তাৰ যেন দুই নাৱত, দুই ভৰিৰ দৰেই অৱস্থা। এফালে তাৰ পৰাক্ৰমী মনৰ প্ৰৱল জেদ আৰু আনফালে মাক-বায়েকৰ তাক লৈ সৃষ্টি হোৱা বিতৃষ্ণাৰ ভাৱ। তাৰ অৱস্থাটো এতিয়া দোদুল্যমান।

আৰু এটা ঘটনাই তাক মাক-বায়েকৰ অত্যাধিক বিতুষ্ট কৰি তুলিলে। সিদিনাযে তেনেকুৱা এটা ঘটনা ঘটিব সি সপোনতো ভবা নাছিল। সিদিনা সিহঁত দলেবলে গৈছিল এগৰাকী বিধৱাৰ ঘৰলৈ। মাজনিশা! কেউফালে নিতাল নিস্তব্ধ পৰিৱেশ। তেনেতে সিহঁতে দল্দোপ্-হেন্দোল্দোপ্কৈ প্ৰৱেশ কৰিলে হতভাগিনী মালিনী গগৈৰ জুপুৰীত আৰু আৰম্ভ কৰিলে বৰ্বৰতাৰ আদিম ৰূপ, নিষ্ঠুৰতাৰ সৰ্বশেষ সিদ্ধান্ত। পাঁচটা দুৰ্দ্দান্ত নৰপশুৰ হাতত বিলীন হৈ গ'ল তাইৰ সৰ্বশ্ৰেষ্ঠ সম্পদ, তাইৰ সতীত্ব.............!

হৰিকান্ত বৰুৱাৰ শৰ্য্যাসায়িনী হ'বলৈ অমান্তি হোৱাৰ ফলশ্ৰুতিতেই মালিনী গগৈৰে এনে কৰুণতম পৰিণতি ঘটিল। এনে অক্ষমনীয় অপৰাধ সংঘটিত কৰিও কিন্তু শ্যামলহঁতৰ দৰে নিষ্ঠুৰ পশুহঁত আইনৰ মেৰপাকৰ পৰা সম্পূৰ্ণ বাহিৰত থাকিল হৰকান্ত বৰুৱাৰ হাত দীঘল স্বভাৱৰ পৰাক্ৰমত।

নিজৰ তুচ্ছতম জীৱনৰ প্ৰতি প্ৰৱল ঘৃণা উপজিল শ্যামলৰ। তাৰ এই নিকৃষ্ট স্বভাৱৰ পৰিশুদ্ধি ঘটাবলৈ সি পথ বিচৰণৰ চিন্তাত মগ্ন হ'ল। সুন্দৰৰ সেউজপথেৰে পথিকৃত মহান লোকসকলৰ জীৱনাদৰ্শৰ কথা হৃদয়ঙ্গম কৰিবলৈ চেষ্টা কৰিলে সি। এই মহান লোকসৱৰ পদাৰবিন্দত চৰণ-সেৱা দিবলৈ নিজকে আগবঢ়াই দিলে সি। তাৰ অনৈতিক আচৰণৰ ওৰ পেলাই অনুশাসনৱতী, সমাজ-স্বীকৃত সু-আচৰণ কৰাৰ অৰ্থে জীৱনাহুতি দিবলৈকো প্ৰতিজ্ঞাবদ্ধ হ'ল সি। তাৰ বাবে সহস্ৰ বাধাৰ প্ৰাচীৰৰ বিপক্ষে সজোৰে থিয় কৰালে তাৰ বিবেকক।....

বলোকৃষ্ণ মহন্ত সেউজপুৰৰ এজন আদৰ্শ শিক্ষক। গাঁৱৰ একমাত্ৰ প্ৰাথমিক বিদ্যালয়খনৰ তেওঁ একমাত্ৰ শিক্ষক। তেওঁ বহুদিন শ্যামলক তেওঁৰ সৈতে লগলাগি দিবলৈ অনুৰোধ কৰি আহিছে।

মহন্তদেৱৰ অনুৰোধৰ কথা ইমানদিনে সি নিৰ্লিপ্তভাৱেই আওকাণ কৰি আহিছে। কিন্তু আজি যেন সি সেই অনুৰোধত, সেই আহ্বানত সুবিশাল প্ৰকৃতিৰ সৌন্দৰ্য্যৰাশিৰ মহানতাক দেখা পালে। কণ কণ শিশুৰ নিষ্পাক-সৰল হাঁহিয়ে, সিহঁতৰ সুমধুৰ কলৰৱে তাক যেন হাতবাউলি মাতিছে। অপলক্ নয়নেৰে সি এই বিমুগ্ধকৰ দৃশ্যক চাই ৰ'ল। নিষ্পাপ, নিষ্কলুষ শিশুসৱক মানুহৰূপে গঢ়ি তোলাৰ আনন্দত আত্মহাৰা হৈ পৰিল সি। সিহঁতৰ নিষ্কলুষ হৃদয়ত মহানতাৰ বীজ সিঁচি দিবলৈ সি ব্যাকুল হৈ পৰিল। সিহঁতৰ সৰলতম হৃদয়ত আত্মিক শক্তিৰ উন্মেষ ঘটাই জীৱন আৰু প্ৰকৃতিৰ সুন্দৰতাক প্ৰতিফলন ঘটোৱাৰ প্ৰতীক্ষাত ৰ'ল সি। নান্দনিক ঐশ্বৰ্য্যৰ সন্ধানত ব্যস্ত মানুহে যেনেদৰে প্ৰকৃতিৰ বৰ্ণাঢ্য শোভা উপভোগ কৰি আত্মহাৰা হৈ পৰে ঠিক সেইদৰে সিও তাৰ মনোজগতৰ অনাগত ভৱিষ্যতৰ পবিত্ৰতা আৰু শান্তিৰ ৰেঙনি দেখা পালে। কণ কণ শিশুসৱক জ্ঞানৰ সুতীব্ৰ জ্যোতিৰে জ্যোতিষ্মান কৰি প্ৰৱল প্ৰত্যাহ্বানৰ সন্মুখীন কৰাব তাৰ দুৰ্ঘোৰ শত্ৰু সেই হৃদয়হীন বিচ্ছিন্নতাবাদীসৱক।

মূল ঃ (হিন্দী গল্প) বামদেৱলাল শ্ৰীবাস্তৱ
অসমীয়া অনুবাদ ঃ শ্ৰী অনুজ চাংমাই *

# অটল বিশ্বাস

কলেজত বাৰ্ষিক বনাৰ্ঢ্য কাৰ্য্যক্ৰম চলি থকাৰ বাবে ৰমাৰ ঘৰলৈ ঘুৰি আহোঁতে যথেষ্ট পলম হৈছিল। এনেয়ে তাইৰ সন্ধিয়াকালৰ পৰাই ভয় নাছিল, কিন্তু কিয় জানো সেইদিনা তাই কলেজৰ গেটখন পোৱাৰ লগে লগে ভয়ত ৰৈ গ'ল।

বহুত সময় অপেক্ষা কৰাৰ পাছতো তাই ৰিক্সা নাপালে। বঙালীপাৰাৰ ফালে যাবলৈ এনেয়েও ৰিক্সাৱালাবোৰ ৰাজী নহয়, যিহেতু সেই অঞ্চলটো চহৰৰ পৰা যথেষ্ট দূৰত। তদুপৰি ঘূৰি আহোঁতে সোনকালে যাত্ৰীও পোৱা নাযায়।

অৱশেষত বাধ্য হৈ ৰমাই খোজেৰেই ঘৰলৈ যাবলৈ ধৰিলে। আনকি তাইৰ ঘৰৰ ফালে যোৱা তাইৰ লগৰ ছোৱালীও কোনো নাছিল। দেউতাকে অফিচৰ পৰা ঘৰলৈ ঘূৰি আহোঁতে কলেজৰ পৰা সদায় ৰমাক ঘৰলৈ লৈ আহিছিল। কিন্তু আজি পুৱাই দেউতাকে তাইক জনাই দিছিল যে বিভাগীয় কামৰ হেতু তেওঁ আজি কিছু দূৰলৈ যাব লাগিব। সেয়েহে তেওঁৰ ঘূৰোতে পলম হ'ব। গতিকে তাই যেন তেওঁলৈ অপেক্ষা নকৰি সোনকালে ঘৰলৈ উভতে। কিন্তু আজি তাইৰ যথেষ্ট পলম হ'ল।

চহৰৰ মূল পথটোৰ বাহিৰে অন্যান্য সকলো পথ প্ৰায় আন্ধাৰ হৈ থাকে। চহৰৰ পৰা ঘৰলৈ দুই কিলমিটাৰতকৈ অধিক দূৰ নহয় যদিও অকলে যাব লগা হোৱাত তাইৰ ভয় লাগিছিল। অনেক আশঙ্কাই তাইৰ মন জুমুৰি ধৰিছিল। গতিকে তাই খোজৰ গতি বেগ বঢ়াই দিলে। সেই সময়ত তাইক যেন কোনোবাই পিছৰ পৰা খেদাইহে নিছে এনে লাগিল তাইৰ।

হঠাতে ৰমাই অনুভৱ কৰিলে যেন কিছুমান মানুহে তাইৰ পিছ লৈছে। এনে অনুমান হোৱাৰ লগে লগে তাইৰ খোজৰ গতিও মন্থৰ হৈ পৰিল, যেন কোনোবাই তাইৰ দুই ভৰি বান্ধিহে পেলালে। ঠিক সেই মূহুৰ্ততে তিনিজন লোকে তাইক পিছফালৰ পৰা ঘেৰি ধৰিছিল। সিহঁতৰ অসুৰাকৃতিৰ চেহেৰা দেখি তাই থক্ থক্কৈ কঁপিবলৈ ধৰিলে। অলপ পাছতেই তাই যেন বেহুচহৈ মাটিত বাগৰি পৰিব।

তেতিয়া তিনিজনৰ মাজৰে এজনে জেপৰ পৰা সৰু চিকচিকিয়া চুৰি এখন উলিয়াই ক'লে -"খবৰদাৰ। চিঞৰ-বাখৰ বা পলাবলৈ চেষ্টা নকৰিবি।" পথৰ পৰা কিছু আতৰত ঘন বনৰ বাগিচা আছিল। সেই ফালে সঙ্কেত কৰি চুৰিধাৰীজনে ক'লে -'মনে মনে আমাৰ পিছে পিছে আহি থাক। চিঞৰ- বাখৰ কৰ যদি জান যাব।' এই বুলি কৈ চুৰি লোৱা ব্যক্তিজন আগবাঢ়িল। বিবশ হৈ ৰমাও তাক অনুসৰণ কৰিলে আৰু বাকী দুজনে তাইৰ পিছে পিছে যাবলৈ ধৰিলে।

পিচে সিহঁত অলপ দূৰহে গৈছিল মাথো। এনেতে ৰমাৰ পিছে পিছে যোৱা দুজনৰ ওপৰত কাৰোবাৰ উপৰ্যুপৰি প্ৰহাৰ পৰিল। লগে লগে দেদাউৰি পাৰি দুয়ো তাতে লুটিখাই পৰিল। আগত যোৱাজনে পৰিস্থিতিৰ ভূলৈ পলাবলৈ উদ্যত হওঁতেই তাৰ ওপৰতো প্ৰহাৰ পৰিল। ফলত সিও ধৰাশয়ী হ'ল।

"চালাহতঁ। ৰাষ্টাত অকলশৰীয়া ছোৱালী পাই জোকাইছ। পুলিচবোৰো নিষ্কৰ্মা হ'ল, একো নকৰে।"- কথা শুনি ৰমা চক্‌খাই উঠিল।

"শ্ৰীধৰদা আপুনি?"





"কোন ৰমা?"

"হয়" - বুলি কৈয়ে ৰমাই কান্দিবলৈ ধৰিলে।

"চোৱা ৰমা, কন্দাকটা মই বিলকুল পচন্দ নকৰো। ইয়াত তুমি কি কৰিছিলা?"

"কলেজৰ পৰা ঘুৰি আহিছিলো। "

"তুমিতো বৰ সাহসী ছোৱালী আছিলা। কিন্তু আজি তোমাৰ কি হৈ গ'ল? গাই এজনীৰ দৰে সিহঁতৰ পিছে পিছে গৈ আছিলা। সিহঁতৰ চেহেৰা তুমি নেদেখিলা? হনু ওলোৱা গাল, কুটকুটে সোমোৱা চকু আৰু চিগাৰেটৰ দৰে ভৰি। এবাৰ তুমি চকু পকাই থিয় হোৱা হ'লে ইহঁতৰ এজনেও তোমাৰ ফালে আগবাঢ়িবলৈ সাহস নহ'লহেতেঁন। চুৰি দেখি ভয় লাগিল হবলা? ভয়েই হৈছে মানুহৰ আটাইতকৈ ডাঙৰ দুৰ্ব্বলতা। এই দুৰ্ব্বলতাই তোমাক ঘেৰি ললে। ব'লা তোমাক ঘৰত থৈ আহোঁগৈ।"

ৰমাক ঘৰত থৈ যেতিয়া শ্ৰীধৰ উলটিব খুজিলে, ৰমাই বাট ভেটি ক'লে- "একাপ চাহ খাই যাওক।"

"নাই, পিছত কেতিয়াবা খাম বাৰু। মায়ে চিন্তা কৰি থাকিব।"

"বেচি সময় নালাগিব। ইয়ালৈকে আহিলে যেতিয়া মা' আৰু দেউতাৰ লগত চিনাকী হৈ যাওক।"

"বাৰু, তোমাৰ বাবে আজি মাৰ গালিও সহ্য কৰি লম বাৰু।" শ্ৰীধৰে মিচিকিয়াই হাঁহি ক'লে।

ৰমাই প্ৰথমতে মাক-দেউতাকৰ লগত শ্ৰীধৰক পৰিচয় কৰাই দিলে। পিছত ড্ৰইংৰূমত বহোৱাই ভিতৰলৈ গ'ল। অলপ পাছতেই তাই হাতত মিঠাই, নিম্‌কি আৰু চাহৰ ট্ৰে লৈ কোঠাত প্ৰৱেশ কৰিলে। ট্ৰে'খন থৈয়ে তাই ক'লে- "যদি আপুনি নাথাকিলেহেঁতেন মোৰ যে আজি কি হ'লহেঁতেন।"

"এইবোৰ কথা বাদ দিয়া ৰমা।"

"ভিতৰি ভিতৰি মই এতিয়াও কঁপি আছো। মা' আৰু বাবাক এই কথা জনোৱা নাই। মিছাতে তেওঁলোক চিন্তিত হ'ব। বাৰু আজিকালি আপুনি কি কৰে?"

"কি কৰিম আৰু? এম. কম. ডিগ্ৰী মূৰত লৈ ঘূৰি ফুৰিছো। নাজানো, এইদৰে ঘূৰোতে কিমান যোৰ চেণ্ডেল ক্ষয় গ'ল। কিন্তু কোনেও মোক এইক্ষেত্ৰত কোনো সঁহাৰি নিদিলে। অনাহাতে বাবা এতিয়ালৈকে ঘূৰি নাহিল আৰু ঘূৰি অহাৰো কোনো সম্ভাৱনা নাই।" - শ্ৰীধৰে উদাস মনেৰে ক'লে।

"ক'ৰ পৰা ঘূৰি অহা নাই?" ৰমাই আচৰিত হৈ সুধিলে।

"তুমি মোতকৈ দুবছৰ পিছত আছিলা নহয়। সেইবাৰে তোমাৰ লগত খোলাভাৱে কথা পতাই নাই। বাবা ফৌজত আছিল; ভাৰত-পাক যুদ্ধৰ সময়ত তেওঁ দেশ ৰক্ষাৰ বাবে সীমান্তলৈ গৈছিল। কিন্তু এতিয়ালৈকে ঘূৰি অহা নাই। শেহতীয়া বাতৰি মতে তেওঁক বন্দী কৰা হৈছে আৰু পাকিস্থানৰ কোনো এখন জেলত আছে। অৱশ্যে বহুতো লিখালিখি কৰাও হ'ল, কিন্তু কোনো ফল নধৰিল। মোৰ ধাৰণা নহয় তেওঁ যে পুনৰ ঘূৰি আহিব। কিন্তু মা'ক কোনে বুজাব? তেওঁ সদায় সাজি-কাচি আবেলি হ'লেই দুৱাৰ মুখত থিয় দি বাবালৈ অপেক্ষা কৰে। কিন্তু প্ৰত্যেকদিনা অপেক্ষা কৰি কৰি তেওঁ প্ৰায় বিক্ষিপ্ত হৈ পৰিছে। টিউচন কৰি কোনোৰকম দুবেলা দুমুঠিৰ ব্যৱস্থা কৰো। গতিকে মা'ক এৰি বাহিৰলৈও যাব নাৱাৰো। বাৰু, এতিয়া মই যাওঁ। বহুত দেৰী হৈ গ'ল।

শ্ৰীধৰৰ ব্যস্ততা দেখি ৰমাই আৰু জোৰ নকৰিলে। ৰাতি তাই শ্ৰীধৰৰ বিষয়ে ভাবি থাকিল। তাৰ উপকাৰৰ প্ৰতিদান তাই কেনেকৈ দিব, সেই প্ৰশ্নই তাইৰ মন মস্তিকত তোলপাৰ লগাবলৈ ধৰিলে।

এদিনাখন হঠাৎ ৰমাই শ্ৰীধৰৰ ঘৰৰ দুৱাৰত খটখটালে।

'কোন?' ভিতৰৰ পৰা এক নাৰীস্বৰ ভাঁহি আহিল আৰু পিছত পদছাপ শুনিবলৈ পোৱা গ'ল।

"শুন শ্ৰীধৰ, তোৰ বাবা আহি গ'ল, দৌৰি গৈ দুৱাৰ খুলি দেগৈ। ..... নাই ৰবি, ময়েই খুলি দিওঁগৈ।"

"ময়ে দুৱাৰ খোলো মা'। তুমি আৰাম কৰা।" - এইবুলি মাকক বাধা দি শ্ৰীধৰে দুৱাৰখন খুলিলেগৈ।

কিন্তু দুৱাৰ খুলিয়েই শ্ৰীধৰ দুৱাৰমুখতে সচকিত হ'ল। বাহিৰত ৰমা থিয় দি আছে আৰু তাইৰ ৰূপটোও আজি বিশেষ ধৰণৰ। শ্ৰীধৰ একবাৰ দৰে তাইলৈ চাই থাকিল। তাই নব-কন্যাৰ বেশত আছিল হাতত ৰঙা চুৰি, শিৰত ৰঙা সেন্দুৰ আৰু ৰঙা ৰঙৰ শাড়ী।

"কি তোমাৰ বিয়া হৈ গ'ল নেকি?" শ্ৰীধৰে হায়ৰান হৈ সুধিলে।

"গোটেইবোৰ কথা ইয়াতে জানি লবা নে ভিতৰলৈ মাতিবা।"

"অ' আহা, ভিতৰলৈ আহা।"

ৰমা ভিতৰলৈ আহিলত শ্ৰীধৰে মাকৰ লগত তাইৰ পৰিচয় কৰাই দিলে।

"মা, এয়া ৰমা। মই যিখন কলেজত পঢ়িছিলো, ৰমাও সেইখন কলেজতে পঢ়ে।"

ৰমাৰ ফালে চাই শ্ৰীধৰে সুধিলে -- "তোমাৰ সঁচাকৈয়ে বিয়া হৈ গ'লে নেকি?"

"নহয়। আপোনাক চাকৰি দিবৰ বাবে এটা যোজনা বনাইছো। এতিয়া আপুনি মোৰ লগত এঠাইলৈ যাব লাগিব।"

"ক'লৈ?" শ্ৰীধৰে আচৰিত হৈ সুধিলে।

"এইবিলাক কথা ৰাষ্টাত যাওঁতে কম। হয়তো কাম হৈ যাব। হয়তো কেইবা ঠাইলৈকো যাবলগীয়া হ'ব পাৰে।

"বাৰু ব'লা।"

দুয়ো ঘৰৰ পৰা ওলাই গ'ল। বাটত ৰমাই শ্ৰীধৰক ক'লে -- "শ্ৰীধৰ ডাঙৰীয়া, মোৰ বিয়া হৈ গ'ল।"

"কেতিয়া, ক'ত আৰু কাৰ লগত?"

"আজি ...... এতিয়া ...... আপোনাৰ লগতে ......"

"মোৰ লগত?" শ্ৰীধৰ জাপমাৰি উঠিল যেন কাৰেণ্ট লাগিহে গ'ল।

"ভয় নাখাব। এই মাথোন এদিনৰ বাবে আমি এক নাটক কৰিছো।" এইবুলি কৈয়েই শ্ৰীধৰক লৈ "অম্বিকা টেক্সটাইল" মিলত প্ৰৱেশ কৰিলে।

সিহঁত পোনে পোনে মেনেজাৰৰ কক্ষ লৈ গৈ মেনেজাৰৰ সন্মুখত থিয় হ'ল।

মেনেজাৰে সন্ত্ৰস্ত হৈ ৰমালৈ চালে, "আৰে তই, তোৰ কেতিয়া বিয়া হ'ল?"

"দদাইদেউ, বিয়া হোৱা কেইমাহমান হ'ল। আপুনি বিদেশত আছিল বাবে বাবাই বিয়াৰ কাৰ্ড পঠাব নোৱাৰিলে।

"হয় নেকি......।" তাৰপিছত শ্ৰীধৰৰ ফালে চাই তেওঁ ক'লে --- "এওঁ জোঁৱাই নহয় জানো?"

ৰমাই তলমূৰ কৰিলে আৰু লাহে লাহে ক'লে, "এতিয়ালৈকে এখেতৰ চাকৰি হোৱা নাই। গতিকে ঘৰ চলোৱাই টান হৈ পৰিছে।"

"চিন্তা নকৰিবি মাজনী। মই কিছু বন্দৱস্ত নিশ্চয় কৰিম।" এইবুলি কৈ মেনেজাৰ কপিলনাথে শ্ৰীধৰলৈ চাই সুধিলে, "কিমানলৈকে পঢ়িলা বাপু?"

"মই এম. কম. পাছ কৰি আছো চাৰ।" শ্ৰীধৰে সম্ভ্ৰমেৰে ক'লে।

"ঠিক আছে। আমি তোমাক একাউণ্ট বিভাগত কাম দিম। সদ্যহতে ডেঢ়হাজাৰ টকা বেতন পাবা। পিছত কাম দেখি বেতন বঢ়াই দিয়া হ'ব। কাইলৈৰ পৰাই কামলৈ আহিবা।"

এঘণ্টামানৰ পাছত সিহঁত দুয়ো যেতিয়া মিলৰপৰা ওলাই আহিল, শ্ৰীধৰৰ হাতত তেতিয়া নিযুক্তি পত্ৰ আছিল। অলপ দুৰ যোৱাৰ পাছত ৰমাই ক'লে, "এতিয়া যোজনা শেষ, বিয়া ভাগিল আৰু আপুনিও এতিয়া মুক্ত।"

"সেইটোতো ঠিক কথা। কিন্তু কথাটো প্ৰকাশ হৈ গ'লে কি হ'ব?" শ্ৰীধৰে চিন্তিতভাৱে ক'লে।

"সেইকথা আপুনি চিন্তা কৰিব নালাগে। কোনো বিপদ আহে যদি মই তাৰ সমাধান কৰিম। দদাইদেউক বুজাব পাৰিম। আপুনি মোৰ ইজ্জত আৰু প্ৰাণ যে বচালে এই কথা কৈ মোৰ মা'-বাবাকো বুজাব পাৰিম।"

ইয়াৰ পিছত আৰু কোনো কথা নহ'ল। দুয়ো নিজ নিজ ঘৰ অভিমুখে ৰাওনা হ'ল। ৰমাই কলেজত হোৱা নাটকত ভাগ লম বুলি কৈ পুৱা ঘৰৰ পৰা ওলাইছিল।

আবেলি ৰমাৰ দেউতাক অফিচৰপৰা উভতি ঘৰলৈ আহিয়েই ৰমাৰ ওপৰত অগ্নিশৰ্মা হৈ উঠিল।

"কি অ', তই বোলে বিয়া কৰিলি?"

"নাই .... নাই কৰা বাবা।"

"কপিলনাথৰ পৰা ফোন আহিছিল। সি ক'লে যে জোঁৱাই বাবুৰ লগত তই তাৰ অফিচলৈ গৈছিলি। এইবোৰ কি খেলা? এনেকুৱা নিৰ্লজ্জ খেলা খেলিবলৈ তোৰ লাজ নালাগিলনে?"

ৰমাই দেউতাকক আদিৰ পৰা অন্তলৈকে সকলো কথা ক'লে, কেনেকৈ শ্ৰীধৰে তাইৰ ইজ্জত আৰু প্ৰাণ বচাইছিল। পিছত ক'লে, "বাবা তেওঁক এটা চাকৰি দিবলৈ আৰু বিকল্প নাছিল।"

"তই একদম পাগলি। এতিয়া আচল কথাটো জনাৰ



পাছত কপিলনাথে তাক চাকৰিত ৰাখিবনে? পুলিচতো দিব পাৰে, তয়ো মেৰপাকত পৰিব পাৰ।"

"এনেকুৱা একো নহয় বাবা।"

"তথাপি তোৰ এই অবৈধ পদক্ষেপে আমাৰ কিমান বদনাম আনিব এই কথা অনুমান কৰিছ নে?"

ৰমা মনে মনে থাকিল। তাইৰ নিজৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছিল। দ্বিতীয় দিনা শ্ৰীধৰ মিলত প্ৰৱেশ কৰাৰ পাছতেই মেনেজাৰ কপিলনাথে নিজৰ কক্ষলৈ তাক আনি পঠালে। ৰমাৰ দেউতাকো তাত বহি আছিল।

"ৰমাৰ লগত লগ হৈ তুমি এনে ষড়যন্ত্ৰ কিয় কৰিলা?" কপিলনাথে গম্ভীৰ মাতেৰে সুধিলে।

"চাৰ মই একো কৰা নাই .... যি কৰিছে ৰমাই কৰিছে। মোৰ চাকৰি এটাৰ বৰ প্ৰয়োজন আছিল, সেয়ে মই এনে কাৰ্য্যত সন্মতি জনালো।"

"ষড়যন্ত্ৰৰ শাস্তি কি হ'ব পাৰে জানানে?"

"চাৰ ......।"

"তুমি মৰ্য্যাদা হনন কৰিছা।"

"চাৰ, মই ক্ষমা বিচাৰিছো। মোক ক্ষমা কৰি দিয়ক চাৰ।"

"ক্ষমা এক স্বত্বতহে কৰা হ'ব। তুমি ৰমাক বিয়া কৰিব লাগিব।"

"চাৰ, মই বৰ দুখীয়া মানুহ। ৰমাক মই একো দিব নোৱাৰিম।"

"দেউতাৰা নাই নেকি?"

"বাবা আছেনে নাই ক'ব নোৱাৰো।"

"তাৰমানে?"

"তেখেত ফৌজত আছিল। ভাৰত-পাক যুদ্ধত তেওঁ সীমান্তলৈ যাবলগীয়া হৈছিল। বাতৰি মতে লগৰ সৈনিকৰ সৈতে তেখেতক বন্দী কৰিলে আৰু এটা খবৰ অনুসৰি তেখেতক গুলীয়াই মাৰিলে। যুদ্ধ সমাপ্ত হোৱা আজি পাঁচ বছৰৰো অধিক হ'ল, কিন্তা বাবা নাহিল আৰু তেখেতৰ কোনো চিঠিও নাহিল।" কথা কওঁতে কওঁতে শ্ৰীধৰৰ চকুৰপৰা চকুপানী বৈ আহিল।

"তেওঁ ঘূৰি আহিব বুলি তোমাৰ ধাৰণা হয়নে?"

"মইতো সম্পূৰ্ণ নিৰাশ হৈ পৰিছো। তেখেত জীৱিত আছে বুলি মোৰ মনে নধৰে। কিন্তু মা'ৰ সম্পূৰ্ণ আশা আছে। তেওঁ ৰাতিৰ পাছত ৰাতি উজাগৰে থাকি বাবলৈ অপেক্ষা কৰি থাকে।"

"ঠিক আছে। আমি তোমাৰ ঘৰলৈ গৈ মাৰাক বুজাবলৈ চেষ্টা কৰিম। প্ৰথমতে তোমাৰ মতামত জানিব বিচাৰো, স্পষ্টবাদিতা হোৱাটো মই বিচাৰো। বিয়া কৰালেহে তুমি এই চাকৰি পাবা।"

"চাৰ, ৰমাৰ দৰে এজনী ছোৱালী পালে কোন বাৰু ধন্য নহ'ব। কিন্তু মোৰ ওচৰত যে বিয়াৰ খৰছৰ নামত ফুটাকড়ি এটাও নাই।"

"এই চিন্তা তুমি কৰিব নালাগে।" -- কপিলনাথে ক'লে।

"কিন্তু এইটো ৰমাৰ প্ৰতি অন্যায় কৰা হ'ব।" -- শ্ৰীধৰে বিনয়পূৰ্ব্বক ভাৱে ক'লে।

"তুমি এদিন তাইৰ সতীত্ব আৰু প্ৰাণ ৰক্ষা কৰিছিলা বুলি তাই জনাইছে। সেইদিনাই মনে মনে তাই তোমাকেই নিজৰ পতি বুলি মানি লৈছে। এতিয়া তাই কৈছে যে তোমাৰ বাহিৰে অন্য কাৰোৰ লগত বিয়া নহয়। সেইদিনা তোমাৰ লগত যি নাটক কৰিছিল, সেয়া এতিয়া সঁচা বুলি মানি লৈছে। এনে স্থিতিত তুমি কি ক'ব বিচাৰা?"

"মোৰ কোনো ক'ব লগা নাই। কিন্তু মা' মান্তি নহ'ব।"

"আজি আমি দুয়ো তোমাৰ সৈতে তোমালোকৰ ঘৰলৈ যাম। তোমাৰ মাৰাৰ লগত কথা হম। মোৰ বিশ্বাস তেওঁ আমাৰ প্ৰস্তাৱ মানি ল'ব।"

"তেতিয়া হ'লে মোৰ আপত্তিৰ কোনো থল নাথাকিব।"

"ঠিক আছে। যোৱা নিজৰ কাম কৰাগৈ।"

ঠিক ছয় বজাত কপিলনাথে ৰমাৰ দেউতাকৰ সৈতে শ্ৰীধৰক লগত লৈ তাৰ ঘৰলৈ গ'ল। শ্ৰীধৰে দুৱাৰত নক্ কৰিলে। অন্যান্য দিনৰ দৰেই মাক দৌৰি আহি দুৱাৰ খুলি দিলে। শ্ৰীধৰৰ লগত দুজন অপৰিচিত লোকক দেখি তেওঁৰ মুখত গভীৰ নিৰাশাৰ ছাঁয়া পৰিলক্ষিত হ'ল।

মাকৰ বিচনাৰ ওচৰতে দুখন পুৰণা চকী আছিল। শ্ৰীধৰে দুয়োকে তাতে বহিবলৈ দিলে, দুয়ো বহিল। শ্ৰীধৰ চুচুক-চামাককৈ বাহিৰলৈ যাবলৈ ধৰাত কপিলনাথে ক'লে -- "কেনিও যাবলৈ প্ৰয়োজন নাই। আহা, ইয়াতে বহা।"

"চাৰ, আপোনালোকলৈ কিছু মিঠাই চিঠাই ..........."

"নাই, নাই কোনো দৰ্কাৰ নাই।"

কপিলনাথে শ্ৰীধৰৰ মাকলৈ চাই ক'লে, "ভনী এয়া হ'ল ভুবনবাবু। মোৰ ককাইদেউ সদৃশ। মই কপিলনাথ। এওঁৰ এজনী ছোৱালী আছে, ৰমা। শ্ৰীধৰতকৈ তিনি বছৰৰ সৰু। তাই বি. এ.ৰ শেষৰ বছৰৰ ছাত্ৰী। শ্ৰীধৰো সেই কলেজতে পঢ়িছিল। দুয়ো দুয়োকে ভালদৰে জানে আৰু দুয়োজনৰ যোৰা ভাল হ'ব।"

শ্ৰীধৰৰ মাকৰ ওঁঠত ক্ষীণ হাঁহিৰ ৰেখা পৰিলক্ষিত হ'ল।

"এতিয়া কেৱল আপোনাৰ সন্মতিহে লাগে।" — কপিলনাথে শ্ৰীধৰৰ মাকৰ উত্তৰ প্ৰতীক্ষাত তেওঁলৈ চাই ৰ'ল।

শ্ৰীধৰৰ মাকে ক'লে, "শ্ৰীধৰৰ দেউতাক এতিয়া ঘূৰি অহা নাই। তেওঁ নথকাত একোৱেই মোৰ ভাল লগা নাই, মোৰ মন অশান্ত। শ্ৰীধৰে ইতিমধ্যে কৈছে যে আপুনি তাক আপোনাৰ মিলত চাকৰি দিছে। ইয়াৰদ্বাৰা আপুনি বৰ উপকাৰ কৰিলে। যোৱা দুটা বছৰে চাকৰিৰ কাৰণে সি টলৌ-টলৌকৈ ঘূৰি ফুৰিছিল। আপোনাৰ আজ্ঞা শিৰত লোৱাতো উচিত। যিহেতু আপুনি আমাৰ অন্নদাতা। কিন্তু শ্ৰীধৰৰ দেউতাক অহা নাই। আমাৰ এয়ে বিবশতা।"

"ভনী, আপুনি তেওঁৰ বাবে কিমান অপেক্ষা কৰিব? শ্ৰীধৰৰ বিয়াৰ সময়ো উকলিব ধৰিছে। তাৰ বিয়াখন পাতি দিয়ক। আমিও আমাৰ ফালৰ পৰা শ্ৰীধৰৰ দেউতাক সকুশলে ঘূৰি আহিবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিম।"

"মই জীৱন্তে মৰাৰ দৰে। ৰমাৰ শাহুৱেকৰ ৰূপত জীৱন্তে মৰা স্থিতি লৈ মই তাইৰ দুখ চাই থাকিব নোৱাৰিম। ভালকৈ ভৰণ-পোষণ নোপোৱাৰ বাবে শ্ৰীধৰো ভাঙি পৰিছে। তাৰ নিজৰ স্বাস্থ্য ঘূৰাই আনিবলৈ কিছুসময়ৰ প্ৰয়োজন হ'ব। মই আপোনালোকক হাতযোৰ কৰিছো। তাৰ দেউতাক অহালৈকে অপেক্ষা কৰক।"

"ৰমা আহিলে আপোনাৰ অকলশৰীয়া পৰিবেশ নাথাকিব। তাই এগৰাকী ভাল বোৱাৰী বুলি পৰিগণিত হ'ব। ঘৰৰ বাতাবৰণ সলনি হ'লে আপোনালোকৰ স্বাস্থ্যও ভাল হ'ব। সেইবাবে আমাৰ প্ৰাৰ্থনা এয়ে যে আপুনি আমাক নিৰাশ নকৰে যেন।"

"যেতিয়ালৈকে শ্ৰীধৰৰ দেউতাক ঘূৰি নাহে তেতিয়ালৈকে মই একো নিৰ্ণায়ত্মক সিদ্ধান্ত ল'ব নোৱাৰো।" — শ্ৰীধৰৰ মাকে স্থিৰভাবে ক'লে।

"ঠিক আছে, এই বিষয়ে আমি আকো কথা হ'ম।" এইবুলি তেওঁলোক দুয়ো থিয় হ'ল। যাবলৈ উদ্যত হৈছিলহে মাত্ৰ। এনেতে দুৱাৰৰ কৰাঘাট হ'ল। অভ্যাসবশতঃ শ্ৰীধৰৰ মাকে কাকো অৰসৰ নিদিয়াকৈ দুৱাৰৰ ফালে ক্ষীপ্ৰবেগেৰে ধাবিত হ'ল আৰু দুৱাৰ খুলিয়েই প্ৰায় চিঞৰি উঠিল, "হেৰৌ শ্ৰীধৰ চাচোন কোন আহিছে। আৰে, তোৰ বাবা উভতি আহিছে।"

শ্ৰীধৰ দৌৰি গৈ আগন্তুকৰ বুকুত সোমাই হুকহুকাই কান্দিবলৈ ধৰিলে। আগন্তুকেও নিজকে সংযত কৰি ৰাখিব নোৱাৰিলে। তেওঁৰ চকুৰ পৰাও ধাৰাযাৰ চকুলো বৰলৈ ধৰিলে। শ্ৰীধৰৰ মাকে নিজৰ চকুকেই যেন বিশ্বাস কৰিব নোৱাৰিলে।

চাওঁতে চাওঁতে গোটেই চুবুৰীটোতে হৈ চৈ আৰম্ভ হৈ গ'ল যে শ্ৰীধৰৰ বাবা ঘূৰি আহিছে। সিহঁতৰ ঘৰৰ সন্মুখত বুঢ়া-ডেকা, ল'ৰা-ছোৱালীৰ ভীৰ হ'ল।

ইফালে ভুবনবাবু আৰু কপিলনাথে আশ্চৰ্য্যচকিত আৰু ভাৱবিহ্বল হৈ এই মধুৰ মিলন চাই থাকিল।





ৰস ৰচনা

*নিলোৎপল দুৰৰী**

# ওস্তাদ অলৰাউণ্ডাৰ

অল্প বিদ্যা বিশাৰদ সকলৰ বাবে যিদৰে পঢ়া আৰু লিখাটোৱেই মহা মস্কিল সেইদৰে অলৰাউণ্ডাৰ হোৱাটোও বৰ মুখৰ কথা নহয়। জামেলা আছে। এই অলৰাউণ্ডাৰ হ'বলৈ গৈ কিমানেযে নৰকাৰোহন কৰিব লগা হোৱা নাই। যিয়েই নহওঁক আমাৰ কলেজৰ ওস্তাদো কিন্তু পুৰাপুৰি নহ'লেও আধাআধি এটা অলৰাউণ্ডাৰেই। ওস্তাদৰ মতে অলৰাউণ্ডাৰৰ সম্পূৰ্ণ অৰ্থ হ'ল - অল মানে সকলো আৰু ৰাউণ্ডাৰ মানে এই ঘূৰণীয়া মুৰটোত যিয়ে যেনেকৈ পাৰে নিজে চম্ভালিব পৰা আইটেম্ সমূহ সোমোৱাই লোৱাটো। ইয়াৰ মাজতো কিন্তু অলৰাউণ্ডাৰৰ সংখ্যা কম নহয় আক'। বিধে বিধে এ. আৰ. পোৱা যায়। পিছে ক্ৰিকেটৰ অলৰাউণ্ডাৰটোৰহে কাম অলপ কম হয় যেন লাগে। মাত্ৰ বল দুটামান দলিয়াই বেটখন দুপাকমান ঘূৰাব পাৰিলেই হ'ল। ক্ৰিকেটৰ বাহিৰৰ একোটা অলৰাউণ্ডাৰে কিন্তু হাই-কাজিয়া, মাৰ-পিট, প্ৰেম সকলো একেলগে চম্ভালিব লগীয়া হয়। ওস্তাদ কিন্তু এইবোৰত একেবাৰে নাই। মানে এইবোৰত অলপ বডীটোৰ দৰকাৰ হয়তো। পিছে ওস্তাদৰ বডী বুলিবলৈ পৈতিক সম্পত্তি জকাটোৰ বাহিৰে আন কিবা অলপ যদি থাকিলেহেঁতেন। ওস্তাদৰো দুখ এইখিনিতেই। তথাপিও ওস্তাদ কিন্তু পৰিমৰা ভকত নহয়। বডী নাথাকিল তাতেনো কি হ'ল। মানুহটো আছেটো। এই ওস্তাদ নহ'লে কলেজৰ পোৱালিবোৰক চম্ভালাটোৱেই মস্কিল হৈ পৰে। ওস্তাদ যি ওস্তাদ, এনেই অল ৰাউণ্ডাৰ খিতাপ পোৱা নাই নহয়। গান-বাজনা, খেল-মিটিং, অনুষ্ঠান-প্ৰতিষ্ঠান একোতে বাদ নপৰে। ওস্তাদ নহ'লে একোতে কাম নিসিজে। অৱশ্যে সুনাম বোলা বস্তুটো দলিয়ালেহে পায় যদিও ওস্তাদে কিন্তু এইবোৰক কেৰেপেই নকৰে। তাৰ মতে, শগুণৰ শাঁৰত ক'ত বুঢ়া গৰু মৰিব।

পিছে যোৱা বছৰটোৰ কথা মনত পৰিলেহে তাৰ মনটো সেমেকি উঠে। কিমান যে কষ্ট কৰিছিল সি সকতেই মাকৰ মুখত শুনা আধুনিক গীতটো—

*লণ্ডনলৈ গৈছিলোঁ মই*
*মেম আনিম বুলি*
*মেম নাপালোঁ লেম আনিলোঁ*
*নিশা জ্বলাম বুলি।*

আঃ হাঃ তলৰ পেটু ওপৰ কৰি দতুৱা দাতৌ নিচলা কৰি কিযে সুৰ টানিছিল সি। পিছে কাম নিদিলে, নাপালে। সেইটোও বাৰু নাপালে ঠিকেই কিন্তু কবিতাটোতটো পাব লাগিছিল, ষ্টেজ্ কপাঁই সি কবিতা আবৃত্তি কৰিলেহে কৰিলে ..

*এসময়ত আছিলোঁ মই*
*এজন মহা বীৰ*
*একে গছকে মহৰ গোবৰ*
*কৰোঁ চিৰাচিৰ*
*একে জাপে পাৰ হওঁ মই ডেৰফুটীয়া খাল*
*কেএগ্ৰা আঙুলিৰে ফালো মই*
*মকৰাৰে জাল।*

পিছে নাই ইয়াতো নাই। এটাত যদি কিবা এটা পালেহেঁতেন। সঁচাকৈয়ে ভাগ্য বোলা বস্তুটো ভগৱানে তাক দিবলৈ পাহৰিলেই যেন লাগে। নহ'লেনো তাৰ এই অৱস্থা হ'ব পাৰেনে?

*স্নাতক তৃতীয় বৰ্ষ

কিন্তু ক্লিণ্টন বিলত টো সি অভাৰ চিউৰ আছিল। তাতনো আকৌ কি কেনা লাগিলে সি আজিও ভাবি পোৱা নাই। তাৰ টপিকৰ বিল ক্লিণ্টন বস্তুটো কি হ'ব প্ৰথমে সি ধৰিবই পৰা নাছিল যদিও বুজি পোৱাত কিন্তু তাৰ পলম নহ'ল। বিল যেতিয়া পানীৰ বিলেই হ'ব। মাত্ৰ ক্ৰিটিকেল লগাই নামটো ওলোটাই লিখা আছে। আচলতে ক্লিণ্টন বিলহে। কিন্তু লেঠা লাগিল এইখিনিতেই ক্লিণ্টন বিল ক'ত। অৱশ্যে ওস্তাদৰ বিল বিচাৰি উলিয়াবলৈ বেছি পৰ নালাগিল। বিল যেতিয়া অসমৰে হ'ব আৰু অসমৰ ভিতৰতেইটো থাকিব। গতিকে লিখাত তাৰ অলপো অসুবিধা নহ'ল "অসমৰ উত্তৰ-পূব, দক্ষিণ-পশ্চিম দিশৰ ঠিক মাজতে ক্লিণ্টন বিল অৱস্থিত। (অৱশ্যে অলপ ইফাল-সিফাল হ'বও পাৰে)। খৃঃ পূঃ ইংৰাজৰ শাসনতে ক্লিণ্টন বিল প্ৰতিস্থা কৰা হৈছিল।" আৰু যে ক'ত কি? পিছে ইয়াতো তাৰ আলু সিজিল। সুদা হাতেৰেই ওস্তাদে বছৰটো সামৰিব লগীয়া হ'ল। পিছে গ'ল কথা গ'ল। ওস্তাদে কিন্তু এইবোৰ কথাত মূৰ নঘমায়। আচলতে "চোৰে নেৰে চোৰৰ প্ৰকৃতি কুকুৰে নেৰে ছাই, যাৰ যি প্ৰকৃতি মৰিলে লগত যায়" বোলা কথা এযাৰো আছেতো। তাৰ মতে আৰু কি সময় নোহোৱা হৈছেনো। সেয়েহে ওস্তাদ এইবাৰ দৃঢ় প্ৰতিজ্ঞ কলেজত তাৰ নাম জিলিকাইহে যাব।।

ভয়ক জয় কৰাটোৱেই হ'ল মানুহৰ সৰ্ব প্ৰথম কৰ্তব্য। ভয়ৰ পৰা মুক্ত নোহোৱাকৈ আমি কোনো কামেই কৰিব নোৱাৰো। ভয়ক পদানত কৰিব নোৱাৰালৈকে মানুহৰ কামবোৰ দাসোচিত হয়, চিন্তাবোৰ কৃত্ৰিম হয়, তেওঁ সদায় দাস আৰু কাপুৰুষৰ নিচিনাকৈ চিন্তা কৰে।

*- কাৰ্লাইল*

বাট নেদেখুৱাকৈ লক্ষ্য লৈ আঙুলিয়াই নিদিবা; কাৰণ লক্ষ্য আৰু তাত উপনীত হোৱা বাট এই দুয়োটা এনেভাৰে জড়িত যে এটাৰ পৰিবৰ্তনে আনটোৰ পৰিবৰ্তন আনিব পাৰে। প্ৰতিটো বেলেগ বাটে বেলেগ লক্ষ্য চকুৰ আগত দাঙি ধৰে।

*- ফাৰ্দিনান্দলাশ্বলী*



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে আপোনালোক সদৌটিলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। আজিৰ পৰা ৩২ বছৰৰ আগতে কেইজনমান গুণি শুভবুদ্ধি সম্পন্ন ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে এই 'সোণাৰি মহাবিদ্যালয়'খন স্থাপন হয়। এই মহাবিদ্যালয়খনি চৰাইদেউ মহকুমাৰ ভিতৰত একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান বুলি ক'লেও বঢ়াই কোৱা নহ'ব। যেতিয়াৰে পৰা এই মহাবিদ্যালয়খন স্থাপন হয়, তেতিয়াৰে পৰা এই মহাবিদ্যালয়খনে বিশ্বমানৱ সমাজলৈ শিক্ষাৰ জ্যোতি বিলাই আহিছে আৰু ভৱিষ্যতেও যাব।

২০০২ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ৰায়ৰ দ্বাৰা সাধাৰণ সম্পাদক হিচাপে স্বীকৃতি প্ৰদান কৰি ছাত্ৰ-ছাত্ৰী সকলৰ তথা মহাবিদ্যালয়খনৰ সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে তেখেতলোকৰ ওচৰত মই কৃতজ্ঞ।

**কাৰ্য্যভাৰ গ্ৰহণ ঃ** ২০০২ চনৰ ২৫ জুন তাৰিখে নৱনিৰ্বাচিত ছাত্ৰ একতা সভাৰ সভাত পুৰণা সমিতিয়ে বিদায় জনাই আমাক দায়িত্ব ভাৰ অৰ্পণ কৰে আৰু মহাবিদ্যালয়ৰ ছাত্ৰসমাজৰ উন্নতিৰ কাৰণে কাম কৰি যাম বুলি শপত গ্ৰহণ কৰি কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ।

**বিদায় সভা ঃ** মহাবিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ আনুষ্ঠানিকতা ৰক্ষা কৰি ইং ২১ ফেব্ৰুৱাৰী, ২০০২ তাৰিখে বিদায় সভাখনি অনুষ্ঠিত কৰা হয়।

**আদৰণী সভা ঃ** বিগত বছৰৰ দৰে এই বছৰো মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ আদৰণী সভাখনি ৯।৮।২০০২ তাৰিখে অনুষ্ঠিত কৰা হয়। সভাত বিশিষ্ট অতিথি হিচাপে যোগদান কৰে অসম লেখিকা সন্থাৰ প্ৰাক্তন সভানেত্ৰী শ্ৰীযুতা চিত্ৰলতা ফুকন বাইদেৱে।

ছাত্ৰ একতা সভাৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত জনোৱা দাবী সমূহ ঃ চৰাইদেউ মহকুমাৰ ভিতৰত একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে আমাৰ মহাবিদ্যালয়ৰ যথেষ্টখিনি সুবিধা আছে যদিও কিছুমান অভাৱ-অভিযোগ পৰিলক্ষিত হয়। আমি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত স্মাৰক পত্ৰ আৰু মৌখিক ভাবে কিছু দাবী জনাইছিলোঁ। আমাৰ দাবী সমূহৰ গুৰুত্ব উপলব্ধি কৰি অধ্যক্ষা মহোদয়াই মহাবিদ্যালয়ৰ জলন্ত সমস্যাসমূহৰ অৰ্থৰ নাটনি সত্ত্বেও সমাধান কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। তাৰ বাবে তেখেতলৈ আমাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা আমাৰ দাবী সমূহ এনেধৰণৰ ঃ-

১। মহাবিদ্যালয়লৈ সোমাই অহা ৰাস্তাটো মেৰামতি কৰিব লাগে।
২। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত পাঠ্য-পুথিৰ যোগান ধৰিব লাগে।
৩। ছাত্ৰাবাস-ছাত্ৰীনিবাসত কিছুমান প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰিব লাগে।
৪। চিলিং ফেন নথকা কোঠা বিলাকত অনতি পলমে ফেনৰ ব্যৱস্থা কৰিব লাগে।
৫। মহাবিদ্যালয়ৰ খেলপথাৰখন উন্নত কৰিব লাগে।
৬। মহাবিদ্যালয়ৰ সন্মুখত সুন্দৰ ফুলনি পাতিব লাগে।
৭। মহাবিদ্যালয়ৰ চাৰিওফালে পানীৰ টেপৰ ব্যৱস্থা হ'ব লাগে।
৮। সংগীতৰ বাদ্যযন্ত্ৰৰ ব্যৱস্থা কৰিব লাগে।

মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে সদা সতৰ্ক, জ্ঞান পিপাসু, গঠনমূলক দৃষ্টিভংগীৰে চিন্তা-চৰ্চা কৰাটো প্ৰয়োজন। পূৰ্ণশৈক্ষিক বাতাবৰণ সৃষ্টিৰ বাবে অধ্যাপক আৰু অধ্যাপিকা সকলৰ লগত ছাত্ৰ-ছাত্ৰীসকলৰো সময়মতে সহায়-সহযোগ থকাটো বাঞ্চনীয়।

**কৃতজ্ঞতা জ্ঞাপন ঃ** মোক বিশেষ দিহা-পৰামৰ্শ দিয়া অধ্যক্ষা মহোদয়াক মোৰ শ্ৰদ্ধা নিবেদিছোঁ। মোক কাৰ্যকালত বিশেষ ভাৱে সহায় কৰা নিহাৰ জ্যোতি সোনোৱাল, ভাস্কৰ বৰুৱা, মনোজ মহন, পলাশ বৈৰাগী, বিপ্লৱ জ্যোতি ৰাজখোৱা, মণীষা বৰুৱা, কুঞ্জ কোঁৱৰ, জিতু বড়া, জিণ্টি ফুকন, জাণ্টু বৰগোঁহাই- এওঁলোক সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ ৰ'ল।

**ভদ্ৰেশ্বৰ দেউঘৰীয়া**
সাধাৰণ সম্পাদক

**Article**

# NAAC- A STIMULATING AGENCY

**Sunil Dutta,**
Head Deptt. of English

NAAC ,an abbreviation for National Assessment and Accreditation Council, has now been a much talked about subject among the active members of the institutions of Higher Education. Following the recommendations of National Policy on Education (NPE), 1986 and 1992 and the Programme of Action (POA), the University Grants Commission (UGC), Under section 12 ccc of the UGC Act. of 1956(3) founded this autonomous organisation as an Inter University Centre on 16 September, 1994 with its head office at Bangalore, Karnataka. NAAC is a founder member of the international organisation called International Network of Quality Assurance Agency in Higher Education (INQAAHE) consisting of over six score national agencies of various countries. This quality enhancing mechanism performs its activities through its General Council (GC), Executive Committee (EC) and other sub-committees. Vice-Chancellors, Directors, Deans, Principals, Heads of Departments and Educational administrators guide the academic activities of NAAC with their expert knowledge and able leadership.

The primary objective of NAAC, as indicated by its very title, is to Assess and Accredit the Universities and colleges in our country so as to assist them to continue their efforts for improving the quality and excellence of education. It thus aims at grading the institutions and their programmes, improving the academic environment, upgrading the quality of teaching and research, and promoting innovations, reforms, selfevaluation and accountability in higher education. The word Assessment means evaluation of performance of an institution while the word 'Accreditation' stands for awarding a certificate which is valid for five years.

Though the assessment is voluntary and contextual, the UGC Grants for the development of the institution will be connected with its result. While the Universities and autonomous colleges are provided with financial support to meet the expenses of the accreditation process, affiliated colleges are advised by the UGC "to seek accreditation from NAAC and the required fees of NAAC be met from the development grants already paid and to be paid in future to the colleges under plan." The UGC has made it compulsory for the universities and colleges to get assessed and accredited before December, 2002 and December, 2003 respectively. It may be mentioned that a college with Arts faculty has to pay Rs. 25,000/- and a College with Arts and Science faculties has to pay Rs. 50,000/- (Commerce is treated as a part of the Arts faculty).



There are three stages in the process of assessment and accreditation. The first and most important stage is the preparation of the Self-study Report (SSR) according to the guidelines formulated by NAAC. The institution willing to get accredited is to prepare the Self-study Report in two parts and to submit the same to NAAC. Part-I is the careful organisation of the data of the institution in the prescribed format while Part-II is the honest self-analysis based on Part I. NAAC believes that quality comes from within, not from without. The institution which understands its Strengths and Weaknesses, Potentials and Limitations, can more effectively achieve its educational mission than the one without such self-understanding. So the Self-study Report is regarded as the backbone of the whole process. The factual details of the functioning of the institutions such as inputs, processes and products are to be presented carefully. NAAC has defined seven criteria for assessment procedure and allotted differential weightages because of the variance of the type of institutions. The following are the criteria and their weightages used for calculating the institutional score.

| Criteria | Unit of Assessment | | |
|---|---|---|---|
| | University | Affiliated/Constituent Colleges | Autonomous Colleges |
| Curricular Aspects | 15 | 10 | 15 |
| Teaching - learning Evaluation | 25 | 40 | 30 |
| Research, Consultancy and Extension | 15 | 05 | 10 |
| Infrastructure and Learning Resources | 15 | 15 | 15 |
| Student Support and Progression | 10 | 10 | 10 |
| Organisation & Management | 10 | 10 | 10 |
| Healthy Practices | 10 | 10 | 10 |

Part - II of the Self-study Report is the "narrative and summative analysis" of the functioning of the institution on the basis of the above-cited seven criteria. This introspective appraisal comprising of a preface, criterion - wise report, summary and appendix need not exceed 10 pages. The preface should show the characteristic features of the institution and its purpose for assessment and accreditation. It may explain the preparation of the report and mention the persons involved in the process. The criterion - wise report should clearly analyse the data collected on each criterion to show how expectations are matched by fulfilment. It should show the true picture of the institution.

On the other hand, the summary section should reflect the potential of the institution and its developmental plans. Besides, this section should throw light on the strategy and efforts for achieving more efficiency, accountability and quality in its activities. The appendix should furnish all the documentary evidence. Appropriate tables and graphs may be used for numerical data.

According to NAAC's instructions on criterion-wise report, the analysis of Curricular Aspects should highlight the diversity and flexibility of the courses and the strengths and weaknesses of the institution in executing them. The explanation of the Teaching-Learning and Evaluation criterion should focus on the experiences of the learners and the adequacy and competency of the teachers. It should also indicate the evaluation methodology of the institution. The criterion on research, consultancy and extension should indicate the facilitating aspects of the institution to promote such activities and their outcome. The interpretation of the criterion on Infrastructure and Learning Resources should show the availability and best use of facilities of the institution to raise the standard of the academic quality and campus life. Student Support and Progression criterion should spotlight the steps taken by the institution for good student experiences in the campus and their progression. It should also draw attention to the student and alumni profiles. The analysis of the criterion on organisation and management should centre on the institution's policies and practices on planning, recruitment, training, performance appraisal and finance and management. The last criterion on Healthy Practices should throw light on the innovative practices for strengthening the academic ambience of the institution.

A college affiliated to Dibrugarh University has to collect and send the following supporting documents to NAAC along with the SSR.

1. Act. and Statutes of Dibrugarh University.
2. Documents of the society or trust under which the college was established highlighting its objectives.
3. Institutional Calendar.
4. Annual Report for the last two years.
5. Guidelines for formation of Governing Body and its powers and functions.
6. Rules and regulations of a) Admissions b) Examinations c) Recuitments of Faculty and Staff d) Academic Linkages e) Consultancy F) Extension g) Library Committee h) Purchase and other financial norms, etc.
7. Documents on the current list of the Academic programme, duration, fee structure, etc.
8. Guidelines of Grievance Redressal cell and publication units, if any.
9. Criteria for facilitating the faculty for Professional Development programmes.
10. Master plan of the institution.



11. Record of the students feed back.
12. Audit report for the last two years.

Besides, any other records such as minutes of meetings, excerpts of administrative records, etc. will have to be kept ready with their photo copies for kind perusal of the team of peers.

The second stage is a validation of Self-study Report by a team of peers from outside the state through on-site visit. On receiving the self study report, NAAC constitutes the peer team of academics and informs the institution about it. Before the visit to the institution , the peers discuss the data, compare the notes and their criterion-wise scores and reach a consensus of the tentative team score out of the individual tentative scores. Moreover, they make a list of the strengths and weaknesses of the institution. Then they visit the institution - the whole campus, the office, classrooms, the library, the laboratories, workshop, boys' common room and hostels, girls' common room and hostels etc. They interact with the members of the Governing body, the Principal , the teachers, the Administrative and Technical staff and groups of students, their parents, and alumni. Finally they check the relevant documents and " revise the tentative criterion- wise scores to final team scores and make a collective judgement on the accreditation status of the institution, which will be placed before the EC of NAAC along with a descriptive report". They leave the institution presenting report on its strength, weakness, opportunities and area of concerns.

The third stage is the final decision on the assessment and accreditation by the executive committee of NAAC on the basis of SSR and the recommendations of the peer team. The institution gets the "Accredited Status' if its overall score is not less than 55%. On the other hand, the institution gets 'Not Accredited Status' if its score is less than 55%. Such an institution will be intimated that the institution is "ASSESSED AND FOUND NOT QUALIFIED FOR ACCREDITATION".

The accredited institutions are graded on a nine-point scale with the following scale values :

| Institutional Score (Upper limit exclusive) | Grade |
|---|---|
| 95 -- 100 | A++ |
| 90 -- 95 | A+ |
| 85 -- 90 | A |
| 80 -- 85 | B++ |
| 75 -- 80 | B+ |
| 70 -- 75 | B |
| 65 -- 70 | C++ |

| | |
|---|---|
| 60 -- 65 | C+ |
| 55 -- 60 | C |

From the foregoing description, it has become clear that success in the process of Assessment and Accreditation is not possible without total commitment of the Governing Body, Administration and Faculty and Staff. All the constituents of the institution must be closely involved for successful self-evaluation with their willingness, support and dedication. The co-operation of the ex-students, parents and other leading citizens is a very must. The head of the institution has to play the pivotal role. NAAC suggests that a small Steering Committee of 4 to 6 members with a co-ordinator may be formed to assist him/her in collecting and analysing the required data. Criterion-wise committees and other related sub-committees may also be constituted to help them in organizing facts and making a cohesive report. Moreover, clerical and office support is necessary. The use of computer package will be a useful addition. The co-ordinator will act as institutional facilitator during the on-site visit of the peer team.

In conclusion, I as the person entrusted with the responsibilities of the co-ordinator of the steering committee of this college, would like to say that NAAC is a stimulating Agency in higher education. It is quite able to stimulate the colleges and universities of our country to make greater efforts for quality sustenance. Steps for best use and maintenance of the infrastructrual facilities are being taken along with the paper works. It has already accredited 61 universities and 200 colleges in different states. Its philosophy is not to find faults but to show the strengths and weaknesses so that the institutions can "maximize their resources, opportunities and capabilities", and take up remedial measures. The Government, employers, students, parents and the society at large will be able to use the result of the assessment for ensuring accountability in the institutions.



# Roman Comedy And The History of Drama

**(With special reference to Plautus)**

**Mrs. Deepanjali Gogoi**
Lect. , Deptt. of English

**"Nothing is interesting if you are not interested"**
- Helen Mac Innes.

The traditional date of the founding of Later Rome was 753 B.C and it was 500 years later that a Greek named Levius Andronicus adapted a Greek tragedy and a Greek comedy for presentation on the Roman stage. This date (240. B.C) is important for it marks not only the appearance of Greek drama at Rome but also the beginning of formal Latin literature. Latin prose and verse had appeared earlier in primitive form and had been slowly developing through the centuries. The linguistic medium was being perfected for the time when a sudden impetus would make literary creation inevitable.

In the early days of The Republic, the Romans were busily engaged in consolidating their empire to give much thought to cultural pursuits. Gradually they established their position as the ruling people of the Italian peninsula and in doing so came into closer contact with the Greeks of southern Italy. The first Punic wars (Between Rome and Carthage for supremacy of ancient Mediterranean world) 264-241 B.C gave the Romans a knowledge of Greek life and culture in Sicily and their victory of Carthage which marked their expansion as a world power may have made them self-conscious of their own cultural deficiencies. It is no accident that the regular production of tragedies and comedies at Rome began in 240 B.C, one year after the conclusion of the war. The necessary stimulus to literary activity had arrived. From this time on for the next 100 years epic and drama remained the chief concern of the Roman poets. Roman literature is sometimes criticized as being imitation and translation of Greek literature. Greek literature influenced all later literature of western Europe. The Romans had nothing of their own that deserved the name of literature and so when they came into contact with Greek culture and literature they were eager to imitate and adapt the Greek masterpieces. Early writers like Naevius (First native Roman play wright) and Plautus brought vigour and originality to the literature taken over from the Greeks. Andronicus and his successors did much to make Latin a more flexible and melodious language. 240 B.C therefore is an important date for the beginning of Roman literature but ground had been prepared for the introduction of formal drama. There were the atrical performances and theatre going public even before 240 B.C. The ancient Romans had a fondness for gesticulation and mimicry and it is difficult to conceive of festival without some form of dance and song in which mimetic element played and important part. There was the rural harvest festival when crude rustic jests were uttered in alternate users. They were restrained by law and they lapsed into a form of harmless entertainment. Horace ascribes to rural festivals the origin of a crude form of dramatic dialogue in verse before they turned seriously to Greek drama. LEVY in his "History of Rome" gives a different account. He says that first during a plague at Rome in 364 B.C. in order to appease the wrath of the Gods performers were brought from ETRURIA (North West of Tiber river and culturally linked with Greeks) to dance to the

music of the flute. This Etruscan dance was taken over by Roman youth who added rough dialogue and appropriate gestures and the form became popular. A more elaborate performance followed, a kind of musical medley dialogue, song and dance to the accompaniment of flute. This was displaced by plays with a plot which were first introduced by Levius Andronicus. The final stage in Levy's account marks a reaction from the highly developed drama of the professionals. The Roman youth left to the professionals the acting of plays and returned to the songs and jests of the early period. These were later attached as afterprices to the play.

The large amount of song and dance in many of Plautus's comedies have been believed by some to be an inheritance from the earlier musical medley. The two possible lines of influence. On Roman drama are:-

(i) If we find that Roman comedy contains a larger musical element than seems to have existed in the Greek comedy from which the Roman plays were adapted it is reasonable to believe that the fondness of the Romans for song and dance may have led the playwrights to follow the example of the earlier popular comedy.

(ii) Likewise, if Greek comedy is sentimental rather than farcical (funny), concerned with love affairs rather than with trickery and deception, if many Roman comedies are largely devoted to deception and impersonate it, it seems quit likely that early popular comedy with its preference for farce may have had an influence in this respect as well.

Long before the rudimentary forms of drama described above appeared at Rome, comedy in Greece had already reached a state of artistic perfection . A purely native form of Roman comedy was impossible. Roman comedy even before 240 B.C is largely an adaptation of Greek comedy-Greek dress, Greek Itemes, Greek characters and Greek stage setting. Epicharmus is the earliest of the Greek comic playwrights who flourished at Syracuse was in the early part of the 5th century B.C. His social comedy is of special interest to all students of later Greek and Roman comedy. The Romans are indepted to him for the earliest parasite in dramatic literature Aristophanes who lived in 445-388 B.C. His themes are intensely Greek, his plays are full of parody but underline his farce and vulgarity is a depth of thought and a seriousness of purpose. The chorus became less prominent, the language was more that of everyday speech and special care was devoted to the construction of plots. Plays on mythological themes were popular but more and more the action of the play dealt with everyday life and often centred about a love story and its complications. As to characters, in addition to husbands, wives, sons, slames, the parasite, the soldier, the courtes an appeared more frequently. The trend was towards social types and themes. The outstanding poets of middle comedy were Antiphanes and Alexis. Another very important influence on Plautus's comedies were Meanander (342-291 B.C). He was writing in the period popularly known as the period of the New comedy (336-250 B.C). In his plays there is a love story - portraying the love of a young man for his neighbours daughter or for a mistress whose true identity is revealed later in the play. Certain features recur in the plots with amazing frequency. For e.g. the violation of maidens, the birth and loss of children who are saved and reared as foundlings, the numerous misunderstandings which result before the recognition scene. The plays of Menander are funny only in the broad sense of the term. The jealousies, the misunderstandings lead to serious situations which are solved only by the happy ending. A genial tolerant sympathy for human weakness pervades the plays.

If Menander is at all typical of new comedy then we must conclude that Greek comedy



developed into a type of social drama, the purpose of which was not merely amusement by rather the delineation of human weaknesses and the presentation of complications of everyday life. That this comedy was taken over by the Romans is easily explained. The themes in the new comedy were of universal interest and the realistic portrayal of human relationships could be transferred to the Roman stage with little on no change. But of course Plautus was also influenced by Aristophanes. In the use of trickery, lies and impersonation there is actually less of the break in the continuity between old and new comedy than is often realised. The best work in drama was done in the 100 year period ushered in by Andronicus in 240 B.C and it seems appropriate to call this period the golden age of Roman drama.

Navius who lived from 270-21 B.C is the first native dramatist more active in the field of comedy. Parasites, braggarts, warriors, slaves, masters and sweet hearts appeared in his plays just as they were later to appear in the comedies of Plautus and Terence. The three important comic playwrights of this period were Plautus Caecilius and Terence. Caecilius was the most able and successful dramatist who, if less popular than plautus during the latter's lifetime, became the leading comic dramatist of Rome after Plautus's death. He is an important transitional figure between the more lively and robust comedies of Plautus and the more restrained work of Terence.

Little is actually known about the life of Plautus. Meagre accounts found in handbooks have been pieced together to reconstruct his life. The dates given for his birth and death are 254 and 184 B.C. Titus Maccius Plautus was his full name. His close knowledge of the theatre and wide range of the comic devices make it extremely likely that he had personal experience on the stage as an actor before he turned to the writing of the plays based on Greek models. When and how he learned Greek and familiarised himself with the masterpieces of new comedy and likewise how he achieved the supreme control of the Latin language which he displays in his own comedies is a matter of conjecture of the period around 200 B.C. and is very likely it was based on a comedy by Menander. There are 20 complete comedies of Plautus. He was the most successful comic poet in the ancient world and he was more popular than the Greek Aristophanes and the Roman Terence. He is the first known professional playwright. Like Shakespeare and Molliere, the two playwrights who found Plautus indispensable, he depended on the theatre for his livelihood. Plautus wrote for the public and not like Terence for patrons. Horace criticised him for writing only in order to make money. Terence could afford to call the Roman audience "Populus Stupidanus" He represented entirely different tradition - drama for an aritrocratic coterie (group of people exclusive). But Plautus knew that when writing his plays he had to keep an eye on the mood of the spectators. No less amazing than the strength of Plautus' name is the durability of his comedy. The Roman playwright is still very much alive in our own day. He was a theatrical phenomenon. Ancient professons like Varro gave Plautus the credit due to him by rescuing his name from inferior Latin comedies. It's been said that unsrupulous producers would put Plautus's name on plays by others to enhance their market value so that a century after his death there were in circulation over 130 comedies of a allegedly Plautine authorship. The Roman audience did not care whether what they heard or saw was copied or concocted as long as it made them laugh, whether Plautus modelled his comedies on the Greeks, there is one undeniable fact to be faced which is that he made his audiences laugh. Like Shakespeare and Moliere, Plautus begs, borrows and steals from every conceivable source but the end product is typically Plautus's.

# "Ooty" at a glance

- Momee Boruah
Lect., Deptt. of English

The Gorgeous Nilgiris have lots to tell you. As you move along the curvaceous mountain, you smell the cold winds out from the woods. The lushy green pastures, the Alpine vegetation and the streaks of waterfalls born from an unseen source give you a feeling of an earthly paradise.

"Ooty" or "Udhagamandalam" and 'Ootacamund' as it called by the locals is the most sought after destination in south India.

It is all about natural beauty and scenic splendour, which is spread over 989 square k.m.. The Nligiris represent one of the smallest districts in Tamil- Nadu and marks the western extremity of the state. The hill station spreads over 36 square k.m., and the temperature ranges from $25^0$ C. in summers to near freezing in winters.

Once you enter into that earthly paradise, you will be overwhelmed by its scenic beauty. There are lots of spots to visit there. 'Dodabetta' meaning 'Big-Mountain' is the highest peak in Tamil Nadu and from the Telescope House', which is situated at the zenith of Dodabetta you can enjoy an unforgettable view. Another place is "Coonor", so called because of the magical blue mist that hangs around the mountains, situated in the heart of the Nilgiri hills. 'Mudumalai wildlife Sanctuary' (Renamed as Joyalalitha wildlife sanctuary) is just 67 k.m. from Ooty. It covers 322 sq. k.m. of deciduous forest. Mudumadai has one of the largest populations of elephants in India. Along with wild dogs, gaur (Indian Bison), Nilgiri Langur, Jackal, Hyena and sloth bear, it has also a few tigers and panthers.

Besides these, there are also beautiful Ooty Lake, Botanical garden, Rose garden, pine forests, pykara - dam and waterfalls etc. The greenery of "Coonor" with the acres of tea estates etc. The dreamy slopes swathed in mist have drawn film makers here for perfect blend of romance and earthiness.

One will surely keep some sweet and unforgettable memories of Ooty while descending from that paradise, only to live or start another life in the midst of the hustle and bustle. But one can't forget the unspoken words of the bright full blooming 'forget- me- not'. The taste and flavour of local tea and the delicious local chocolates with different dry fruits and the whistle of the toy train is definitely fascinating which nobody wants to lose. But at the end of the day you have to realise:

"... the woods are lovely dark and deep
but I have promises to keep
and miles to go before I sleep
and miles to go before I sleep...."
(Robert Frost).



# INTRODUCTION TO COMPUTER

Sri Jitu Sharma
H.S First year.

Almost a century ago spate invention ushered in the first Industrial Revolution. Within a short span of time many countries become industrialised. Now we are in the beginning of another Industrial revolution. The major cause of the second industrial revolution is the invention of computers. Man has invented many electronic devices but the computer has made a greater impact on society than any other single device. They have made a potentially significant contribution to the society during the last three decades.

The spate of innovations and inventions in computer technology during the last decade has led to the development of micro and personal computers. They are so versatile that they have become indispensable to Engineers, Scientists, Business executives, Managers, Administrations, Accountants teachers and students. They have strengthened man's powers in numerical computation and information processing and there by increased the effectiveness of organisations.

Modern computers process certain characteristics and abilities peculiar to them. They can

(i) Perform complex and repetitive calculation rapidly and accurately.
(ii) Store large amounts of data and information for subsequent manipulations.
(iii) Hold program of a model which can be explored in many different ways.
(I) Make decisions,
(v) Provide information to the uses.
(vi) Automatically correct or modify by providing signals certain parameters of a system under control.
(vii) Draw and print graphs and
(viii) Converse with users through terminals.

Engineers and scientists make use of the high speed computing capability of computers to solve complex research and design problems. Many calculations that were previously beyond contemplation have now become possible. But for computers many of the technological achievements, such as landing on the moon would not have been possible.

Computers have helped automation of many industrial and business systems. They are used extensively in manufacturing and processing industries, power distribution system, are lone reservations systems, transportation systems, banking systems, and so on. Computer- aided design (CAD) and computer aided manufacture (CAM) are becoming popular among the long industrial establishment.

Modelling and simulation is another area where computers are increasingly used. This has greatly accelerated research in such areas as physical and social sciences, medicine, astronomy and meteorology.

It must be remembered that computers are machines created and managed by men. A Computer has no brain of its own. They thing it does is the result of human-instructions. It is an

obedient slave which caries out the master's orders as long as it can understand them, no matter they are right or wrong. In other words, computers like common sense.

Computer history starts with the development of a device called "Abacus" by the Chinese around 300 B.C. Abacus is the first calculation device of human history or beings. This was used by the systematic calculation of the or the arithmetic operations.

In England, Charles Babbage, a mathematicians began works a calculator that would performed extremely complex arithmetic function and education. He was develops his deferential and analysious on data read in from punched cards.

"Hence Charles Babbage known as father of computer."

In 1946 Princton mathematician John Van- Neuman (Johan Yan Neumahn) was given credit for developing the concept of first stored programme. He developed high speed digital compute using vacuum tubes the first Electronic Numerical Integrator and Calculator. Neuman was the first person who have developed the first start programmer.

The full meaning of COMPUTERS is

Computations of Men's problems Understood Through Easily Retraceable Sequences.

In shortly characteristics of computer is

(i) Highly sweetable of processing information. (ii) Largest self directing., (iii) Capable of processing data use together speed ecarution. (iv) It con process large volume of data at low cost and (v) Rehabilities.

We defined a computer as on electronic data processing device capable of receiving in input strong instruction, solving problems and generating out put with speed and accuracy key board alpha numerically board :-

Computers of a computer hardware system. :

Auxiliary Memory — Auxiliary Memory

Main Memory

Input Media — Input Unit — Arithmetic Logic Unit — Output Unit — Output Media

Ex. (i) Key Board (ii) Mouse — Control Unit C.P.U. — Ex. (i) Printer Plotter

Computer Generation :

Computer developed after ENIAC have been classified in to the following five generations.

(i) First Generation : 1946-55
(ii) Second Generation : 1956-65
(iii) Third Generation : 1966-75
(iv) Fourth Generation : 1976-85 and



(v) Fifth Generation : 1986----- Present.

To see the table you make a idea about the Generation.

| Generation Features | First | Second | Third | Fourth |
|---|---|---|---|---|
| Main Component | Vacuum Tube | Transistor | Integrated Circuit (I.C). Chips) | Large Scale Integrated (LSI) Circuit |
| Internal Storage (Memory) | Electrostatic Tubes | Magnetic Core Magnetic Drum | Magnetic Core | Semiconductor for Memory |
| External Storage Auxiliary Memory | Paper Tape Punched card Magnetic Tape | Magnetic Disk Magnetic Tape Magnetic Tape Paper Tape Punched Care | Magnetic Disk Magnetic Drum Punched Card Paper Tape | Magnetic Disk Magnetic Tap Magnetic Drum Floppy Disk Punched Card. |
| Speed of Operation (Addition second) | 40 to 300 Thousands | 3000 to 30,00 Thousand | 30,000 to 30,00,000 Thousand | 3,00,000 to 30, 00, 000 Thousand |

In the fifth generation Japan and many other countries are working on systems what are known as expert systems which will considerable improve the man-machine interaction. Such systems would integrate the advancements in both hardware and software technologies and would facilitate computer-aided problem solving with the help of organised information in many specialised areas. However, it is not very clear what would constitute the final system.

These are there types of computers.

(i) Digital computer.
(ii) Analog computer.
(ii) Hybrid computer.

Digital computers :- The computer operate essentially by counting. All the quantities are expressed of discrete digits or numbers. Digital computers are useful for evaluating arithmetic expression and manipulation of data.

Analog computer :- This computers operate by measuring rather than by counting. The name which is derived from the Greek word analog denote that the computer function by establishing similarities between low qualities that are usually expressed as voltage or currents. analog computers are powerful tools to solve differential equations. Accuracy of little poor.

Hybrid computer :- This computer is a combination computer using all the goods qualities of both the analog and digital computers. In such computers, some calculation are done in the analog portion of the some computers. Then is utilities the services of the devices which convert analog signals in to digital and digital signals in to analog. Whenever necessary, such units are called modems.

Computer are also available in different sizes and with different capabilities. They are classified.

(i) Micro computer, (ii) Mini computer (iii) Mainframe computer and (iv) Super computer.

(i) Micro Computer :- A micro computer is the smallest general purpose processing system. Functionally it is similar to other large. This computer are self continued units and usually designed for use by one person at a time. Since micro computers can be easily linked to large computers, they form a very important segment of the integrated information systems.

(ii) Mini Computers :- A mini computer is a medium size of computer that is most costly and powerful than a micro and mini computer is that a mini computer is usually designed to serve multiple users simultaneously. A system among the business organisations today.

**Mainframe Computer :-** Computer with large storage capacities and very high speed of processing are known as mainframe computers. They support a large number of terminals for use by a variety of uses simultaneously, they are also used as the control boot computer in distributed data processing system.

**Super Computer :-** These have externally computers is measured in terms of millions of instruction per second (mips) a super computer is rated in tens of millions of operations per second (Mops), and operation is the mode up of numerous instructions. Typically, the super computers is used for large scale numerical problems in scientific and engineering disciplined.

**Super mini Computer :-** This computer has recently come in to existence processing the memory rang of mainframe computer installed in the size of mini computer. These machines have 32 bit word length and support memory sizes in the range of one to eight (1-8) M.D. And are getting good support in research and on line production control technique and data processing.

Computer is now one of a necessary part of human life. About a compute we have always like a student because we never finished to know this.



# SOME IMPORTANT FACTS

**Neli Das**
B.A. 2nd Yr. Deptt. of History

★Indian former president K.R. Narayanan wrote for "The Hindu", Chennai and " Times of India" Mumbai, in his early years. While a student in London, he served as the London correspondent of " Social Welfare" a weekly from Mumbai that was edited by K.M. Munshi.

★Uruguay hosted the first FIFA world cup in 1930. Two reasons went in its favour. They were the football summer Olympic winners for two successive year (1924 and 1928) and the nation was celebrating its 100 th anniversary of independent that year.

★Hanging Garden of Babylon - The most famous of the kings of Babylon, king Nebuchadnezzar II, rebuilt Babylon when he came to power in 605 B.C. ( Babylon located near the present day city of Al Hillah in Iraq). He built beautiful terraced gardens for his wife which were considered the most amazing ever seen.

★Chicago (USA) is the candy capital of the world. There are more chocolates manufacturers there than any other place on earth.

★The massive stone arch, the Gateway of India was built on Bombay's waterfront to commemorate the visit of Britain's king George V and Queen Mary in 1911.

★The construction of Taj Mahal started around 1631; it look 20,000 workers and nearly 22 years to built it.

★Walt Disney(1901-1966) created a wonderful cartoon world, full of imagination and fun. His earliest cartoons included. "Mickey Mouse "and "Donald Duck". In 1937, the animated Disney movie "Snow white" and "the seven Dwarfs" showed that cartoons could be just as entertaining as movies with live actors.

★English born actor Charlie Chaplin (1889-1977) was the first great movie star. His character of a mischievous tramp with baggy pants, bowler hat, mustache and cane made people around the world lough. His movies include. 'The Kid' and 'The Gold Rush'.

★The Great Pyramid- It took 10,000 workers over 20 years to build the great Pyramid of Cheops, located just outside Cairo in Egypt. About 6.5 million tons of stone were used. It's still an amazing sight today.

# সোণাৰি মহাবিদ্যালয়ৰ আলোচনী

# সোণালী

২০০১-২০০২ বৰ্ষ

।। সম্পাদক।।

ভাস্কৰ বৰুৱা

SONALI : Annual issue, Sonari College Magazine, Edited by Bhaskar Boruah & Published by Sonari College Student Union, for the session 2001-2002

## সম্পাদনা সমিতি ঃ

উপদেষ্টা ঃ

শ্ৰীযুত বিনন্দ মহন
শ্ৰীযুত সুশীল সূড়ী
শ্ৰীযুত পৰানন কোঁৱৰ
শ্ৰীযুত দীপাঞ্জলী গগৈ

সম্পাদক ঃ

শ্ৰী ভাস্কৰ বৰুৱা

সদস্য ঃ

শ্ৰী নিৰ্মলজ্যোতি কোঁৱৰ
শ্ৰী জয়ন্ত ফুকন

অংগসজ্জা আৰু পৰিকল্পনা ঃ

ভাস্কৰ

স্কেচ ঃ

পৰানন কোঁৱৰ

বেটুপাত ঃ

শ্ৰী নিৰ্মলজ্যোতি কোঁৱৰ

মুদ্ৰণ ঃ

ডি.এম.অফছেট প্ৰিণ্টাৰ্ছ, শিৱসাগৰ।

## ।। কৃতজ্ঞতাৰ শৰাই ।।

অধ্যক্ষা ঃ শ্ৰীযুতা কমলাৱতী দাস

উপাচাৰ্য্য ঃ শ্ৰীযুত দেৱদাস কাকতি, ডিব্ৰুগড় বিশ্ববিদ্যালয়

উপাধ্যক্ষা ঃ শ্ৰীযুতা ৰতিপ্ৰভা গগৈ

প্ৰৱক্তা ঃ শ্ৰীযুত বিনন্দ মহন
শ্ৰীযুতা দীপাঞ্জলী গগৈ
শ্ৰীযুতা ৰীতা দত্ত
শ্ৰীযুতা বিজয়লক্ষী গগৈ
শ্ৰীযুত পৰানন কোঁৱৰ

মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, "সোণালী"ক সজাই তোলা সমূহ লেখক-লেখিকা, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, ছাত্ৰ একতাসভাৰ সমূহ বিষয়ববীয়া, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী, অমল কুমাৰ লাইক, জীৱনজ্যোতি হাজৰিকা, জ্যোতিপ্ৰসাদ চাবুকধৰা, মনোজ কুমাৰ মহন, ছপাশালৰ কৰ্মচাৰীবৃন্দ আৰু

**"সোণালী"ৰ**

**এই সংখ্যাৰ**

প্ৰকাশত দিহা-পৰামৰ্শ
আৰু সহায়-সহযোগ আগবঢ়োৱা সমূহ
সদাশয় ব্যক্তিলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

- সম্পাদক।

# উচৰ্গা

যিসকল পৰলোকগামী ব্যক্তিৰ আশাসুধীয়া
আৰু আপ্ৰাণ প্ৰচেষ্টাত সোণাৰি মহাবিদ্যালয়ে
আজিৰ ৰূপ পাবলৈ সক্ষম হৈছে,
সেইসকল স্বনামধন্য ব্যক্তিৰ স্মৃতিত
"সোণালী"ৰ
এই সংখ্যাটি উচৰ্গা কৰিলোঁ।

- সম্পাদক

VICE-CHANCELLOR DIBRUGARH UNIVERSITY
DIBRUGARH, PIN – 786 004 (ASSAM)

**Dr. D. Kakati,**
*Vice-Chancellor*

Phone : 370239 (Office)
Fax No.: 0373-370323
E-mail: devdaskakati@yahoo.com

No. DU/VC/Message/2000/ 1221

Date: 4th January, 2002

To

Sri Bhaskar Baruah,
Magazine Secretary
Sonari College Students' Union
SONARI-785 690
Dist.: Sibsagar
Assam.

Dear Sri Baruah,

I am very happy to learn that you are bringing out the College Journal in the near future. I extend my goodwill to all of you in this creative effort.

At the beginning of the new century, I would like to share with you my deep conviction that it is time for each of us individually and collectively to understand our own roles and duties, do accordingly and build up our own competence. Only then we can expect to benefit from any help we get from others. This means growing from inside. We must grow from inside first.

Please remember, there are three steps to success : a DREAM, an AWAKENING and WORK. Our dream is a developed Assam, one Assam. Our awakening is a new cultural revolution to adjust ourselves to the requirements of a globalized world made small by science and technology, while keeping ourselves anchored in our own time-tested value system. The work is to build up a developed prosperous one Assam through innovations and entrepreneurial work. This is the best contribution we can make to realise our vision of a developed India in the new century.

With good wishes to all of you,

Yours sincerely,

( Devdas Kakati )

# সম্পাদনা সমিতিৰ ফটো



বিনন্দ মহন



সুশীল সূড়ী



ভাস্কৰ বৰুৱা



দিপাঞ্জলী গগৈ



পৱানন কোঁৱৰ



নিৰ্মলজ্যোতি কোঁৱৰ



জয়ন্ত ফুকন



# ।। সূচীপত্ৰ ।।


**সম্পাদকীয় একলম ঃ** - ৯

**চিন্তাশিল্প ঃ**

গীতি সাহিত্যৰ এটি ধাৰা হিচাপে "মালিতা" ঃ বীতা দত্ত - ১০

বিশ্ব সন্ত্ৰাসবাদ আৰু মানৱ সভ্যতা ঃ অৰুন্ধতী গোস্বামী - ১৪

মিচিং সমাজৰ অই নিঃতম ঃ ৰণোজ টায়ে - ১৮

জন বিশ্বাসত তামোল ঃ জিতু গগৈ - ২০

ছাত্ৰ-ছাত্ৰী ইউনিফৰ্ম আৰু অভিভাৱক ঃ অভিজিত ৰাজকোঁৱৰ - ২২

ক্ৰিকেট বেটিঙৰ দুআযাৰ ঃ লাটু গগৈ - ২৩

অনুৰাগ বা প্ৰেম ঃ পাপন বড়া - ২৫

AIDS THE NIGHTMARE OF THE TWENTY FIRST CENTURY : Rahul Prasad - ২৬

GOD HELPS THOSE WHO HELP THEMSELVES : Munmi Chetia - ২৮

WE ARE CIVILISED : Dombidhar Taye - ৩০

**কবিতা ৰ কৰণি**

ঃঃ আকাশ,সূৰ্য, বতাহ- মানসী বৰঠাকুৰ

ঃঃ তোমাৰ মৰমবোৰ- নিৰ্মলজ্যোতিকোঁৱৰ

ঃঃ প্ৰত্যাশা শিখামণি কোঁৱৰ

ঃঃ মোৰ কবিতা - মনো বাইলুং

ঃঃ শইচ - জ্যোতিপ্ৰসাদ চাবুকধৰা

ঃঃ হৃদয় - বলিন কোঁৱৰ

ঃঃ জীৱন নামৰ গীত- প্ৰশান্ত ৰাজখোৱা

ঃঃ Examination - Miss Mamta Jain

ঃঃ Value of Time - Miss Shabnam Paswan.

**কথাশিল্প ঃ**

দুখৰ ৰাতি নুপুৰায় ঃ গোপাল কোঁৱৰ - ৩৪

দুৰ্কপালী দুহিতা ঃ মিণ্টু তাঁতী - ৩৭

আশাৰ সমাধি ঃ যুগল চেতিয়া - ৪১

সেতু ঃ পংকজ বৰুৱা - ৪৩

সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ঃ - ৪৬

প্ৰতিবেদন ঃ - ৪৭-৫৯



**সম্পাদকীয় একলম**

# সাহিত্য আৰু সমাজ

অতীজৰেপৰা মানৱ মনৰ আশা-আকাংক্ষা, ভাৱ-কল্পনা, আৱেগ-অনুভূতি আদিবোৰ নানান কলাকৃতিৰ মাধ্যমেদি মূৰ্তমান হৈ আহিছে। এই মাধ্যমসমূহৰ ভিতৰত সাহিত্যই হৈছে মানুহৰ অন্তৰ পৰশিব পৰা এক সংবেদনশীল মাধ্যম। 'সাহিত্য' এনে এটা শব্দ যাক আমি কেইটামান শব্দৰে বা বাক্যৰে বিশ্লেষণ কৰিবলৈ বা সংজ্ঞা দিবলৈ অপাৰগ। সাহিত্য হ'ল মানৱৰ একপ্ৰকাৰৰ জীৱন-কলা। সাহিত্যই মানুহৰ নৱ চেতনাক জাগ্ৰত কৰে। সাহিত্যৰ যোগেদি সৰ্বসাধাৰণৰ প্ৰকৃত জীৱন চিত্ৰিত কৰিব পাৰি। সাধাৰণ অৰ্থত ক'বলৈ গ'লে মানুহৰ মনৰ ভাৱ যেতিয়াই লিখিত আকাৰত প্ৰকাশ পায় তেতিয়াই সাহিত্যৰ সৃষ্টি হয়। কিন্তু লিখিলেই সাহিত্য নহয়। সেয়েহে ড° ভূপেন হাজৰিকাদেৱে কৈছে, "ভাষা যেনেকৈ কেইটামান শব্দ নহয়, সাহিত্য তেনেকৈ কেইটামান বাক্য নহয়।" তেন্তে আমি কোনবোৰ লিখনিক সাহিত্যৰ অন্তৰ্ভুক্ত কৰিম? ইয়াৰ উত্তৰ হিচাপে আমি মহেন্দ্ৰ বৰাদেৱৰ 'সাহিত্য উপক্ৰমণিকা' পুথিত পাওঁ - - "সাহিত্য বুলিলে আমি সেইবোৰ ৰচনাকেই বুজোঁ, য'ত বিষয়বস্তু আৰু পৰিৱেশন ৰীতিৰ লগত মানৱীয় আগ্ৰহৰ কিবা এটা সম্পৰ্ক আছে। অকল সেয়ে নহয়, সিবিলাকৰ আংগিক বা ৰূপবস্তু থকা নথকাৰ প্ৰশ্নটোও ইয়াৰ লগত জড়িত।" গতিকে সাহিত্য বুলিলে এনেবোৰ ৰচনা ৰীতিকেই বুজা যায় য'ত মানৱ মনৰ আশা-আকাংক্ষা, ভাৱ-কল্পনা, আৱেগ-অনুভূতি প্ৰভৃতি কলাকৃতিৰ ৰূপত মূৰ্তমান হৈ উঠে।

সাহিত্যৰ লগত সমাজ জীৱনৰ ওতঃপ্ৰোত সম্বন্ধ। মানুহ সামাজিক জীৱ। সমাজপ্ৰিয় মানুহৰ উন্নতিৰ মূলতে হ'ল সমাজ শক্তি। সাহিত্যৰ যোগেদি এখন সমাজৰ প্ৰচলিত আদৰ্শ, অভিৰুচি, আকাংক্ষা, কল্পনা আদিবোৰ সুন্দৰকৈ প্ৰকাশিত হয়। সেয়েহে যি যুগৰ লেখকেই নহওক তেওঁলোকৰ লেখনিত সেই যুগৰ সমাজ চিত্ৰ আৰু সমাজ সংস্কাৰ সুন্দৰকৈ প্ৰতিফলিত হয়।

শেষত ক'ব পাৰি যে, সাহিত্যই হ'ল সমাজৰ মিলন সুঁতি। কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰদেৱে সেয়েহে কৈছিল, "ধাতুগত অৰ্থ ধৰিলে 'সাহিত্য' শব্দটোৰ মাজত এটি মিলনৰ ভাৱ দেখা যায়। সি যে কেৱল ভাৱে ভাৱে, ভাষাই ভাষাই মিল তেনে নহয়। ই হ'ল মানুহৰ লগত মানুহৰ মিলন, অতীতৰ লগত বৰ্তমানৰ, দূৰৰ লগত ওচৰৰ মিলন।"

**আলোচনীখনৰ বিষয়ে দু-আষাৰ ঃ**

এখন মহাবিদ্যালয়ৰ আলোচনীখনৰ মাজতে লিপিবদ্ধ হৈ থাকে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক সত্ত্বা আৰু তেওঁলোকৰ মনত জাগ্ৰত হোৱা সামাজিক প্ৰমূল্যবোধ। কিন্তু অতি পৰিতাপৰ বিষয় যে ছাত্ৰ-ছাত্ৰীসকলৰ এইধৰণৰ সুপ্ত প্ৰতিভাবিলাক আমাৰ মহাবিদ্যালয়ে নিয়মীয়াকৈ প্ৰকাশ কৰিব নোৱাৰোঁ। এই ব্যৰ্থতা মই নিবিচাৰিলেও মোৰ কাৰ্যকালতো আকৌ এবাৰ পুনৰাবৃত্তি ঘটিল। ইয়াৰ মুখ্য কাৰণ হ'ল প্ৰয়োজনীয় পুঁজিৰ অভাৱ। আলোচনীখনৰ বাবে প্ৰয়োজনীয় সকলো কাম-কাজ হৈ উঠাৰ পিছতো কেৱল মাত্ৰ পুঁজিৰ অভাৱৰ বাবেই মোৰ কাৰ্যকালত আলোচনীখন প্ৰকাশ কৰিব নোৱাৰিলোঁ; সেয়েহে দুটা বছৰৰ 'সোণালী' সংযুক্তভাৱে প্ৰকাশ কৰিবলগীয়া হ'ল। তথাপি সময়মতে আপোনাসৱৰ হাতত 'সোণালী'ক তুলি দিব নোৱাৰাৰ বাবে মই ক্ষমা প্ৰাৰ্থী।

মোৰ সীমিত জ্ঞানেৰে আলোচনীখন প্ৰকাশ কৰোতে তাত বহুতো ভুল-ক্ৰটী ৰৈ গৈছে আৰু অনিচ্ছাকৃতভাৱেও বহু ভুল ৰৈ যাব পাৰে। তাক আপোনালোকে আঙুলিয়াই দিলে আৰু শুদ্ধৰাই ল'লে মই কৃতাৰ্থ হ'ম।

শেষত 'সোণালী'ৰ এই সংখ্যাটিক সকলোৱে মৰমৰ চকুৰে আদৰি ল'লে মই নিজে ধন্য মানিম।

ধন্যবাদেৰে-

**ভাস্কৰ বৰুৱা**

সমাপাদক সোণালী, ২০০১-২০০২ বৰ্ষ।

# গীতি সাহিত্যৰ এটি ধাৰা হিচাপে 'মালিতা'

ৰীতা দত্ত
প্ৰৱক্তা, অসমীয়া বিভাগ।

লক্ষ্য কৰিলে দেখা যায় যে জগতৰ সাহিত্য বিলাকৰ ভিতৰত গদ্যতকৈ পদ্যৰ প্ৰথমতেই সৃষ্টি হৈছে। লিখিতৰূপ নাপালে কোনো গদ্য ৰচনাই পিছৰ যুগত প্ৰৱেশ কৰিবগৈ নোৱাৰে। কিন্তু পদ্য বা কাব্য সাহিত্যৰ লগত স্মৃতিশক্তিৰ এনে এক সম্পৰ্ক আছে যে সি মুখে মুখে বহু যুগলৈকে বৰ্ত্তি থকাটো সম্ভৱ হৈ পৰে। মৌখিক সাহিত্যৰ এনে যুগমীয়া ৰচনাকেই গীতি সাহিত্য বুলি কোৱা হৈছে।

জনগণৰ মাজত প্ৰচলিত এনেধৰণৰ লোককথা, লোকশ্ৰুতি, লোকবিশ্বাস, কিম্বদন্তী আদিৰ ভিত্তিত ৰচিত কবিতাকেই ইংৰাজীভাষাত 'বেলাড' আৰু অসমীয়া ভাষাত, কাহিনীগীত, আখ্যানগীত, গীতিকাব্য আৰু মালিতা বুলি জনা যায়। এই নামসমূহ ক্ৰমে শ্ৰীযুত মহেশ্বৰ নেওগ, ড০ সত্যেন্দ্ৰ নাথ শৰ্মা, ডিম্বেশ্বৰ নেওগদেৱে উল্লেখ কৰিছে যদিও বেলাডৰ প্ৰতিশব্দ ৰূপে 'মালিতা'কো সৰ্বজনস্বীকৃত বুলিব পাৰি।

সকলো দেশৰ সকলো লোকৰ মাজতেই এনে মালিতাৰ প্ৰচলন আছে। এই সকলোবোৰ মালিতাৰ প্ৰতি দৃষ্টি ৰাখি কেইটামান বিশ্বজনীন লক্ষণৰ কথা উল্লেখ কৰিব পাৰি। যেনে -

(১) ই অনাখৰী সাহিত্য।
(২) ই অখ্যাত লেখকৰ ৰচনা।
(৩) ই মুখে মুখে বহুদিনলৈকে প্ৰচলিত থাকে।
(৪) ইয়াত এটি সু-সংবদ্ধ কাহিনী পোৱা যায়।
(৫) দুঃসাহসিক কাৰ্য্য, যুদ্ধ-বিগ্ৰহ আদিৰ বৰ্ণনা ইয়াৰ প্ৰধান উপজীব্য। কাহিনীৰ লগত প্ৰেম প্ৰীতিৰ বৰ্ণনাও থাকে।
(৬) অনাখৰী লোকৰ সহজ-সৰল অনুভূতিৰ বাবে সহজ-সৰল ভাষাৰ প্ৰয়োগ দেখা যায়।
(৭) সুললিত ছন্দ আৰু সাৱলীল গতি লক্ষ্যণীয়।
(৮) ছন্দৰ মিল দেখুৱাবৰ বাবে অপ্ৰয়োজনীয় খণ্ডবাক্যৰ প্ৰয়োগ কৰা দেখা যায়।
(৯) ই বৰ্ণনা প্ৰধান।
(১০) চিত্ৰধৰ্মিতা বেলাডৰ অন্য এক বৈশিষ্ট্য।
(১১) বেলাডত নাটকীয় গুণ লক্ষ্য কৰা যায়।
(১২) অলৌকিকতা, অতিবাস্তৱতা অন্য এক দিশ।

এই গীতিসাহিত্যক যদি দুটা ভাগত বিভক্ত কৰা হয়; তেন্তে পৌৰাণিক আৰু বুৰঞ্জীমূলক -- এনেকৈয়ে ভাগ কৰি ল'লে আলোচনাৰ্থে সুবিধা হয়। অৱশ্যে কিম্বদন্তীমূলক বা কাল্পনিক বুলি তৃতীয় এটা ভাগ ৰাখিলেও অসুবিধা নাহে। বৰং কোনকেইটা মালিতা কোন ভাগৰ অৰ্ন্তভুক্তি কৰা হ'ব তাতহে একমত হ'ব পৰা নাযায়।

পৌৰাণিক আখ্যানৰ আধাৰত ৰচিত গীতবিলাকৰ কাল নিৰ্দ্ধাৰণ কৰিব পৰা নাযায়। কিন্তু বুৰঞ্জীমূলক গীত হিচাপে চিনাক্তকৰণ কৰা গীতসমূহত কিছুমান বিশেষ উৎস পোৱা যায়। মহেশ্বৰ নেওগ দেৱে কৈছেই যে "শ্ৰীকৃষ্ণ-ৰুক্মিণী, অৰ্জুন-সুভদ্ৰা, উষা-অনিৰুদ্ধ, হৰ-গৌৰীৰ মিলনৰ উল্লেখে বিয়া নামৰ জন্ম কালৰ বিষয়ে একো ক'বলৈ সাহ কৰিব নোৱাৰে।" গতিকে এনেধৰণৰ আখ্যানৰো কাল নিৰ্ণয়কৰণ কঠিনেই নহয়, অসম্ভৱো। অন্যহাতে যতীন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই - মণিকোঁৱৰ, ফুলকোঁৱৰৰ গীত, ময়নামতী আৰু গোপীচন্দ্ৰৰ গীত, জনাগাভৰুৰ গীত, নাহৰৰ গীত , চিকন-সৰিয়হৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, জয়মতী কুঁৱৰীৰ গীত, বৰচা কুঁৱৰীৰ গীত, জিকিৰ আৰু জাৰী, বুঢ়াগোঁহাইৰ গীত,



বৰফুকনৰ গীত, পদুম কুঁৱৰীৰ গীতৰ কথা উল্লেখ কৰিছে। 'অসমীয় সাহিত্যৰ চমু বুৰঞ্জী' নামৰ পুথিৰ ২২২ নং পৃষ্ঠাত মনিকোঁৱৰ, ফুলকোঁৱৰ আৰু কাঁচন কুঁৱৰীৰ গীত পুথিৰ আকাৰত ওলোৱাৰো সম্ভেদ দিছে যদিও মহেশ্বৰ নেওগদেৱে কাচনকুঁৱৰীৰ ঠাইত জনাগাভৰুৰ গীতহে পূৰ্ণাংগৰূপত পোৱা বুলি উল্লেখ কৰিছে। এই দুয়ো কুঁৱৰী বেলেগ নে একে আমাৰ হাতত তথ্যৰ অভাৱ। মণিকোঁৱৰৰ পত্নীৰ নামো কাঁচন। আমি পৌৰাণিক আখ্যানসমূহৰ পৰা আঁতৰি আহি উপৰোক্ত তিনিটি গীতৰ কথাহে আলোচনালৈ আনিব বিচাৰিছোঁ। মণিকোঁৱৰৰ গীতত থকা 'শঙ্কৰদেউ' ৰজাৰ প্ৰকৃত পৰিচয় বিচাৰি নেওগদেৱে 'অসমীয়া সাহিত্যৰ ৰূপৰেখা'ৰ ২৯ নং পৃষ্ঠাত এনেদৰে লিখিছে - 'শঙ্কৰদেউ ৰজাৰ পুতেক মণিকোঁৱৰ, কোঁৱৰৰ পত্নী ফুকনৰ জীয়ৰী কাঁচনমতী, তেওঁলোকৰ পুত্ৰ ফুলকোঁৱৰ আৰু দয়িতা পচতুলা ( পস্তলা) (পাচুতলা) গাভৰুক লৈ মনোৰম ফুলকোঁৱৰ আৰু মণিকোঁৱৰৰ গীত সৃষ্টি হৈছিল।" পুনৰ ২০ পৃষ্ঠাত এনেদৰেও লিখিছে- "মণিকোঁৱৰ, ফুলকোঁৱৰৰ গীতবিলাকৰ বুৰঞ্জী সম্বন্ধেও এটা সম্ভৱতঃ ভুল ধাৰণা আছে। উত্তৰ ভাৰতৰ প্ৰতাপী ৰজা কেদাৰ ব্ৰাহ্মণক আৰু পাৰস্যৰ আফ্ৰচিয়াব ৰজাক ঘোৰাঘাট পৰ্বতত যুজঁত ঘটুৱা আৰু গৌড়ৰ ৰাজধানী লক্ষ্মানাৱতী থাপন কৰা অন্যুন (অৰ্থ - অন্তত ঃ কম-নয়ং সম্পৰ্ণ) খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ শঙ্কৰলাদিৰ ৰজাকে এই গীতৰ শঙ্কৰদেউ ৰজা বুলি ধৰি লোৱা হয়।" মুঠতে এইবিলাক গীতৰ ওপৰত গৱেষণাৰ যথেষ্ট থল আছে। এই গীতসমূহ সংৰক্ষণাৰ্থে পুথিৰ আকাৰে প্ৰকাশ পোৱাটো যেনে সুখকৰ বাৰ্তা, তেনে এক সুখকৰ বাৰ্তা যে ১৯৯৯ চনৰ ৪ এপ্ৰিলত শঙ্কৰদেৱ কলাক্ষেত্ৰত এই গীতসমূহৰ পৰিৱেশিত অনুষ্ঠান আৰু তাৰ ফলত জন্মহোৱা এটি গীতৰ কেছেট 'মালিতা'। কাৰণ এই গীতসমূহে বুৰঞ্জীৰ কথা ক'ব পাৰে, সমকালীন সমাজ ব্যৱস্থাৰ কথাও ক'ব পাৰে। আহোম ৰাজত্ব আৰু ৰাজধানীৰ ছবি বিচাৰি আমি 'মণিকোঁৱৰৰ গীত'ত ভুমুকিয়াব পাৰোঁ। যেনে --

(ক)

*"শঙ্কৰদেউ ৰজাৰে পুতেক মণিকোঁৱৰ*
*কোলাতে খতিখুন নাই,*
*এবেলা কোলাতে এবেলা ঘোঁৰাতে*
*এবেলা খেলি খেলাই।"*

*(খ)*

*"হেচুঁকি দি যাওঁ চাকুলী ঢৰাখন*
*বহি তামোল কাটি খোৱা,*
*কেনৈ আহিলা পোৱালি তামুলী*
*ভাঙি কথাযাৰি কোৱা।"*

*(গ)*

*"এজোবুৰ মাৰিলে থানুৰা কোঁৱৰে*
*বাট চ'ৰাৰ মুখলৈ চাই,*
*আৰু জুবুৰিব খোজোতে কোঁৱৰক*
*নিলে জলকোঁৱৰে উটাই।"*

ইয়াত উল্লেখিত 'শঙ্কৰদেউ' ৰজাই সামন্ততন্ত্ৰৰ আভাস দিয়ে। 'তামুলী' হৈছে ৰজাৰ দিনৰ উপাধি। এই তামুলী কোন -- এই সম্পৰ্কে গীতটিৰ পিছলৈ সোনাবৰ তামুলীৰ নাম পোৱা যায়। এওঁ কোন বুৰঞ্জীয়ে বোধকৰো উত্তৰ দিব পাৰিব। অন্যহাতে বাটচ'ৰাই ৰজাদিনীয় সমাজৰ এটি চিত্ৰ দিব পাৰে। 'চাকুলী ঢৰা' নে পীৰা স্পষ্ট নহয় যদিও অভিধানত এই শব্দটোৱে এখন পীৰাৰ কথাকে ইংগিত কৰে -- 'এচটা ডাঠ কাঠ চাঁচি তাৰ গাতে খুৰা ৰাখি কৰা এবিধ ডাঙৰ কিন্তু চাপৰ পীৰা।" বোধকৰো এই আসন বিয়য়াসকলৰ বাবে নিৰ্দিষ্ট।

ফুলকোঁৱৰৰ গীতত আছে —

(ক) *"গায়নে বায়নে সেন্দুৰী আলিয়ে*
*কেঁকুৰী দোলাতে উঠি,*
*হীৰা মুকুতাৰে মণিধৰ কোঁৱৰে*
*কাঁচনক আনিলে তুলি।"*

'কেঁকুৰী দোলাত' বৰে কইনা অনাৰ নিয়ম পুৰণি, ৰজাদিনীয়া। পুনৰ —

(খ) *"আই যে আছিলে ধনে পচতুলী*
*বোপাই মালিনীৰে নাতি,*
*তাও কাপোৰক ঘিনত নিপিন্ধিলো*
*মাৰো লাংমাইৰ গাঁঠি।"*

'তাও' কাপোৰ হৈছে 'জাঁপি বা মেৰাই থোৱা দীঘল উকা থান কাপোৰ।'

জনাগাভৰুৰ গীততো এন বহু শব্দ পোৱা যায়। যেনে -

*"জোকাৰি পিন্ধিলে গোমচেঙৰ চোলাটি*
*মাজতে বাখৰামি কৰা,*
*কঁকালত মাৰিলে জৰদৰ টঙালি*
*দেখিলে জিলমিল কৰা।"*

'জৰদ'ৰ অৰ্থ হৈছে 'ৰিহা গচতকৈ ডাঙৰ কিন্তু তাৰদৰে ছালৰ পৰা সূতা তৈয়াৰ কৰা এবিধ গছ।' ইয়াৰ বাদেও 'দাউকীয়া পাগ, ধলপাটৰ চুৰীয়া' আদি শব্দই ৰজা, বিষয়ববীয়া সকলৰ সাজ-সজ্জাৰ ইংগিতকেই কৰিছে। অনাখৰীলোকৰ সৃষ্টি হ'লেও কিছুমান কথিত অথচ অব্যৱহৃত হৈ পৰা শব্দক দুৰ্বোধ্য যেন লাগে।

পগলা-পাৰ্বতীৰ গীতৰ কথাসমূহ হুচৰি গাওঁতে গোৱা শুনা যায়। যেনে ঃ

*'তেতেলী তলতে কৰোঁ তাঁতে বাটি*
*পাহৰি আহিলো কুচি,*
*কুচিৰে লগতে পগলাই কিলাব*
*যামে আইৰ ঘৰলৈ গুছি।'*

যতীন্দ্ৰনাথ গোস্বামীদেৱে এই সম্পৰ্কে এনেদৰে কৈছে - "এই মালিতাবোৰ আহোম যুগৰ মাজেদি সৰকি অহাৰ কাৰণে বৰবৰুৱা, ফুকন, পুঠাৱেক, মাইহাং আদি শব্দৰ ব্যৱহাৰ পোৱা যায়।"

অৰ্থহীন শব্দৰ প্ৰয়োগৰ ক্ষেত্ৰত তেখেতে কৈছে - "হাই দি তুলিবৰ লাই, লাটিম বৰুৱাক ছাটিম, মাছৰ কুমলীয়া শল, ভেকুৰী নাথোকে থোক" ইত্যাদিৰ ব্যৱহাৰ মন কৰিবলগীয়া।

*"কাঠৰ পখীঘোঁৰত কিৰে কি ৰে ৰে ৰে*
*উঠি ফুলকোঁৱৰে কিৰে কি ৰে ৰে ৰে*
*শদিয়াৰ ৰণলৈ যায়ে কি কোম্পানী*
*চলাই দে ৰে'লগাড়ী, নাচনি, কলবাৰী*
*ফুলবাৰীত ৰেলে ঘেৰেঘেৰাই যায়।"*

ওপৰত বিহুগীত সুৰীয়া মালিতাৰ কথা কোৱা হৈছেই। এই মালিতাৰ সুৰৰ লগত টোকাৰী গীত আৰু জিকিৰৰ সুৰৰ সাদৃশ্যও মন কৰিবলগীয়া। ঠায়ে ঠায়ে সুৰৰ যে বৈষম্য নাই, এনে নহয়। অসমৰ বিয়াই সবাহে মঘাই ওজা, তুলসী ওজা আদিয়ে গোৱা কাহিনী গীতটিৰ সুৰ ভবাৰ লগে লগেই কাণত বাজি উঠে। মালিতাতো তেনে এটি সুৰৰ সাদৃশ্য উল্লেখ কৰা হ'ল -



*"জয় নমো নমো সত্য সনাতন অনন্ত শয্যাত প্ৰভু কৰিলা শয়ন*
*টং টং সৰস্বতী নিৰ্মল বৰ্ণ*
*টং টং সৰস্বতী নিৰ্মল কায়*
*লোকে বোলে সৰস্বতী*
*আমি বোলো আই*
*যিখিনি পাহৰো মাতৃ দিবা সোঁৱৰাইএ"*

'সোঁৱৰাই এ' বুলি যিটো সুৰত গোৱা হয়, সেইটো কিন্তু দেহবিচাৰৰ গীতৰ বা টোকাৰী গীতৰ সুৰৰ সৈতে সম্পূৰ্ণ একে। স্মৃতিৰ মনিকোঠাৰ পৰা ক'বলৈ গ'লে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ পৰা সম্ভৱতঃ হেম বুঢ়াগোঁহাইৰ কণ্ঠত মালিতা শুনাৰ কথা মনত পৰে। ইয়াত কিন্তু বাদ্য তথা তাল ৰখাৰ সলনি লাহে লাহে গোৱাহে মনত পৰে। শুনামতে নগাঁৱৰ ফালে আৰু কোনো কোনো 'মৰিয়া' (পিতল খুন্দি পাত্ৰ সজা এজাতি মুছলমান সম্প্ৰদায়) লোকে এই ধৰণৰ মালিতা গায় আৰু সেয়ে বোধকৰো 'জিকিৰ'ৰ প্ৰভাৱ লক্ষ্যণীয়।

ইয়াৰ বাদেও মণিকোঁৱৰে গা-ধুই থাকোতে তেওঁক 'জলকোঁৱৰে' হৰণ কৰি নিয়া, ফুলকোঁৱৰে 'কাঠৰ পখীঘোঁৰাত' উঠি আকাশেৰে উৰা মৰা, দিজাই মালিনীৰ শুকান ফুলনিত 'ফুল ফুলি উঠা, মালিনীৰ সহায়ত কোঁৱৰে 'বিনাসূতা'ৰে মালা পিন্ধাই পচতুলাক বিয়া কৰোৱা আদি কাৰ্য হৈছে অলৌকিক।

মুঠতে, বুৰঞ্জীমূলক মালিতা সমূহে সেইসময়ৰ চৰিত্ৰ, ঘটনা, কাৰ্যকলাপ, জন বিশ্বাস, সমাজ আৰু সংস্কৃতি সকলোৰে সম্যক পৰিচয় দিব পাৰে। ইয়াৰে গইনা লৈ আমি ইতিহাসত ভুমুকিয়াব পাৰোঁ। সেয়ে আমি ইয়াৰ গুৰুত্ব বুজি ইবিলাকক সংৰক্ষণ কৰিবলৈ যত্ন কৰা উচিত।

.............................

## অমৃত বাণী ঃ

ঃঃ *"এগৰাকী ব্যক্তি লেখকেই হওঁক বা পাঠকেই হওঁক তেওঁৰ প্ৰধান কামটোৱেই হ'ল নিজৰ জীৱনটোৰ ওপৰত আধিপত্য বিস্তাৰ কৰা, আনৰ দ্বাৰা আৰোপিত নিৰ্দ্দেশ পালন কৰি নহয়।"*

- য'ছেফ ব্ৰেড্‌স্কি

ঃঃ *"জীৱনৰ যন্ত্ৰণাৰ পৰা ধন-সোণে তোমাক ৰক্ষা কৰিব নোৱাৰে। চকুপানী সদায় একেই - সি লাগিলে বহুমূলীয়া পাটৰ কাপোৰতেই পৰক বা সাধাৰণ সস্তীয়া কপাহী কাপোৰতেই পৰক।"*

- ছাৰ বন ব্ৰেনক

ঃঃ *"তোমাৰ মাজত কি নাই সেইটো চাবলৈ চেষ্টা কৰাতকৈ তোমাৰ কি আছে সেইটো চাবলৈ আৰম্ভ কৰিলেই তুমি দেখিবা যে তুমি ভবাতকৈ তোমাৰ মাজত বহুত বেছি কিবা-কিবি আছে।"*

- ছাৰ বন ব্ৰেনক

।। সংগ্ৰাহক ঃ জয়ন্ত ফুকন, ভাস্কৰ বৰুৱা।।

# বিশ্ব সন্ত্ৰাসবাদ আৰু মানৱ সভ্যতা

**অৰুন্ধতী গোস্বামী**
স্নাতক তৃতীয় বৰ্ষ(বিজ্ঞান শাখা)

এনচাইক্ল'পেডিয়া অৱ চ'চিয়েল চায়ন্সৰ মতে সন্ত্ৰাসবাদ হৈছে "The open defiance of law and it is the means whereby an opposition aims to demoralise a governmental authority to undermine its power and initiate a revolution or counter-revolutions and the moral and plitication justification of terrorism proceeds from its considerationof existing government as a usurper of the people's power."

বৰ্ত্তমান সময়ত বিশ্ব সন্ত্ৰাসবাদ বুলিলে মূলতে সকলোৰে মনলৈ ৰাজনৈতিক সন্ত্ৰাসবাদৰ কথাই আহে। এনে সন্ত্ৰাসবাদ হৈছে সমাজৰ সংখ্যালঘুসকলে এটা নিৰ্দিষ্ট মতৰ দ্বাৰা অনুপ্ৰাণিত হৈ সমাজত গৃহীত এটা সিদ্ধান্তৰ বিৰুদ্ধে কৰা প্ৰত্যক্ষ অথবা পৰোক্ষ হিংসাত্মক বিপ্লৱ। বৰ্ত্তমান সময়ত সমগ্ৰ বিশ্বতে সন্ত্ৰাসবাদে আতংকৰ সৃষ্টি কৰি গোটেই প্ৰক্ৰিয়াটোকে গুৰুতৰ সামাজিক ব্যাধি হিচাপে চিহ্নিত কৰিছে। এনেকুৱা এটা সামাজিক সমস্যাৰ বিভীষিকাত সমগ্ৰ বিশ্বতে দৈনিক বহুলোকে আওমৰণে মৃত্যুমুখত পৰিবলগীয়া হৈছে, সম্পদ নষ্ট হৈছে আৰু সমগ্ৰ বিশ্বৰে প্ৰায় প্ৰতিখন ৰাষ্ট্ৰই কম বেছি পৰিমাণে অৰ্থনৈতিকভাৱে জুৰুলা হৈছে। বৰ্ত্তমান আধুনিক প্ৰযুক্তিবিদ্যাৰ যুগত মানৱ সমাজে অসাধ্য সাধন কৰি সভ্যতাৰ উচ্চশিখৰত উপনীত হৈছেগৈ। এনে এটা সন্ধিক্ষণত, সন্ত্ৰাসবাদে বিয়পোৱা হিংসা আৰু আতংকত পৃথিৱীৰ জনসাধাৰণ ভীতিগ্ৰস্ত হৈছে আৰু মানৱ সভ্যতা বিপন্ন হৈছে। সকলোধৰণৰ সন্ত্ৰাসবাদীৰ আক্ৰমণে সময়ে সময়ে ক্ষত-বিক্ষত কৰিছে মানৱ সভ্যতাক। শ-শ বছৰ ধৰি গঢ়ি উঠা মানৱ সভ্যতা প্ৰয়োজনীয় সকলো দিশৰ পৰা পৰিপুষ্ট হৈ ধৰ্মীয় গোড়ামি, অন্ধবিশ্বাস, কু-সংস্কাৰৰ পৰা মুক্ত হোৱাটোৱেই সমগ্ৰ পৃথিৱীৰ শান্তিপ্ৰিয় তথা প্ৰগতিবাদী জনগণৰ কাম্য। কিন্তু এই যুগটো, সৌ-সিদিনা মানৱ সভ্যতাৰ অতুলনীয় নিদৰ্শনৰূপে স্বীকৃতি লাভ কৰা আফগানিস্থানৰ হাজাৰ বছৰীয়া প্ৰাচীন বাৰ্মিয়ান বুদ্ধমূৰ্তি সমূহক ধ্বংস কৰাৰ লগতে তালিবান প্ৰশাসনৰ সমস্ত মধ্যযুগীয়া আদিম কাণ্ডই বিশ্ববাসীক স্তম্ভিত কৰাৰ লগতে মানৱ সভ্যতাক কলুষিত কৰিছে। বিভিন্ন দিশত হোৱা উন্নতি আৰু আৱিস্কাৰেৰে পুষ্ট হৈ গঢ়ি উঠা মানৱ সভ্যতাই যেন ক্ষন্তেকতে আদিম বৰ্বৰতাৰে ভৰা পাশৱিক যুগলৈ উৰা মাৰে সন্ত্ৰাসবাদৰ কবলত পৰি। সন্ত্ৰাসবাদৰ বিভীষিকাৰ পৰা যেতিয়ালৈকে মানৱ সমাজ মুক্ত নহয়, তেতিয়ালৈকে মানৱে জানো নিজকে সভ্য বুলিব পাৰিব; সভ্যতাৰা পৰিচয় দিব পাৰিব। কাৰণ, সন্ত্ৰাসবাদে জন্ম দিয়ে মানুহৰ মনত আতংক আৰু ভীতিগ্ৰস্ততা য'ত সভ্যতা হৈ পৰে অৰ্থহীন।

প্ৰস্তৰ যুগত মানৱ সভ্যতাৰ বিকাশ হোৱা নাছিল, খাদ্য-বস্ত্ৰ সকলোতে আছিল অভাৱ। কিন্তু বৰ্ত্তমান খাদ্য-বস্ত্ৰৰ কথা বাদেই, ইন্টাৰনেটে পৃথিৱীখন সৰু কৰি পেলোৱাৰ সময়ত, মানৱ ক্লনিংৰ সম্ভাৱনাৰ সময়ত যদি সন্ত্ৰাসবাদে নিমিষতে অগণন সভ্য মানৱৰ জীৱন মৃত্যুত পৰিণত কৰিব পাৰে, আণৱিক বোমাই মানৱ জীৱৰ, অজ্ঞান জীৱ-জন্তুৰ লগতে পৰিবেশৰ প্ৰতিটো উপাদানলৈকে বিভীষিকা নমাই আনিব পাৰে, সন্ত্ৰাসবাদত পতিত হোৱা ৱৰ্ল্ড ট্ৰেড চেন্টাৰৰ বীভৎস লোমহৰ্ষক দৃশ্যই গোটেই পৃথিৱীৰ মানুহৰ হৃদয়ত আলোড়ন সৃষ্টি কৰিব পাৰে, তেন্তে মানৱ সভ্যতাৰ প্ৰতীকসমূহেৰে গৰ্বিত হৈ নিজকে সভ্য মানৱ বুলি দাবী কৰাৰ থল প্ৰকৃততে বিশ্ববাসীৰ থাকিব জানো। তেনে পৰিবেশত নিজকে জীৱশ্ৰেষ্ঠ বুলি ঘোষণা কৰাৰ পৰিবৰ্ত্তে তথাকথিত মানৱ-সভ্যতা হৈ পৰিব অৱক্ষয়ৰ প্ৰতীক।

বিশ্বৰ সকলোবোৰ সন্ত্ৰাসবাদৰ কাৰণ সম্পৰ্কে আমি যদি গভীৰ ভাৱে ভাবি চাওঁ তেন্তে দেখা যায় যে বিশ্ব-সন্ত্ৰাসবাদৰ উৎপত্তিৰ মূলতে আছে সাম্ৰাজ্যবাদী নীতি। এনে সন্ত্ৰাসবাদৰ আৰম্ভণি হয় অৱহেলা, শোষণ আৰু নিপীড়নৰ ক্ষোভত দগ্ধ হৈ শাসকৰ বিৰুদ্ধাচৰণ কৰাৰ উদ্দেশ্যে। প্ৰকৃততে আদিম সাম্যবাদী সমাজ ব্যৱস্থাৰ পতনৰ পাছত যেতিয়াই



সমাজত শাসক আৰু শোষিত এই দুই শ্ৰেণীৰ আবিৰ্ভাৱ হৈছিল, তেতিয়াৰে পৰা দুয়ো গোষ্ঠীৰ মাজত থকা সামাজিক ব্যৱধানে সংগ্ৰামৰ সূচনা কৰিছিল যি সময়ে সময়ে জটিল ৰূপ ধাৰণ কৰি মৃত্যু আৰু ধ্বংসও মাতি আনিছিল। এনে বহুতো উদাহৰণ ইতিহাসত পোৱা যায়। যেনে খ্ৰীঃ পূঃ প্ৰথম শতিকাতে স্পাৰ্টাকাচৰ নেতৃত্বত দাস মালিকৰ বিৰুদ্ধে হোৱা সংগ্ৰাম। পাছত ধনতন্ত্ৰৰ পৰিণতি হিচাপে গঢ়ি উঠা ইংলেণ্ড, আমেৰিকা, ফ্ৰান্সৰ দৰে ধনী আৰু উন্নত দেশসমূহে নিজৰ সাম্ৰাজ্যবাদী নীতিৰে পৃথিৱীৰ আন দেশসমূহত উপনিবেশ গঢ়ি তোলাৰ চেষ্টা কৰিছিল। এনে সাম্ৰাজ্যবাদী শক্তিৰ প্ৰত্যক্ষ অথবা পৰোক্ষ অত্যাচাৰ আৰু শোষণৰ ফলত সৃষ্টি হোৱা অসন্তুষ্টিয়ে প্ৰতিখন দেশতে সৃষ্টি কৰিলে সংগ্ৰাম। ৰাছিয়া, ভাৰতকে ধৰি বিভিন্ন দেশত বিপ্লৱীয়ে সশস্ত্ৰ সংগ্ৰামৰ সৃষ্টি কৰিলে। বৃটিছ সাম্ৰাজ্যবাদী সকলৰ নেতৃত্বত ভাৰতত জালিয়ানৱালাবাগৰ দৰে নিৰ্মম হত্যাকাণ্ড সংঘটিত হ'ল। এনে সশস্ত্ৰ সংগ্ৰামীক সাম্ৰাজ্যবাদীসকলে আখ্যা দিছিল - 'সন্ত্ৰাসবাদী' কিন্তু তেওঁলোক আছিল নিজকে শোষণৰপৰা মুক্ত কৰিব বিচৰা প্ৰকৃত বিপ্লৱী।

কিন্তু বৰ্ত্তমান সমাজত বিশ্ব আলোড়ন সৃষ্টিকাৰী যি সন্ত্ৰাসবাদৰ কথা আমি আলোচনা কৰিব বিচাৰিছোঁ, সেয়া হ'ল সমাজত অস্থিৰতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা, সৰ্বসাধাৰণ ৰাইজক সন্ত্ৰাসিত কৰি তেওঁলোকৰ মাজৰ সদ্ভাৱ বিনষ্ট কৰিব বিচৰা, আৰু নিজকে ক্ষমতাশালী কৰি ৰখাৰ স্বাৰ্থত গঢ়ি উঠা জনবিৰোধী শক্তিসমূহ যিবোৰ পৰোক্ষভাৱে হ'লেও সাম্ৰাজ্যবাদী দেশসমূহেই জন্ম দিয়া। এনে সাম্ৰাজ্যবাদী মনোভাৱৰ ফলতেই পৃথিৱীৰ জনসাধাৰণ দুখনকৈ বিশ্বযুদ্ধৰ সন্ত্ৰাসত জৰ্জৰিত হ'ব লগা হৈছিল। কিন্তু দ্বিতীয় বিশ্বযুদ্ধৰ পাছত গণতন্ত্ৰ আৰু সমাজ-তন্ত্ৰৰ আৱিৰ্ভাৱে সাম্ৰাজ্যবাদৰ প্ৰভাৱ যথেষ্ট কমালে আৰু আমেৰিকাৰ সাম্ৰাজ্যবাদী শক্তিয়ে সমগ্ৰ বিশ্বতে আটাইতকৈ ক্ষমতাশালী শক্তিৰূপে আত্ম প্ৰকাশ কৰিলে। লগে লগে নিজস্ব আধিপত্য আৰু বাণিজ্যৰ প্ৰসাৰৰ অৰ্থে নিত্য নতুন কৌশল উদ্ভাৱন কৰিলে। এনে কাৰ্য্যৰ বিৰোধিতা কৰা গণতান্ত্ৰিক বিপ্লৱী চৰকাৰ সমূহক নিৰ্মূলৰ বাবেও গুপ্তচৰ সন্থা চি. আই. এ'ৰ অৰ্থ সাহাৰ্য্যত উদ্ভৱ হ'ল বিভিন্ন দেশত বিভিন্ন সন্ত্ৰাসবাদী সংগঠন। তেনে সন্ত্ৰাসবাদীৰ হাততেই নিহত হৈছিল আফ্ৰিকাৰ কৃষ্ণাংগ নেতা পেট্ৰিচ লুমুম্বা, বলিভিয়াৰ বিপ্লৱী ছে-গুৱেভাৰা। আকৌ মাৰ্কিন নেতৃত্বতেই আৰম্ভ হোৱা উপসাগৰীয় যুদ্ধই ইৰাকক সন্ত্ৰাসেৰে জৰ্জৰিত কৰিছিল। ইণ্ডোনেছীয়াত মাৰ্কিন সমৰ্থনতেই ৫০-৬০-৭০ দশকত জেনেৰেল চুহাৰ্টোৱে প্ৰায় পাঁচ লাখ কমিউনিষ্টক হত্যা কৰিছিল। তেনেদৰে লিবিয়াৰ বিপ্লৱৰ নেতা পাদ্দাফি আৰু কিউবাৰ কমিউনিষ্ট নেতা ফিডেল কাষ্ট্ৰক হত্যাৰ চেষ্টা চলোৱাটোও বিশ্ব সন্ত্ৰাসৰ জলন্ত উদাহৰণ। ১৯৭৭ চনত তুৰস্কত সংঘটিত হোৱা ২৬২ টা ৰাজনৈতিক গুপ্ত হত্যাকাণ্ড, নিকাৰাগুৱাত ফেচিষ্ট জুন্টাৰ নেতৃত্বত হোৱা ৩০০০ লোকৰ হত্যা, ১৯৮০ চনৰ ৭ আগষ্টত বিলিভিয়াত ২০০০ কৃষকৰ হত্যা আৰু অংগছেদৰ উপৰিও চিলি, আৰ্জেন্টিনা, ভীয়েটনাম, কাম্পুচিয়া, লাওচ আদিত সংঘটিত অসংখ্য নাৰকীয় হত্যাকাণ্ডাৰ সন্ত্ৰাসৰ উদাহৰণে বিশ্ব সন্ত্ৰাসৰ প্ৰকৃত ছবিখন দাঙি ধৰে। গতিকে সাম্ৰাজ্যবাদী শক্তিয়েই যে বিশ্ব-সন্ত্ৰাসবাদ সৃষ্টিৰ বাবে ঘাইকৈ জগৰীয়া এইটো নিশ্চিত।

এনেদৰেই যোৱা কেইটামান দশক ধৰি আমেৰিকাই ইছলামিক দেশসমূহত নিজৰ অধিপত্য বিস্তাৰ কৰিবলৈ গৈ বিভিন্ন সন্ত্ৰাসবাদী সংগঠনৰ জন্ম দিছিল আৰু লালন-পালন কৰিছিল। তাৰ এটা জলন্ত উদাহৰণ হ'ল - তালিবান তথা ওচামা বিন লাডেন। আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰৰাষ্ট্ৰ বিভাগদ্বাৰা প্ৰচাৰিত তথ্য অনুযায়ী ১৯৬৮ চনৰ পৰা ১৯৮০ চনলৈকে সমগ্ৰ বিশ্বত ৭৩০০ টা সন্ত্ৰাসমূলক কাৰ্য্য সংঘটিত হৈছিল('ৰাজনৈতিক সন্ত্ৰাসবাদ -সাম্ৰাজ্যবাদৰ প্ৰত্যক্ষ ফল' - পৃষ্ঠা ৭)।

বিশ্ব ইতিহাসত এনে বহুতো সন্ত্ৰাসবাদৰ উদাহৰণ পোৱা যায় যি সময়ে সময়ে মানৱ সভ্যতাক বেয়াকৈ জুৰুলা কৰিছে।

বিশ্ব-সন্ত্ৰাসবাদ বুলিলে বৰ্ত্তমান সময়ত সকলোৰে মনত ভাঁহি উঠে ৱৰ্ল্ড ট্ৰেড চেন্টাৰ ধ্বংসৰ লোমহৰ্ষক দৃশ্য, আমেৰিকাৰ প্ৰতিৰক্ষা দপ্তৰৰ সদৰ কাৰ্য্যালয় পেন্টাগণৰ বিধ্বংসী দৃশ্য আৰু তালিবান তথা ওচামা বিন লাডেনৰ প্ৰতিচ্ছবি। এই বছৰৰ ১১ চেপ্তেম্বৰত ৱৰ্ল্ড ট্ৰেড চেন্টাৰত হোৱা এই ভয়ানক সন্ত্ৰাসবাদী আক্ৰমণটোৱেই হৈছে পৃথিৱীৰ আটাইতকৈ জঘন্যতম সন্ত্ৰাসবাদী কাৰ্য্যকলাপ। যাত্ৰীবাহী বিমানৰ খুন্দাত ক্ৰমে ৱৰ্ল্ড ট্ৰেড টেন্টাৰ, পেন্টাগণৰ কাৰ্য্যালয় আৰু পেনচিলভেনিয়াৰ জনবসতি পূৰ্ণ এলেকা ধূলিসাৎ হৈ পৰে। ভূ-পতিত কৰা বিমান কেইখনৰ তাৎক্ষণিক আক্ৰমণত বিশ্বৰ সৰ্ববৃহৎ বাণিজ্যিক কেন্দ্ৰৰ ১১০ মহলীয়া ভৱনটো ছাইলৈ পৰিৱৰ্ত্তন হয়। লগে লগে প্ৰায় ১০০০০ লোকৰ প্ৰাণ

নাশ আৰু প্ৰায় ৯০ বিলিয়ন ডলাৰৰ সম্পত্তি নাশ হয়। সমগ্ৰ বিশ্বৰ বিবেকশীল জনগণে তীব্ৰ ভাষাৰে ইয়াক গৰিহণা দিয়ে আৰু ক্ষোভ প্ৰকাশ কৰিছে। এনে হৃদয় কঁপাব পৰা ঘটনাই সমগ্ৰ বিশ্বৰ শান্তিপ্ৰিয় জনগণক সন্ত্ৰাসবাদৰ প্ৰকৃত ৰূপ আৰু ভয়ানক বিভীষিকাৰ লগত যেন পুনৰ নতুনকৈ চিনাকি কৰি দিলে।

এনে সন্ত্ৰাসবাদী কামৰ বাবে আমেৰিকা আৰু সহযোগী দেশসমূহে আফগানিস্থানৰ ওচামা বিন লাডেন তথা তেওঁৰ সংগঠন 'আল-কায়েদা'ক জগৰীয়া কৰি সন্ত্ৰাসবাদ নিৰ্মূলৰ বাবে যুদ্ধ চলাইছে। হাজাৰ হাজাৰ নিৰীহ আমেৰিকাবাসীৰ জীৱনলৈ অন্ধকাৰ নমাই অনা তালিবানৰ এই সন্ত্ৰাসবাদী আক্ৰমণটোৱে সমগ্ৰ বিশ্বক সন্ত্ৰাসবাদৰ নিষ্ঠুৰতাৰ জঘন্য দিশটোৰ বিৰুদ্ধে ব্যাপক আলোড়নৰ সৃষ্টি কৰিছে। ই হৈ ৰ'ব বিশ্ব ইতিহাসত সন্ত্ৰাসবাদৰ জঘন্যতম অধ্যায়।

বিশ্বৰ সন্ত্ৰাসবাদৰ আন এটা উল্লেখযোগ্য উদাহৰণ হৈছে - ভাৰতবৰ্ষৰ কাশ্মীৰ উপত্যকাৰ সন্ত্ৰাসবাদ। ইয়াত সক্ৰিয় হৈ থকা কেইটামান সন্ত্ৰাসবাদী সংগঠন হৈছে -

ক) লস্কৰ-ই-তৈবা - ১৯৯০ চনত গঠিত এই সন্ত্ৰাসবাদী সংগঠনটোৱে কাশ্মীৰ উপত্যকাত আত্মঘাতী আক্ৰমণ চলোৱাত জড়িত। কাৰগিল যুদ্ধত ই ভাৰতীয় সেনাৰ বিৰুদ্ধে যুঁজিছিল।

খ) হৰকট-উল-মোজাহিদিন - ১৯৯৭ চনত গঠিত আৰু ইয়াৰ আল-কায়েদাৰলগত সু-সম্পৰ্ক আছে।

গ) জেইচ-ই-মহম্মদ - মৌলানা মাচুদ আজাহাৰৰ নেতৃত্বত এই সংগঠনটো ২০০০ চনত গঠিত হৈছে। ইও বিন লাডেন তথা তালিবানৰ সমৰ্থন পুষ্ট। যোৱা ১ অক্টোবৰত শ্ৰীনগৰৰ বিধান সভা ভৱনত আত্মঘাতী বোমা বিস্ফোৰণ ঘটোৱাত এই সংগঠনটো জড়িত।

ঘ) আল-বদৰ-মোজাহিদিন - এইটো হৈছে ইছলামিক সংগঠন জামাত ই-ইছলামৰ সামৰিক বিভাগ, যাৰ নেতৃত্ব দিছে পাকিস্থানৰ পেছোৱাৰৰ নাগৰিক বখত জামানে।

তালিবান আৰু আল-কায়েদাৰ লগত সম্পৰ্ক থকা এনে সন্ত্ৰাসবাদী সংগঠনসমূহে বিশ্বত আতংকৰ সৃষ্টি কৰি মানৱ সভ্যতা পংগু কৰি তুলিছে। উল্লেখযোগ্য যে ইয়াৰ আগতেও লাডেনে ১৯৯৩ চনত ৱৰ্ল্ড ট্ৰেড চেন্টাৰৰ আক্ৰমণ, ১৯৯৮ চনত কেনিয়া তাঞ্জানিয়াৰ আমেৰিকাৰ দূতাবাস আৰু যোৱাবছৰ য়েমেনত আক্ৰমণ চলোৱাৰ উদাহৰণ আছে। ইয়াৰ উপৰিও শ্ৰীলংকাৰ সু-সংগঠিত কাৰ্য্যক্ষম আৰু শক্তিশালী সন্ত্ৰাসবাদী সংগঠন এল.টি.টি.ই (লিবাৰেশ্যন টাইগাৰ্চ অৱ তামিলত এলেম)ৰ জন্ম হয় তামিল আৰু সিংহলী সকলৰ মাজত থকা সম্পৰ্কৰ অৱনতিৰ বাবেই। ভাৰতৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে এনে সন্ত্ৰাসবাদী আক্ৰমণতেই প্ৰাণ হেৰুৱাইছিল ১৯৯১ চনত।

আকৌ অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলত কেইবাটাও সন্ত্ৰাসবাদী সংগঠনে সততে জনসাধাৰণক ধনদাবী, অপহৰণ, হত্যা, বোমা-বিস্ফোৰণ আদিৰে ত্ৰাসিত কৰি ৰাখিছে। উল্লেখযোগ্য যে এই সংগঠন সমূহ অন্য দেশৰদ্বাৰা সমৰ্থন পুষ্টও হোৱা দেখা যায় কোনো কোনো ক্ষেত্ৰত। এই সংগঠন সমূহৰ ভিতৰত হ'ল -

ক) অসমৰ UlFA (United Liberation Front of Assam)

NDFB (National Democratic Front of Bodoland)

খ) নাগালেণ্ডৰ NSCN (National Socialist Council of Nagaland)

গ) মিজোৰামৰ MNF (Mizo National Front)

সন্ত্ৰাসবাদ যে কেৱল সাম্ৰাজ্যবাদৰে ফল, এনে নহয়। বিশ্বৰ কোনো কোনো অঞ্চলত দেখা যায় যে যুৱসমাজ প্ৰচলিত সমাজ তথা জীৱনৰ ভাৱাদৰ্শৰ প্ৰতি আকৃষ্ট নহৈ হতাশাজনক মনোভাৱেৰে এটা বিশৃংখল সামাজিক জীৱন-যাপন কৰিবলৈও সন্ত্ৰাসৰ আশ্ৰয় লয়। ই হয়তো হ'ব পাৰে কোনো বিশেষ ভাষা-গোষ্ঠীৰ অস্তিত্ব ৰক্ষাৰ চেষ্টা বা কোনো শাসনৰ অৱহেলিত মনোভাৱে সৃষ্টি কৰা গভীৰ অসন্তুষ্টিৰ প্ৰকাশ।

আকৌ কোনো কোনো ক্ষেত্ৰত সন্ত্ৰাসবাদ কেতিয়াবা হৈ পৰে প্ৰতিশোধৰ অস্ত্ৰ। ১৯৪১ চনৰ ৭ ডিচেম্বৰত জাপানৰ বিমান বাহিনীয়ে আমেৰিকাৰ পাৰ্ল হাৰ্বৰত থকা নৌ-বহৰত কৰা নিৰ্মম সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ফলশ্ৰুতি আছিল জাপানত সংঘটিত নাগাচাকি-হিৰোচিমাৰ ভয়ংকৰ ধ্বংসলীলা। পাৰ্ল-হাৰবাৰ আৰু নাগাচাকি-হিৰোচিমাৰ ধ্বংসলীলা বিশ্বৰ মানৱ সভ্যতাৰ ইতিহাসত সন্ত্ৰাসবাদৰ এক কলংকিত অধ্যায়।



সন্ত্ৰাসবাদৰ বিভীষিকাই মানৱ জাতি আৰু সভ্যতাৰ অগ্ৰগতিত বাধা দিছে, মানুহৰ নৈতিকতাৰ স্খলন হৈছে, মানুহৰ অন্তৰৰ পৰা দয়া-ক্ষমা আদিৰ দৰে মানৱীয় অনুভূতিসমূহ হেৰাই গৈছে। হত্যা-অপহৰণ, ধনদাবীৰ বাতৰিয়ে মানুহক সকলো সময়তে সন্ত্ৰস্ত কৰি ৰাখিছে। ৰাজহুৱা স্থানত সঘনাই হোৱা বোমা বিস্ফোৰণৰ ঘটনাই মানৱ-জীৱন, ধন সম্পত্তিৰ বিনাশ কৰাৰ উপৰিও প্ৰাকৃতিক পৰিবেশ প্ৰদূষিত কৰিছে। সন্ত্ৰাবাদৰ বিভীষিকাত যে আণৱিক অস্ত্ৰইয়ো ঠাই নাপাব -তাক কোনেও নুই কৰিব নোৱাৰে। তেনে এক পৰিবেশত নিশ্চয় পৃথিৱীৰ জীৱ-জগতৰে আটাইতকৈক ক্ষতি হ'ব। জাপানৰ হিৰোচিমা-নাগাচাকিৰ আক্ৰমণে সেই ঠাইৰ মাটি-বায়ু, সকলোতে প্ৰদূষণ সৃষ্টি কৰি বসবাসৰ অনুপযোগী কৰি তুলিলে। আকৌ সম্প্ৰতি বিশ্বত আতংক সৃষ্টিকাৰী 'জৈৱিক-সন্ত্ৰাসবাদ' যেনে এনথ্ৰাক্সৰ আতংক এই ক্ষেত্ৰত উল্লেখযোগ্য যি হয়তো পৃথিৱীৰ পৰা জীৱৰ বিলুপ্তি ঘটোৱাৰ উপক্ৰম কৰিব পাৰে।

এনেধৰণৰ শাৰীৰিক মৃত্যুৰ লগতে সন্ত্ৰাসবাদে মানৱ-সমাজলৈ মানসিক মৃত্যুও মাতি আনে ভয়-উত্তেজনাৰ সৃষ্টি কৰি। এনে ভয়ৰ তাড়নাতে মানুহে কেতিয়াবা সৎপথৰ পৰা বিচলিত হ'ব লগাও হৈছে। এনেদৰে মানুহক কাপুৰুষলৈ পৰ্যবেসিত কৰিমানসিকভাৱে পংগু কৰাৰ সময়ত মানৱ সভ্যতাৰ বিকাশ অসম্ভৱ হৈছে। সেয়েহে হয়তো সমাজ বিজ্ঞানী ডানচনে কৈছে, "Terrorism is politcal, goal oriented action involving the use or threat of extra-ordinary violence performed for psychological rather than material effect and victims of which are symbolic rather than instrumental."

সন্ত্ৰাসবাদীয়ে এই কথা বুজা উচিত যে সন্ত্ৰাসৰ কবলত পৰি মানুহে যি কৃত্ৰিম বশ্যতা স্বীকাৰ কৰে, সি কেতিয়াও স্থায়ী নহয়। কাৰণ সন্ত্ৰাসবাদীয়ে বন্দুকৰ ভয় দেখুৱাই কেতিয়াও মানুহৰ মন জয় কৰিব নোৱাৰে। হত্যা-অপহৰণ কেতিয়াও প্ৰতিবাদ বা প্ৰত্যাহ্বানৰ অস্ত্ৰ হ'ব নোৱাৰে।

সন্ত্ৰাসবাদী কোনো এক বিশেষ আদৰ্শৰ আনুগত্যৰ বাবে হিংসাত্মক কাৰ্যত লিপ্ত হয় যি আদৰ্শৰ আনুগত্য সাধাৰণতে তেওঁলোকৰ মনত আনেহে সঞ্চাৰ কৰে। মানৱ সভ্যতাত দেখা দিয়া এই খনেই আটাইতকৈ দুখৰীয়া ছবি যে মানুহে আজিও মানৱ-জাতিৰ লগত একাত্মতা অনুভৱ কৰিব পৰা নাই- বৰঞ্চ একাত্মতা অনুভৱ কৰিছে কোনো এক বিশেষ জাতি বা গোষ্ঠীৰ লগতহে।

সন্ত্ৰাসবাদ দমনৰ বাবে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰই বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ভাৰততো POTO (Prevention of Terrorism Ordinance আইনখন এনে এক পদক্ষেপ। কিন্তু সেনা-বাহিনী প্ৰয়োগ আৰু আইন প্ৰণয়নেই সন্ত্ৰাসবাদৰ জুই নুমোৱাৰ বাবে যথেষ্ট নহয়। কাৰণ এতিয়াও ইয়াত প্ৰত্যক্ষ বা পৰোক্ষভাৱে ইন্ধন যোগাইছে বিশ্ব ক্ষমতালোভী এচাম মানৱে।

সমগ্ৰ বিশ্বৰ জনগণৰে মানসিক চিন্তা ধাৰা বেলেগ বেলেগ হ'লেও সকলোৰে আধ্যাত্মিক সত্য অন্বেষণৰ পথ একেটাই। কাৰণ সমগ্ৰ বিশ্বই শান্তিৰ প্ৰতীক হিচাপে গণ্য কৰা নেলচন মেণ্ডেলাক তেওঁৰ চৰকাৰে সুদীৰ্ঘ কাল কাৰাৰুদ্ধ কৰিছে সন্ত্ৰাসবাদী হিচাপে হত্যাৰ অপৰাধত। আকৌ ভাৰতত ভগত সিং, চন্দ্ৰশেখৰ আজাদ, সূৰ্য সেনৰ দৰে অপৰাজেয় বীৰক ইংৰাজে সন্ত্ৰাসবাদী বুলি মৃত্যু দিয়াৰ কৰুণ প্ৰমাণ আছে।

মুঠতে সন্ত্ৰাসবাদ নিবাৰণৰ অৰ্থে মানৱীয় মূল্যবোধৰ অনুগামী সমগ্ৰ বিশ্বৰ জনগণে একগোট হৈসকলো শ্ৰেণীৰ লোকৰ সমস্যা, আক্ষেপ-অনুভূতিৰ প্ৰতি শ্ৰদ্ধাশীল হৈ কাৰ্যপন্থা গ্ৰহণ কৰিব লাগিব। তেতিয়াহে হয়তো শান্তি পূৰ্ণ সমাধান সম্ভৱ হ'ব। যুদ্ধৰ পথেৰে সামাজিক সমস্যাৰ সমাধান অসম্ভৱ। মানুহৰ প্ৰতি মানুহৰ প্ৰকৃত ভালপোৱাইহে সামাজিক সমস্যা সমাধান কৰি এক সুস্থ মানৱ সভ্যতা গঢ়ি তুলিব পাৰিব। সেয়েহে বিখ্যাত সাহিত্যিক Somerset Momএ কৈছিল - "The great tragedy of life is not chat man perish, but that they cease to love"

....................

# মিচিং সমাজৰ অই নিঃতম

**ৰণোজ টায়ে**
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত বসবাস কৰা জনগোষ্ঠীসমূহৰ ভিতৰত এটি উল্লেখযোগ্য জনগোষ্ঠী হ'ল মিচিং সকল। অসমৰ শিৱসাগৰ, ডিব্ৰুগড়, লক্ষীমপুৰ, যোৰহাট, শোণিতপুৰ আদি জিলাৰ উপৰিও অৰুণাচল প্ৰদেশৰ ছিয়ণ আৰু লোহিত জিলাতো মিচিং লোক সকলৰ বাসস্থান অৱস্থিত। মিচিং সকল প্ৰধানতঃ কৃষিজীৱি। কৃষিয়েই মিচিংসমাজৰ জীৱিকাৰ একমাত্ৰ অৱলম্বন।

অসমৰ বিভিন্ন জনগোষ্ঠীৰ যেনেকৈ নিজস্ব লোকগীত আছে সেইদৰে মিচিং জাতিৰো নিজা সুৰ আৰু কথাৰে বৈচিত্ৰময় লোকগীত আছে। আঃবাংকাবান তীব তীকাং, বৃনিনিঃতম, মিদাংনিঃতম, অইনিঃতম, কঃনিনামা আদি মিচিংসমাজৰ লোকগীত। মিচিং ভাষাত প্ৰচলিত এই গীতবোৰৰ ভিতৰত অইনিঃতম বা ঐনিতম অন্যতম। জনপ্ৰিয়তাৰ ফালৰপৰা ঐনিতম বা অই নিঃতমৰ আটাইবোৰ লোকগীতৰ শীৰ্ষত। অইনিঃতম বুলিলে মিচিঙৰ ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী আদি সকলোৰে আদৰৰ দৃষ্টিৰে চায়। অই নিঃতমৰ ভাৱ-ভাষা আৰু সুৰে সকলোৰে অন্তৰত এক নতুন পুলক সঞ্চাৰ কৰে, অনাবিল আনন্দ বিলায়।

আইনিঃতম দুটি পদৰ সমষ্টি। মিচিং ভাষাত 'অই' শব্দ সম্বোধনত মৰমৰ, চেনেহৰ, প্ৰিয়জন আদি সূচায়। বক্তাজনতকৈ বয়সত সৰু হ'লে যিকোনো ব্যক্তিকে মৰমেৰে 'অই' বুলি সম্বোধন কৰি মাতিব পাৰে। আনহাতে প্ৰেমিক বা প্ৰেমিকাকো অন্তৰৰ প্ৰতি আপোনজন বুলি ভাবি 'অই' শব্দৰে সম্বোধন কৰা দেখা যায়। এই অৰ্থত 'অই' শব্দই প্ৰেমিক বা প্ৰেমিকাক বুজায়। নিঃ ধাতু নিচুকুৱা, অৰ্থাৎ মৰমৰ গীত গাই নিচুকুৱা বা ভুলোৱা। 'তম' প্ৰত্যয়ে বুজায় উদ্দেশ্য, অৰ্থাৎ যাক উদ্দেশ্য কৰি গোৱা হয়। এই তিনিওটাৰ (অই + নিঃ + তম) সমষ্টিকে অইনিঃতম বা ঐনিতম বোলা হয়। এই তিনিওটা পদৰ অৰ্থ হ'ল প্ৰেমক উদ্দেশ্য কৰি গোৱা গীত বা প্ৰেমৰ গীত।

এই অইনিঃতমবোৰ অতি সহজ সৰল আৰু পোনপটীয়া। মানুহৰ দৈনন্দিন জীৱনৰ শত ঘাত-প্ৰতিঘাতৰ মাজেদি অন্তৰত যি বেদনাৰ ঢৌ উঠে সেইটোৱে অইনিঃতমৰূপে প্ৰকাশ পায়। সৰলতা, সু-সাধনা জীৱন জটিল সংঘাতৰ পাকচক্ৰত পৰি সকলো ওলট পালট দেখে, কল্পনাৰ সোণৰ সংসাৰ চকুৰ আগত ভাগি চুৰমাৰ হয়। এনেধৰণৰ অসহনীয় পৰিৱৰ্ত্তনে সকলোৰে জীৱনৰ ওপৰত বেদনাৰ কলা ডাৱৰে আৱৰি ধৰে। তেতিয়া সেই সৰল প্ৰাণে হাৰ মানি মনৰ বেদনা মাৰ নিয়াবলৈএক নতুন পথ ৰচনা কৰে। সেয়ে হ'ল কবিতা বা সঙ্গীত। এই কবিতা আৰু সঙ্গীতত আঁকা থাকে হিয়াত গুজৰি উঠা ভাৱৰ অনুভূতিবোৰ আৰু কল্পনাৰ মধুৰ সপোনবোৰ। অইনিঃতমৰ শাৰীয়ে শাৰীয়ে তেনে ধৰণৰ ভাৱ-অনুভূতি, কল্পনাৰ সহজ-সৰল প্ৰকাশ বিদ্যামান। ইয়াত জিলিকি উঠে জগতৰ আটাইতকৈ পীড়িত, অৱহেলিত দুখীয়া কৃষক সমাজৰ দুখৰ সংসাৰখন।

এই অইনিঃতমবোৰ ৰচনা-কৌশলত একো ভাষা জটিলতা বা ভাৱৰ গভীৰতা নাই; আছে মাথো সহজ সৰল আৰু পোনপটীয়া মাধুৰী। ই পৌৰণিক কাব্য-সাহিত্যৰ ছন্দৰ এনে ধৰাবন্ধা নিয়ম নেমানে। সি যেনে ভাৱে নিজৰ প্ৰাণৰ অনুভূতিক প্ৰকাশৰ ভাষা পাইছে তাৰেই ৰচনা কৰিছে। এই গীত কেইবাটাও সুৰত গাব পাৰি আৰু আটাইকেইটা সুৰেই কৰুণ সুৰ।

অইনিঃতমৰ কেইটামান উদাহৰণ তলত দাঙি ধৰা হৈছে ঃ-

ক) আচি চিকুৰ, চিকুৰ্‌ক মিক্‌চি চিকুৰ, চিকুৰ্‌ক আচি চিকুৰ, পৃন্‌য়েপী মিকৃচি চিকুৰ পৃ-নপীমা।

অৰ্থ ঃ পানীৰ জুৰিও এবিধ জুৰি। চকুৰপানীও এবিধ জুৰি। জুৰিৰ পানী শুকাব কিন্তু চকুৰ পানীৰ জুৰি কেতিয়াও নুশুকায়।



*খ) আচি বিদ্‌নাম্‌ তাদ্‌বেগ দ আচি*
*আবু কাংবেগ্‌মা*
*অইয়ী নম্‌ অই কাঃ বেগদ্‌ মীঃ নাম্‌ দঃ য়িং*
*কৃবেগ্মা।*

অৰ্থ ঃ জুৰি বৈ যোৱা নদীৰ কলকল শব্দ শুনিছো, জুৰি দেখা পোৱা নাই। প্ৰিয়তম, তোমাক দেখিছো, কিন্তু হৃদয়ৰ ভালপোৱাৰ কথা ক'বলৈ পোৱা নাই।

*গ) য়ম্‌দীঙই আয়িৰদ আচি তকাৰ গৃদয় দ*
*গাগৰি দীম্‌ কেম্ব লগা কয়েমলা য়িৰদা গাই*
*কলেমলা য়িৰ্‌ পঃযকা বীৰয়েমলা কাঃপয়*
*মুকুতাপিন্‌ আয়েদীনা আচিনাচ্মি ৰীগ্মাগনী*

অৰ্থ ঃ আবেলি পৰতে পানী অনাৰ ঘাটতে কাষতে খাগৰি হৈ মিচিকিয়াই হাঁহিছিলো, মিচিকিয়াই নাহাঁহিবা, বেকাকৈ নাচাবা, তোমাৰ মুকুতাহেন দাঁত দুপাৰিয়ে মোৰ হিয়া কামুৰি ধৰিছে।

উপৰোক্ত গীতবোৰৰ বাহিৰেও মিচিং সমাজত নানান লোককথা আৰু প্ৰৱচনৰ প্ৰচনল আছে। লোক কথাবোৰ পঞ্চতন্ত্ৰ বা ঈশপৰ সাধুৰ দৰে নীতিবচনমূলক নহয়। বেছিভাগেই জীৱজন্তু, পোক-পৰুৱা, মানুহ আৰু দেৱতাৰ উৎপত্তি বিষয়ক এই লোক কথাবিলাকৰ মূল উৎস হৈছে আঃবাং গীতবোৰ।

বৰ্ত্তমান কালছোৱাত মিচিং সকলৰ বাবে এটা যুগ সন্ধি আৰু যুগ পৰিবৰ্ত্তনৰ কাল বুলিব পাৰি। বিংশ শতিকাৰ আৰম্ভণিৰে পৰা অসমত হোৱা নানান ঘটনা যুদ্ধ-বিগ্ৰহ, বহি বিশ্বৰ প্ৰভাৱ, মিচিং সমাজ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ বৈজ্ঞানিক দৃষ্টি-যুক্তিৰ বিচাৰ আদি কাৰণত মিচিং সমাজৰ কিছু পৰিবৰ্ত্তনমুখী হোৱা দেখা গৈছে। যেতিয়ালৈকে অসমৰ লুইত,সোৱণশিৰী বৈ থাকিব তেতিয়ালৈকে মিচিং জনগোষ্ঠীৰ এই অইনিঃতমৰ লগতে বিভিন্ন ভাষা-সাহিত্য আৰু সৃষ্টিৰ মাজতে এটা প্ৰধান অঙ্গ হৈ অসমৰ বুকুতে চিৰদিন জিলিকি থাকিব।

••••••••••••••••••••••••

## অমৃত বাণী ঃ

ঃঃ *"তুমি নিজে এজন সাধু হোৱা আৰু তেতিয়া তুমি নিঃসন্দেহে ক'ব পাৰিবা যে অসৎ লোক পৃথিৱীৰ পৰা কমি গৈছে।"*

- কাৰ্লাইল

ঃঃ *"সত্যৰ আটাইতকৈ ডাঙৰ বন্ধু হ'ল সময়; অটাইতকৈ ডাঙৰ শত্ৰু হ'ল পক্ষপাত; নিজ সঙ্গী হ'ল বিনয়।"*

- ছাৰ্লছ কল্টন

ঃঃ *"সাজ-পোচাকে মানুহক ভদ্ৰ কৰি নোতোলে। সৎ চিন্তা, সৎ শিক্ষাইহে এজন প্ৰকৃত ভদ্ৰলোক হ'ব পাৰে।"*

- মহাত্মা গান্ধী

।। সংগ্ৰাহক ঃ জয়ন্ত ফুকন, ভাস্কৰ বৰুৱা।।

# জন বিশ্বাসত তামোল

**জিতু গগৈ**
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা শাখা)

*"কত জন্মৰ মুৰত পুত্ৰৱতী নাৰী*
*কত জন্মৰ মুৰত তামোলনী বাৰী"*

গৃহস্থৰ ঘৰত তামোলনী বাৰী নহ'লে গৃহস্থৰ মান-সন্মান, লগতে টকা পইচাৰো অভাৱ হয়। ইয়াৰ কাৰণ তুলনামুলক হিচাপে ধানতকৈ তামোলৰ মুলহে বেছি। অসমীয়াই তামোলক পুত্ৰৱতী নাৰীৰ লগত ৰিজাব খোজে। পুত্ৰৱতী নাৰী ভাগ্যৱতী আৰু ভাগ্যৱান হয় সেই নাৰীৰ পতি। সেইবাবে বাৰী পাতিব পৰা ভাগ্যবান খেতিয়কৰে ভাগ্য আৰু কৰ্মফল।

তামোলৰ বিষয়ে আমাৰ অসমীয়া সমাজত নানা জনবিশ্বাস আছে আৰু ই অতি প্ৰাচীন কালৰ পৰা প্ৰচলিত। তামোলৰ গুটি আদহীয়া মানুহে পাৰিলে সেই গুটিৰ পৰা হোৱা তামোল ফলযুক্ত হয় বুলি বিশ্বাস। তামোল পাৰোঁতে পাৰোঁতাই থোকটো চিঙোতে তললৈ মূৰকৰি চিঙিলে সেই তামোলৰ পৰা গজা পুলি গছ চাপৰতে লাগে। সাধাৰণতে তামোলৰ পুলি মানুহৰ এককাঁল হলেই ৰুবৰ উপযোগী হয়। তামোল পুলি ৰুওঁতে বহুত নিয়ম পালন কৰা দেখা যায়। সাধাৰণতে চ'ত আহাৰতো তামোলৰ পুলি ৰুৱে। কিন্তু বাৰিষাত ৰুলে পুলিবোৰৰ শিপা মেলি যায় বুলি বিশ্বাস কৰা হয়। পুলি ৰোওঁতে ৰোওঁতাই আহল-বহল ধুতি চোলা পিন্ধি ৰোৱা দেখা যায়। সাজপাৰে যেনেকৈ মানুহৰ শৰীৰ ঢাকি ৰাখে ঠিক তেনেকৈ তামোলৰ পাতে ভৱিষ্যতে ৰ'দ বৰষুণ সহিব পৰা কথাকে সূচায়। আহল বহল চোলা পিন্ধি জেপত কিবা ভৰাই ললে থোকত বেছি তামোল লাগে বুলি সমাজৰ বিশ্বাস আছে। ডাকৰ বচনৰ মতে "হাতে সেৰেঙা পাচে ঘন, ছয়ে তামোল নদন বদন।" অৰ্থাৎ ছহাতৰ আঁতৰে আঁতৰে তামোলৰ পুলি ৰুব লাগে। ৰুবৰ দিন ধৰি পোন্ধৰ খন ঢকুৱা সৰিলে তামোল লগাৰ বয়স বুলি বিশ্বাস কৰে। ইজোপা সিজোপা গছৰ পাতে পাতে লাগিলে তামোল নেলাগে বুলি প্ৰবচনে কয়। সেইবাবে "লাগে তামোল নেলাগে, নেলাগে তামোল লাগে।" তামোলৰ গুৰিত পটান ধান দিলে তামোল গছ ক্ষীণ হয় বুলি জনবিশ্বাস আছে।

ব'হাগ বিহুত গৰু গা ধুৱাওতে পথাৰত পৰিঅহা হালধি, কেৰেলা, বেঙেনা, থেকেৰা চকলবোৰ বুটলি খুন্দি বাহিৰে বাহিৰে গছত ফুট দিলে বছৰটোৰ বাবে বান্দুলি আৰু কেৰ্কেটুৱাই উপদ্ৰৱ নকৰে বুলি তাকে কৰে। তামোলৰ গছত টোকোৰা চৰায়ে বাঁহ লোৱাটো গৃহস্থৰ বাবে শুভ লক্ষণ। আনহাতে যি ঠাইত টোকোৰা চৰাই বাহ লয় সেই ঠাইত বসন্তৰ দৰে মহামাৰী বেমাৰ নহয় বুলি বিশ্বাস কৰা হয়। তামোলৰ পাত অসমীয়া সমাজৰ সন্মানৰ বস্তু। বিয়া সবাহৰ নিমন্ত্ৰণ কৰোতে গোটা তামোল পান বান্ধি মিতিৰ-কুটুম নিমন্ত্ৰণ নকৰিলে অসমীয়া মানুহৰ সন্মান নৰয়। টাই আহোম সকলে তামোলৰ পাতেৰে কেৰাহী ঢাকি আখৈ, হুৰুম, ভজা দেখা যায়। কিছুমানলোকে তামোলৰ পাতেৰে শোটা বান্ধি ঠাই সৰাত ব্যৱহাৰ কৰে। তামোলৰ ঢকুৱাত গ্ৰহণী হোৱা মানুহে শৌচ কৰিলে বেমাৰ শাম কাটে বুলি বিশ্বাস।

হিন্দুসকলৰ বহুতেই মৃতকৰ শ্মশানৰ দাঁতিত তামোলৰ পুলি ৰোৱে। মৰোঁতাজনৰ মাটিৰ দেহা যে পঞ্চভূতত মিলি যায় সেই মাটিৰ পৰা গছে যেনেকৈ আহাৰ-পানী পায় তেনেকৈ সেই শ্মশানৰ পৰাও তেনে আহাৰ-পানী পায় এই ভাবিয়েই শ্মশানৰ মূৰৰ ফালে তামোল ৰুৱা হয়।

কেৰ্কেটুৱা তামোলৰ শত্ৰু। কিছুমান লোকে কেৰ্কেটুৱাই খাব নোৱাৰাকৈ তামোলৰ গুৰিত কলীয়া পৰুৱা মেলি দিয়ে। তামোলৰ গছত ম'হ, গৰু বান্ধিলে গচৰ চাৰিওফালে ম'হ, গৰুবোৰ ঘুৰি ফুৰে আৰু সেই বাবেই সেই গছত লগা তামোল খালে মুৰ ঘুৰাই বুলি মানুহে বিশ্বাস কৰে। তামোলৰ কেওঁ ল'ৰা-ছোৱালীৰ প্ৰিয়। সেয়ে হলেও বুঢ়ী মাকহঁতে ল'ৰা-ছোৱালীক কেওঁ খাবলৈ নিদিয়ে কাৰণ তামোলৰ কেওঁ বা কণ খালে সেই ল'ৰা-ছোৱালীয়ে মাক বাপেকৰ



মুৰ খাই এনে ধাৰণা বুঢ়া-বুঢ়ীলোকৰ আছে। বিয়া-সবাহ, যাগ-যজ্ঞ তামোলৰ বিনে অচল। এখন থুৰিয়া তামোলে যিটো কৰিব পাৰে হাজাৰ টকাৰে সেইটো কৰিব নোৱাৰে। সেয়েহে অন্তৰেৰে ভাল পোৱা প্ৰেমিকাক লগ পাবলৈ তামোল দিবলৈ পথাৰতো বিচাৰি ফুৰে।

সেয়েহে -

*"থুৰিয়াই কাটিলো তামোল তিনিখনি*
*নুৰিয়াই বান্ধিলো পান,*
*পথাৰে পথাৰে বিচাৰি ফুৰিলো*
*ক'তে দাই আছিলা ধান।"*

মামৈ তামোল অসমীয়া সমাজৰ আন এক তামোল। কিছুমান মানুহে নিজৰ বাৰীত এই তামোল নোৰোৱে। এই তামোল ৰুলে বোলে গৃহস্থৰ ভৰা বাৰী গুচি এৰাবাৰী বুলি বিশ্বাস। এই বিধ তামোলক বিশেষ গুৰুত্ব দিয়া নহয়।

টকৌ তামোল এডলীয়া। সেইবাবে ডেকাই বিয়া বাৰু কৰি সন্তান-সন্ততি নোহোৱালৈকে এই তামোল গছ ৰুব নালাগে বুলি অভিজ্ঞ লোক সকলে ভাৱে।

অসমীয়া মানুহৰ তামোল খোৱা প্ৰথা পৃথিৱীৰ বিদিত। সেইবাবে অসমীয়া মানুহে তামোলনী বাৰী নহ'লে নিজকে হীন অনুভৱ কৰে। আগফালে পিচফালে পান-তামোলৰ বাৰী, বৰ ঘৰত জীয়ৰী ছোৱালী থাকিলে অসমীয়া মানুহে তেনে গাম্ভীৰ্য্যপূৰ্ণ গৃহস্থ বুলি গণ্য কৰে।

সেয়েহে –

*"আগবাৰী শুৱনী কাকিনী তামোলে*
*পিছবাৰী শুৱনী পাণ।*
*বৰ ঘৰ শুৱনী জীয়ৰী ছোৱালী*
*..... উলিয়াই দিবলৈ টান।".....*

**অমৃত বাণী ঃ**

ঃঃ *"দুখীয়া লোকক সহায় কৰাৰ গুপুত কিটিপটো হ'ল তেওঁলোকক নিজে নিজৰ অৱস্থাৰ উন্নতি সাধন কৰিবলৈ শিকোৱাটো।"*

- আৰ্কবিশ্বপ চুম্নাৰ।

ঃঃ *"ধোদৰ পচলাহঁত, পৰুৱাবোৰলৈ চাইঁক, আৰু সিহঁতৰ পৰা শিক্ষা ল। পৰুৱাই নিজৰ সহজাত বুদ্ধিৰেই বাৰিষাৰ দিনলৈ বা জাৰকালিৰ বাবে গাতত খাদ্য সংগ্ৰহ কৰি থয়। তাকে কৰিবলৈ তাক শিকাওতা কিন্তু কোনো নাই - নাই ওপৰৱালা, নাই পৰামৰ্শদাতা, নাই কোনো বাট দেখুৱাওঁতা। পৰুৱাৰ উদাহৰণকে সৰোগত কৰহঁক।"*

- প্ৰ'ভাৰব্‌ছ

।। সংগ্ৰাহক ঃ পাপুলী দিহিঙ্গীয়া, কুঞ্জ কোঁৱৰ।।

# ছাত্র-ছাত্রী, ইউনিফৰ্ম আৰু অভিভাৱক

**অভিজিৎ ৰাজকোঁৱৰ**
স্নাতক দ্বিতীয় বৰ্ষ(কলা শাখা)

বৰ্ত্তমান আমাৰ গতিশীল সমাজৰ পুৰণি নীতি-নিয়ম, প্ৰথা আদি বিলুপ্তি ঘটিছে। ঠিক সেইদৰেই আজি আমাৰ স্কুল, কলেজ আদিৰ নিয়মানুবৰ্ত্তিতা, শৃংখলাবদ্ধতা বিলুপ্ত হৈ যাব ধৰিছে। গতিকে আমি আমাৰ শৈক্ষিক জীৱনৰ উন্নতিৰ কাৰণে সেই নিয়মানুবৰ্ত্তিতা ৰাখিব লাগিব। আজিকালি প্ৰায়েই স্কুল, কলেজ বিলাকত ছাত্ৰ-ছাত্ৰী সকলৰ বাধ্যবাধকতাৰ জ্ঞানৰ অৱনতি হোৱা দেখা যায়। ইয়াৰ ভিতৰত প্ৰধানকৈ ইউনিফৰ্ম পৰিধান নকৰাকে ব্যক্ত কৰিব পাৰি।

'ইউনিফৰ্ম' এটা ইংৰাজী শব্দ। ইয়াৰ অসমীয়া প্ৰতিশব্দ সম্প্ৰতি পোৱা নাই। ইয়াৰ অভিধানিক অৰ্থ হ'ল একে ৰূপ বা একে ধৰণৰ পোছাক। সাধাৰণতে কিছুমান গোট, অনুষ্ঠান, সংগঠন আৰু বিদ্যালয় ইত্যাদিত বাধ্যবাধকতা ৰূপে কিছুমান সাজপাৰ নিৰ্দিষ্ট কৰি লোৱা হয়। যাতে ইউনিৰ্ফম পৰিধান কৰা ব্যক্তিজন কোনোবা দল নাইবা কোনোবা সংগঠন আদিৰ সদস্য বুলি পৰিগণিত কৰিব পাৰি।

এই ইউনিফৰ্ম বা সাজপাৰ যোৰৰ এটা বিশেষ প্ৰতিভা পৰিলক্ষিত হয়। এই সাজপাৰ যোৰ পৰিধান কৰাৰ লগে লগেই মন প্ৰফুল্লিত তথা উৎসাহিত হৈ পৰে। তেনেকৈ এটা সংগঠনত বা অনুষ্ঠানত নিৰ্দিষ্ট ইউনিফৰ্মে নিজৰ কৰ্তব্য আৰু দায়িত্ববোধ জাগ্ৰত কৰে। যেতিয়া এজন সেনানায়কে তেওঁৰ নিজ ইউনিফৰ্ম পৰিধান কৰিব তেতিয়া তেওঁক সেই কৰ্তব্য আৰু দায়িত্বৰ পৰা বিচলিত কৰিব নোৱাৰে। পিছে আমাৰ স্কুল, কলেজ বিলাকত কেতিয়াৰ পৰা ইউনিফৰ্ম ব্যৱস্থা কৰা হ'ল তাক জনা নাযায়। যদিও আমাৰ প্ৰত্যেক স্কুল, কলেজত এই ব্যৱস্থা পৰম্পৰা হিচাপে চলি আহিছে আৰু চলি যাব। এই ইউনিফৰ্মে ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে বিদ্যালয়ৰ সৌন্দৰ্য্য বৃদ্ধি কৰাৰ লগতে বিদ্যালয়ৰ শৈক্ষিক পৰিবেশ সৃষ্টি কৰাটো যথেষ্ট অৰিহণা যোগায়।

ছাত্ৰ-ছাত্ৰী সকলে যেতিয়া পৰিস্কাৰ পৰিচ্ছন্নকৈ ইউনিফৰ্ম পিন্ধি হাতত এটা বেগ, মুখত এটি হাঁহি লৈ বিদ্যালয়ত প্ৰৱেশ কৰে তেতিয়া বিদ্যালয়ত যেন এক মধুৰ সৌন্দৰ্য্যতাই বিৰাজ কৰে যি সৌন্দৰ্যই ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতৰ সু-পথ পৰিচালনা কৰাত সহায় কৰে আৰু এই ইউনিফৰ্ম পৰিধান কৰাতো ছাত্ৰ-ছাত্ৰী সকলৰ অপৰিহাৰ্য্য কৰ্তব্য বুলি ধৰা হয়। এই ইউনিফৰ্মে ছাত্ৰ-ছাত্ৰীসকলৰ শৃংখলাবদ্ধতা, নিয়মানুবৰ্ত্তিতা আৰু জ্ঞানবৰ্দ্ধনত সহায় কৰে।

বৰ্ত্তমান সময়ত চৰকাৰী বিদ্যালয় বিলাকতকৈ বেচৰকাৰী বিদ্যালয় বিলাকত শিক্ষাৰ মানদণ্ড উন্নত হোৱাৰ একমাত্ৰ কাৰণ হিচাপে ইউনিফৰ্মকে ধৰিব পাৰি। কাৰণ বেচৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰী সকলে ইউনিফৰ্মৰ ক্ষেত্ৰত যিমান গুৰুত্ব দিয়ে, চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলে সিমান গুৰুত্ব দিয়া দেখা নাযায়। এই দৃষ্টিকোণৰ পৰা ইউনিফৰ্মৰ লগত অভিভাৱক সকল আৰ্থিক দিশত দুৰ্বল হোৱা বাবে কিছু ক্ষেত্ৰত ৰেহাই দিব বিচৰা হয়। কিন্তু বৰ্ত্তমান সময়ত ই গ্ৰহণযোগ্য নহয়। কাৰণ, আজি কালি প্ৰায়েই দেখা যায় যে ছাত্ৰ-ছাত্ৰীসকলে ইউনিফৰ্মৰ বাদে অন্য সাজপাৰ বেচ দামৰেই পিন্ধি কলেজত প্ৰৱেশ কৰে। সেই বাবে অভি ভাৱক সকলে ছাত্ৰ-ছাত্ৰীৰ পিন্ধনৰ ওপৰত গুৰুত্ব দিয়া উচিত। অৱশ্যে উন্নত মানৰ নহলেও অন্ততঃ পৰিস্কাৰ পৰিচন্নকৈ সাজপাৰযোৰ ঠিক কৰি দিবলাগে। অৱশ্যে কম সংখ্যক অভিভাৱক সকলৰ ক্ষেত্ৰত এইটো পৰিলক্ষিত হয়। সাম্প্ৰতিক কালৰ ছাত্ৰ-ছাত্ৰীসকলে ইউনিফৰ্ম পৰিধান কৰাৰ ক্ষেত্ৰত কিছু হীনমন্যতাত ভোগা দেখা যায়। এই আচৰণে তেওঁলোকৰ নিমানুবৰ্ত্তিতা ভংগ কৰাৰ লগতে শিক্ষাৰ প্ৰতি থকা আগ্ৰহকো ম্লান কৰে। এজন সৈনিকে যেতিয়া ইউনিফৰ্ম পৰিধান কৰে তেতিয়া তেঁওক নিজকে দায়িত্বৰ প্ৰতি সজাগ কৰি তোলে। সেই দৰেই ছাত্ৰ-ছাত্ৰী সকলেও ইউনিফৰ্ম পৰিধান কৰাৰ লগে লগে তেওঁলোকৰ কৰ্ত্তব্যৰ প্ৰতি থকা আগ্ৰহ বৃদ্ধি কৰাত সহায় কৰে।

তাৰোপৰি বৰ্ত্তমান আমাৰ কলেজ বোৰত বাঢ়ি অহা এচাম যুৱকৰ উশৃংখলতা দূৰ কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱক সকলে যৎকিঞ্চিত ব্যৱস্থা লব লাগে। মহান দাৰ্শনিক প্লেটোৰ মতে "ঘৰতেই নাইবা বিদ্যালয়তেই ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ শুদ্ধ আৰম্ভণি।" এজোপা গছত প্ৰথম পোখাই গছজোপাৰ পূৰ্ণতা প্ৰাপ্তিৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ পেলায়। যদিহে সেই পোখাটিয়ে তাৰ শ্ৰেষ্ঠত্ব প্ৰাপ্তিৰ দিশত শুদ্ধ আৰম্ভণি কৰিব পাৰে। এজোপা গছৰ পোখা স্বৰূপ এই ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ ৰীতি নীতি বিলাক আৰম্ভণিৰ পৰাই শুদ্ধ ভাৱে পৰিচালিত কৰি গলে ভৱিষ্যতে তেওঁলোকে চিৰ জ্যোতিস্মান পথত অগ্ৰসৰ হ'ব পাৰিব বুলি মই ভাবো।

••••••••••••••••••



# ক্ৰিকেট বেটিঙৰ দুআষাৰ

**লাটু গগৈ**
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

ক্ৰিকেট খেল বৰ্ত্তমান সমগ্ৰ বিশ্বৰ এক জনপ্ৰিয় খেল। এই খেলৰ সামগ্ৰীসমূহ আমাৰ সকলোৰে পৰিচিত। যেনে - বেট, বল, ষ্টাম্প, পেড, গ্লাভ্‌ছ, বেইল, হেলমেট, গাৰ্ড ইত্যাদি। এই খেলবিধৰ আটাইতকৈ আকৰ্ষণীয় বিষয়টো হ'ল বেটিং। কেৱল আকৰ্ষণীয়ই নহয় বেটিঙে খেল এখনৰ জয়-পৰাজয়তো প্ৰধান ভূমিকা লয়। সেয়ে এজন সুদক্ষ বেটছমেন হ'বলৈ কি কি কথাৰ প্ৰয়োজন তাক থুলমূলভাৱে জানি থোৱা প্ৰয়োজন।

যিকোনো কথা বা কাম সৰুৰ পৰা ডাঙৰ হোৱাটো স্বাভাৱিক। সেয়ে এজন চেমনীয়া বেটছমেনে ক্ৰিকেটত থকা সকলো ষ্ট্ৰ'ক বা মাৰ একেলগে বা একেদিনে শিকা সম্ভৱ নহয়। এজন দক্ষ বেট্‌ছমেনে যেতিয়া প্ৰায় ৩৮ ইঞ্চি দীঘল বেটখনেৰে বলটো কোবাই বাউণ্ডেৰী বাহিৰ কৰি দিয়ে তেতিয়া আচৰ্যজনকভাৱেই ইয়াক দেখিবলৈ ভাল লাগে। বেটছমেন এজনৰ হাতৰ মুঠিৰ যাদুতেই সকলো ক্ৰিকেট শ্বৰ্ট বা ষ্ট্ৰ'ক নিহিত হৈ থাকে আৰু সেই যাদু উপযুক্ত সময়ত প্ৰয়োগ কৰিব পৰাজনহে প্ৰকৃততে এজন সুদক্ষ বেটছমেন। বেটিঙৰ কৌশলবোৰ প্ৰদৰ্শন নকৰাকৈ এনে চমু প্ৰৱন্ধৰ যোগেদি কম সময়ৰ ভিতৰত বুজোৱাটো কঠিন। গতিকে নতুন বেটছমেন এজনে প্ৰথমতেই জানিব লাগিব তেওঁলৈ অহা বলটো খেলি কি ধৰণে উইকেট ৰক্ষা কৰিব পাৰি। তাকে কোৱা হয় ৰক্ষণামুলক খেলা। ফৰৱাৰ্ড আৰু বেকৱাৰ্ড বেটিঙৰ যোগেদি এই ৰক্ষণামুলক খেল শিকিব পাৰি। প্ৰতিজন খেলুৱৈয়েই আৰম্ভণিতে এনে ধৰণৰ খেলত পাকৈত হ'বলাগিব। তাৰ পিছত বয়স আৰু সময় অনুসাৰে অভিজ্ঞতা আৰু অনুশীলনে ক্ৰিকেটৰ বাকী মাৰ বা ষ্ট্ৰ'কবোৰ বেটছমেনজনৰ হাতলৈ আনিব।

বলৰ দূৰত্ব মতে নিজৰ উচ্চতা আৰু বল পৰা টাই ঢুকিপোৱাৰ সামৰ্থ্য অনুসৰি নিজ সুবিধামতে আগুৱাই বা পিচুৱাই বেটিং কৰিব লাগে। সোঁহতীয়া বেটছমেন জনে বল পিট্‌চ কৰা ঠাইলৈ বাওঁভৰিৰ আগটো যিমান পাৰে আগুৱাই লৈ গৈ বেটেৰে বলটো খেলাকে ফৰৱাৰ্ড খেল বোলে। ইয়াকে কৰোঁতে বেটছমেনজনৰ মূৰ, বাওঁকান্ধ, বাওঁ কিলাকুটি আৰু বাওঁভৰিৰ কৰঙন বলৰ লাইনলৈ যাব লাগে। এনেদৰে খেলিলে বল মাটিত পৰাৰ লগে লগেই বলটো ৰখাব বা কোবাব পাৰি। বলটো মাটিৰে মৰা উচিত, তেতিয়া কেচ্ উঠাৰ সম্ভাৱনা নাথাকে। এই প্ৰক্ৰিয়াত বাওঁভৰিৰ ওপৰত দেহৰ ওজন ৰাখিব লাগে। সোঁ-ভৰিৰ আগটোৰে মাথো মাটি চুই থাকিব লাগে। ফৰৱাৰ্ড খেলি খেলপথাৰৰ বিভিন্ন ঠাইলৈ বলটো কোবাব পাৰি। যেনে অফ, পইন্ট, কভাৰ, অন, মিড-উইকেট ইত্যাদি, আৰু ইয়াকে ফৰৱাৰ্ড ড্ৰাইভ বোলা হয়। ড্ৰাইভ কৰোঁতে বেটৰ ফল'থ্ৰৰ অতি দৰকাৰ, তেতিয়াহে শ্বৰ্টটোত জোৰ আহে। ড্ৰাইভৰ উপৰিও ফৰৱাৰ্ড খেলিও লেগ গ্লান্স আৰু স্কোৱাৰ কাট মাৰিব পাৰি।

সেইদৰে বেটিংক্ৰিজতে পিচুৱাই গৈ বলৰ লাইনলৈ সোঁভৰি নি বলৰ সন্মুখীন হোৱা বেটিঙকে বেকৱাৰ্ড খেল বোলে। এই প্ৰক্ৰিয়াত সোঁহতীয়া বেটছমেন এজনে সোঁভৰিৰ ওপৰত দেহৰ ভাৰ ৰাখি বলটো খেলিব লাগে আৰু সোঁহাতেৰে দৃঢ়তাৰে বেটখনৰ গ্ৰীপটোত মুঠি মাৰিব লাগে। বাওঁহাতেৰে আলাসতে গ্ৰীপত ধৰিব লাগে। এই দৰে পিচুৱাই খেলি বল ৰখাৰ বাহিৰেও খেলপথাৰৰ বিভিন্ন স্থানলৈ ড্ৰাইভ কৰিব পাৰি যাক বেকফুট ড্ৰাইভ বোলে। তাৰোপৰি ক্ৰিকেটৰ নানা ষ্ট্ৰোক, যেনে - হুক, স্কোৱাৰ কাট, লেগ কাট আৰু লেগ গ্লান্স কৰিব পাৰি। বিশ্বৰ শ্ৰেষ্ঠতম বেটছমেনসকল এই বেকফুট খেলত পাকৈত। পিচুৱাই খেলিলে বলটো চাবৰ বাবে অকণমান হ'লেও বেছি সময় বেটছমেনজনে পায়। গতিকে এনে প্ৰক্ৰিয়াৰে খেলিলে শেষমুহূৰ্তৰ সুযোগ লৈ নিজে বিচৰামতে ফিল্ডাৰৰ ঠাই চাই তাৰেই ফাঁকেৰে বলটো ঠেলি বাউণ্ডেৰী কোবাব পাৰি বা দলৰ ৰাণসংখ্যা বৃদ্ধি কৰিব পাৰি।

নিজ দলৰ ৰাণসংখ্যা বঢ়াবৰ বাবে উইকেটত থকা দুয়োজন বেটছমেনৰ বুজাবুজি হ'ব লাগিব। নহ'লে ২০০১

চনৰ পেপ্চি শৃংখলাত অষ্ট্ৰেলিয়াৰলগত ভাৰতৰ তাৰকা বেটছমেন ভি.ভি.এচ লক্ষ্মণৰ লগত বেটিং কৰা সতীৰ্থ কেইজনৰ যি অৱস্থা হৈছিল তেনে হোৱাটো নিশ্চিত। তেওলোকে বাই ৰাণকে ধৰি সকলো সম্ভাব্য ৰাণ লব লাগিব। কিয়নো সকলো বলতে বাউণ্ডেৰী কোবাব নোৱাৰি। এনেদৰে ৰাণ খৰতকীয়াকৈ তুলিবলৈ হ'লে বেটছমেন দুয়োজনৰ ক্ষীপ্ৰভাৱে দৌৰাৰ যোগ্যতা থাকিব লাগিব। ইয়াকে ৰাণিং বিটুইন দি উইকেটছ বোলা হয়। এই বিদ্যা চৰ্চাৰ বাবে খেলি থকা সময়ত ফিল্ডাৰ সকল ক'ত আছে বেটছমেনে মনত ৰখা উচিত। কোনজন ফিল্ডাৰ ক্ষীপ্ৰ আৰু বল দলিওৱাত পাৰ্গত তাকো জনা উচিত। বেটছমেনে ইটো উইকেটৰ পৰা সিটো উইকেটলৈ দৌৰোতে পোনপটীয়াকৈহে দৌৰিব লাগে যাতে বিপৰীত উইকেট পাওঁতে বেটিংক্ৰিজৰ সীমাৰেখাৰ আগতে বেটেৰে চুই যাব পাৰি। নহ'লে ৰাণ আউট হোৱাৰ সম্ভাৱনা থাকে। বহু সময়ত ৰাণআউটে দলৰ পৰাজয় আনে। সেই কাৰণে প্ৰথম ৰাণটো কোনো দ্বিদা নকৰাকৈ অতি বেগেৰে ল'ব লাগে। দ্বিধা থাকিলে বেটছমেনে ৰাণ লোৱাৰ ইচ্ছা বা অনিচ্ছা ডাঙৰকৈ হ'লেও কৈ সতীৰ্থজনক প্ৰকাশ কৰিব লাগে।

সংকীৰ্ণতে বেটিঙৰ বিষয়ে ক'বলৈ হ'লে ক'ব লাগিব যে মাথো নিজে বেটিং জানিলে বা প্ৰদৰ্শন কৰিলেই নহ'ব বিপদৰ সময়ত দলৰ বাবে খেলা আৰু দলৰ অধিনায়কৰ নিৰ্দেশমতে খেলিব পৰাজনহে প্ৰকৃত বেটছমেন।।

••••••••••••••••••

**অমৃত বাণী ঃ**

ঃঃ *"মিতব্যয়ী হ'বা, কিন্তু অৰ্থলোভী নহ'বা। নিজৰ প্ৰয়োজন পূৰাবলৈ, ইজ্জত ৰক্ষা কৰিবলৈ আৰু বন্ধু-বান্ধৱক সহায় কৰিবৰ বাবে ধন ভাঙিবা। বান্ধকানি এটাক কোনেও উদাৰলোক বুলি নকয়। জীৱিকাৰ বাবে উপাৰ্জন কৰিবা; খাবৰ-ল'বৰ বাবে ধন খৰচ কৰিবা। নহ'লেনো ধন ঘটাৰ লাভ কিটো হ'ল? কামত খটুওৱা হয় বাবেহে টকা-পইচাৰ সাৰ্থকতা — সেয়ে নোহোৱাহেঁতেন ই খোলাকটিৰ পৰা নো কিহত বেলেগ হ'লহেঁতেন?"*

- জৰ্জ হাৰ্বাৰ্ট

ঃঃ *"ভুল বা অতিৰঞ্জন একো দোষৰ কৰা নহয়। আটাইতকৈ প্ৰয়োজনীয় কথা হ'ল সাহসেৰে চিন্তা কৰিব পৰাটো আৰু নিজৰ চিন্তা প্ৰকাশ কৰিবৰ সময়ত শক্তিশালী উদাত্তকণ্ঠেৰে তাক ব্যক্ত কৰাটো। পৰিণাম কি হয় সেইকথা চিন্তা নকৰাকৈ নিজৰ মনোভাৱ ব্যক্ত কৰিব পৰাটো এটা ডাঙৰ গুণ। সম্পূৰ্ণ সত্য জানিবলৈ যি মানুহে অপেক্ষা কৰি থাকি নিজৰ মনোভাৱ প্ৰকাশ নকৰে, তেওঁ হয় কাপুৰুষ অথবা বোবা। সৃষ্টিৰ আবেগ যি মানুহে ৰুদ্ধ কৰি ৰাখে তেনে মানুহে মানুহৰ প্ৰগতিকে ৰুদ্ধ কৰি দিয়ে।"*

- জোছেফ ক্লিমণ্ট অৰজকে

।। সংগ্ৰাহক ঃ জয়ন্ত ফুকন, পাপুলী দিহিঙ্গীয়া।।



# অনুৰাগ বা প্ৰেম

পাপন বড়া
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)

পৃথিৱীৰ চিৰন্তন সত্য প্ৰেম। ই মানৱ হৃদয়ৰ এক অলিখিত আন্তৰিক চুক্তি। য'ত নিহিত হৈ থাকে বিশ্বাস আৰু আশাৰ অমল গান্ধাৰ, হৃদয়ৰ সুকোমল অনুভৱ।

প্ৰেমৰ তাড়নাতে জীয়াই থাকে মানুহ। জীয়াই থাকে পৃথিৱী। মৌন মনৰ নিস্তব্ধতা সজীৱ হৈ থাকে প্ৰেমৰ অব্যক্ত কথোপকথনত। সাৰে থাকে, জীয়াই থাকে, প্ৰেমৰ সু-প্ৰতীভ সূৰ্য্য নক্ষত্ৰ। প্ৰেমৰ আকৰ্ষণেই পৃথিৱীক জীয়াই ৰাখিছে। মানুহৰ প্ৰতি থকা বিশ্বাসৰ বাবেই সুদৃঢ় হয় প্ৰেমৰ সামগ্ৰিক স্বকীয়তা। এই বিশ্বাসকে সাৱটি জীয়াই থাকে মানুহ; যি বিশ্বাসত নিহিত হৈ থাকে নিৰাপত্তা আৰু আশ্ৰয়ৰ অনাবিল আশাৰ প্ৰত্যয়। আশা থকাৰ বাবেই মানুহে জীয়াই থকাৰ যুঁজ কৰে। পূৰ্ণতাৰ বাবে অপেক্ষাৰত প্ৰেমত থাকে মাদকতা, প্ৰেমৰ অৰ্থ সাৰ্বজনীন।

পৃথিৱীৰ প্ৰেম, জীৱশ্ৰেষ্ঠ মানুহৰ প্ৰেম, জীৱৰ প্ৰতি প্ৰেম, ৰ'দালি দিনৰ প্ৰেম, ভৱিষ্যতৰ প্ৰতি থকা প্ৰেম, বন্ধুৰ প্ৰতি থকা প্ৰেম, জ্যেষ্ঠ জনৰ প্ৰতি থকা প্ৰেম, প্ৰকৃতিৰ প্ৰতি থকা প্ৰেম, বিশেষ জনৰ প্ৰতি থকা প্ৰেম আদি মাধ্যম সমূহৰ প্ৰতিটোৰে এক নিজস্ব আৰু সুকীয়া সুকীয়া অৰ্থ আৰু সংজ্ঞা নিহিত হৈ থাকে। সেইয়া হ'ল আত্মিক উপলব্ধিৰ আৰু অনুভৱৰ অন্তঃনিৰ্হিত প্ৰকাশ।

ইন্দ্ৰিয় আৰু অতীন্দ্ৰিয় দুয়োটাৰে অৰ্থ প্ৰেমৰ ক্ষেত্ৰত একান্তই মানসিক। প্ৰেমৰ সংজ্ঞা অনুযায়ী ইয়াৰ অৰ্থ ব্যৱহাৰ হয়। প্ৰেম ভালপোৱাত চকু পানীয়েও কথা কয়। নিভাঁজ হৃদয়েৰে আপোনজনৰ প্ৰতি থকা অন্তৰংগতাৰ এক বহিঃপ্ৰকাশ, য'ত অলপো কৃত্ৰিম অভিনয় নাথাকে।

এনেকৈয়ে প্ৰেম অথবা অনুৰাগ আৰু ভালপোৱাত নিহিত হৈ থাকে নতুন দিনৰ প্ৰতি হেঁপাহ আৰু আশা। প্ৰেমত বিশ্বাসেই একমাত্ৰ সত্য। যি সদায় ৰক্তিম সূৰ্য্য। আশা আৰু বিশ্বাসৰ বাবে পৃথিৱীত জীয়াই থাকিব প্ৰেম, অথবা জীয়াই থাকিব অনুৰাগ, জীয়াই থাকিব মানুহ .................!

**অসমীয়া কবিৰ অনুভৱত প্ৰেম ঃ**

*"প্ৰেমৰ কথাতো আৰু আনক ক'ব নোৱাৰি।
নিঃশ্বাসৰ দৰে নিঃশব্দে ই যেন বিচাৰি ফুৰে
শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস।"*

- হীৰেন ভট্টাচাৰ্য

*"তুমিটো জানাই
এই কবিৰ আৰু একো নাই
এটাই মাথোন কামিজ
তাৰো ছিগো ছিগো চিলাই
প্ৰেম চাগে' এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰাই।"*

- হীৰেন ভট্টাচাৰ্য

*"প্ৰেমেই মস্তক-মণি সাধনাৰ ধন,
জীৱন শোকৰ লীলা, অবিশ্ৰান্ত ৰণ
মৰণৰ অনিৰ্বাণ মহিমাৰ শিখা,
তাৰ মাজে পুলকৰ মায়া-মৰীচিকা।
ক'ত ছাঁয়া আহে আৰু ছাঁয়া যায়
প্ৰেম কিন্তু ধ্ৰুৱজ্যোতি আদি -অন্ত নাই।*

- সূৰ্যকুমাৰ ভূঞা

*"প্ৰেমে নিবিচাৰে বিৰহ মিলন
বিচাৰে মাথোন বুকুৰ সুৰ
প্ৰেমৰ কাষত জগতখনেই
যাউতিযুগীয়া অলকাপুৰ।"*

- গণেশ গগৈ

।। সংগ্ৰাহক ঃ ভাস্কৰ বৰুৱা।।

# AIDS The Nightmare of the twenty first century

Rahul Prasad
BSc. 1st Year

Everyone has been hearing about it and reading about it .... But what is this thing called HIV? And what is AIDS? why do people die from it? And could it be true that the person sitting next to you may have the virus but you'd never know ......?

So, what is Aids?

The letters stand for Acquired Immune Deficiency Syndrome.

To take that bit by bit;

Acquired means something that's got from someone or something,; as opposed to being inherited or chemically induced.

Immune Deficiency means your body can't defend itself against certain illness like infection and cancers.

Syndrome means, in this case, is the collection of illness you can get as a result of your body's mechanism breaking down. So, things like pneumonia could become potentially deadly to someone with AIDs. However you don't just `catch' AIDs. The condition is caused by your body becoming infected by virus called HIV-Human Immunodeficiency Virus. HIV is virus which is infectious, but not in the same way as the cold or flu virus, which is why can't be sneezed or coughed into you. Normally, when you contract a virus, the virus makes its way into the blood stream and the white blood cells are triggered to produce antibodies which attack and kill the virus. But when HIV gets into the bloodstream, it kills those WBC and if enough of these cells are destroyed, the Body becomes susceptible to other infections which don't affect people with a normal immune system.

Where did if come from ?

The truth is, no one knows for sure where the virus originated or how many years it has been around. But the world has been hearing about the virus and its effect for nearly a decade now. It was at the start of the 1980's that doctors in America first noticed a new group of young, otherwise healthy patients dying from a rare skin cancer called kaposi's sarcoma and also from rare form of pneumonia (PCP). Previously these two illness has infected patients with a known cause for their lack of immunity. By 1982 the doctors gave the disease a name AIDs - and by 1983 scientists had isolated the virus which became known as HIV. Cases of AIDs have now been reported in 184 countries worldwide - in Africa, nearly every



European Country, Central Africa, the East including India and many other places. Though most of the early research was carried out in America, no one knows for sure which country the virus originated in.

How many people are affected ?

It is impossible to tell accurately how many people are affected by HIV because unlike other viruses, there are no visible signs that the body is not working properly, However, by the middle of 1991, over 365,000 cases of AIDs has been reported to the World Health Organisation.

How is HIV contracted ?

Any person in any part of the world who is sexually active but isn't practising safe sex could be the one's who contract the virus, should they have had sexual contract with someone carrying HIV, that is because HIV is transmitted from person to person through the body fluid. HIV can also be passed on through blood when sharing other people's drug injecting equipment. That's because using an unsterilized needle and syringe which could have been used by an infected person means you're injecting the virus into your own blood stream. Also mothers can pass on the virus to their babies before they're born through the placenta which surrounds and nourishes the baby or through their milk when breast-feeding. HIV can also be contracted by receiving blood transfusions from those who are already infected with the virus.

How you can't get it?

HIV does not survive for long in the open and cannot stand high temperatures. The virus is not contracted through touching or shaking hands with someone who is already infected. Touching the things like cups, towels, toilet seats, etc used by an infected person does not spread the virus. Drug injecting equipment should not be shared.

What are the symptoms of HIV?

Though there are no obvious symptoms of HIV, Some of the ways in which HIV infection can affect a person's health are similar to a bad cold or glandular fever or a whole host of other ailments. But the specific things which might suggest HIV infection are - swollen glands (especially under armpits), continued tiredness, unexpected weight loss, frequent fevers, sweating and diarrhoea, shortness of breath and purplish blotches similar to bruises on the skin.

Can it be cured?

There is no known cure for either HIV or AIDS. There is no vaccination to prevent or medicine to stop HIV, developing into AIDS at the moment, though researches are always going on to improve the outlook. There are drugs available which can slow down the deterioration the body's defences and delay the onset of AIDS but till now no permanent cure has been invented for the virus. If at all a cure is found, it would have to undergo extensive trials before it became widely available. But until that happens, AIDS will remain a nightmare to the world.

# "God helps those who help themselves."

***Miss Munmi Chetia***
***BSc. 1st Year***

Most people believe in God and believe that if not someone else, we must depend on God for help and success. But has anyone really cared or tried to know, what God has to tell them. A poet heard his voice and he wrote ----

*I asked God to grant me*
*Patience, God said 'No'*
*Patience is a by product of*
*tribulations, it isnot granted*
*it is learned.*

*I asked God to give me*
*happiness, God said 'No'*
*I give you blessing*
*Happiness is upto you.*

*I asked God for all things that*
*I might enjoy life, God said 'No'*
*I will give you life so that*
*you may enjoy all things.*

*I asked God to help me to love*
*other's as much as he loves me*
*God said .......... Ah! finally you*
*have the idea.*

When God has bestowed all blessing on mankind then why do we the blessed one not move our limbs, It is our everyday experience that 'No one can climb the mountain peaks or the stairs of success with his hand in his pocket' If we depend on somebody for help, it means we should act according to his bidding



or make ourself his slaves, thereby closing our freedom to act as per our will.

Self-help is the capacity to stand on one's legs, without anybody's help. It means the capacity to be at peace with oneself, to preserve one's self respect, when outside help is not available on its is refused . A self confidend however small in the eyes of the worldly people, is always bubbling with enthusiasm to comeforward and face the dark forest-forces. The renew...... poet 'Rabindranath Tagore in his peotic style goads us to take inspiration from the little earthen lamp -

*---- Who will take my work,*
*Asked the setting sun,*
*None has an answer in the*
*whole silent world.*
*The earthen lamp says humbly from a corner*
*'I will, my lord, as best as I can'*

So, We sould remember that self reliance is the basis of all great and chivalrous acts.

However the road to success is not so simple, as some people try to make it out. It is like a hedge with thorns, one who is eager to reach the top, has to clean the thorny and rough road, and that too, with his hand. "Plato' the greek philosopher & father of the western philosophy made it clear in one of his dialogues that, 'The man who makes everything that leads to happiness depends upon himself and not upon other man, has adopted the best plan for living happily, This is the man of Character & wisdom.

A man who is pledged to self reliance must be a man with self confidence and a man of self confidence must complete whatever he takes into his hands.

Above all we should remember that "Self-help is the best help".

..................

** *I have SUCCEEDED in whatever I have undertaken, because I have WILLED it. I have never hesitated which has given me advantage over the rest of mankind.*

- Nepulion Bunapart.

** *Instruction ends in the school but education is only with life.*

- Robertson.

** *The ten fingers are the real friend for a man.*

- Robert Kalismar.

***Collector : Monuj kr. Mohan.***

# "WE ARE CIVILIZED"

Dombidhor Taye,B.Sc., 3rd Yr.

On the threshold of this country a new universe could be experienced. A developing age of internet and information technology is rolling up. Men have become so capable that they can capture all the worldly powers for self-purpose. Utilisation of these, has brought a newness with rapid developing civilisation on the earth surface and outside too. The whole world has been converted toa global village. Efforts to be ahead of time are on progress. Rapid is the Anthrax attack, quick is the preventive process on. Survivors of this planet are growing fittest and fittest. For they should be the despotic ruler of these universe.

But the creation of a "living cell" out of man-made materials is still a mystery today. No problem, here too is the resolution, that is the Almightty.And thus the word Religion came into being. Belief or faith upon spirituality is far away from scientific analysis on which the religion solely lies. On this basis the large religious minded are influenced upon. After all, the problems undefinable by the worldly powers are offered to as Religion. So, is the superiority of the ultimate source of energy which gives human beings the mental satisfaction. The will to survive is recharged so.

In the meantime differences in views gave rise to different Gods.Jesus Christ, Lord Buddha, Prophet Mohammad, Mahavira, Shankaracharya etc. came into being. For Hinduism there are innumerable number of Gods. There was no question to arise if the devotee had been quiet busy with their own Gods. But why chaos among each other? Another interesting fact is that nowadays types of sin have also been categorized. Whatsoever in practical the word "Sin" is only a word of utterance. Instead according to todays civilized beings there is no sin. You can do whatever you like. For example, Cow is regarded a holy animal by the Hindus. That should not be killed or tortured by a Hindu. If you do so knowingly or unknowingly you have to bear a heavy punishment, you have to wind round your neck the rope that was used for tying thevictim and have to beg around your neighbours by fasting. Your sin will be compensated. On the other hand if you kill a man there is no any social punishment. You can run away to far away place and hide there till the case is solved. Amidst if you are arrested by the Judicial system nothing to worry about. Lawyers are there to save you. Pay him a lumpsum of money you will be innocent. From this it is uneccessary to clarify that cow is for more secure than the civilised man, who too claim the title of being the best of all the living beings. Again we all Assamese people knows the significance of "Khool", "Mridong", "Doba" and "Negera" etc. (cultural & religious instrument). They have immense role to play in our religious center called "Namghar. At the same it is also aware that they are made from the skin of death cows. The same cow of same blood could be consumed by the civilised Homosapiens categorised as Christians and Muslims. While a Hindu does so it is considered unholy. At the same time all the holy deeds in a "Namghar" starts with the beats of "Doba" etc. Are all these considerat io ns not traditional? Inspite the rapid development of science and Technology has made us civilised. J ust the fact that, t odays civilised society have no time to retrospet on such matters.

The 11th of Sept., 2001, popularly known as the Black Tuesday predicts a ghastly picture of Human's attack on Human there in America. Is it a deed of the civilised Men? Is terrorism a religions patron? For how significant is the "Jehad" (religious war) against America's attack on the terrorists shelter, Afghanistan. Even Indians willing to sacrifice their patriotism and join the Jehad is apt at this juncture. Whatever if might be all, with the latest advent of science and technology and religious preachers, today morality is on the path of extinction. The prevalent scenario of the society vividly predicts the disappearance of the sweet Human behaviour. Such as love, kindness, sympathy, mercy etc. are all artificial at a glance. In ultimatum we have been converted to Robots. To compete to be the fittest for survival is the first and foremost aim and ambition today. Nothing more else. After all still we are civilised .



# আকাশ, সূৰ্য, বতাহ

মানসী বৰঠাকুৰ
স্নাতক প্ৰথম বৰ্ষ(কলা শাখা)



আকাশ এটি নীলা চৰাই
উৰি ফুৰে
সীমাহীন গতিৰে
ডেউকা কোবাই।

সূৰ্য এটি ভাস্বত জোনাকী পৰুৱা
প্ৰাচীৰ ভাঙি
গিলি যায় আন্ধাৰ
সিঁচি দিয়ে আলোকৰ শইচ।

বতাহ চঞ্চল বিহঙ্গ
সূৰ্য আৰু আকাশৰ দৰে অনিৰুদ্ধ
পৰিধি বিহীন উন্মুক্ত
নিঃ শব্দে
প্ৰান্তে প্ৰান্তে বৈ যায় তাৰ
সুবাস।

# প্ৰত্যাশা

শিখামণি কোঁৱৰ
স্নাতক প্ৰথম বৰ্ষ(কলা শাখা)

তোমাৰ সুকোমল সান্নিধ্যত উপচি পৰে
মোৰ কজলা সপোন।




যৌৱনৰ কোঁহে কোঁহে হিল্লোল
হৃদয় বলুকাত বন্যা
অংকুৰতি হয় য'ত
এপাহি ৰক্তিম মদাৰ।

# তোমাৰ মৰমবোৰ

নিৰ্মলজ্যোতি কোঁৱৰ
স্নাতক দ্বিতীয় বৰ্ষ(কলা শাখা)।

তোমাৰ মৰমবোৰ
নদী হৈ বৈ যায়
বুকুৰ মাজেদি
ধুই নিয়ে হৃদয়ৰ সমস্ত পংকিলতা
আৰু পাৰত পৰি ৰয় আশাৰ পলস
য'ত মই নিতৌ সিঁচো
সেউজীয়া সপোনৰ শইচ।

# মোৰ কবিতা

মনো বাইলুং
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)



তাই আহিছে মোৰ কাষলে
ক'লা চুলি টাৰি মেলি
আউলি-বাউলি হৈ
বিচাৰিছে সঁহাৰি

মোৰ নিভাঁজ হৃদয়ৰ কাষৰত
তাইক মই বহিবলৈ দিলো
আৰু ভাবিলো
আজি এই শুভ লগনত
মই তাইক কি দি পূঁজো
তথাপিও দিলো মোৰ ভাগৰুৱা দেহাৰ
একাঁজলি মৰম
আৰু দিলো মোৰ ভগ্ন হৃদয়ৰ সহানুভূতি।

তাই গ'লগৈ
কোনোবা দূৰ-দূৰণিৰ ঠাইলৈ ..........।
মোৰ মৰম, স্নেহ, আকুলতা
এই সকলোবিলাকক লৈ গ'ল তাই
আৰু কৈ গ'ল
তাই হেনো পুনৰ আহিব
মোৰ দুখ, যন্ত্ৰণা আৰু বিষাদৰ
সমভাগী হবলৈ ......।
বাকী থকা হৃদয়ৰ কথাবোৰ পাতিবলৈ।

# শইচ

**জ্যোতিপ্ৰসাদ চাবুকধৰা**
স্নাতক দ্বিতীয় বৰ্ষ(কলা শাখা)।



*তোমাক পাবৰ বাবেই*
*কলিজাৰ তেজবোৰ ৰ'দত শুকোৱালো*
*দেহৰ ঘামেৰে জীপাল কৰিলো*
*ছুন পৰা পথাৰৰ বুকু*

*বৰষুণত তিতিলো বহুবাৰ*
*মেঘৰ গাজনিত বিধ্বস্ত হ'লো*
*বিজুলীৰ চমকনিত সীৰলুৰ বুকুত লেখিলো*
*শাওনৰ কজলা দিন।*

*তোমাক পাবৰ বাবেই*
*কাতিৰ বন্তিৰে পোহৰালো*
*পথাৰৰ গৰ্ভিনী সময়*

*তুমি কুঁৱলীৰ আঁচলত ধৰি লাজুকী হোৱা*
*হালধীয়া সাজেৰে শুৱনি কৰা*
*আঘোণৰ ভৰুণ পথাৰ*

*তুমি দাৱনীৰ হাতত মুঠিত*
*অথবা –*
*কান্ধৰ ডাঙৰীৰ বুকুৰে বুকুৰে*
*জিৰিক জিৰিক শব্দত*
*সেউজীয়া সপোন হৈ হালি-জালি থাকা*

*শইচ —*
*তুমি পথাৰৰ লিহিৰী সুৱাস*
*ভোকৰ পঁজাঘৰ*
*ভোগালীৰ ৰং ৰহইচ*
*তুমি দুখৰ ভাৰত ওলমি থকা*
*সেউজীয়া আশাৰ ফচল।*

# হৃদয়

**বলিন কোঁৱৰ**
স্নাতক দ্বিতীয় বৰ্ষ(কলা শাখা)



*পিন্ধি থকা কাপোৰযোৰৰ দৰেই*
*মই এখন হৃদয়ো পিন্ধি আছো*
*মই নিজে অনুভৱ নকৰো*
*কাপোৰযোৰৰ দৰে যে*
*হৃদয়খনো ফটা।*
*কেতিয়াবা কেতিয়াবা তাক মই*
*খুলি থৈ যাওঁ*
*তেতিয়া হৈ পৰো*
*হৃদয়হীন, নিৰ্দয়*
*বৰ্বৰ, লম্পত অথবা দানব।*

*হৃদয়খন পিন্ধি কিন্তু বৰ বেয়া নালাগে*
*কিয়নো ইয়াৰ বৰণ সলাব পাৰি*
*পিন্ধি থকা কাপোৰযোৰৰ দৰেই*
*এযোৰ খুলি আন এযোৰ পিন্ধো*
*তেনেদৰে সময়ে সময়ে*
*প্ৰয়োজানুসৰি হৃদয়খনো সলাই লওঁ।*

# Examination

Miss Mamta Jain
H.S. 2nd Year(Science)


Examination!
Oh! its examination!
Now, its time for preparation.
But no time for repetition.
This is the time far evaluation.
But, a student thinks that it is
a malediction;
(Then, think of the previous imperfection)
so study start with dedication
As it's an Examination.



# জীৱন নামৰ গীত


*- প্ৰশান্ত ৰাজখোৱা*
*স্নাতক তৃতীয় বৰ্ষ(কলা শাখা)।*

সোণ-পুৱতি আহিবা
কোঁচ ভৰাই বুটলি ল'ম
সপোনৰ তলসৰা ফুল
শুকান বাকৰিত সিঁচি দিম
সোণগুটি যেন মাতৰ সুগন্ধ
নৈ-কেঁকুৰিত মুখ চোৱা
বেলিৰ ওঁঠৰ হাঁহি এটি লৈ আহিবা
দেওলগা দুপৰত
ছায়াঘন স্নিগ্ধতাৰ চৌত আহিবা উটি
নিঃসংগতাৰ দেউকাত গুজি দিম
সুৱাগমণি গীতৰ সুৰ
বনজুয়ে পোৰা বিৰিখৰ পাতত
আঁকি দিম
এধানি ছয়াময়া পোহৰৰ ৰেখা
প্ৰাৰ্থনাৰ স্বৰ হৈ কৰুণ সন্ধ্যা
ৰাতি বাঁহীৰ মাতত আহিবা তিতি
আমি শুঙি চাম জীৱন নামৰ গীতৰ
অন্তহীন সুৰৰ সৌৰভ
বুকুত উঠি নাচি
কামনাৰ লিহিৰি পতীয়া জোন




# Value of Time

Miss Shabnam Paswan.
H.S. 2nd year(Science)



Burry the past like a dead,
Walk alone and Go ahead
It is the time to achieve your Goal,
Forgetting the past and everything at all.
God is giving you a wonderful clue,
The lazy fortune will never come to you.
It is the time and only time,
For you to become an honourable prime
To succeed is not an easy at all
Be courageous to achieve your Goal
Wasting the time is a lose, we knew,
It never returns back like a dew.
So, burry the past and go ahead
While their's time, dance to its rhyme.

# দুখৰ ৰাতি নুপুৱায়

-গোপাল কোঁৱৰ -
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)



ঃ “বৌটী মোৰ বৰ ভোক লাগিছে অ', কিবা এটা খাবলৈ দেনা”।

বাঁহৰ চেঁচালিৰ পুৰণি বিছনাখনত শুই থকা ডাঙৰমাই খোকাথুকি মাতেৰে কোৱা কথাকেইটাই চেনীমাই পেহীৰ কোমল বুকুখনত শেলে বিন্ধাদি আঘাত সানি গ'ল। তাইৰ বুকুখন ভিতৰি ভিতৰি বিষাই গ'ল এটি মানসিক যন্ত্ৰণাত। শেঁতাপৰা দুগালেদি নেত্ৰৰ ভেটা ভাঙি নিগৰি বৈ আহিল দুধাৰি নিমখীয়া তপত চকুলো। চেনীমাই পেহীয়ে মনতে ভাবিলে সঁচাকৈয়ে পায়, ডাঙৰমাইৰ বাপেকটো জীয়াই থকাহেঁতেন হয়তো তাই আজিৰ দৰে এই করুণ, দুৰ্ভিক্ষ অৱস্থাটোৰ মুখামুখি হ'ব লগা নহ'লহেঁতেন। শুদাই নিকাই হলেও প্ৰতিদিনে তিনিসাজ ভাতৰ অন্ততঃ এসাজ খাবলৈ পালেহেঁতেন। পিছে সেয়াও মুদা মৰিল। ম'হ, দাহ, জোকৰ কামোৰ নেওচি হাবিয়ে বননিয়ে ঘুৰি ঢেঁকীয়া এমুঠি, কঁচুলতি দুদালমান, খুতৰা, পদিনা, চেংমৰা আদি বনৰীয়া শাকবোৰ পেহীয়ে খৰাহী ভৰাই বুটলি আনি; ডাঙমাইৰ বাপেকে নৈৰ সিপাৰৰ হাটলৈ নিবলৈ ওলোৱা পাচলিৰ ভাৰখন ভৰাই দিছিল। কেতিয়াবা জাকৈ জুলুকি মাৰি মাছপুঠি দুটামান, ঘৰৰ পোহনীয়া হাঁহ, কুকুৰা কেইটামান তাই বেচিবলৈ গিৰিয়েকক দি গৈছিল। দিন হাজিৰা কৰা মানুহটোৰ কষ্টটো পেহীয়ে ভালদৰেই বুজি পাইছিল, সেয়ে তাই ঘৰখনৰ খুটি নাটি, জোৰা তাপলি মৰা কামবোৰৰ লগতে আৰ্থিক দিশটোলৈয়ো সদায়ে চকু দিছিল। হাটৰ পৰা ঘৰলৈ উলটি আহোঁতে মানুহজনে মদখাই বাঁহনীতলীয়া ঠেক আন্ধাৰোৱা গলিটোৰেদি চিঞৰি চিঞৰি অগ্ৰং-বগ্ৰং বিহ্বলাম গাই ঢলং-পলংকৈ খোজ দি ঘৰ সোমোৱা তাইৰ এতিয়াও মনত আছে। মদাহী হ'লেও তাই মানুহটো জুৱাৰী নাছিল। ঘৰলৈ বজাৰৰ পৰা নিতৌ সপ্তাহজোৰা খুৰাকী চাউলপাত কিনি আনিছিল। মদখাই পুং হৈ আহি এসোপামান বাৰেবিং কৰা, লাক-বান্ধ নোহোৱা কথা উকটি তাইক অবাইচ ভাষাৰে সাত পুৰুষ উজাৰি গালি শপনি পাৰি পিঠিত জেওৰাখুটি বা ফলাখৰিৰে ঔ-টেঙা পাৰিলেও, পিছদিনা মদৰ নিচা আঁতৰি যোৱাৰ পিছত কয় .........।

ঃ “চেনীমাই অ', তোক কালি নিশা বৰ বেছিকৈ কোবালো নেকি অ'! মই নিচাসোপা নাখাওঁ বুলিয়েই ভাবিছিলো। গাঠিৰাম কাইটিয়ে পাইহে মোক জোৰ কৰি ডিঙিৰ গুৰি লৈকে খুৱালে। আজিৰ পৰা আৰু মই সেই গেলাপানী সোপা নাখাওঁ দে, তোৰে শপত চেনীমাই। এইবাৰলৈ মোক তোৰ নিজৰ মানুহটো বুলিয়েই ৰেহাই দেচোন।”

গিৰিয়েকৰ কথাবোৰ শুনাৰ পাছত চেনীমাই পেহীয়ে হুকহুকাই কন্দাৰ বাহিৰে একো কোৱা নাছিল। কথাবোৰ ভাবিলে তাইৰ এতিয়াও আচহুৱা ঘটনা যেনেই লাগে। পোণাকণৰ বাবে কলেজৰ মাহেকীয়া মাচুল, কাপোৰ-কানি, কিতাপ-বহী, কলম চিয়াঁহী আদি খৰছৰ বাবে টকা দৰকাৰ হোৱাত সিদিনা দেউবাৰৰ ৰাতিপুৱাই মানুহটোক পানীপিঠা দুখন, নিমখদিয়া ৰঙাচাহপানী এটোপা আৰু জলপান এবাটি খোৱাই বজাৰলৈ উলিয়াই পঠিয়াইছিল। যাবৰ সময়ত পোণাকনে কৈছিল ......।

ঃ “পিতাই, খাহী ছাগলীটো কিন্তু সস্তা দামতে বিক্ৰী নকৰিবি দেই। খাহী ছাগলীৰ কিছু দাম আছে।”

পুতেকৰ মৰম লগা মুখখনলৈ এবাৰ চাই কান্ধত



পাচলিৰ ভাৰখন তুলি লৈ মানুহটো বজাৰলৈ ওলাই গৈছিল আৰু লগত লৈ গৈছিল চেনীমাইয়ে পোণাকণৰ কলেজৰ মাচুলৰ কাৰণে বিক্ৰি কৰিব খোজা খাহী ছাগলীটো। ছাগলীটোৱেও যেন বুজি পাইছিল সি আজি এই ঘৰখনৰ বাবে কিবা এটা মহান ত্যাগ কৰিবলৈ ওলাইছে। কিন্তু তাক হেঁকুৱাৰ বেদনাত তাৰ মৰমৰ গৰাকী মানুহজনীৰ চকুত চকুপানী দেখি আৰু উচুপনি শুনি সি যাওঁ কি নাযাওঁ কৈ খোজ দিছিল। সেই যে দুপইচা ঘটিবলৈ বজাৰলৈ বুলি ওলাই গৈছিল, মানুহটো আকৌ দুনাই ঘুৰি আহিব নোৱাৰিলে। বজাৰত ফুটা লোমহৰ্ষক প্ৰচণ্ড শক্তিশালী বোমা বিস্ফোৰণত তাইৰ মানুহটোৰ নিৰ্দোষী দেহাটো ভগা কাঁচৰ টুকুৰাৰ দৰে খণ্ড খণ্ডকৈ ধূলি বালিৰ সতে একাকাৰ হৈ চিটিকি পৰিল, আন দহোটা অচিনাক্ত নৰদেহৰ দৰেই। বন্দুকৰ নলীৰ আৰু খাৰ-বাৰুদেৰে শান্তি প্ৰতিষ্ঠা কৰিব খোজা দুস্কৃতিকাৰী, পাষাণ, উশৃঙ্খল এচাম বৰ্বৰ মানুহৰ নিৰ্মম অবাধ হত্যালীলাৰ বলি হ'ল নিৰীহ মানুহবোৰ। আদবয়সতে দুৰ্বহ সময়ে তাইৰ মূৰৰ ওৰণি খহাই, কঁপালৰ সুৰুয ৰঙা ফোঁটটি মচি বিধবা কৰি পেলালে চিৰদিনৰ কাৰণে। নিয়তিৰ কি নিষ্ঠুৰ বিধান। শুভ্ৰচাদৰখনে মেৰিয়াই ধৰিলে সুখ-দুখ, হাঁহি-কান্দোনৰ স্বাক্ষৰ কঢ়িওৱা জীৱনৰ ডেৰকুৰি পাঁচটা বৰ্ষণমুখৰ শ্যামলী বসন্ত অতিক্ৰম কৰা তাইৰ তৃতীয়বাৰৰ অন্তঃসত্বা শৰীৰটো। এই দুঃস্বপ্নবোৰ লাহে লাহে পেহীয়ে সন্তান তিনিটিক বুকুত সাৱটি লৈ সকলো ভগৱন্তৰে লীলা বুলি পাহৰি যাবলৈ চেষ্টা কৰিলে।

পুৱাতে নাকে-মুখে পইতাভাত দুগৰাহ মান গুজি ব'দে-বৰষুণে ওৰে দিনটো আৰ-তাৰ ঘৰত কঠিয়া তুলি, ভুঁই-কই, ধান-দাই, ঢেঁকীত চাউল বানি, তাঁত-সূত বৈ তেজক পানী কৰি গেৰাৰী খাটি পেহীয়ে পোণাকণক মানুহ কৰাৰ আশাত কলেজলৈকে পঢ়ুৱালে। সিও মাজে-সময়ে দুই-এঘৰত গৃহ শিক্ষকতা কৰি দুপইচা আৰ্জি নিজৰ সৰু-সুৰা খৰছ পাতিবোৰ উলিয়াই লৈছিল। মেধাৱী পোণাক ছাত্ৰ বৃত্তিৰ টকা কেইটাইও সহায় কৰিছিল। সি এনেদৰেই অনেক দুখ কষ্ট আৰু ঘাট প্ৰতিঘাটৰ মাজেৰে এদিন বি. এ. পৰীক্ষা দিলে। পৰীক্ষাত সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হোৱাৰ সুন্দৰ ফলাফল পাই আনন্দত আত্মহাৰা হৈ কলেজৰ পৰা ঘৰলৈ ঘুৰি অহাৰ পথতেই সকলো শেষ হৈ গ'ল। আত্মগোপনকাৰী দুধৰ্ষ উগ্ৰপন্থী আৰু সৈন্যবাহিনীৰ মাজত সংঘটিত ভয়ঙ্কৰ গুলীয়াগুলিৰ সংঘৰ্ষত পোণাকণৰ নিষ্পাপ শৰীৰটোও গুলিৰ আঘাতত তেজেৰে তুমৰলি হৈ আৰ্তনাদ কৰি ৰাজপথৰ বুকুত চিৎ হৈ বাগৰি পৰিল। এনেদৰেই অকালতে নুমাই গ'ল তাইৰ আশাৰ মুল শলিতা গচি; তমসা আন্ধাৰ সিঁচি তাইৰ বুকুৰ সেউজীয়া সপোন ভৰা বৰফশীতল কোঠালীটোত। পোণাকণৰ তাহানিৰ কথাবোৰ মনত পৰিলে চেনীমাই পেহীৰ এতিয়া কিবা অদ্ভুত সপোন সপোন যেনহে লাগে। পিছে ই যে সময় বুৰঞ্জীৰ এক বাস্তৱ চিৰন্তন সত্য কাহিনী। সৰুতে তাক ৰিহাৰে মেৰিয়াই বান্ধি পিঠিত ওলোমাই লৈ তাইয়ে হাবিত জেংখৰি বুটলিছিল, বনৰীয়া শাক-পাচলি বুটলিছিল আৰু তাৰ পাছত ............।

শাওণ মহীয়া বালিমাহী চৰাইয়ে গা-ধোৱা, বাঁহনী তলীয়া বোৱতী পথাৰৰ আলতীয়া বোকাৰ চিনাকি চিনাকি গোন্ধে ভৰা তাইৰ পুৰণি চাদৰখনেৰে ডেৰবছৰীয়া কোলাৰ কেঁচুৱাটিক ভালদৰে মেৰিয়াই লৈ বহি থকা পীৰাখনত ওলোমাই থোৱা সেউজীয়া আৰু অলপ ক'লা বৰণ ধৰা ফুটুকা-ফুটুকি দাগ পৰা আখিটোৰ ভীমকল কেইটা পিটিকি চালে। নাই, কেঁচা হৈয়ে আছে; পকাই নাই। বহাৰ পৰা থিয় হওঁতেই তাই অনুভৱ কৰিলে কাঁইট এটাৰ দৰে বিন্ধি থকা তাইৰ পুৰণি দিনীয়া অসহ্য কঁকালৰ বিষটো। নিৰাশ মনেৰে তাই আকৌ আগৰ দৰেই চৌকাৰ জুইৰ তাপ ল'বলৈ পীৰাখনত লাহেকৈ বহি পৰিল। এইহেন বৰফ চেঁচা জাৰটোত গাত লবলৈ এখন ডাঠ কাপোৰ ও নাই। সেয়ে তাই জুই পুঁৱাই জাৰ খেদিব বিচাৰি জুহালত বহি আছে। অৱস চকুযুৰিৰে তাই লাহেকৈ পিছফালে ঘুৰি চালে। তাইৰ গৰ্ভৰ পৰা জন্ম লৈ পাঁচবছৰ বয়সতেই একাঙ্গী ৰোগত আক্ৰান্ত হোৱা একমাত্ৰ জী ডাঙৰমাইৰ ফালে। ভোকত পেনপেনাই উচুপি-উচুপি তাই কেতিয়াবাই টোপনি গ'ল। ভুতৰ ওপৰত দানৰ পৰাৰ দৰে যোৱা সপ্তাহৰ পৰাই এইকেইদিনলৈকে তাইৰ জোকৰ দৰে নেৰানেপেৰা জ্বৰ। দৰৱপাতি কিনিবলৈ ডাক্তৰ-বেজালী লগাবলৈ ফুটাকড়ি এটাও তাইৰ হাতত নাই। এশ এবুৰি দুখ-বেদনাই ঠাহ খাই তাইৰ বুকুখনত শোকে খুন্দা মাৰি ধৰে, উশাহটো চুটি হৈ আহিব খোজে। কেঁচু-কুমটি, উঁইচিৰিঙাৰ ৰাৰছালিৰে ভৰা পেহীৰ ভগা উৰুখা জুপুৰিটোৰ পাছফালে জয়াল এবাবাৰীখনৰ বাঁহনীডৰাৰ আঁৰলৈ এই মাজনিশাতে এজাক ধূৰ্ত চোৰাং শিয়ালে হোঁৱা দিছে। শেলুৱৈ ধৰা পিৰালী চুকৰ ক'লী ছাগলীজনীয়ে ভয়াৰ্ত কণ্ঠে বেবাইছে। তাই যেন স্পষ্টকৈ বুজি পাইছে আগন্তুক বিপদৰ এটি সংকেত। সেয়ে তাই

কচাৰিছে সহায়, সহায় ভিক্ষা মাগিয়েই তাই যেন প্ৰাণটাকি ৰৈএৰিছে। কিন্তু চেনীমাই পেহীক জানো বিপদৰ আপদীয়া মুহূৰ্তবোৰত কোনোবাই সহায় কৰিছেহি? তাইৰ মনত পৰিল যোৱা আহাৰমহীয়া বানপানীটোৱে তাইৰ চকুত চকুলোৰ মণি পিন্ধাই তাইৰ মৰমৰ পোহনীয়া গাভিনী "বুলবুলী" গাইজনীক কাঢ়ি নিয়াৰ কথা। "বুলবুলী"ক হেৰুৱাই পেহীয়ে ফেঁকুৰি-ফেঁকুৰি কম কান্দিছিলনে? যোৱাবেলি মাঘবিহুৰ উৰুকাৰ নিশাতে পেহীহঁতৰ পদূলিৰ পুৰণি জেওৰাখনৰ লগতে গড়ালৰ পৰা হাঁহ-কুকুৰাকেইটাও কোনোবা চোৰৰ হাত লাগি নোহোৱা হ'ল। সঁচাকৈয়ে তাই ইমান দুৰ্ভগীয়া, তাইৰ জীৱনৰ আশাবাদী মধুৰতম দিনবোৰৰ হাঁহিৰ অমৃতময় মুহূৰ্তবোৰ কেনেকৈ যে নৈৰ গৰাৰ দৰে খহি খহি লুপ্তপ্ৰায় হৈ গৈ আছে; চকুৰ পাহিৰ এটি এটি পলকতে। তাইৰ জীৱন বাটৰ খলাবমাবোৰ কোনোবাই জানো সহায়-সহানুভূতিৰে আপোন-আপোন দৃষ্টিৰ মাপ কাঠিৰে জুখি চাইছে। তাইৰ হিয়া ভগা কৰুণ বিননিৰ প্ৰতিধ্বনিক জানো কোনোবাই কাণপাতি শুনিছে? তাইৰ অশ্ৰুসিক্ত দুনয়নৰ ভাষা আৰু তাইৰ মনৰ পুত্ৰহাৰাৰ অন্তহীন দুখ-যাতনাবোৰ বুজিবলৈ জানো কোনোবাই চেষ্টা কৰিছে ? নাই, কোনেও চেষ্টা কৰা নাই। তাইৰ দুখত দুখী হৈ তাইৰ নিচিনাকৈ হিয়া ভাঙি কান্দিবলৈ। সঁচাই আজিকালি মানুহবোৰ যে ইমান আত্মকেন্দ্ৰিক, ইমান স্বাৰ্থপৰ। নিজ স্বাৰ্থৰ হকে মানুহে কৰিবনলগীয়া অনুচিত কামো নিসংকোচে কৰি পেলাব পাৰে। বিপদৰ সময়ত দুৰ্বলতাৰ সুযোগ লৈ অনিষ্ট কৰিবলৈ সুৰুঙা বিচাৰি ফুৰে।

চেনীমাই পেহীৰ জুপুৰিটোৰ মুধচত ফেঁচা এটাই তাৰ কুৎসিত মাতটোৰে নিউ নিউ কৈ কুৰুলিয়াই দিয়াত, পথৰা কুকুৰটোৱে ভৌ ভৌ কৈ ভুকিবলৈ ধৰিলে। লগে লগে তাইৰ কোলাত ইমানপৰে টোপনিত লালকাল হৈ শুই থকা ডেৰবছৰীয়া কেঁচুৱাটোৱে উচপ খাই হঠাৎ এটা জিকাৰ মাৰি চেৰেউ চেৰেউ কৈ কান্দিবলৈ ধৰাত, স্মৃতি তুলিকাৰে আঁকা তাইৰ মনৰ দাপোনপটৰ পৰা ছঁয়া-ময়া ছবিখনি মচ খাই গ'ল। বহুপৰ চেষ্টা কৰিও কেঁচুৱাটোক নিচুকাব নোৱাৰি তাইৰ বুকুৰ বাওঁফালৰ উফন্দি থকা অংগটোত কেঁচুৱাটোৰ কন্দনামুৱা মেলা মুখখন সংযোগ ঘটাই দিলে। অলপ পিছতেই মন্ত্ৰমুগ্ধৰ দৰে তাৰ শিকলিৰ নিচিনা লানি নিছিগা কান্দোন বন্ধ হৈ আহিল। সি যেন এতিয়াহে অলপ শান্তিৰ উশাহ পাইছে। দীঘলকৈ ক্লান্তিভৰা হুমুনিয়াহ এটি কাঢ়ি তাই আকৌ এবাৰ পিছফালে ঘূৰি চালে। কেৰাচিন তেল শেষ হৈ আহিব ধৰা টিমিক টামাকৈ জ্বলি থকা চাকিটোৰ ৰঙচোৱা পোহৰত তাই দেখিলে, ডাঙৰমাইয়ে মুখখন মেলি জুহালমুখীয়াকৈ জাৰত কঁপি কঁপি ডিঙিলৈকে ফটা মলিয়ন এড়ীচাদৰখন লৈ কুকুৰ মোটোকা দি শুই আছে। তাইৰ ভোকাতুৰ মুখত দিবলৈ যে আজি পাকঘৰত খুদকণ এটাও নাই। হায়ঃ তাইৰ মেলা মুখখনত আজি যে মেলিয়েই থাকিব লাগিব। পেহীয়ে লাহে লাহে আকৌ জুইকুৰাৰ ফালে মুৰ ঘূৰালে। জ্বলি জ্বলি আধাঅংশ ৰঙা এঙাৰ হৈ আহিব ধৰা লাগনি খৰি কেইডাল তাই দুৰ্বল হাতখনেৰে ঠেলি আগবঢ়াই দিলে। তাৰপাছত জুইকুৰাৰ আৰু অলপ ওচৰলৈ চাপি তাই পিৰাখন টানি আগুৱাই গ'ল। তাই মনতে ভাবিলে ৰাতিপুৱাই তাই কিবা এটা বিচাৰি ওলাই যাবই লাগিব, নহ'লে ...........।

হঠাৎ তাইৰ পেটৰ ভিতৰত কিবা এটা পোৰণিয়ে উক দিয়া যেন অনুভৱ কৰিলে। সেই পোৰণিটো কিহৰ তাইৰ বুজিবৰ আৰু একো বাকী নাথাকিল। এখন হাতেৰে কোলাৰ কেঁচুৱাটিক আলফুলে সাৱটি লৈ আনখন হাতেৰে তাই পেটটোক হেঁচুকি দিলে। তাই নজনাকৈয়ে লাহে লাহে মুখখন মেল খাই গ'ল। দীঘল হামি এটা মাৰি শুকান ওঁঠ দুটি জিভাখনেৰে তিয়াই লৈ তাই ওপৰলৈ উদ্দেশ্যবিহীনভাৱে ক্ৰমে সৰু সৰু হৈ আহিব ধৰা উখহা চকুহালে চাই পঠিয়ালে। জহি খহি যাব ধৰা উকখা ঘৰৰ বেৰৰ জলঙাৰে হাড় কপোঁৱা চেঁচা হিমশীতল বতাহজাক সোমাই অহাৰ দৰে, মুধচ ফুটি পানী সৰকা পঁচা নৰাৰ ছালিখনৰ সুৰুঙাইদি আকাশৰ ৰূপালী জোনটোৱে চলপাই চুচুক-চামাকৈ কোঠালীৰ ভিতৰলৈ সোমাই আহিছিল। একেখন দূৰ আকাশৰে জিক মিক তৰাৱলীয়ে তাইলৈ মনে মনে জুমি চাই থকা দেখিহে তাই বুজিব পালে, ৰাতিপুৱাবলৈ এতিয়াও আৰু বহুবাকী আৰু বাকী হয়তো তাইৰ জীৱনৰ এনে বহু দুৰ্যোগপূৰ্ণ অনাগত সহস্ৰ উজাগৰী ৰাতি।


এৰা, হয়তোন আকৌ। তাইচোন পাহৰিছিলেই যে "দুখৰ ৰাতি নুপুৱায়।"

• • • • • • • • • • • • • • • • • • • • • • • • • •



# দুৰ্কপালী দুহিতা

- মিণ্টু তাঁতী
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা শাখা)



'B....y....e, পল্লৱ bye' বুলি মোক সৌৰৱ, ৰিংকু, পূজা, স্মিতা, পাপৰিহঁতে ছুটিৰ পাছত নিতৌ কোৱাৰ দৰে আজিও তেনেদৰেই আঙুলি দুটিৰ ক্ষণিক কম্পন তুলি সমস্বৰে bye, bye ইংৰাজী শব্দৰ প্ৰতিধ্বনি দি প্ৰত্যেকে ফালৰি কাটি নিজ নিজ গন্তব্য স্থানৰ অভিমুখে খোজ দিছিল। আধুনিক চিনেমা জগতৰ অভিনেতা-অভিনেত্ৰীয়ে দুটি আঙুলিৰ ক্ষণিক কম্পন তুলি bye ধ্বনি দিয়াৰ দৰে ময়ো তেনে নগৰীয়া ডিস্ক' মডেলৰ কায়দাকে অনুসৰণ কৰি সিহঁতকো তেনেদৰেই মিচিকিয়াঁ হাঁহিৰে আঙুলি দুটি লাহেকৈ জোকাৰি বাছষ্টেণ্ডৰ ফালে আগবাঢ়িলো।

বিদেশী আদব-কায়দা অনুসৰণ কৰা নগৰীয়া পূজা, স্মিতা, মৌচুমী, পাপৰিহঁতৰ বপকাট চুলি, টাইট জিন্স, ওখ হিলচ, স্কিনফিট স্পৰটিং আদি পৰিধান কৰি কলেজলৈ অহা, অসমীয়া ভাষাৰ মাজে মাজে অতিপাত ইংৰাজী শব্দৰ প্ৰয়োগ কৰি অঙ্গী-ভঙ্গীৰে কথা কোৱাৰ ষ্টাইল আদিবোৰ আকোঁৱালি লব পৰা নাছিল পল্লৱৰ সহজ-সৰল গাঁৱলীয়া মনে। ক'ত সেই অসমীয়াৰ মুগাৰ মেখেলা! ক'ত হেৰাল অসমীয়াৰ হৃদয়ত থকা সেই অসমীয়া মন! আজি বিদেশী বস্ত্ৰৰ পৰিধানে যেন প্ৰতিজনলৈ আনি দিছে এক থুলন্তৰ সুঠাম কায়াৰ সৌন্দৰ্য্য। এই অসমীয়া চামৰ কায় মনত যেন আজি বিদেশী আদব কায়দাৰ বিৰাট আধিপত্য। এই চাম অসমীয়াই এদিন পতন ঘটাব, অসমীয়া জাতিৰ, অসমীয়া ভাষাৰ, অসমীয়া কৃষ্টি-সংস্কৃতিৰ। অৱশ্যে মই বিদেশীজনৰ ভাষা-সংস্কৃতিক কেতিয়াও গঞ্জনা কৰা নাই; কেতিয়াও জ্বলা নাই মোৰ বুকুৰ মাজত অন্য অসমীয়াৰ প্ৰতি বিক্ষোভৰ অগনি, হেয় জ্ঞানৰ ফিৰিঙতি। সঁচাই মই দেশী বিদেশীৰ সংমিশ্ৰণত, অন্তৰ্দেশীয়। আমদানি-ৰপ্তানিত, ঐকতাৰ বন্ধনত গোপনে গোপনে আনন্দত পুলকিত হৈ পৰো। কিন্তু অসমীয়াৰ দ্বাৰাই অসমীয়াৰ ভাষা-সংস্কৃতি চিতাৰ জুইত দপদপাই জ্বলি জ্বলি ভষ্ম হৈ যাবলৈ ধৰাই মোৰ দৰে হাজাৰ-হাজাৰ অসম প্ৰেমীৰ বুকুত বিষাদে বাৰে প্ৰতি খুন্দিয়াই যায়। যাৰ প্ৰচণ্ড আঘাতত মোৰ দৰে হাজাৰজন অসম প্ৰেমীৰ বুকু চুৰ্চুমে হৈছে।

আজি দুবছৰ দিনৰ পৰা এই নগৰীয়া আবহাৱাওৰ লগত যুঁজি যুঁজি মই যেন ক্লান্ত হৈ পৰিছোঁ। এই যুঁজত মোৰ যেন আজি পৰাজয় ঘটিছে। এই দুবছৰ দিনে বহু পৰিবৰ্তনৰ বীজ সিঁচি দিছে মোৰ অকৃত্ৰিম গাঁৱলীয়া মনৰ উদং পথাৰত। য'ত শিপা মেলি লহপহকৈ বাঢ়ি গৈছে পাশ্চাত্য সংস্কৃতিৰ বীজৰ ভ্ৰূণ। এই দুবছৰ দিনত নগৰীয়া সমীৰণে হৃদয়ত সাঁচি ৰখা অসমীয়া মনৰ খোলাটোকে কাঢ়ি নি যেন হুতাশনৰ বক্ষত দলিয়াই পেলাইছে। য'ত উচ্ছন্ন হৈ গৈছে মোৰ সৰল মনৰ অসমীয়া অনুভূতি। 'ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ' অসমীয়া যোজনাৰ মনত ভুমুকি মৰাত সৰ্বশৰীৰ ত্ৰাসত কঁপি উঠিল। যন্ত্ৰণাবোধৰ এটি শিহৰণ জাগি উঠিল। কথাবোৰ ভাবি থাকোতেই বাছষ্টেণ্ডটো পাৰ হৈ বহুদূৰ আগুৱাই গলো। বাস্তৱলৈ ঘূৰি অহাতহে কথাবাৰ তত্ ধৰিলো। খং-লাজতে মুখেদি এটি ক্ষীণ হাঁহি সৰকি গ'ল।

গৰমৰ দিন। জেঠমহীয়া চোকা ৰ'দৰ উষ্ণতাই মোৰ সৰ্বদেহাক ঘাম পানীৰে তিয়াই পেলালে। মুখমণ্ডলত বিৰিঙি উঠিল সহস্ৰ ঘামৰ বিন্দু। অতিপাত গৰমৰ বাবে, মানুহৰ হেঁচা-ঠেলাৰ ত্ৰাসত বাছখন মানুহৰে নৌভৰোতেই সুবিধা বুজি খালী বাছখনৰ খিড়িকীৰ কাষৰ চীট এখনতে বহি পৰিলো। বহিয়েই যৎপৰোনাস্তি নোটবুকখনেৰে বিচী, বিচী তপত দেহটোক শাঁত কৰাত ব্যস্ত হলো। এনেতে আমাৰ বাছখনৰ কাষেদি তীব্ৰ বেগত পাৰ হৈ যোৱা ৰঙা মাৰুতি কাৰখনে মোৰ নাকে মুখে ছটিয়াই গ'ল নগৰীয়া আৱৰ্জনা পূৰ্ণ এসোপা ধুলি। কাৰখন চিনি পোৱাত মোৰ যেন বৰ এটা অসুবিধা নহ'ল; কাৰখন আছিল এইখন নগৰৰে একজিকিউটিভ ইঞ্জিনীয়াৰ শৈলধৰ বড়াৰ। যিজনে সৌসিদিনাখন কলেজত আয়োজন কৰা "বৃহত্তৰ অসমীয়া জাতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰাত বৌদ্ধিক মহলৰ কৰণীয়" শীৰ্ষক আলোচনা চক্ৰটিত নিজকে অসমীয়া বুলি পৰিচয় দি বৰ বৰ বক্তৃতাৰে জনতাৰ ওপৰত নিজকে মনে-প্ৰাণে অসমীয়া বুলি প্ৰমাণ কৰিব বিচাৰিছিল কিন্তু বহাগৰ বিহুত এই শ্ৰীমান বড়াৰ পৰিবাৰেই মেখেলা চাদৰক যেন হৃদয়ৰ পৰা বকৰাণিত দলিয়াই মেক্সিকে পৰিধান কৰি আমাৰ হুঁচৰি দলটিক সেৱা জনাই অসমীয়া সংস্কৃতিৰ ৰীতি পালন কৰিলে। শ্ৰীমতী বড়াৰ তেনে আদৱ কায়দাত আমাৰ সকলোৰে অন্তৰাত্মাত সংগোপনে জ্বলি উঠিল বিদ্ৰোহৰ দাবানল। এইচাম অসমীয়াই পাশ্চাত্য আদব-কায়দাৰ প্ৰতি মোহাবিষ্ট হৈ মনে-প্ৰাণে সাৰতি অসমীয়া ভাষাক সংস্কৃতিক তলে তলে মৃত্যুৰ বিশাল গৰ্ভলৈ ঠেলি দিছে। য'ত অসমীয়া অস্তিত্বৰ ক্ৰমশঃ পতন ঘটিছে।

অবিৰাম গতিত নগৰখনৰ বুকুত অহৰহ চলি থকা কল-কাৰখনা, গাড়ী মটৰবোৰৰ পৰা ওলোৱা ধোঁৱাবোৰে সম্পূৰ্ণ নগৰীয়া পৰিবেশটোৰ বিনিষ্ট সাধন কৰিবলৈ ব্যস্ত হোৱাত ক্ৰমাৎ মোৰ গৰমৰ অনুভৱটো তীব্ৰ হৈ আহিল। তেনেক্ষেত্ৰত বাছষ্টেণ্ডটোৰ কাষতে লাগি থকা আৱৰ্জনাৰ দ'মবিলাক, মদ-মাংসৰ জুপুৰি সদৃশ হোটেল, দৈনিক বজাৰৰ শাক পাচলিৰ গেলা পঁচা গোন্ধ, নৰ্দমাৰ গতিহীন গেলাপানীৰ দুৰ্গোন্ধ, কেঁচা-শুকান মাছৰ অকটা গোন্ধ, এচুকত থকা খোলা-মেলা প্ৰসাৱগাৰৰ গোন্ধ, আদিৰ দুৰ্গন্ধিত ঠাইডোখৰ মলমলাই আছিল। অসহ্যকৰ দুৰ্গন্ধিত প্ৰত্যেকৰে নাক মুখত যেন ৰুমালৰ সোপা। এনে এটা মুহূৰ্ত্তত বায়ুদেৱৰ গতিও যেন অচলাৱস্থা। বায়ুদেৱ এতিয়া যেন ঘোৰ তপস্যাত মগ্ন। গছ-গছনিসমুহো যেন আঙুলি মুৰত গণিব পৰা হ'ল। নগৰখনৰ চৌদিশে লক্ষ্য কৰিলে দেখা যাব এইখনো এখন যেন সৰু-সুৰা মৰুভূমি। ঠাইডোখৰৰ কাষতে থকা আমগছ জোপাৰ পাতবোৰ বৃষ্টিৰ অভাৱত যেন পকিপকি সৰিছে; গছজোপা যেন ক্ৰমশঃ মৃত্যুৰ দিশে ধাৱিত হৈছে। ইয়াৰ বাবেতো আমিয়েই দোষী। অসমৰ সুন্দৰ শ্যামলী বনাঞ্চল কাটি আমিয়েই জানো তহিলং কৰা নাই। মই নিজকে প্ৰশ্ন কৰিলো। যাৰফলত আজি অসমৰ জলবায়ুৰ বৈশিষ্ট্যৰ বিকৃতি ঘটিছে। আজি বৃষ্টিৰ অভাৱত অসমীয়া কৃষকে পেটত গামোচা বান্ধিবলগীয়া হৈছে। অসমখন যেন আজি মৰুভূমিৰ অভিমুখে গতি সলাইছে। আজি অসমৰ বুকুত বৃষ্টি নাই, বাবেই ধুলিবোৰ, নগৰৰ আৱৰ্জনাবোৰ ধুই নিকা কৰিবলৈ যেন এজাক বৃষ্টিৰ প্ৰয়োজন। যি বৃষ্টিৰ বিশুদ্ধ পানীয়ে বাট-পথ, গছ-গছনিৰ লগতে ধুই-পখালি নিকা কৰিব এই নগৰীয়া ভণ্ডামী অসমীয়াৰ আৱৰ্জনাময় ক্লেদাক্ত হৃদয়।

এইদৰেই কিবাকিবি কথাবোৰ ভাবি থাকোঁতে বাছখন ষ্টাৰ্ট দিয়াত মই চক খাই উঠিলো। বাছখনৰ গতিত শীতল বতাহজাকে মোৰ উষ্ম ক্লান্ত দেহটোক স্পৰ্শি গ'ল। বতাহজাকৰ স্পৰ্শত এক আমেজ ভৰা উশাহ টানি চকুহাল মুদি দিলো। এনেতে বাছখনে বহুদূৰ আগুৱাই গৈ এখন ঠাইত ৰখোৱা দেখি মই খিড়িকীয়েদি বাহিৰলৈ চাই পঠোৱাত মেইন ৰোডৰ পৰা অলপ আঁতৰত বাঁহগছ আৰু কলগছেৰে আৱৰি ৰখা সৰু খেৰ ঘৰ এখনৰ চোতালৰ ভঙা ছিঙা জেওৰাৰ সতে লাগি থকা নঙলাৰ কাষতে এগৰাকী গাভৰুতিৰোতাই সামান্যভাৱে মূৰত ওৰণি লৈ আমাৰ বাছখনৰ ফালে চাই থকা দেখিলো। তিৰোতাগৰাকীলৈ চাই মোৰ যেন চিনাকি চিনাকি লাগিল। বাছখন পুনৰ বেগাই যোৱাত চাবলৈ সুবিধাই নাপালো। তিৰোতাগৰাকীৰ সতে মই যেন কাৰোবাৰ সাদৃশ্য দেখা পালো আৰু হঠাৎ মোৰ বুকুৰ অভ্যন্তৰত সংগোপনে ৰুণিমা .... ৰুণিমা ..... নামটি প্ৰতিধ্বনিত হ'ল।

ৰুণিমা মোৰ বাল্যকালৰ বান্ধৱী। আমি দুয়ো প্ৰাথমিক বিদ্যালয়ৰ পৰাই একেলগে পঢ়িছিলো। ৰুণিমাই আছিল মোৰ অন্তৰঙ্গ বান্ধৱী। যদিও মোৰ অন্তৰঙ্গ তথাপিও সিহঁতৰ ঘৰ মই কোনোদিনে দেখা বা যোৱা নাছিলো। কাৰণ আমাৰ



গাঁৱৰপৰা ৰুণিমাহঁতৰ গাঁৱলৈ প্ৰায় ৬/৭ কিঃমিঃ মান দুৰ হ'ব। ৰুণিমা আছিল সম্পূৰ্ণৰূপে এজনী সহজ-সৰল, নিৰ্জু প্ৰকৃতিৰ ছোৱালী। তাইৰ কথা বতৰা, স্বভাৱ-চৰিত্ৰবোৰে মোক বৰকৈ আকৰ্ষণ কৰিছিল। সেইবাবেই হয়তো তাইক মোৰ খুউব ভাল লাগিছিল।

ৰুণিমা ঘৰৰ একমাত্ৰ সন্তান। মাক-দেউতাক আমাৰ গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰে শিক্ষক-শিক্ষয়িত্ৰী। মা-দেউতাই আমাৰ বিদ্যালয়তে চাকৰি কৰাৰ বাবে ৰুণিমায়ো আমাৰ বিদ্যালয়তে পঢ়িছিল। ক্ৰমশঃ অৱসৰৰ দিনবোৰ চাপি অহাত এদিন দুয়ো চাকৰিৰ পৰা অৱসৰ ললে। তাই অহা যোৱাত অকলশৰীয়া হ'ল। তাই যদিও এগৰাকী ছোৱালী তথাপিও মোৰ আগত হৃদয়ৰ সকলো কথাই কৈছিল আৰু ময়ো .......। শৈশৱ গৰকি এদিন আমি যৌৱনত ভৰি দিলো আৰু যৌৱনৰ প্ৰথম বেলাতে সোমাই পৰিলো হাইস্কুলীয়া জীৱনত। কিন্তু হাইস্কুলীয়া জীৱনত ভৰি নৌপেলাওঁতে তাই শিক্ষা সাং কৰি যেন স্কুললৈ নহাই হ'ল। তাই স্কুললৈ নহাৰ খবৰবোৰ লবলৈ মই বহু প্ৰচেষ্টা চলালো। কিন্তু প্ৰচেষ্টাত মই যেন ব্যৰ্থ হলো। সিহঁতৰ গাঁওখন বহু ভিতৰত হোৱা বাবে, গাঁৱৰ প্ৰায়বোৰ লোকেই দুখীয়া বাবে হয়তো তাৰ ল'ৰা-ছোৱালীবোৰ প্ৰায় বাহিৰৰ স্কুললৈ ওলাই যোৱাৰ সামৰ্থ্য নাছিল। দিনৰ পিছত দিন, মাহ, বছৰ বাগৰি গ'ল কিন্তু তাই পুনৰ স্কুললৈ নাহিল।

ক্ৰমাৎ সময়ৰ বুকুত দিনবোৰ বাগৰি গ'ল। অতীতৰ কথাবোৰো মোৰ মনৰ পৰা লাহে লাহে আঁতৰি গ'ল। মই হাইস্কুলীয়া জীৱন সমাপ্ত কৰি উচ্চ শিক্ষাৰ হেতু চহৰলৈ গৈ নতুন কলেজত পঢ়িবলৈ ললো। সময়ৰ গতিবেগত অতীতৰ প্ৰিয় বান্ধৱী ৰুণিমাও ক্ৰমাৎ মোৰ মনৰ পৰা হেৰাই গ'ল। ময়ো নতুন পৰিৱেশ, নতুন বন্ধু-বান্ধৱ পাই অৱশেষত নিজকে সিহঁতৰ মাজত উটাই দিলো। "পল্লৱদা নামক, ঘৰ পালেহি" - বাছৰ হেণ্ডীমেনজনে মাত লগোৱাতহে মই বৰ্তমানলৈ উভতি আহিলো।

গধুলি বিছনাতে বাগৰি তিৰোতাগৰাকীকে মস্তিষ্কত জুকিয়াই থাকিলো। তিৰোতাগৰাকী প্ৰকৃততে কোন? তাই মোৰ অতীতৰ বান্ধৱী ৰুণিমাৰ সতে কিয় ইমান সাদৃশ্য। কিয় ইমান মিল। অতীতৰ সেই কেঁচা হালধীয়া দেহৰ বৰণ; দীপ্ত মুখমণ্ডল; কাজলসনা সেই অতীত চকুহাল। কথাবোৰ কিবা ৰহস্য যেন লাগিল। মই গভীৰৰ পৰা গভীৰতালৈ সোমাই গ'লো। কথাবোৰ সংগোপনে পৰ্য্যালোচনা কৰি থাকোতেই চকুহাল জাপ খাই যোৱাত মই টোপনি গ'লো।

পিছদিনা কলেজলৈ বাছত গৈ থাকোতে দূৰৰ পৰাই সেই খেৰঘৰটোলৈ লক্ষ্য কৰাত মানুহৰ বিৰাট এটা জুম দেখা পালো। ওচৰ পোৱাত এজন যুৱকক কেইজনমান শান্তি ৰক্ষীয়ে শিকলিৰে বান্ধি হিন্দীতে অশ্লীল মাত কেইটা মাতি বন্দুকেৰে মাৰি মাৰি লৈ যোৱাৰ দৃশ্য দেখা পালো। অৱশ্যে ঘটনাটোলৈ ইমান গুৰুত্ব নিদিলো। জানিবলৈয়ো বৰ এটা ব্যগ্ৰতা নজন্মিল।

আজি কেইবাদিনো হ'ল পঢ়াত মোৰ একেবাৰেই মনোযোগ নাই। খাবলৈয়ো মন নোযোৱা হ'ল। মাথো চিন্তা, অনবৰত ৰহস্যৰ বীজেই জুমুৰি ধৰিছে মোৰ কোমল মস্তিষ্ক। কিন্তু এই ৰহস্যৰ বীজ ভাঙি নেপেলোৱা মানে মোৰ আৰু মানসিক শান্তি নাই।

অৱশেষত এদিন তালৈ গলো। তিৰোতাগৰাকী ভিতৰৰ পৰা ওলাই আহিয়েই মোক নঙলাখুলি সোমাই যোৱা দেখি হঠাৎ থমকি ৰ'ল। তাই তবধ লাগিল। বহু সময় এইদৰে পাৰ হোৱাৰ পিছত ধীৰ স্বৰত "পল্লৱ তই" বুলি তিৰোতাগৰী ফেঁকুৰি উঠিল। মোৰ আৰু বুজিবলৈ বাকী নাথাকিল। আদৰেৰে ভিতৰলৈ নি পালেং এখনতে বহিবলৈ দিলে। নিজে ভঙা মূঢ়া এটাতে বহিলহি। মই বিচুৰ্ত্তি খালো। সঁচাকৈয়ে জানো তাই ৰুণিমা? মোৰ নিজকে অপৰাধী অপৰাধী যেন লাগিল। মই নিজকে ধিক্কাৰ দিলো। নিজৰ সুখ আনন্দ, লাহ বিলাহত মই মোৰ অতি অন্তৰঙ্গ বান্ধৱী ৰুণিমাকো পাহৰি গলো। মনটোৱে যেন আৰ্ত্তনাদ কৰি উঠিল। "বাৰু পল্লৱ ক'চোন তোৰ কথা" ৰুণিমায়ে মাত লগোৱাত মই থতমৎ খালো। "মোৰ কথানো কি ক'ম, মেট্ৰিক পাছ কৰিয়েই শিৱসাগৰৰ পৰা গোৱালপাৰালৈ গুচি আহিলো। মাহীদেউৰ ঘৰত থাকিয়েই গোৱালপাৰাৰে এখন কলেজত পঢ়ি আছো। এইবাৰ হাইয়াৰ ছেকেণ্ডৰী ছেকেণ্ড ইয়েৰত। অতীতৰ প্ৰিয় বান্ধৱী ৰুণিমাৰে খবৰ এটা লবলৈ আজি ইয়ালৈকে আহি পালোহি।"

"বাৰু ৰুণিমা এইবাৰ ক'চোন তোৰ কথা। কিয় তই যে একেবাৰে স্কুললৈ নোযোৱাই হলি? ইমান কোমল বয়সতে বিয়া সোমালি যে আৰু কেনেকৈ শিৱসাগৰৰ পৰা এই গুৱালপাৰালৈ আহি পালি?" ক্ৰমশঃ মোক গ্ৰাস কৰি থকা কালৰাহু পূৰ্ণ ৰহস্যৰ বীজটোকে ভাঙিবলৈ উদ্যত হৈ

মই যেন একেবাৰেই গোটেই প্ৰশ্নসোপা তাইক কৰিলো।

তাইয়ো কোনো সংকোচ নকৰাকৈয়ে কৈ গ'ল "আজিৰ পৰা প্ৰায় পাঁচ বছৰমান আগৰ কথা। যি সময়ত মই ক্লাচ চেভেনৰ পৰা এইটলৈ উত্তীৰ্ণ হলো, সেই সময়তে অসমৰ বুকে কোণে সংঘটিত হোৱাৰ দৰে আমাৰ গাঁওখনতো যুৱ উশৃংখলতাই বিৰাট ভয়ানক ৰূপে জাগি উঠিছিল। হিংস্ৰ হৈ এচাম যুৱক নাৰীৰ মান-সন্মানৰ ওপৰত জপিয়াই পৰিল। অবিৰামভাৱে চলিল নাৰীৰ ওপৰত শাৰীৰিক উৎপীড়ন। শান্তিভঙ্গ, ত্ৰাসত নাৰীসকলৰ বুকুৰ শিখা কঁপি উঠিল। নীল আকাশ বাৰুদৰ ধোঁৱাৰে ধুঁৱলী-কুঁৱলী হ'ল। তেনে ক্ষেত্ৰত ইমান দীৰ্ঘপথেদি অকলেই অহা যোৱা কৰাতো সম্ভৱ নাছিল। তাতে মই ঘৰৰ একমাত্ৰ সন্তান। গতিকে মোৰ আৰু স্কুললৈ ..............।"

কথাৰ মাজতেই বটাখন মৌলৈ আগবঢ়াই দিয়াত তামোল এটুকুৰাকে মুখত সোমাই কথাবোৰ একান্তমনেৰে শুনি গলো। তাইয়ো কৈ গ'ল "ঠিক তাৰ চাৰিবছৰ মূৰত, এদিন মা আৰু দেউতাই কিবা কামত গুৱাহাটীলৈ যাওঁতে নৈশ বাছতে হোৱা বোমা বিস্ফোৰণত দুয়োৰ অকাল মৃত্যু হ'ল।" কথাষাৰ শুনি বুকুখন এক অগাধ শোকে খুন্দা মাৰি ধৰিল। নয়ন যুগল সেমেকি গ'ল, ৰুণিমাও ফেঁকুৰি উঠিল, যদিও পুনৰ কৈ গ'ল "মা-দেউতাৰ মৃত্যুত সংসাৰত মই একেবাৰে অকলশৰীয়া হলো। ভৰ যৌৱনত অকলশৰীয়া দেখি গাঁৱৰে দূৰ সম্পৰ্কীয় মোমাইদেউ এজনে এমাহ দিনমানৰ মূৰত ল'ৰা এজনকে দেখুৱাবলৈ মোৰ কাষলৈ লৈ আহিল। অকলশৰীয়া থুলন্তৰ সুঠাম কায়াৰ যুৱকজন দেখাত বৰ অমায়িক যেনেই লাগিল। যুৱকজনৰ গুৱালপাৰা টাউনতে এখন সৰুসুৰা বিলাতী মদৰ দোকান আছিল। নাম আছিল প্ৰীতম, মানে প্ৰীতম দুৱৰা। মোমাইদেউহঁতৰ পছন্দৰ বাবেই ময়ো না বুলি ক'ব নোৱাৰিলোঁ। শেষত দুয়োজনে যুগ্মজীৱনৰ আৰম্ভাৰ্থে গুৱালপাৰালৈ গুচি আহিলো।

কেইবামাহো বাগৰি গ'ল। এদিন গম পালো তেওঁ এজন অভদ্ৰ! মিছলীয়া! প্ৰৱঞ্চক! তেওঁ এজন মদপী। নিতৌ নিশা নিশা ১২/১ বজাত মদ খাই ঘৰলৈ অহাত বিক্ষোভত মোৰ অন্তৰাত্মাই হাহাকাৰ কৰি উঠে। বিৰুদ্ধে মাত মাতিলে অশালীন শব্দৰে চলে মোৰ ওপৰত শাৰীৰিক নিৰ্য্যাতন। জান, পল্লৱ মদৰ নিচাত উন্মত্ত হৈ এদিন সকলো হেৰাল মাটি-বাৰী, শান্তি-প্ৰশান্তি, মান-মৰ্য্যাদা সকলো।" ৰুণিমা পুনৰ ফেঁকুৰি উঠিল। অৱশ্যে ৰুণিমাৰ লগত হোৱা এনে অত্যাচাৰৰ বাবে মোৰো অন্তৰাত্মা বেদনাৰে ভাৰাক্ৰান্ত হ'ল, যদিও তাইক মই পুনৰ প্ৰশ্ন কৰিলো।

"ৰুণিমা তোৰ ঘৰৰ মানুহজন আছেনো ক'ত? এতিয়া কৰে বা কি?"

ভালেমান পৰ নিস্তব্ধতাৰেই পাৰ হ'ল। ৰুণিমাই এইবাৰ নিজকে সংযত কৰি কথাবোৰ কৈ গ'ল "পুৱাৰে পৰা অৰ্দ্ধ নিশালৈ প্ৰীতমে বিলাতীমদৰ বেহা কৰাত নিশা নিশা দোকানত কিছু যুৱকৰ মেল বহিবলৈ ধৰিল। সেই মেল ক্ৰমাৎ দৈনিকলৈ পৰিবৰ্ত্তন হ'ল। যুৱকসকলৰ পাকচক্ৰত পৰি প্ৰীতম এদিন গোপনে এক গুপ্ত সংগঠনত জড়িত হ'ল। সেই কথা জানিবলৈ পাই আমাৰ ঘৰলৈ দৈনিক শান্তিৰক্ষীৰ সোঁত ববলৈ ধৰিল। সৌ সিদিনাখনৰ কথা আজি প্ৰায় এসপ্তাহমানৰ আগতে এদিন প্ৰীতমে অভাৱ ড্ৰিংক কৰি ঘৰতে পৰি থকাৰ বিষয়ে কিবা প্ৰকাৰে গুংসূত্ৰ পাই কাহিলীপুৰাতে কৰা শান্তিৰক্ষীৰ তালাচীত প্ৰীতম ............।" আগলৈ কবলৈ নাপায়েই ৰুণিমাই উচুপি উঠিল। এতিয়াহে মই বুজিলো সৌ সিদিনাখন শান্তি ৰক্ষীৰ দল এটাই শিকলিৰে বান্ধি নিয়া যুৱকজন ৰুণিমাৰেই স্বামী।


বহুতখিনি কথা একেলগে কৈ ৰুণিমাৰ নয়নেদি ধাৰাসাৰে লোতক বাগৰিল। মুখমণ্ডল নিস্তেজ পৰিল। ৰুণিমাৰ কথাবোৰে মোৰো হৃদয়শিখা কঁপাই গ'ল। কলিজা যেন সংকুচিত হৈ গ'ল। ৰুণিমাই ইমান জ্বালা যন্ত্ৰণাৰ মাজেদি সৰুকি গৈয়ো সযতনে ৰাখিব খোজা মৰমৰ ঘৰখন যেন বালিঘৰ হ'ল। স্বামীৰ পৰা পোৱা অত' অপমানৰ স্বত্বেও তাই আদালতৰ জৰিয়তে স্বামীক ত্যাগ দিবলৈ আগবাঢ়ি নগ'ল। অৱশ্যে অসমীয়া নাৰীয়ে আইনৰ যোগেদি স্বামীক ত্যাগ দিবলৈ আগনাবাঢ়ে। সেয়ে ৰুণিমা আজিৰ আধুনিক যুগৰ সাক্ষাৎ এগৰাকী অসমীয়া নাৰী। হ'ব পাৰে ৰুণিমা গাঁৱলীয়া পৰিবেশৰ মাজেৰেই দিন অতিবাহিত কৰা, কিন্তু তাইৰ সাগৰৰ দৰে এখন বহল হৃদয় আছে, সংকটৰ মুহূৰ্ত্তত প্ৰয়োজনীয় এটা সংযমী মন আছে। যিটো আজিৰ যুগৰ সকলো নাৰীৰে কঠিন বিষয় হ'ব পাৰে। ৰুণিমাৰ কথাবোৰকে পাগুলি বুকুখন যেন বিষাই গ'ল। এক অগাধ শোকে খুন্দা মাৰি ধৰিল। নয়নযুগল সেমেকি গ'ল যদিও মনটো ফৰকাল ফৰকাল লাগিল। প্ৰশান্তিত আমেজ ভৰা এটা উশাহ টানি চকুহাল মুদি দিলো।

ময়ো ৰুণিমাৰ দুখতে সমভাগী হৈ তাইৰ কাষলৈ গৈ তাইৰ দুগালেদি নামিকৈ বৈ অহা চকুপানীবোৰ লাহেকৈ



# আশাৰ সমাধি

- যুগল চেতিয়া
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)।



পশ্চিমৰ আকাশত অস্তগামী সূৰুযৰ ৰাঙলী কিৰণে নৈৰ বুকুত মনোমোহা সৌন্দৰ্য্যৰ ক্ষন্তেকীয়া আনন্দ সৃষ্টি কৰি পুনৰ নৈখনক কন্দুৱাই ভৱিষ্যতৰ আগমনৰ প্ৰতিশ্ৰুতি দি দূৰ দিগন্তত বিলীন হৈ যায়। আবেলি পৰৰ এই ক্ষন্তেকীয়া ৰূপৰ পোহাৰ মেলি পাছত সেই আনন্দকে নিষ্ঠুৰ হাতেৰে দমন কৰি অৰ্ন্তধান হোৱা সূৰুযৰ দৰে প্ৰকৃতিৰ এই সকলো বস্তুৰে এই নিষ্ঠুৰ অভিশাপ কিয়! সেই কথা ভাবি ভাবি অনন্তৰ মূৰটো ঘুৰোৱা যেন লাগিল। নৈৰ পাৰত বহি সূৰুযৰ ক্ষন্তেকীয়া ৰূপৰ চমকনি দেখি তাৰ মনটো অস্থিৰ হৈ পৰিল। বাৰে বাৰে তাৰ ভৱিষ্যতৰ আশা, আকাংক্ষা বুকুত বান্ধি উজ্জ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতি লৈ ক্ষন্তেকীয়া চমক দি বিদায় লোৱা আদিত্যৰ কথা চকুৰ আগত ভাঁহিবলৈ ধৰিলে.....!

ভৱিষ্যতৰ এক ৰঙীন আশাৰ ছবি বুকুত আঁকি আদিত্যই খোজ দিছিল জীৱনৰ বাটত। সৰুৰে পৰা একমাত্ৰ লগৰীয়া একে গাঁৱৰে মৌচুমীয়েই আছিল তাৰ অন্তৰংগ বন্ধু-বান্ধৱী সকলো। দুয়ো পঢ়া শুনাত মেধা শক্তিৰ পৰিচয় দি সকলো শ্ৰেণীতে সুখ্যাতিৰে উত্তীৰ্ণ হৈ স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰিয়পাত্ৰ হৈ পৰিছিল।

সৰুতে মাতৃহীনা হোৱা আদিত্যৰ পঢ়াশুনা আদি কৰি সকলো বিষয়তে একাগ্ৰতাৰ অভাৱ নাছিল। সেয়েহে গাঁৱৰ সকলোৰে প্ৰিয়পাত্ৰ হৈ উঠিছিল। মাতৃহাৰা হোৱা বাবে ঘৰৰ প্ৰায়বোৰ কাম-কাজতে আদিত্যই দেউতাকক সহায় কৰিছিল। আদিত্যৰ দেউতাকে গাঁৱৰ মাজভাগতে থকা এল. পি. স্কুলখনত শিক্ষকতা কৰি পোৱা দৰ্মহাৰ টকাৰে সৰু পৰিয়ালটো সুকলমে চলিব পাৰিছিল। মাতৃহাৰা হোৱাৰ পাছত ঘৰখনত প্ৰাণী বুলিবলৈ মুঠতে তিনিটি। দেউতাক, আদিত্য আৰু আদিত্যৰ একমাত্ৰ ভায়েক প্ৰণৱ যি বৰ্ত্তমান ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ। এনেদৰেই আদিত্যহঁতৰ সুখৰ সংসাৰখন নিয়াৰিকৈ আগবাঢ়িছিল।

নৈৰ চিৰপ্ৰৱাহমান গতিৰ দৰেই মানুহৰ জীৱনটোও চিৰ প্ৰৱাহমান। প্ৰকৃতিৰ এই বিধিধা আওকাণ কৰাৰ অধিকাৰ কাৰোৰেই নাই। সময়ৰ প্ৰৱাহিত সোঁতত আদিত্যইও শৈশৱৰ দেওনাপাৰ হৈ আহি কৈশোৰত ভৰি দিলেহি। কৈশোৰৰ আৱেগৰ উতলা পৰশত সিহঁতৰ মনবোৰ আৰু ৰঙীয়াল হৈ উঠিল। স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে আশা কৰাৰ দৰেই আদিত্য আৰু মৌচুমীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগত লেটাৰ সহ উৰ্ত্তীণ হৈ গাঁৱৰ পৰা অলপ আঁতৰত অৱস্থিত কলেজখনত নাম ভৰ্ত্তি কৰিলেগৈ। স্কুলীয়া জীৱনৰ ক্ষুদ্ৰ পৰিধি এৰি সিহঁতে জীৱন গঢ়াৰ বহল পথাৰত বিচৰণ কৰিবলৈ ধৰিলে। সেই বিস্তৃত পথাৰতে আদিত্যহঁতৰ লগ লাগিলহি তাৰ দৰেই সৰল, মেধাৱী, শান্ত মনৰ অনন্তৰ। প্ৰথম চিনাকিতেই দুয়োটাই পৰস্পৰে পৰস্পৰক বুজি পালে আৰু খুউব সোনকালে দুয়োটাৰ মাজত বন্ধুত্বৰ এনাজৰীডাল এৰাব নোৱাৰা হৈ পৰিল। কলেজৰ লাইব্ৰেৰী, কমনৰুম আদি সকলোতে আদিত্য, মৌচুমী আৰু অনন্তৰ বন্ধুত্বই ঠাই পাবলৈ ধৰিলে। তিনিওৰে মাজত কলেজৰ গতানুগতিক জীৱন আগুৱাই গৈ থাকিল।

ৰথৰ চকৰীৰ দৰে মানুহৰ জীৱনটোও ঘূৰ্ণীয়মান। কেতিয়াও একে নাথাকে। সুখ-দুখ মিলিয়েইতো মানুহৰ

জীৱন। বৰ্ত্তমান সুখত অৱস্থান কৰি থকা মানুহ এজনেও হয়তো ভৱিষ্যতত দুখৰ গৰাহত ভৰি দিব। ঠিক তেনেদৰেই আদিত্যৰ আশাৰ ৰঙীন জীৱনলৈ এক ভয়ংকৰ কাল ধুমুহা নামি আহিল।

দুদিনমানৰপৰা আদিত্যই লক্ষ্য কৰিছে যে গাঁৱৰ মানুহবোৰে সিহঁতৰ দেউতাকৰ বিষয় লৈ গুণগুণ কৈ কিবা কথাৰ আলোচনা কৰিবলৈ ধৰিছে। দেউতাকক দেখিলেই মানুহবোৰে অলপ সংকোচ কৰি আঁতৰি ফুৰা যেন অনুমান হ'ল। লাহে লাহে এদিন আদিত্যই আৰ তাৰ মুখৰ পৰা সকলো কথা বুজিব পাৰিলে যে দেউতাকে শিক্ষকতা কৰা স্কুলখনৰে এগৰাকী অন্য সম্প্ৰদায়ৰ শিক্ষয়িত্ৰীক বিয়া কৰোৱাৰ যো-জা চলাইছে। সেই শিক্ষয়িত্ৰী গৰাকী হেনো দেউতাকৰ কলেজীয়া জীৱনৰ লগৰীয়া আছিল। কথাটো গম পাই আদিত্যই সেইদিনাই ৰাতিলৈ দেউতাকৰ পৰা সকলো কথাৰ সম্ভেদ বিচাৰিলে। প্ৰথমতে দেউতাকে তাৰ কথাত উচপ খাই কথাটো লুকুৱাব বিচাৰিছিল যদিও পাছত সকলো কথা এটি এটি কৈ বাহিৰ হৈ আহিল। দেউতাকৰ নিজ মুখত এনে কথা শুনি চৰম বিতৃষ্ণাত তাৰ মুখ কোঁচ খাই আহিল যদিও প্ৰথমে দেউতাকক এনে কাৰ্য্যৰ পৰা ভৱিষ্যতে হব পৰা পৰিস্থিতিৰ কথা অৱগত কৰি বিৰত হবলৈ শান্তভাৱে অনুৰোধ কৰি বুজাবলৈ চেষ্টা কৰিলে। আদিত্যৰ বুজনিৰ অশেষ চেষ্টাতো দেউতাকে মতামত নিদিয়াত আদিত্যৰ ধৈৰ্য্যৰ বান্ধ ক্ৰমে শিথিল হৈ আহিবলৈ ধৰিলে আৰু দেউতাকৰ সন্মুখত টান কথা কবলৈ বাধ্য হৈ পৰিল। পুতেকৰ মুখত তেনে কথা শুনি দেউতাকেও তাক নানাভাৱে নিষ্ঠুৰ গালি গালাজ পাৰি "আজিৰ পৰা তোৰ লগত ঘৰৰ সম্বন্ধ শেষ" বুলি কৈ তাক ওলাই যাবলৈ আদেশ দিলে।

দেউতাকৰ মুখত কোনোদিনে তেনে কথা নুশুনা আদিত্যই প্ৰথমবাৰলৈ সেই কথা শুনি বিশ্বাসেই কৰিব পৰা নাছিল সেয়া যে তাৰ জন্মদাতা দেউতাকৰ মাত। সি লাহে লাহে ঘৰৰ বাহিৰ হৈ আহিল। ভাৱিবলৈ ধৰিলে যে সৰুতে মাতৃহাৰা হোৱা সিহঁতৰ মাতৃৰ অভাৱ পূৰোৱাৰ কথা আগতে কোনোদিনেই দেউতাকে উল্লেখ নকৰিছিল। সেইবাবে সিহঁতেও মাতৃহাৰা হোৱা অনুভৱ কৰা নাছিল। হঠাৎ এতিয়া দেউতাকৰ এই ৩৫-৩৬ বছৰ বয়সত তেওঁ পত্নীহীনা অনুভৱ কৰি দ্বিতীয় বিবাহৰ মন মেলিছে। আদিত্যই একো থিৰ কৰিব নোৱাৰা হৈ পৰিল। অতদিনে সৰুৱস্থাৰ পৰা তাক তুলি তালি ডাঙৰ দীঘল কৰা শিক্ষিত দেউতাকক সৰুতে পঢ়া সাধুকথাৰ দৈত্যৰ দৰে বাস্তৱত উপলব্ধি কৰিবলৈ ধৰিলে। তাৰ মূৰটো আচন্দ্ৰাই কৰা যেন অনুমান হ'ল। চকুৰ আগত ভাঁহি উঠিল গাঁৱৰ সমাজত এঘৰীয়া হোৱা সিহঁতৰ ঘৰখন, একমাত্ৰ সৰু ভায়েকৰ গালত মাহীমাকৰ নিষ্ঠুৰ হাতৰ পৰশ আৰু ..... আৰু তাৰ শৈশৱৰ একমাত্ৰ লগৰীয়া যি নেকি তাৰ আশাৰ একমাত্ৰ সঁফুৰা, মৌচুমীৰ চকুত তাৰ প্ৰতি ঘৃণাৰ ভাৱ, বিতৃষ্ণা ইত্যাদি ...........।

সি আৰু কল্পনা কৰিব নোৱাৰিলে। লাহে লাহে এখোজ দুখোজ কৈ আগুৱাই ভিতৰ সোমাই ঘৰৰ বীজাণুনাশক হিচাপে ব্যৱহাৰ কৰা চিৰশান্তিৰ অমৃতৰ বটলটো সৰ্ন্তপণে লৈ বাৰীৰ চুকত থকা মাকৰ সমাধিৰ কাষত বৈ একান্তমনে সি চিৰশান্তিৰে ...............।

নৈৰ পাৰৰ চেঁচা বতাহজাক গাত লগাতহে অনন্তই চকখাই উঠিল। তেতিয়াহে উপলব্ধি কৰিলে যে সি ইমানপৰে নৈৰ পাৰতে বহি আছে। লাহেকৈ উঠিব খুজিও তাৰ উঠিব নোৱাৰা যেন লাগিল। বাৰে বাৰে চকুত জিলিকি উঠিল আদিত্যই তাৰ আগত কোৱা ভৱিষ্যতৰ ৰঙীন সপোনবোৰৰ কথা। মৌচুমীৰ সৈতে ৰচিব খোজা ভৱিষ্যতৰ সোণালী জীৱনৰ অলেখ আশাৰ ছবি। অনন্তৰ অনুভৱ হ'ল আদিত্যৰ দৰে হয়তো কত মেধাৱী ল'ৰাৰ ভৱিষ্যতৰ ৰঙীন সপোনবোৰ এনেকৈয়ে অকালতে ভাঙি চুৰমাৰ হৈ গৈছে। অজানিতে তাৰ বুকুৰপৰা এটা হুমুনিয়াহ ওলাই আহিল।

•••••••••••••••



# সেতু

- পংকজ বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)



মাজানে আকৌ এটা বাগৰ সলালে। তাইৰ টোপনি অহা নাই। এক তীব্ৰ মানসিক সংঘাটত ইতিমধ্যে কেইবাটাও বিনিদ্ৰ ৰজনী তাই এইদৰেই পাৰ কৰিছে। টোপনিৰ পৰিৱৰ্ত্তে তাইৰ দুচকুত নামিছে অশ্ৰুবন্যা। আপোনমনে চৰি ফুৰা এজনী হৰিণীকহে যেন আচম্বিতে এটা বাঘে আহি ডিঙিত চেপি ধৰিলেহি। বন্দুক,বেয়নেট, লাঠি সহিতে ওখ, হটঙা তেজপিয়া কেইটাৰ কথা মনলৈ আহিলেই তাইৰ শৰীৰৰ নোমাবোৰো ডাল ডাল হৈ আহে। তাই নিজেই যেন এক জড় পদাৰ্থলৈ ৰূপান্তৰিত হৈ পৰে। দুঃসময়ৰ সেই নাৰকীয় মুহূৰ্ত্তত তপত তেলত দিয়া জীয়া কাৱৈ মাছৰ দৰে প্ৰথমে চেঙালুটি পাৰি তাৰ পাছত লাহে লাহে দিকবিদিক শূণ্য হৈ কাণ্ডজ্ঞান লোপ পাই তাই নিঃসাৰ হৈ পৰিছিল। কিমান সময়লৈকে সেই অজ্ঞান অৱস্থাত পৰি আছিল তাই কব নোৱাৰে। তাৰপিছত তাই যেতিয়া চকু মেলিছিল সন্মুখত দেখা পাইছিল চকুলো টুকি টুকি ওচৰতে বহি থকা তাইৰ আব্বাজানক। জীৱনৰ শ্ৰেষ্ঠতম সম্পদকণ হেৰুৱাই নিজকে তাইৰ এটা অচল মুদ্ৰা যেন লাগিছিল। মৃত্যুসম দুখ আৰু ক্ষোভত তাই ফাটি পৰিল। এজনী সোতৰ বছৰীয়া গাভৰু ছোৱালীৰ বাবে তাতকৈ হৃদয়বিদাৰক কিবা থাকিব পাৰেনে?

ওচৰৰ টিমন বাগানৰ কলঘৰত ৰাতি বাৰটা বজাৰ ঘণ্টা পৰিল। তাৰ অলপ সময়ৰ পিছতেই ৰাতিৰ নিৰ্জ্জনতা ভঙ্গ কৰি ভাঁহি আহিল কেইটামান শিয়ালৰ চিঞৰ। বাৰীৰ কল এঠোকত বাদুলী এজনীয়ে খেকখেক শব্দ কৰি কল খাই আছে। নিশাচৰবোৰ নিজৰ খেয়াল খুচীমতে বিচৰণ কৰিছে। মাজৰাতিৰ গভীৰ অন্ধকাৰত ডুব গৈ আছে সমগ্ৰ দেশ। ডুব গৈ আছে এশচল্লিছঘৰ মানুহেৰে ভৰপুৰ মিলনপুৰ নামৰ গাঁৱৰ ৰাইজ।

অথচ এইখন মিলনপুৰৰেই এটা সোণালী ঐতিহ্য আছিল। শান্তি সম্প্ৰীতিৰ শিলৰ সাঁকো এদিন ইয়াতে ৰচিত হৈছিল। এশচল্লিছ ঘৰ মানুহৰ ভিতৰত প্ৰায় পঞ্চাশঘৰ মানেই আছিল মুছলমান সম্প্ৰদায়ৰ। পুৱা গধুলি গাঁওখনৰ এমূৰে থকা মছজিদৰ পৰা আজানৰ সুৰ ভাঁহি অহাৰ অলপ সময়ৰ পিছতেই শুনা গৈছিল আনটো মূৰে থকা বৰনামঘৰত ডবা কোবোৱা শব্দ। গাঁৱৰ ল'ৰা ছোৱালীবোৰৰ কাৰণে বিহু আৰু ঈদবোৰ আছিল যেন একোটাহঁত উৎসৱহে। বিহুত ল'ৰা ছোৱালীবোৰে হিন্দু চুবুৰীত যেনেকৈ চিৰাপিঠা দৈৰ সোৱাদ লৈ ফুৰিছিল, ঈদতো মুছলমান চুবুৰীত গৈ কুৰ্মা, পোলাও আদিৰ শৰাধ কৰি ফুৰিছিল। গাঁৱৰ ডেকাচামে তাতকৈয়ো আৰু এখাপ আগবাঢ়ি গৈছিল। হিন্দু মুছলমানৰ ধৰ্ম্মীয় গোড়ামিলৈ তাহাতে পিঠি দি মিলনপুৰত ৰচনা কৰিলে এখন নতুন সমাজ। হিন্দু গাঁৱৰ এজন ডেকাই যেতিয়া মুছলমান গাঁৱৰ এজনী ছোৱালীক এৰিব নোৱাৰো বুলি সাহসেৰে গওঁৱা ৰাইজক শুনাই দিলে, তেতিয়া বিকাশ, প্ৰশান্ত আৰু মাজানৰ ককায়েক ফিৰোজহঁতে লগ লাগি অনুষ্ঠুপীয়াকৈ তাহাঁতৰ বিয়াখন পাতি দিলে। তেওঁলোকৰ যুগ্ম জীৱনৰ প্ৰথম স্বাক্ষৰ ৰথীয়ে যেন নীৰৱে গাঁওখনত ঘোষণা কৰিলে এটা নতুন অধ্যায়ৰ সূচনা।

কলেজীয়া শিক্ষা শেষ কৰি চাকৰি বিচাৰি বিচাৰি বিকাশ, প্ৰশান্ত আৰু ফিৰোজহঁতৰ ইযোৰ পাছত সিযোৰ চেণ্ডেলৰ যেতিয়া গোৰোহা এৰাবলৈ ধৰিলে, তেতিয়া

আটাইকেইটা লগ লাগি জন্ম দিলে এখন নতুন হাইস্কুল। নাম থলে মিলনপুৰ হাইস্কুল। ডেকাহঁতৰ সেই উদ্যম দেখি কেৱল মিলনপুৰ গাঁৱৰ মানুহেই নহয় ইয়াৰ আশে পাশে থকা বহুতো গাঁৱৰ ৰাইজেও সিহঁতৰ সাহস আৰু সংকৰ্মক প্ৰশংসা কৰিলে। তাৰোপৰি গাঁওখনৰ প্ৰায়বোৰ উন্নয়নমূলক কামত ডেকাহঁতৰ কীৰ্ত্তি আৰু সাফল্য লুকাই আছে। সিহঁতৰ উদ্যমতেই গঢ়ি উঠিল ল'ৰা-ছোৱালীহঁতৰ ক্লাৱঘৰ সূৰ্য্যোদয় সংঘ। সূৰ্য্যোদয়ৰ ৰাঙলী আভাই যেন মিলনপুৰক আৰু জিলিকাই তুলিলে। গাঁৱৰ ঠেক আলিবাটেৰে ডেকাহঁতৰ চেষ্টাতেই বহল হ'ল। জৰাজীৰ্ণ পাঠশালা স্কুলটোৰ ৰূপো সলনি হ'ল।

এইবাৰ আকৌ আন এটা ঘটনা মাজানৰ মনলৈ আহিল। এবাৰ এজন হিন্দু মানুহক এজন মুছলমান মানুহে তেজ দিব লগা হ'ল। এজন ভাইজানৰ তেজে এজন ককায়েকৰ জীৱন বচালে। হিন্দু মুছলমানৰ সাম্প্ৰদায়িক প্ৰাচীৰখন ক'ৰবাত উফৰি পৰিল।

টং-টং কৈ ৰাতি দুটা বজাৰ ঘণ্টা তাই শুনিবলৈ পালে। ভাবৰ তন্ময়তাত এটা বজাৰ ঘণ্টা কেতিয়া মাৰিলে তাই গমকে নাপালে।

মিলনপুৰ গাঁৱৰ সাম্প্ৰতিক পৰিস্থিতিৰ কথা পুনৰ মনলৈ অহাত মাজানে এটা হুমুনিয়াহ কাঢ়িলে আৰু লগে লগে বুকুত এটা বিষ তাই অনুভৱ কৰিলে। শান্তি সম্প্ৰীতিৰ সোণালী সৌধ ৰচনা কৰা মিলনপুৰ বাসীয়ে এনে এক দুঃসময়ৰ মুখামুখি হ'ব লাগিব বুলি তাই কেতিয়াও ভবা নাছিল।

অথচ নভবা কথাবোৰেই এদিন কঠিন বাস্তৱৰূপে মিলনপুৰত দেখা দিলে। হঠাৎ যে কি হৈ গ'ল। দেশৰ ৰাজনৈতিক বাতাবৰণৰ লগতে মিলনপুৰৰ বাতাবৰণো ক্ৰমে সলনি হৈ আহিল। অসমৰ বিদেশী সমস্যাটোৰ ৰাজনৈতিক ফায়দা উঠাবলৈ চেষ্টা কৰিলে কেতবোৰ ৰাজনীতি কৰা মানুহে। এসময়ত মন্ত্ৰীৰ গাদীত থকা এজনলোকে পুনৰ মন্ত্ৰীত্বৰ সপোন দেখিবলৈ ধৰিলে। হিন্দু চুবুৰীত বিশেষভাৱে অপমানিত হোৱা সেই লোকজনে গাঁৱৰ সম্প্ৰীতি বিনাশ কৰি হিন্দু মুছলমানৰ ভিতৰত এখন যুদ্ধ লগাবলৈ অহৰহ চেষ্টা চলাই আছিল। তেওঁৰ ভেৰোণীয়া পালি পহৰীয়া কিছুমানে মুছলমানৰ চুবুৰীতগৈ কিছুমান আঁহফলা কথা প্ৰচাৰ কৰাত লাগিল।

বিকাশ, প্ৰশান্ত আৰু ফিৰোজহঁতে গাঁৱৰ মানুহবোৰক যিমান পাৰে বুজাবলৈ ধৰিলে। এনেবোৰ ৰাজনৈতিক দালালৰ কথাত ভোল নাযাবলৈ গাঁওবাসীক সকিয়নী দি থাকিল। ইফালে মন্ত্ৰীত্বৰ সপোন দেখা সেই লোকজনৰ পালি পহৰীয়া মানুহেও সাম্প্ৰদায়িকতাৰ বীজ ৰোপন কৰিবলৈ তলে তলে ক্ষেত্ৰ নিৰ্বাচন কৰিবলৈ ধৰিলে যাৰ ফলস্বৰূপে সংঘটিত হ'ল এটা মাৰাত্মক কাণ্ড।

ৰাতিপুৱাই মিলনপুৰ গাঁৱৰ বৰনামঘৰৰ বাটচৰাৰ সন্মুখত আবিস্কৃত হ'ল হালাল কৰি পেলাই থোৱা অৱস্থাত এটা দমৰা গৰু। বৰনামঘৰৰ বাটচ'ৰা তেজেৰে ৰাঙলী হৈ পৰিল। পৱিত্ৰ নামঘৰৰ সন্মুখত এইদৰে গৰু হালাল কৰা কথাটো হিন্দু মানুহখিনিয়ে সহজভাৱে লব নোৱাৰিলে। তেওঁলোকৰ মনত সন্দেহ জাগিল আৰু এই সন্দেহ ক্ৰমে ঘনীভূত হৈ ক্ষোভত পৰিণত হ'ল। মন্ত্ৰীত্বৰ সপোন দেখা লোকজনৰ ভেৰোণীয়া মানুহখিনিয়ে ছদ্মবেশ লৈ ৰাইজক উচটাবলৈ ধৰিলে। উন্মত্ত মানুহখিনিক সেই সময়ত বুজনি দিয়াৰ শক্তি প্ৰশান্ত, বিকাশহঁতৰ নাছিল। উন্মত্ত মানুহখিনিৰ মাজৰে আবেগক মুখ্যস্থান দিয়া একাংশ লোকে চকুত প্ৰতিশোধৰ বহ্নি হৈ মুছলমান চুবুৰীৰ ফালে আগবাঢ়ি গ'ল। মানুহবোৰৰ ক্ষোভৰ বিস্ফোৰণ ঘটিল। মুছলমান চুবুৰীত শুনা গ'ল পুনৰ হৈ হাল্লা, দপদপকৈ এটা ঘৰত জুই জ্বলি উঠিল। গাঁৱৰ আলিবাটটো সাময়িকভাৱে যেন যুদ্ধস্থলীলৈ পৰিণত হ'ল। ভালে কেইজনমানৰ হাতভৰি জখম হ'ল। মূৰ ফাটিলে, মুখেৰে হোলোকা হোলোক তেজ বলে। মিলনপুৰ গাঁৱৰ আলিবাট তেজেৰে ৰাঙলী হ'ল। ঠিক সেই সময়তে সশস্ত্ৰ চি. আৰ. পি. সহ পুলিচৰ গাড়ী আহি ঘটনাস্থলী পোৱাৰ কাৰণে সকলোবোৰ পলাই পত্ৰং দিলে।

তাৰপিছৰ অধ্যায় আৰু ভয়াবহ। মিলনপুৰ গাঁৱৰ শান্তি ৰক্ষাৰ দায়িত্ব অৰ্পন কৰা হ'ল বন্দুক, বেয়নেটেৰে সুসজ্জিত এই সশস্ত্ৰ চি. আৰ. পি. সোপাৰ ওপৰত। শান্তি ৰক্ষাৰ নামত এই ৰাক্ষসৰ দলটোৱে সূচনা কৰিলে এক নিৰ্লজ্জ অধ্যায়। ইতিহাসৰ পাত আকৌ এবাৰ কলংকিত হৈ পৰিল। এই দানৱৰ দলটোৱে ঘৰে ঘৰে সোমাই গাঁৱৰ জীয়াৰী বোৱাৰীহঁতৰ ওপৰত চলালে কামনা চৰিতাৰ্থৰ পৈশাচিক আচৰণ। এইবাৰ মুছলমান চুবুৰীও সাৰি নগ'ল। হিন্দু মুছলমান উভয় চুবুৰীৰ জীয়াৰী বোৱাৰীহঁতৰ করুণ উচুপনিয়ে বৃদ্ধ মাক-দেউতাকহঁতৰ কেঁকনি গেঁথনিয়ে,



শিশুৰ চেপা কান্দোনে গোটেই মিলনপুৰ গাঁৱলৈ নমাই আনিলে সংশয়, বিভীষিকা আৰু সন্ত্ৰাস। নিজৰ চকুৰ আগতে ভগ্নী, পত্নী, জীয়াৰীৰ সতীত্ব হৰণ হোৱা দৃশ্য দেখি গাঁৱৰ বহুতোলোক বলিয়া হৈ গ'ল। দুৰ্বিত্তৰ হাতৰ পৰা মৰমৰ ভনীয়েকক ৰক্ষা কৰিবলৈ গৈ মাজানৰ ককায়েক ফিৰোজ বন্দুকৰ খুন্দাৰ মুখামুখি হ'ল। বৃদ্ধ বাপেক চিকিম আলিয়ে হাতযোৰ কৰি সেই দানৱ কেইটাক মিনতি জনালে। "বাপাজান, বেটীৰ ইজ্জত বচোৱা।" বুটজোতাৰ গোৰত চিকিম আলি উফৰি পৰিল। লগে লগে ৰাক্ষস কেইটাই মাজানক বেঢ়ি ধৰিলে। তপত তেলতহে এজনী জীয়া কাৱৈমাছ যেন পেলাই দিয়া হ'ল। চেঙালুটি পাৰি পাৰি অৱশেষত মাছজনী নিথৰ হৈ পৰিল। বিচনাৰ ওপৰতে মাজানৰ এইবোৰ কথা ভাবি ভাবি দুচকুৰেদি সৰসৰাই পানী ওলাই আহিল।

লংকা কু-কু। ওচৰৰ কাৰোবাৰ ঘৰত কুকুৰাই ডাক দিলে। প্ৰথম কুকুৰাৰ ডাক। ৰাতিপুৱাৰ আগজাননী। বাহিৰৰ কোঠাত সৰ্বশৰীৰত যন্ত্ৰনা লৈ শুই থকা বাপেকে এটা কাঁহ মাৰিলে। বেৰখনৰ সিপাৰে থকা বিচনাখন এতিয়া খালি। ককায়েক ফিৰোজ এতিয়া জেলত। অকল ফিৰোজেই নহয় প্ৰশান্ত, বিকাশহঁতো এতিয়া জেলৰ ভিতৰত। তিনিদিনলৈকে অঞ্চলটোত সান্ধ্য আইন বলবৎ আছিল। মিলনপুৰ গাঁৱৰ ৰাইজৰ ওপৰত প্ৰায় পঞ্চাছ হাজাৰ টকাৰ পাইকাৰী জৰিমনা ঘোষণা কৰিলে। সৰ্ব্বস্ব হেৰোৱাৰ দিনাখনেই মাজানে চিন্তা কৰিছিল বাৰীৰ পিছফালৰ দ-কুঁৱাটোত জাপ দি তাই সকলোবোৰ হিচাপ নিকাচ কৰি পেলাব। কিন্তু বাপেকৰ করুণ মুখখনলৈ আৰু ককায়েকৰ মুখখন চকুৰ আগত জিলিকি উঠাৰ লগে লগে তাইৰ অন্তৰখনে হাহাকাৰ কৰি উঠিল আৰু এক অচিন মায়াই তাইক বাট ভেটি ধৰিলে। ককায়েকে প্ৰায় কৈ থকা কথাষাৰ তাইৰ আকৌ মনত পৰিল -- "জান মাজান, কালৰাত্ৰিৰ বুকুতেই প্ৰভাত লুকাই থাকে। ৰাতি দীঘল হলেওটো সময়ত সূৰ্য্যোদয় হবই।"

মাজানে শোৱাপাটী এৰিলে। আগফালৰ দুৱাৰখন খুলি তাই বাহিৰলৈ ওলাই আহিল। পুৱ আকাশখনত তেতিয়া এক ফেহুৰঙী পোহৰে উজ্জ্বলাই তুলিছে। তাৰমানে আৰু অলপ সময়ৰ পিছতেই ৰঙা বেলিটিয়ে পূৱ আকাশত ভুমুকি মাৰিব। কথাষাৰ ভাবি থাকোতেই মাজানৰ চকুত পৰিল -- হিন্দু চুবুৰীৰ ফালৰ পৰা এযোৰ পাৰ মুছলমান চুবুৰীৰ ফালে উৰি আহিছে। আকাশপথত লগ পোৱা টোৱাকাউৰী কেইটাও তাহাঁতক পথভ্ৰষ্ট কৰিব পৰা নাই।

••••••••••••••••••••

# সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

স্থাপিত ঃ ১৯৭০
ডাক ঃ সোণাৰি। জিলা ঃ শিৱসাগৰ(অসম),
পিন ঃ ৭৮৫৬৯০
কাৰ্যকাল ঃ ২০০১-২০০২

**সভাপতি ঃ**
শ্ৰীযুতা কমলাৱতী দাস

**উপ-সভাপতি ঃ**
শ্ৰী বিজু প্ৰধান

**সাধাৰণ সম্পাদক ঃ**
শ্ৰী বুদ্ধিকান্ত চেলেং

**সহকাৰী সাধাৰণ সম্পাদক ঃ**
শ্ৰী নিহাৰ জ্যোতি সোণোৱাল

**গুৰু খেল বিভাগৰ সম্পাদক ঃ**
শ্ৰী প্ৰাঞ্জল গগৈ

**আলোচনী বিভাগৰ সম্পাদক ঃ**
শ্ৰী ভাস্কৰ বৰুৱা

**সংগীত বিভাগৰ সম্পাদক ঃ**
শ্ৰী প্ৰশান্ত ৰাজখোৱা

**সাংস্কৃতিক বিভাগৰ সম্পাদক ঃ**
শ্ৰী তপন তাঁতী

**তৰ্ক বিভাগৰ সম্পাদক ঃ**
শ্ৰী ডম্বিধৰ টায়ে

**সমাজসেৱা বিভাগৰ সম্পাদক ঃ**
শ্ৰী দেৱজিৎ সেনগুপ্ত

**শৰীৰ চৰ্চা বিভাগৰ সম্পাদক ঃ**
শ্ৰী জিতু বড়া

**ছাত্ৰ জিৰণি চ'ৰা বিভাগৰ সম্পাদক ঃ**
শ্ৰী পলাশ বৰমুদৈ

**ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকা ঃ**
শ্ৰীমতী লেখামণি কোঁৱৰ

**ছাত্ৰ একতা সভাৰ সদস্য/সদস্যা ঃ**
শ্ৰীমতী নিবেদিতা বৰুৱা
শ্ৰীমতী ৰাজু দে
শ্ৰীমতী পম্পী বৰগোঁহাই
শ্ৰী নৰ ফুকন
শ্ৰীমতী দিপাশ্মিতা ৰাউট।





**বিজু প্ৰধান**

## উপ সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰপৰা মহাবিদ্যালয়ৰ অধ্যক্ষা, উপাধ্যক্ষা, প্ৰৱক্তা তথা কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে ছাত্ৰ-ছাত্ৰীসকলে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা কৰাত সহায় কৰাৰ বাবে তেওঁলোকৰ ওচৰত মই কৃতাৰ্থ থাকিম।

এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিজনৰ কাৰ্য্যক্ৰম বুলিবলৈ বিশেষ নাথাকে। সেয়েহে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে মোৰ বিশেষ উল্লেখনীয় কাৰ্য্যসূচী নাই। ছাত্ৰ একতা সভাৰ উদ্যোগত আয়োজন কৰা সকলোবোৰ কাৰ্যসূচীতে এজন বিভাগীয় প্ৰতিনিধি হিচাপে মই পূৰ্ণ সহযোগিতা আগবঢ়াইছিলোঁ। ছাত্ৰ একতা সভাৰ লগত আমাৰ মহাবিদ্যালয়ৰ অতি প্ৰয়োজনীয় ছাত্ৰনিৱাস আৰু ছাত্ৰীনিৱাস দুটাৰ উন্নতিকৰণৰ বিষয়ে মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত আলোচনা কৰিছিলোঁ যদিও বিশেষ সুফল লাভ কৰিবলৈ সক্ষম নহ'লোঁ। মহাবিদ্যালয়ৰ চৌহদৰ চাৰিসীমাত পকী দেৱালৰ নিৰ্মাণৰ বাবে অধ্যক্ষা মহোদয়াক হেঁচা প্ৰদান কৰিছিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী চ'ৰাৰ লগতে ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ বিষয়লৈও মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত আলোচনা কৰিছিলোঁ।

এই কৰ্মৰাজিৰ উপৰিও মহাবিদ্যালয়ৰ অন্যান্য কাৰ্য্যসূচীবোৰতো আত্মনিয়োগ কৰিছিলোঁ।

শেষত মোৰ এই কাৰ্য্যকালত সহায়-সহযোগিতা আগবঢ়োৱা সমূহ বন্ধু-বান্ধৱীলৈ ধন্যবাদ নিবেদিছোঁ আৰু অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছোঁ।

শেষত সোণাৰি মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনাৰে

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

- বিজু প্ৰধান
উপ-সভাপতি



বুদ্ধিকান্ত চেলেং

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই মোৰ পৰম শ্ৰদ্ধাভাজন অধ্যক্ষা মহোদয়াৰ প্ৰমুখ্যে মোৰ সেৱাৰ শিক্ষা গুৰু সকললৈ মোৰ ভক্তিপূৰ্ণ প্ৰণিপাত নিবেদন কৰিছোঁ।

২০০১-২০০২ বৰ্ষৰ "সোণাৰি মহাবিদ্যালয়"ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মোক নিৰ্বাচনৰ জৰিয়তে নিৰ্বাচিত কৰি এই গুৰু দায়িত্ব পালনৰ অৰ্থে আগবঢ়াই দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, শিক্ষা গুৰু আৰু যি সকল সদাশয় ব্যক্তিয়ে সহায় সহযোগিতা তথা গঠন মূলক দিহা পৰামৰ্শ আগবঢ়ালে তেখেত সকলৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰলোঁ।

কাৰ্যভাৰ গ্ৰহণ ঃ ২০০১-২০০২ বৰ্ষৰ ১২ জানুৱাৰী তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া প্ৰমুখ্যে উপাধ্যক্ষা মহোদয়া, শিক্ষা গুৰু আৰু পুৰণি সমিতিৰ কেইবাজনো বিষয়ববীয়াৰ উপস্থিতিত সংবিধানৰ নীতি অনুসৰি ২০০১-২০০২ বৰ্ষৰ কাৰ্যনিৰ্বাহকৰ দ্বাৰা আমি মহাবিদ্যালয়ৰ সংবিধান মানি চলিম আৰু মহাবিদ্যালয়ৰ বাবে নিস্বাৰ্থ সেৱা আগবঢ়াম বুলি কাৰ্যভাৰ গ্ৰহণ কৰোঁ।

এখন মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দৰে এটি গুৰু দায়িত্ব পালন কৰাতো সহজ কাম নহয়। তথাপিও আপোনালোকৰ আশীৰ্বাদ আৰু সহায় সহযোগিতা, দিহা পৰামৰ্শক সদায় আগস্থান দি আমি কাৰ্যভাৰ পৰিচালনা কৰিছিলোঁ। এটা বছৰত সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ বাবে আমি কি সেৱা আগবঢ়ালোঁ সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপিও আমাৰ কাৰ্যকালত কৰা কিছু কাৰ্যৰ চমু খতিয়ান আপোনালোকৰ জ্ঞাতাৰ্থে অৱগত কৰিলোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত প্ৰথমখন কাৰ্যনিৰ্বাহক সভাৰ আয়োজন কৰোঁ। উক্ত সভাত আমি আমাৰ কাৰ্যকালত কৰিব লগা বহু কাৰ্যসূচীৰ সম্পৰ্কে আলোচনা কৰাৰ লগতে শৈক্ষিক দিশৰ সম্পৰ্কত আৰু মহাবিদ্যালয়ৰ বহু দিশ সাঙুৰি গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

মহাবিদ্যালয়ৰ প্ৰধান উৎসৱ শ্ৰীশ্ৰীসৰস্বতী পূজা ভাগিও মহাবিদ্যালয়ৰ শিক্ষা গুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগিতাত উলহ মালহেৰে পালন কৰা হয়।

ইয়াৰ পাছতে আহি পৰে পৰীক্ষাৰ বতৰ। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষা, স্নাতক প্ৰথম আৰু দ্বিতীয় খণ্ডৰ পৰীক্ষাৰ সমূহ পৰীক্ষাৰ্থীলৈ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা বিদায়ী সম্ভাষণ আৰু পৰীক্ষাৰ শুভেচ্ছা জ্ঞাপন কৰা হয়। ৫ আগষ্ট মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগিতাত উক্ত প্ৰতিষ্ঠা দিৱসটিও পালন কৰা হয়। নতুনক আদৰি পুৰণিক বিদায় জনোৱাটো প্ৰকৃতিৰে নিয়ম। সেয়েহে আমিও মহাবিদ্যালয়লৈ ন-কৈ জ্ঞানৰ মণিক বুটলিবলৈ অহা জ্ঞান পিপাসু ছাত্ৰ-ছাত্ৰী সকলক আদৰিবলৈ ১০ আগষ্ট তাৰিখে একত্ৰিংশতিতম নৱাগত আদৰণি সভাখনি আয়োজন কৰিছিলোঁ। আদৰণি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক শ্ৰীযুত যোগেন চেতিয়াদেৱ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইনবিদ শ্ৰীযুত ৰমেশ বৰপাত্ৰগোহাঁইদেৱ, প্ৰমুখ্যে নগাঁৱৰ বিশিষ্টা মঞ্চাভিনেত্ৰী সুৰভি কটকী বাইদেউ তথা চৰাইদেউ মহকুমাৰ মহকুমাধিপতি শ্ৰীযুত ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যদেৱ। নৱাগত আদৰণি সভাৰ সৈতে সংগতি ৰাখি এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়।

বিগত বৰ্ষ সমূহৰ দৰে এই বৰ্ষতো মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱৰ তিথি আৰু শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা ও শিক্ষক দিৱস আদি পালন কৰা হয়।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ লগত অন্যান্য সৃজনী মূলক প্ৰতিভা বিকাশৰ



বাবে বিগত বৰ্ষৰ দৰে ছাত্ৰ একতা সভা আৰু শিক্ষা গুৰুসকলৰ উদ্যোগত ১০/১২/২০০১ তাৰিখৰ পৰা ১৬/১২/২০০১ তাৰিখলৈকে একত্ৰিংশতিম মহাবিদ্যালয় সপ্তাহ উলহ মালহেৰে পালন কৰা হয়। প্ৰতিভা জিলিঙনিৰ কেউটা দিনতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু অংশগ্ৰহণকাৰী অন্য বৰ্ষৰ তুলনাত অনেক বেছি আছিল।

সোণাৰি মহাবিদ্যালয় বহু সমস্যাৰে জৰ্জৰিত তথাপিও কিছু সমস্যা সমাধানৰ বাবে আমি যথাযথ চেষ্টা চলাইছিলোঁ আৰু ইয়াৰ সমাধানৰ অৰ্থে অধ্যক্ষা মহোদয়াৰ ওচৰত আমি আলোচনাৰ জৰিয়তে দাবী জনাইছিলোঁ। তাৰে কিছু সমস্যা তলত উল্লেখ কৰিলোঁ।

১। মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী চ'ৰা অনতি পলমে ব্যৱহাৰৰ উপযোগীকৈ মুকলি কৰি দিয়া।

২। মহাবিদ্যালয়ৰ চাৰিসীমাৰ চাৰিওফালে পকীদেৱাল দিয়াৰ ব্যৱস্থা কৰা।

৩। মহাবিদ্যালয়ৰ নকৈ স্থাপন কৰা পুথিভঁৰাল অনতি পলমে মুকলি কৰা লগতে প্ৰয়োজনীয় কিতাপ পত্ৰ যোগান ধৰিব লাগে।

৪। ছাত্ৰীনিবাসৰ চাৰিওকাষে পকীদেৱালৰ ব্যৱস্থা কৰিব লাগে।

৫। ছাত্ৰ-ছাত্ৰী নিবাসত খেলাধুলাৰ কিছু সা-সঁজুলি, টেলিভিচন আদিৰ ব্যৱস্থা কৰিব লাগে।

৬। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ স্থায়ী কাৰ্য্যালয় নিমাৰ্ণ কৰিব লাগে।

৭। ছাত্ৰাবাস পকী কৰিব লাগে।

৮। মহাবিদ্যালয়ৰ শ্ৰেণী কোঠা সমূহৰ সন্মুখত সুবিধা অনুযায়ী পানীটেপৰ ব্যৱস্থা কৰিব লাগে।

৯। বহু চৰ্চিত আৰু বহু প্ৰতীক্ষিত মহাবিদ্যালয়ৰ এখনি সুন্দৰ ফুলৰ বাগিছা স্থাপনত মনোনিবেশ কৰা।

১০। যিকোনো মূল্যৰ বিনিময়ত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ বিকাৰ সমূহক প্ৰতিৰোধ কৰা।

১১। বহু বিতৰ্কিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ একক পোছাক পৰিধানৰ ওপৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই গুৰুত্ব প্ৰদান কৰা।

এনেদৰেঁীয়া আমাৰ কাৰ্যকালত আমি যিমানখিনি বা যেনেদৰে মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে আগবাঢ়িব লাগিছিল হয়তো তেনেদৰে আগবাঢ়িব নোৱাৰিলোঁ; যদিও আপোনালোকৰ সহায় সহযোগিতাৰে মহাবিদ্যালয়ৰ উন্নয়ন কল্পে লোৱা বিভিন্ন পদক্ষেপ সমূহৰ কিছু কিছু সমাধান হৈ উঠাৰ পথ দেখা পোৱা গৈছিল আৰু সমাধানো হৈছিল। যিবিলাক পদক্ষেপ আধৰুৱাহৈ আছে সেইবিলাকৰ পূৰ্ণ সমাধানৰ অৰ্থে আমাৰ পিছৰ কাৰ্যনিবাৰ্হকে গুৰুত্ব সহকাৰে যথাযথ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশাৰে বাট চালোঁ।

আমাৰ কবলগীয়া ঃ সাধাৰণ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰাত অনেকৰ অনেক কব লগা থাকিব পাৰে। বহুক্ষেত্ৰত আমি পালন কৰা কাৰ্যসূচী সমূহত ক'ৰবাত নহয় ক'ৰবাত ভুল ত্ৰুটী থাকি যোৱাতো অস্বাভাৱিক কথা নহয়। আপোনালোকে যেন সেইবিলাক নিজ ভাতৃ, বন্ধু, শিষ্য হিচাবে ক্ষমা কৰাৰ লগতে গঠন মূলক সমালোচনাৰে আঙুলিয়াই দি যায়।

সাম্প্ৰতিক অসমৰ পৰিস্থিতিত কোনবোৰ বিষয় বস্তুৰ ওপৰত আলোকপাত কৰিলে বিভিন্ন জনৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে ভাষা তথা জাতিটোৰ মঙ্গল হ'ব তাক লৈ কিছু ভাবিব লগা হৈছে। সমাজ আৰু শিক্ষাৰ মাজত ওতঃপ্ৰোত সম্বন্ধ আছে। শিক্ষাই সমাজখনত ক্ষয়িষ্ণুতা আঁতৰাই এক দিকদৰ্শী ভূমিকা ল'ব পাৰে। কিন্তু বৰ্তমান ভাৰত বৰ্ষত বিশেষভাৱে অসমত শিক্ষাৰ ভূমিকা সম্পূৰ্ণ নেতিবাচক বুলিলে অত্যুক্তি কৰা নহ'ব। ব্যৱহাৰিক জগতখনৰ লগত খাপখাব পৰাকৈ পাঠ্যক্ৰমৰ অভাৱ হোৱাৰ বাবে এক আৰ্থ সামাজিক অস্থিৰ পৰিৱেশে সমাজখনক কলুষিত কৰি তুলিছে। দুখৰ বিষয়, আজিৰ অসমৰ শিক্ষা ব্যৱস্থাই আমাক বাস্তৱৰ সন্মুখীন হব পৰাকৈ প্ৰয়োজনীয় সাহস তথা দেশ আৰু জাতিৰ লগতে স্বাৱলম্বী হৈ চিন্তা কৰাৰ বাবে সম্বল যোগোৱাত ব্যৰ্থ হৈছে।

পৰীক্ষাকেন্দ্ৰিক হৈ পৰা শিক্ষা ব্যৱস্থাৰ ফলত যুৱ সমাজ বাৰুকৈয়ে হতাশাত ভুগিছে, বৰ্তমানৰ শিক্ষাই ভৱিষ্যত জীৱনৰ বোজা বহন কৰিব নোৱাৰাত যুৱ মানসিকতা হতাশাত ভুগাৰ উপক্ৰম হৈছে। অৱক্ষয় ঘটিছে শিক্ষা ব্যৱস্থাৰ,

ফলত গুৰু-শিষ্যৰ মাজৰ ওতঃপ্ৰোত সম্পৰ্কৰ অৱনতি ঘটিছে। ব্যক্তি প্ৰতিভাৰ অপচয় ঘটিছে। সেয়েহে শিক্ষানীতিৰ সম্পৰ্কত এক গভীৰ পৰ্য্যালোচনাৰ প্ৰয়োজন হৈছে। কাৰণ শিক্ষা ব্যৱস্থাই বাস্তৱমুখী কৰাৰ লগতে কেৱল মুখস্থ শক্তিৰ পৰীক্ষাৰ পৰিবৰ্তে উদ্ভাৱনী শক্তিৰ পৰীক্ষা লোৱা প্ৰয়োজন হৈছে।

**সমবেদনা জ্ঞাপন ঃ**

আমাৰ মহাবিদ্যালয়ৰ সৈতে অতীত বা বৰ্তমান সময়ৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত সকলৰ ভিতৰত বহুতৰে অকাল বিয়োগ ঘটিছে। তেখেত সকলৰ বিদেহী আত্মাৰ চিৰ শান্তিৰ বাবে অদৃষ্টজনৰ চৰণত প্ৰাৰ্থনা জনাইছোঁ।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

আমাৰ কাৰ্যকালত বিভিন্ন সময়ত দিহা পৰামৰ্শ আগবঢ়াই কাৰ্য পৰিচালনাৰ ক্ষেত্ৰত সহায় সহযোগ গঠনমূলক দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া, উপাধ্যক্ষা মহোদয়াৰ লগতে শিক্ষা গুৰু আৰু কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। প্ৰতিটো কাৰ্যসূচী সাফল্যমণ্ডিত কৰিবৰ বাবে আমাক বিভিন্ন সময়ত সহায় সহযোগ আগবঢ়োৱাৰ বাবে মোৰ সতীৰ্থ, অগ্ৰজ আৰু অনুজ সকললৈ হিয়া ভৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সামৰণি ঃ

প্ৰতিবেদনৰ সামৰণিত ভৱিষ্যতৰ ছাত্ৰ একতা সভালৈ আমাৰ অনুৰোধ যে আমাৰ কাৰ্যকালত সফল কৰিব নোৱাৰা কাৰ্য সমূহ বলিষ্ঠ পদক্ষেপেৰে কাৰ্যনিৰ্বাহিকে সমাধান কৰি মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত আগুৱাই যায় যেন। ছাত্ৰ শক্তি এক মহান শক্তি। সেই মহান শক্তিক গৌৰৱোজ্জ্বল কৰি তুলিবলৈ সবল নেতৃত্বৰে আগুৱাই যোৱাৰ লগতে মহাবিদ্যালয়ৰ পবিত্ৰতা অক্ষুন্ন ৰাখি ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থ জড়িত সমস্যা সমূহৰ সমাধানৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব।

সদৌ শেষত নৱ নিৰ্বাচিত ছাত্ৰ একতা সভালৈ মোৰ আন্তৰিক শুভেচ্ছা ভৰা আশীষ জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ শিক্ষা গুৰুবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ অশেষ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি আমাৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

- বুদ্ধিকান্ত চেলেং
সাধাৰণ সম্পাদক





নিহাৰজ্যোতি সোণোৱাল

## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে, সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ আৰম্ভণিতে সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীলৈ মোৰ হৃদিক অভিনন্দন জনাইছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে মই অপ্ৰতিদ্বন্দ্বি হৈ নিৰ্বাচিত হওঁ। মই মোৰ কাৰ্যকালত মোৰ ওপৰত নিয়োজিত দায়িত্ব পালনত কিমান সফলতা তথা পাৰদৰ্শিতা দেখুৱাব পাৰিলোঁ আৰু মোৰ কৰ্তব্য কিমান নিষ্ঠাৰে পালন কৰিব পাৰিলো সেয়া আপোনাসৱৰ বিচাৰ্য বিষয়।

আপোনাসৱে হয়তু নিশ্চয় উপলব্ধি কৰিব পাৰিছে যে এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ লগতে এজন সহকাৰী সম্পাদকৰ দায়িত্ব কিমান গুৰুত্বপূৰ্ণ। আমি অতি কম সময়ৰ ভিতৰতে নিৰ্বাচনৰ মাত্ৰ এটা দিনৰ বিৰতিৰ পিছতেই দায়িত্ব লৈ সৰস্বতী পূজা উদ্‌যাপন কৰিব লগাত পৰিছিলোঁ। সেয়েহে পৰিকল্পনাবিহীনভাৱে দায়িত্ব পালন কৰিব লগা হোৱাত নানা অসুবিধাৰ সৃষ্টি হৈছিল। তথাপিও সকলোৰে সহযোগত উক্ত অনুষ্ঠান আমি সাফল্যমণ্ডিত কৰি তোলো। ইয়াৰ পিছতেই মহাবিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক বিদায় সম্ভাষণ জনোৱাৰ উদ্দেশ্যে এখনি বিদায় সভা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ উপৰিও মহাবিদ্যালয়ত বিভিন্ন সময়ত শংকৰদেৱৰ তিথি, শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা আদি আমি সকলোৰে সহযোগত উদ্‌যাপন কৰোঁ। ১০ আগষ্ট তাৰিখে মহাবিদ্যালয়লৈ নকৈ অহা ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনাবৰ বাবে আমি নৱাগত আদৰণি সভা উলহ-মালহেৰে উদ্‌যাপন কৰোঁ। তাৰ পিছতেই ৫ চেপ্তেম্বৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত শিক্ষক দিৱস পালন কৰোঁ।

আমাৰ মহাবিদ্যালয়খনি নানা অভাৱ-অভিযোগেৰে পৰিপূৰ্ণ। বিশেষকৈ ছাত্ৰসকলৰ বাবে এটা ভাল ছাত্ৰ জিৰণি চ'ৰা নাই। ছাত্ৰীসকলৰ জিৰণি চ'ৰাও নানা অভাৱেৰে পৰিপূৰ্ণ। মহাবিদ্যালয়ত বিশুদ্ধ খোৱা-পানীৰ অভাৱ। এই সমস্যাসমূহৰ লগতে সাধাৰণ সম্পাদক, সংগীত বিভাগৰ সম্পাদক আৰু মই মহাবিদ্যালয়ৰ ছাত্ৰীনিবাস পৰিদৰ্শন কৰি নিৱাসটোৰ নানা অভাৱ-অভিযোগবোৰ পূৰণৰ বাবে কাৰ্যনিৰ্বাহক সভাত তথা বিভিন্ন সময়ত অধ্যক্ষা মহোদয়াক অৱগত কৰাওঁ আমাৰ কাৰ্যকালৰ শেষৰ ফালে ১০-১২-২০০১ তাৰিখৰ পৰা ৩১ তম মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰোঁ।

মোৰ কাৰ্যকালত মোক বিভিন্ন দিশত সহায় কৰা লেখা, পম্পী, পূজা, অম্বিকা, বিকাশ, পৰীক্ষিত, মতিউৰ, পলাশলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌশেষত মোৰ কাৰ্যকালত হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে কৰযোগে ক্ষমা বিচাৰিলো।

" জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

- নিহাৰজ্যোতি সোণোৱাল
সহকাৰী সাধাৰণ সম্পাদক।

স্থিৰ
চিত্ৰত
অনুপস্থিত

প্ৰাঞ্জল গগৈ

## গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীযুতা কমলাৱতী দাস, উপাধ্যক্ষা শ্ৰীযুতা ৰতিপ্ৰভা গগৈ, বিভাগীয় তত্বাৱধায়ক শ্ৰীযুত গিৰিণ গগৈ, জ্যোতিপ্ৰসাদ ফুকন, বিনোদৰাজ খনিকৰ, মনোৰঞ্জন কোঁৱৰ, চক্ৰপাণি পাতিৰ প্ৰমুখ্যে সন্মানীয় শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দক সশ্ৰদ্ধ প্ৰণাম জনাইছো।

প্ৰতিবেদন লেখাৰ পৰত আজি এটি বিশেষ দিনৰ কথা মনলৈ আহিছে। সেয়া হ'ল ক্ৰীড়া বিভাগৰ সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ আগত দিয়া প্ৰতিশ্ৰুতি। বছখিনি কৰিম বুলিয়েই এনে এটা গুৰুত্বপূৰ্ণ দায়িত্ব গ্ৰহণ কৰিছিলো। হয়, ঠিকেই মই প্ৰতিশ্ৰুতিবদ্ধ আছিলো আৰু এই প্ৰতিশ্ৰুতিৰে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ কিমানখিনি সেৱা আগবঢ়ালো সেই বিষয়ত আত্মসন্তুষ্টি লভিবলৈ কোনো বিশেষত্ব নাই। মই যিখিনি কৰিলো সেইখিনি গতানুগতিকতাৰ ভিতৰতে আবদ্ধ আছিল। বিগত বছৰটোৰ খেল সম্পাদক (খেল বিভাগৰ) হিচাপে কাৰ্য্যনিৰ্বাহ কৰাৰ পাছত মই ডাঠিকৈএযাৰ কথা ক'ব পৰা হৈছো যে মহাবিদ্যালয়খনৰ সকলো দিশৰ পৰা উত্তৰণ নহ'লে বৰ্তমানৰ যি গতানুগতিকতা, অহা কেইবাবছৰলৈকে সেই গতানুগতিকতাৰ উপস্থিতি লক্ষ্য কৰা যাব। অৱশ্যে মই এই গতানুগতিকতাৰ পৰিপন্থী নাছিলো। কিন্তু ইয়াৰ বিৰুদ্ধে যুঁজিবলৈ কঁকালত টঙালি বান্ধিবলৈ সাজু হওঁমানে মোৰ কাৰ্য্যকাল ওৰ পৰিবৰ হ'ল। কাৰণ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ হাতত "ৰিমট কণ্ট্ৰলৰ বুটাম বৰ্ড" নাথাকে।


গুৰু খেল বিভাগৰ আটাইতকৈ উল্লেখযোগ্য মুহূৰ্ত্তটো হৈছে "মহাবিদ্যালয় সপ্তাহ"। সেয়ে মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ সপ্তাহত মোৰ বিভাগৰ সকলোবিকাক প্ৰতিযোগিতা অনুষ্ঠিত কৰো। মোৰ কাৰ্য্যকালছোৱাত বিশেষ উল্লেখনীয় সেৱা আগবঢ়াব নোৱাৰিলো যদিও মহাবিদ্যালয়ৰ খেলপথাৰখনৰ কিছু উন্নতি সাধন কৰি ইয়াক খেলা-ধুলাৰ উপযোগী কৰি তোলা হয়। শেষত, মোক প্ৰতিযোগিতাবিলাকত সকলো প্ৰকাৰে সহায়-সহযোগ কৰা বন্ধু-বান্ধৱীসকলক ধন্যবাদ জ্ঞাপন কৰিবলৈ মোৰ ভাষা নাই।

সদৌশেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুসকললৈ পুনৰ শ্ৰদ্ধা আৰু সতীৰ্থ সকললৈ ধন্যবাদ জ্ঞাপন কৰিলো। লগতে অজানিতে কৰা ভুল-ক্ৰুটিবোৰৰ বাবে আপোনালোকৰ পৰা ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিছোঁ।

" জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

- প্ৰাঞ্জল গগৈ
গুৰু খেল বিভাগৰ সম্পাদক





বিপ্লৱজ্যোতি
ৰাজখোৱা

## লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ এই প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ সকলোৰে আদৰৰ সোণাৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য কৰ্মচাৰীসকললৈ অভিনন্দন জ্ঞাপন কৰিলোঁ। একত্ৰিশ বছৰীয়া সোণাৰি মহাবিদ্যালয়ত মই লঘু খেল বিভাগৰ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ পাই নিজকে ধন্য মানিছোঁ।

আমাৰ মহাবিদ্যালয়খনৰ খেল-ধেমালিত দুই-তিনি বছৰমানৰ আগলৈকে যথেষ্ট সুনাম আছিল। কেইবাজনো ক্ৰীড়াবিদে সোণৰ পদক অৰ্জন কৰিছিল। কিন্তু এতিয়া আমি তাৰ প্ৰায় সম্পূৰ্ণ এখন ওলোটা ছবিহে দেখিবলৈ পাওঁ। আমি সকলোৱে স্বীকাৰ কৰো যে আমাৰ মহাবিদ্যালয়ত খেলা-ধুলাৰ বাবে পৰ্যাপ্ত পৰিমাণে সা-সুবিধা নাই। কিন্তু আমাৰ মাজত যি সীমিত সা-সুবিধা আছে, চেষ্টা কৰিলে তাৰ মাজেৰে আমি আমাৰ প্ৰতিভা বিকাশৰ বাবে আগবাঢ়ি যাব পাৰোঁ। আজিকালি আমাৰ ছাত্ৰ-ছাত্ৰীসকলে বুজা উচিত যে দেহ-মন সুস্থ ৰাখিবৰ বাবে খেলা-ধূলা কৰা নিতান্তই আৱশ্যক। মহাবিদ্যালয়ৰ সপ্তাহ চলি থকা দিনকেইটাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি সংখ্যা সেৰেঙা। খেলুৱৈসকলক খেলিবৰ বাবে বিভাগীয় সম্পাদকসকলে অনুনয়-বিনয় কৰি মাতি নিব লগা হয়। এইবাৰ মোৰ বিভাগৰ বেডমিণ্টন আৰু টেবুল টেনিছ প্ৰতিযোগিতাৰ প্ৰতিযোগীৰ সংখ্যা নিচেই কম আছিল। যাৰবাবে বেডমিণ্টনৰ "মিক্স ডাব'ল" আৰু ছোৱালী শাখাৰ খেল খেলাব পৰা নগ'ল। ছোৱালী দৰা খেলুৱৈৰ সংখ্যাও আছিল নগণ্য। এয়া আমাৰ মহাবিদ্যালয়ৰ বাবে অতি লাজৰ কথা। এনে কিয় হ'বলৈ পাইছে -- এইকথা সূক্ষ্মভাৱে বিবেচনা কৰি চাবৰ সময় আহি পৰিছে। মোৰ অনুৰোধ, আমাৰ ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনাৰ লগতে ক্ৰীড়াৰ ক্ষেত্ৰতো সমানে মনোযোগ দি সোণাৰি মহাবিদ্যালয়ক অসমৰ ভিতৰতে এখন জাকত-জিলিকা মহাবিদ্যালয়ৰূপে পৰিচয় দিবলৈ চেষ্টা কৰে যেন।

এইবাৰ ২০০১-২০০২ চনৰ মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ খেলসমূহ সুকলমেই পাৰ কৰি নিবলৈ সক্ষম হওঁ। মোৰ কাৰ্যকালত কাৰোবাৰ প্ৰতি অজানিতে আৰু সীমিত অভিজ্ঞতাৰ হেতু হৈ যোৱা ভুল-ক্ৰুটিৰ বাবে সকলোৰে ওচৰত এই আপাহতে ক্ষমা বিচাৰিলোঁ।

শেষত মোক প্ৰতি মুহূৰ্ততে দিহা-পৰামৰ্শ দি সহায় কৰি থকা মোৰ তত্বাৱধায়ক শ্ৰীযুত দিব্যজ্যোতি কোঁৱৰ চাৰ, অধ্যক্ষা মহোদয়া বাইদেউ আৰু মোৰ বন্ধু নিৰ্মল, নিৰুপম, ভাস্কৰ, জীৱন, জ্যোতি, বুদ্ধিদা আদি সকলোলৈ এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

" জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

- বিপ্লৱজ্যোতি ৰাজখোৱা
লঘু খেল বিভাগৰ সম্পাদক



ৰাজেন চেতিয়া

# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষা মহোদয়া, মাননীয় উপাধ্যক্ষা মহোদয়া প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা অভিনন্দন জ্ঞাপন কৰিছোঁ।

বিগত ২০০১-২০০২ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদক হিচাপে বিনাপ্ৰতিদন্দিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ পোৱাত মই এই আপাহতে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সাহিত্য বিভাগৰ সম্পাদক হিচাপে মই গত বৰ্ষটিত বিশেষ একো গুৰুত্বপূৰ্ণ কাৰ্য্য সম্পাদন কৰিব নোৱাৰিলোঁ যদিও ডাকযোগে এখনি সদৌ অসম ভিত্তিত গল্প প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ। তদুপৰি 'মহাবিদ্যালয় সপ্তাহ'ত অনুষ্ঠিত কৰা সাহিত্য প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাইছিলোঁ। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত সকলোবিলাক কাৰ্যসূচীতে পূৰ্ণ সহযোগিতাৰে সৈতে অংশগ্ৰহণ কৰিছিলোঁ।

'সাহিত্য' বিষয়টি প্ৰকৃতাৰ্থতে জটিল আৰু গুৰুত্বপূৰ্ণ বিষয়; গতিকে আগন্তুক বৰ্ষ কেইটিত অধিক বলিষ্ঠতাৰে এই বিভাগটি কাৰ্য্যক্ষম হৈ উঠে যেন — এই কামনাৰে মোৰ এই চমু প্ৰতিবেদন ইমানতে সামৰণি মাৰিলোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

- ৰাজেন চেতিয়া
সাহিত্য বিভাগৰ সম্পাদক

---

স্থিৰ
চিত্ৰত
অনুপস্থিত

দেৱজিৎ সেনগুপ্ত

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে যিসকল বন্ধু-বান্ধৱী, অগ্ৰজ আৰু অনুজ প্ৰতীম সতীৰ্থই মোক ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিলে তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই আপাহতে মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰুলৈ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ উন্নতিকল্পে বিভাগীয় সম্পাদক হিচাপে বিশেষ অৰিহণা আগবঢ়াব নোৱাৰিলোঁ যদিও ছাত্ৰ একতা সভাৰদ্বাৰা পৰিচালিত সমূহ কাৰ্য্যসূচীতে মই পূৰ্ণ সহযোগিতা আগবঢ়াইছিলোঁ। বিভাগীয় কাৰ্য্যসূচী হিচাপে মহাবিদ্যালয়ৰ খেলপথাৰখন দুবাৰমান পৰিষ্কাৰ কৰাৰ উপৰিও মহাবিদ্যালয়ত উদ্‌যাপিত সমূহ কাৰ্য্যসূচীৰ পিছত মহাবিদ্যালয় চৌহদত পৰি ৰোৱা আৱৰ্জনাসমূহ আঁতৰাই মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ আৰু সুন্দৰ কৰি ৰাখিছিলোঁ। মহাবিদ্যালয়ৰ উন্নতিকল্পে মই আৰু বিশেষ কাৰ্য্যসূচী পালন কৰিবলৈ সক্ষম নহ'লোঁ।

শেষত মোৰ কাৰ্য্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটীৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু অনাগত দিনত মহাবিদ্যালয়খন সুন্দৰ হওক তাকে কামনা কৰিলোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

- দেৱজিৎ সেনগুপ্ত
সমাজসেৱা বিভাগৰ সম্পাদক





প্ৰশান্ত ৰাজখোৱা

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে সোণাৰি মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, শুভাকাংখী ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছো। মহান ভাৰতৰ স্বাৰ্থৰ হকে যিসকল লোকে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি যুদ্ধভূমিত বীৰৰ দৰে মৃত্যুবৰণ কৰিছে, সেই জ্ঞাত-অজ্ঞাত বীৰ-জোৱানসকললৈ এই আপাহতে অশ্ৰু-অঞ্জলি নিবেদিলো।

সংগীত, চৌষষ্ঠী কলাৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ কলা। গীত, বাদ্য আৰু নৃত্য কলাৰ সমষ্টি। "গীতং বাদ্যং তথা নৃত্যং এয়ং সংগীতনূচ্যতে।" এই সংগীত কলাৰ প্ৰতি মোৰ সৰুৰে পৰা আন্তৰিক শ্ৰদ্ধা আছে। সেয়েহে সোণাৰি মহাবিদ্যালয়ৰ সংগীত বিভাগটি পৰিচালনা কৰিবলৈ পোৱাত মই নিজকে ধন্য মানিছোঁ। কিন্তু যেতিয়া সংগীত বিভাগৰ সম্পদ তবলা, হাৰমনিয়াম, নাল আৰু ঢোলক বাদ্যযন্ত্ৰবোৰ বিচাৰি আমাৰ মহাবিদ্যালয়ৰ মজুত ভঁৰালত প্ৰৱেশ কৰো তেতিয়া সেইবিলাকৰ জৰাজীৰ্ণ অৱস্থা দেখি মনত দুখৰ অনুভূতি জাগে। সংগীত বিভাগটো উন্নতিৰ বাবে মই বহুতো পৰিকল্পনা হাতত লৈছিলো যদিও মহাবিদ্যালয়ৰ শোচনীয় আৰ্থিক অৱস্থাৰ বাবে মোৰ পৰিকল্পনাবিলাক কাৰ্যকৰী কৰিব নোৱাৰিলো।

মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহৰ সংগীত প্ৰতিযোগিতাত পোন্ধৰটা শাখাত গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। এই প্ৰতিযোগিতাবিলাকত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ আশানুৰূপ আছিল যদিও সি আছিল সংখ্যাত নিচেই তাকৰ। আশা কৰিলো ভৱিষ্যতে যেন প্ৰতিযোগী আৰু প্ৰতিযোগিতাৰ সংখ্যা বৃদ্ধি পায়।

বিভিন্ন সময়ত মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে সহায়-সহযোগিতা, দিহা-পৰামৰ্শ আদি আগবঢ়োৱাৰ বাবে তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো। মোৰ কাৰ্যকালত বিভিন্ন ধৰণে বিশেষভাৱে সহায় কৰাৰ বাবে তপন, বুদ্ধিকান্ত, নিহাৰজ্যোতি, ভদ্ৰেশ্বৰ, উজ্জ্বলনয়ন, অনন্ত, মনোজ কুমাৰ, অপূৰ্ব, গোপাল, ৰাজেন, পম্পী, লেখা, সংগীতা, মুনমী, কৰবী, পূজা, মিনাক্ষী, প্ৰতিমা, দেৱজ্যোতি আদিলৈ ধন্যবাদ নিবেদিলো। শেষত সীমিত জ্ঞান আৰু অভিজ্ঞতাৰ বাবে বিভিন্ন সময়ত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে কৰযোগে ক্ষমা প্ৰাৰ্থনা কৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

- প্ৰশান্ত ৰাজখোৱা
সংগীত বিভাগৰ সম্পাদক



তপন তাঁতী

## সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া প্ৰমুখ্যে সন্মানীত শিক্ষাগুৰুসকল আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু ককাইদেউ-বাইদেউ, ভাইটি-ভণ্টিসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

২০০১-২০০২ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে মহাবিদ্যালয়ৰ কাম-কাজত আগভাগ ল'বলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ পুনৰ ধন্যবাদ জনালো।

সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে প্ৰথমে মই কাৰ্যসূচী আৰম্ভ কৰিছিলো সৰস্বতী পূজা পালন কৰি। তাৰপাছতেই শ্ৰীমন্ত শংকৰদেৱৰ তিথি আৰু বিশ্বকৰ্মা পূজা মহাবিদ্যালয়ত ছাত্ৰ একতা সভা আৰু বন্ধু-বান্ধৱী তথা শিক্ষাগুৰুসকলৰ সহযোগিতাত পালন কৰিছিলো। মই '৩১ তম মহাবিদ্যালয় সপ্তাহ'ত সাংস্কৃতিক প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰিছিলো আৰু এই পৰিচালনাত বিশেষভাৱে সহায় আগবঢ়াইছিল শ্ৰীযুতা ৰাণু মহন, শ্ৰীযুতা জ্যোতিমা ফুকন, শ্ৰীযুতা বিজয়লক্ষ্মী গগৈ আৰু শ্ৰীযুত জ্যোতিপ্ৰসাদ ফুকন চাৰে। সেয়ে তেখেতসকললৈ এই আপাহতে শ্ৰদ্ধা নিবেদিলো। কিন্তু অতি পৰিতাপৰ কথা আমাৰ মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি আৰু অংশগ্ৰহণ আছিল নিচেই নগন্য। সেয়ে ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ অনুৰোধ যে অনাগত দিনবোৰত যেন তেওঁলোকে মহাবিদ্যালয় সপ্তাহত উপস্থিত থাকে আৰু নিজে অংশগ্ৰহণ কৰাৰ লগতে আনকো উৎসাহিত কৰে।

মোৰ কাৰ্যকালত অনুষ্ঠানসমূহ পৰিচালনা কৰোতে অজ্ঞাতে আৰু ভুলবশতঃ হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা জনালো। সদৌ শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত তথা ছাত্ৰ একতা সভাৰ দীৰ্ঘায়ু কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

- তপন তাঁতী
সাংস্কৃতিক বিভাগৰ সম্পাদক



## সোণাৰি মহাবিদ্যালয় আলোচনী 'সোণালী'ৰ সম্পাদকসকল

| সম্পাদক | বৰ্ষ |
|---|---|
| পুৰ্ণেশ্বৰ দিহিঙীয়া | ১৯৭২-৭৩ |
| সোণাধৰ গগৈ | ১৯৭৩-৭৪ |
| চন্দন কাকতি | ১৯৮৩-৮৪ |
| ৰাতুল চেতিয়া ফুকন | ১৯৮৫-৮৬ |
| মহেশ গদুকা | ১৯৮৬-৮৭ |
| অচিন্ত্য দিহিঙীয়া | ১৯৮৭-৮৮ |
| কল্পনা বৰুৱা | ১৯৮৮-৮৯ |
| দিব্যজ্যোতি কোঁৱৰ | ১৯৯০-৯১ |
| মণিদ্বীপ মোহন | ১৯৯১-৯২ |
| অমৃত বাইজ | ১৯৯২-৯৩ |
| মুকুন্দ চাবুকধৰা | ১৯৯৩-৯৪ |
| চন্দন বৰগোহাঁই | ১৯৯৪-৯৫ |
| বিশ্বজীৎ গগৈ | ১৯৯৮-৯৯ |
| প্ৰাঞ্জল গগৈ | ২০০০-২০০১ |
| ভাস্কৰ বৰুৱা | ২০০১-২০০২ |
| বিপ্লৱজ্যোতি ৰাজখোৱা | ২০০২-২০০৩ |

# Sonari College Magazine
## 2001-02 & 2002-03 Year

